# প্ৰান্তিক

৩য় বছৰ ২২শ সংখ্যা ১৬—৩১ অক্টোবৰ '৮৪

ল্য ৩ টকা

কলিতাৰ
নতুন

## অসমৰ আঞ্চলিক দলে চৰকাৰ গঠনৰ শক্তি লাভ কৰিব পাৰিবনে?




## পাৰমাণৱিক অস্ত্ৰৰ ভয়াবহতা

## প্ৰান্তিকৰ মুখ্য পৰিবেশক সকল

**গুৱাহাটী** ঃ ৰাজকুমাৰ মিশ্ৰ, মাছখোৱা বাছষ্টেণ্ড
বাণী প্ৰকাশ, পাণবজাৰ

**ছয়গাঁও** ঃ বেউলা প্ৰকাশনী

**গোৱালপাৰা** ঃ মুকুল ৰয়, অশোক নগৰ

**বংগাইগাঁও** ঃ আনন্দ বুক ষ্টল, পগলাস্থান

**নলবাৰী** ঃ জাৰ্ণেল এম্পৰিয়াম

**মংগলদৈ** ঃ অসম বুক ষ্টল

**তেজপুৰ** ঃ জুলি-জুলি এজেন্সি, বি. এচ্. ৰ'ড, কলিবাৰী

**উত্তৰ লক্ষীমপুৰ** ঃ বসন্ত মোহন বুক ষ্টল

**নগাঁও** ঃ ৰূমী-ৰূপক এণ্টাৰপ্ৰাইজ, নতুন বজাৰ

**ডিফু** ঃ ডিফু বুক ষ্টল

**নামৰূপ** ঃ মেঘদূত পেপাৰ এজেন্সি, থাৰমেল পাৱাৰ প্ৰজেক্ট

**যোৰহাট**
**শিৱসাগৰ** } অংকুৰ এজেন্সি, জে. বি. ৰ'ড, যোৰহাট
**গোলাঘাট**

**ডিব্ৰুগড়** ঃ সুৰভি সাহিত্য কুটীৰ, থানা চাৰি আলি

**তিনিচুকীয়া** ঃ মনোজ কুমাৰ শৰ্মা, শ্ৰীপুৰিয়া

**ডিগবৈ** ঃ ৰূপ ব্ৰাদাৰ্ছ, যশোদা ৰ'ড


# প্ৰান্তিক

৩য় বছৰ, ২২শ সংখ্যা ১৬—৩১ অক্টোবৰ '৮৪
Vol III No. 22— 16—31 October '84

মূল্য ৩ টকা



উপন্যাস 'ডেমকেয়াৰণীৰ সাধু'ৰ অন্তিম ভাগ ।৩৬। গল্প ঃ প্ৰসন্ন কলিতাৰ দুখ ।৪১। হীৰেন ভট্টাচাৰ্যৰ কবিতা ।৪৪। ক্ৰীড়াংগনত ফুটবল সম্পৰ্কে নতুন চিন্তা ।৪৫। কলা-সংস্কৃতি ।৪৮। শেষ পৃষ্ঠা ।৫০।


## এই সংখ্যাত

এইখন ৰাজ্যৰ সৰ্বাংগীন মংগলৰ কাৰণে আন্তৰিকতাৰে চিন্তা আৰু চেষ্টা কৰা কিছুমান মানুহ ক্ষমতাৰ আসনত বহিব লাগে; এটা শক্তিশালী আঞ্চলিক দলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব লাগে, —এনেধৰণৰ চিন্তা-চৰ্চা ৰাইজে কৰিছে। কিন্তু নিৰ্বাচনত এনে মানুহ বা দলে কিমান আসন দখল কৰিব পাৰিব? সেই হিচাপ কৰিবলৈ লওঁতে বিচাৰ কৰিব লাগিব নিৰ্বাচনী সমষ্টিবোৰৰ ভৌগোলিক অৱস্থান, ভোটদাতাৰ শিক্ষা-দীক্ষা, আৰ্থিক অৱস্থা, ভাষা, ধৰ্ম, প্ৰাৰ্থীৰ ব্যক্তিগত আৰু দলগত শক্তি আদিৰ কথা।

নিৰ্বাচন হওক-নহওক, পৰিস্থিতি সম্পৰ্কে সচেতন হৈ থকাটো প্ৰত্যেক নাগৰিকৰে কৰ্তব্য।

**অসমৰ আঞ্চলিক দলে চৰকাৰ গঠন কৰিব পাৰিবনে?**
**দিলীপ কুমাৰ মহন্তৰ প্ৰবন্ধ** ।১৯।


পত্ৰালাপ ।৪। ঘটনা ।৭। কুলদীপ নায়াৰৰ বিশেষ প্ৰবন্ধ ।৯। পাৰমাণৱিক অস্ত্ৰৰ ভয়াবহতা ।১১। জীৱনৰ দীঘ আৰু বাণি ঃ ড° মহেশ্বৰ নেওগ ।১৫। নুমলীগড় ।২৯। দৈনন্দিন ।৩৪। ড° চন্দ্ৰ কটকীৰ ধাৰাবাহিক


## অহা সংখ্যাত

অন্ধ্ৰ প্ৰদেশৰ ১৬৫ জন এম. এল, এ, নিজৰ মতত অটল হৈ থাকিল কাৰণে এন. টি. ৰামাৰাওক পুনৰ মুখ্যমন্ত্ৰী হ'বলৈ মতা হ'ল। ৫৬ জন এম. এল. এই দলত্যাগ কৰিলে। কিন্তু আৰু ২০ জনে দলত্যাগ কৰা হ'লে ৰামাৰাওক ক্ষমতাচ্যুত কৰাটো সম্পূৰ্ণ "আইনসন্মত" হ'লহেঁতেন. ভাস্কৰ ৰাও মুখ্যমন্ত্ৰী হৈ থকাটো "সাংবিধানিক" হ'লহেঁতেন। অৰ্থাৎ কম মানুহ অসাধু হ'লে কথাবোৰ বে-আইনী, অসাংবিধানিক হয়. আৰু বেছি মানুহ অসাধু হ'লে কথাবোৰ আইনসন্মত, সাংবিধানিক হয়! কথাকাণ্ডবোৰ ইমানেই বিকৃত হৈ পৰিল। এনেকুৱা বিকৃতি, ভ্ৰষ্টাচাৰবোৰ আমাৰ দেশত সাধাৰণ কথাৰ দৰে হৈ পৰিল কেনেকৈ?

অন্ধ্ৰপ্ৰদেশৰ ঘটনাক কেন্দ্ৰ কৰি, অসম, পঞ্জাব, কাশ্মীৰৰ ঘটনাৱলীৰ ওপৰত আলোকপাত কৰি, সমগ্ৰ দেশখনৰ পৰিস্থিতি পৰ্যালোচনা কৰিছে **অৰুণ শ্বোৰিয়ে**

**অন্ধ্ৰক এটা "আৰম্ভণি" কৰি তোলক**

(প্ৰান্তিকলৈ পঠোৱা বিশেষ প্ৰবন্ধ)

নামনি অসমৰ এই প্ৰলংকৰ বানপানীয়ে কোন কোন অঞ্চলৰ কিমান ক্ষতি কৰিলে? এই দুৰ্যোগ হ'বলৈ পালে কেনেকৈ? ই অকল প্ৰকৃতিৰেই লীলা নে? লক্ষ লক্ষ মানুহে সদায় ভাগ্যক ধিয়ায়েই দিন কটাব নে? বিজ্ঞান; কাৰিকৰী বিদ্যা. প্ৰযুক্তি বিদ্যা— এইবোৰ ক্লাছৰুম আৰু ফাইলৰ মাজতে সোমাই থাকিবনে?

প্ৰান্তিকে বিশেষভাৱে যুগুত কৰা প্ৰবন্ধ

**বলিয়া বান, বলিয়া প্ৰকৃতি, বলিয়া মানুহ**

দিচৈকাষ, ৰজাহাউলী, লখিমীহাট, সোণাৰী গাঁও, গৰখীয়া দ'ল আদি দহ-বাৰখন গাঁৱৰ সেই বিশাল অঞ্চলটো। পথাৰৰ সোণালী শইচ; খাল-বিল নদীত মাছৰ খেলা, নামঘৰত খোলৰ চেও, পাঠশালাত কলপাতত আখৰ লিখা ল'ৰা-হঁতৰ গুণ-গুণনি,— এইবোৰৰ লগত ধীৰে-ধীৰে মিলি যায় নতুন বাট সাজা বিহাৰী বৰুৱাৰ মাত, ইলা, ভানুহঁতৰ বঞ্চিতা নাটকৰ বচন, ব্ৰহ্মপুত্ৰৰ গৰ্জন, বিজুলী চাকিৰ পোহৰ। তাৰ মাজত ওলমি, লৰি থাকে গোলোক বৰুৱাৰ সংসাৰ—বৰবাপ, মাজুবাপ, সৰুবাপহঁত—।

**বলুকাত বিয়লি**

**কৈলাশ শৰ্মাৰ** উপন্যাসৰ আৰম্ভণি


**মুখ্য সম্পাদক ঃ ড° ভবেন্দ্ৰনাথ শইকীয়া**

**বিশেষ নিবন্ধকাৰ ঃ** * কুলদীপ নায়াৰ * বদন বৰুৱা * অনিল বৰুৱা * ড° দিলীপ কুমাৰ দত্ত * ড° কুলেন্দু পাঠক * পুলক লাহিড়ী * কৃষ্ণগোপাল ভট্টাচাৰ্য্য * সুনীল পৱন বৰুৱা * ড° নিৰোদ কুমাৰ বৰুৱা * ধীৰেন বেজবৰুৱা

**সহযোগী নিবন্ধকাৰ ঃ** * পৰাগ কুমাৰ দাস * গণেশ দাস * পূৰ্ণ বৰা

**সহকাৰী সম্পাদক ঃ** * সমুদ্ৰ গুপ্ত কাশ্যপ **সহযোগী ঃ** ইমৰান হুছেইন

**অংগ সজ্জা ঃ** * ইন্দিবৰ বুঢ়াগোহাঞি **সহযোগী ঃ** সীমান্ত জ্যোতি বৰুৱা **কাৰ্টুন ঃ** অজান

**আলোকচিত্ৰ ঃ** * দীপক বেজবৰুৱা * সমীৰ চৌধুৰী

গুৱাহাটীৰ ট্ৰিবিউন প্ৰেছত **প্ৰদীপ বৰুৱাৰ** দ্বাৰা মুদ্ৰিত, প্ৰকাশিত আৰু সম্পাদিত





OKDISCD

## পত্ৰালাপ

### শংকৰদেৱে আকৌ জন্ম ললে

সমাজত যেতিয়াই ধৰ্মৰ গ্লানি হয়, অধৰ্মই মূৰ দাঙি উঠে তেতিয়াই ঈশ্বৰৰ অৱতাৰ স্বৰূপ একোজন মহাপুৰুষৰ আবিৰ্ভাৱ হয় বুলি আমি ধৰ্মপুথিত পাই আহিছোঁ। আজিৰ সমাজখনক অত্যাচাৰ-অনাচাৰ আদিয়ে ছানি পেলোৱা সত্ত্বেও আমি কিন্তু এতিয়ালৈকে অসমীয়া সমাজখনত তেনে ধৰণৰ মহাপুৰুষৰ আবিৰ্ভাৱ হোৱাৰ কথা নাজানোঁ। অসমৰ বৈষ্ণৱ সমাজখনত শংকৰদেৱৰ পুনৰাগমন সম্বন্ধে কিবা ভৱিষ্যত-বাণী আছে নে নাই নাজানো, কিন্তু কলিকতাৰ এটা ধৰ্মীয় মিছনৰ এখন কিতাপত শংকৰদেৱে পুনৰ জন্ম লোৱা বুলি এটা চাঞ্চল্যকৰ কথা প্ৰকাশ কৰা হৈছে। উক্ত গ্ৰন্থখনৰ নাম হ'ল "Kalki comes in 1985"। গ্ৰন্থখনৰ প্ৰণেতা হ'ল স্বামী জগদীশ্বৰানন্দ। মিছনৰ নাম "ৰামকৃষ্ণ ধৰ্মচক্ৰ" (বেলুড়)। পাঠকে যেন এই মিছনক ৰামকৃষ্ণ মিছন বুলি ভুল নকৰে। উক্তগ্ৰন্থখনৰ মতে ঈশ্বৰে কল্কি অৱতাৰ লব ১৯৮৫ চনৰ বহাগ মাহৰ শুক্লা দ্বাদশী তিথিত, মথুৰাত। শংকৰদেৱৰ সম্বন্ধে লিখা কথাখিনি আমি তলত হুবহু তুলি দিলোঁ।

"Some of the Dharmagurus are not even Videhamuktas! Sankardev was a Dharmaguru of Assam, and author of many a sacred books in Assamese, and introduced in that province the worship of Bhagavata, instead of the image of Sri Krishna in temples, like Sikh Gurus in the Punjab. ……I travelled widely in Assam, and found that Sankardev is even now the most popular Dharmaguru of that Province. So I wanted to know what Ishtamantra he gave to his disciples. On April 16, 1963 Swami Bhairavananda, sitting in the western varandah of our shrine, called on Sankardev but did not find him anywhere in the higher worlds. Then the cosmic mother smilingly informed Bhairavananda that Sankardev has already been born on earth. The followers of Sankardev should now think out what they should do after being aware of this secret news." (Page 287).

আমি অসমীয়া সমাজক, বিশেষকৈ শংকৰী বৈষ্ণৱ সমাজখনক, গ্ৰন্থখনৰ প্ৰণেতাৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ জনাওঁ। আমাৰ হাতত গ্ৰন্থখনৰ এটা কপি আছে। গ্ৰন্থখনৰ প্ৰাপ্তিৰ ঠিকনা তলত দিয়া হ'ল।

শ্ৰীৰামকৃষ্ণ ধৰ্মচক্ৰ, বেলুড়, হাওড়া,
প্ৰকাশক: শ্ৰীছি· ছি· মহান্তি,
ছেক্ৰেটেৰি, শ্ৰীৰামকৃষ্ণ ধৰ্মচক্ৰ
২১১এ গিৰীশ ঘোষ ৰোড বেলুড়
পোঃ অঃ—বেলুড়মঠ, জিলা—হাওড়া
পশ্চিমবংগ

—মাণিক চন্দ্ৰ দেৱ শৰ্মা,
পলাশবাৰী

### "অবিবাহিত শিক্ষিত যুৱকলৈ"

"অবিবাহিত শিক্ষিত যুৱকলৈ" শীৰ্ষক পত্ৰলানিৰ (১।৬।৮৪) প্ৰসংগত প্ৰকাশিত শ্ৰীসুনীল কুমাৰ পাঠকৰ চিঠিৰ সম্পৰ্কত আমি দুআষাৰ লিখি পঠালো।

শ্ৰী পাঠকে অসমৰ বিভিন্ন জনগোষ্ঠীৰ মাজত মধুৰ সংহতি স্থাপনৰ ক্ষেত্ৰত যি কাৰ্যকাৰী পন্থাৰ বিষয়ে উন্মুকিয়াই, নিজেও সাহসেৰে সেই পন্থা গ্ৰহণ কৰি অসমৰ বিভিন্ন জনগোষ্ঠীৰ শিক্ষিত যুৱ সমাজলৈ এক সাহসী তথা বাস্তৱবাদী পৰামৰ্শ আগবঢ়াইছে তাৰ বাবে তেখেত নিশ্চয় ধন্যবাদৰ পাত্ৰ। অসমৰ বিভিন্ন ভাষিক তথা ধৰ্মীয় জন-গোষ্ঠীৰ মাজত দিনে দিনে বৃদ্ধি পোৱা ভাঙোনমুখী প্ৰক্ৰিয়াটোক বাধা দি এক সুস্থ সবল অসমীয়া জাতি গঠনৰ দিশটো আজিৰ ডেকা-গাভৰুৱে গুৰুত্ব সহকাৰে বিবেচনা কৰাৰ সময় আহি পৰিছে। এই ক্ষেত্ৰত বিভিন্ন সংগঠন বা ব্যক্তি বিশেষে নানা পন্থা অৱলম্বন কৰি বিভিন্ন জনগোষ্ঠীৰ মাজত সংহতি স্থাপনৰ চেষ্টা অব্যাহত ৰাখিছে যদিও এই পন্থাবোৰে বিশেষ দায়িত্ব সহকাৰে কৃতাৰ্থ হব পৰা নাই। সেয়েহে আমিও শ্ৰীসুনীল পাঠকৰ ভাষাৰে এই ক্ষেত্ৰত বিভিন্ন জন-গোষ্ঠীৰ মাজত বৈবাহিক সম্পৰ্কটোৱেই আটাইতকৈ কাৰ্যকৰী পন্থা হব পাৰে বুলি কব খোজোঁ। আজি এফালে ৰকেট বা আনৱিক যুগৰ প্ৰৱৰ্তন আৰু আনসকলে সমাজৰ জাতি-ভেদ উচ্চ-নীচ বিচাৰৰ দৃষ্টিভংগীয়ে আজিৰ শিক্ষিত যুৱক-যুৱতীৰ মনত এক মানসিক সংঘাতৰ সৃষ্টি কৰিছে। আজিৰ যুৱক-যুৱতীয়ে ইয়াক এক প্ৰত্যাহবান হিচাপে লৈ শ্ৰী পাঠকৰ দৰে সক্ৰিয়ভাৱে, সাহসেৰে আগবাঢ়ি অহাৰ সময় আহি পৰিছে আৰু আমাৰ অভিভাৱকসকলো ইয়াৰ গুৰুত্ব উপলব্ধি কৰি এই ক্ষেত্ৰত সক্ৰিয় ভূমিকা লবলৈ আগবাঢ়ি অহা যুৱক-যুৱতীক আন্তৰিকতাৰে আশীৰ্বাদ দিবলৈ মানসিকভাৱে প্ৰস্তুত হব লাগে।

শ্ৰীপাঠকৰ লগতে আমি নিম্নস্বাক্ষৰিত যুৱকসকলেও এই ক্ষেত্ৰত সক্ৰিয়ভাৱে অগ্ৰসৰ হবলৈ সিদ্ধান্ত গ্ৰহণ কৰিছোঁ। আমি প্ৰান্তিকৰ জৰিয়তে জনাব খোজোঁ যে আমাৰ নিজ জাতৰ বাহিৰৰ কোনো ইচ্ছুক উপযুক্ত বিবাহযোগ্যা পাত্ৰীয়ে ইচ্ছা কৰিলে পাত্ৰ নিৰ্বাচনৰ বাবে আমাৰ লগত যোগাযোগ কৰিব পাৰে। আমাৰ লগতে আমি অসমৰ ভৱিষ্যত সম্পৰ্কে সচেতন অন্যান্য যুৱক-যুৱতীলৈও আহবান জনাওঁ— আহক আমি সকলোৱে মিলি আমাৰ জাতিভেদৰ কুসংস্কাৰেৰে ভৰা এই বান্ধোনৰ পৰা ওলাই আহি এক জাতি-বৰ্ণহীন অসমীয়া সমাজ গঢ়াৰ এক সাহসী সংকল্প গ্ৰহণ কৰোঁ, লগতে অসমৰ অভিভাৱকসকলেও অন্ধ কুসংস্কাৰৰ চাবিবেৰৰ পৰা ওলাই আহি আমাক আশীৰ্বাদ কৰক যাতে এই মহান উদ্দেশ্যত আমি সফল হওঁ।

**মোহন চন্দ্ৰ কলিতা**, প্ৰবক্তা বি· বি· কিষাণ মহাবিদ্যালয়, জালাহ বৰপেটা

**কৈলাশ চন্দ্ৰ ডেকা**, কৃষি সম্প্ৰসাৰণ বিষয়া, ভবানীপুৰ

**কিৰণ চন্দ্ৰ শৰ্মা** বি-এ, পাটাৰকুছি

**বিপিন চন্দ্ৰ কলিতা**, বি-এ, গৱৰ্দ্ধনা খণ্ড উন্নয়ন কাৰ্যালয়, বৰপেটা ৰোড

**কনক চন্দ্ৰ কলিতা**, বামুণকুছি

### বৰপেটা সত্ৰত দলাদলি

বৈষ্ণৱ ধৰ্মৰ প্ৰাণ কেন্দ্ৰ স্বৰূপ তথা শংকৰ-মাধৱৰ একনিষ্ঠ সেৱকসকলৰ শান্তিময় স্থান বৰপেটা সত্ৰ। এই বৰপেটা সত্ৰৰ শান্তিময় পৰিবেশ কিছুমান স্বাৰ্থান্বেষী লোকৰ কু-চক্ৰান্তত ধ্বংস হোৱাৰ উপক্ৰম হৈছে। নিজকে প্ৰকৃত বৈষ্ণৱ বুলি দাবী কৰা কিছুমান লোকে নিজৰ দাবী প্ৰতিপন্ন কৰিবলৈ দুখন পৃথক মঞ্চ গঢ়ি তোলা দৃষ্টিগোচৰ হৈছে। এই দুই মঞ্চৰ স্ব-স্বীকৃত নেতা তথাকথিত বৈষ্ণৱসকলৰ অতপালি ইমানে বাঢ়ি গৈছে যে বৰপেটা সত্ৰৰ প্ৰায়বিলাক কাম-কাজ ভাগ ভাগ হৈ গৈছে। আনকি নিজৰ যুক্তি আৰু দাবীক আনটো পক্ষতকৈ শ্ৰেষ্ঠ বুলি প্ৰতিপন্ন কৰিবলৈ মহাপুৰুষ শংকৰ-মাধৱৰ আদৰ্শক বিসৰ্জন দিয়াও দেখা গৈছে। এই স্বস্বীকৃত নেতাসকলৰ প্ৰৰোচনামূলক ফুচুলনিৰ দ্বাৰা মানুহ কিছুমান গোটাই লৈ এই দুই মঞ্চৰ কলেবৰ বৃদ্ধি কৰাৰ ধুম উঠা দেখা গৈছে। এই সকল বৈষ্ণৱক তথাকথিত বুলি কবলৈ এই কাৰণে বাধ্য হৈছোঁ যে এতিয়ালৈকে কোনো এটি পক্ষকে শংকৰদেৱৰ কৃষ্টি বিকাশ কিম্বা বৈষ্ণৱ ধৰ্ম প্ৰচাৰৰ কাৰণে কোনো ধৰণৰ প্ৰচেষ্টা হাতত লোৱা দেখা নাই। বৰং তেওঁলোকে বৈষ্ণৱ ধৰ্মক নিজৰ মঞ্চৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰিবলৈ বিকৃত ৰূপ দিয়াহে দেখা গৈছে। এই দুই মঞ্চৰ দলাদলি ইমানলৈ বৃদ্ধি হৈছে যে তেওঁলোকে বৰপেটা সত্ৰৰ পৰম্পৰা বিসৰ্জন দিবলৈও কুণ্ঠাবোধ কৰা দেখা নাই। কিছুদিন আগতে বৰপেটা সত্ৰৰ ধৰ্মীয় বিষয় লৈ সত্ৰৰ মঠৰ চোতালত এখন সাধাৰণ সভা অনুষ্ঠিত হৈছিল। এই সভাত উক্ত দুই পক্ষৰ যুদ্ধং-দেহি মনোভাৱৰ ফলত সেইখন ধৰ্মীয় সভা নহৈ যেনিবা মহাভাৰতৰ যুদ্ধহে হৈছিল।

শেষত সভাপতিক ৰক্ষণাবেক্ষণ দি সভাস্থলীৰ পৰা আঁতৰ কৰি নিব লগা হৈছিল আৰু পুলিচৰ ওচৰত গোচৰ দিয়া বৰপেটা সত্ৰৰ এই অশান্তময় পৰিবেশ দূৰ কৰি, স্বাৰ্থপৰ লোকসকলৰ কবলৰ পৰা বৈষ্ণৱ ধৰ্মক উদ্ধাৰ কৰি প্ৰকৃত আদৰ্শক পুনৰ প্ৰতিষ্ঠা কৰিবলৈ বৈষ্ণৱ ধৰ্মৰ অভিজ্ঞ লোকসকলক অনুৰোধ জনাইছোঁ।

—প্ৰিয়ৰঞ্জন দাস
—যোগেন দাস
বৰপেটা, দক্ষিণহাটী

### মধুপুৰলৈ যাওঁ আহক

শাৰদীয় পূজাৰ বতৰতে অসমৰ বিভিন্ন ঠাইত বিভিন্ন কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱো পালন কৰা হয়। তাৰ বাবে দান-বৰঙনি সংগ্ৰহ কৰা হয়। এইদৰে সংগ্ৰহ কৰা হাজাৰ হাজাৰ টকা মহাপুৰুষ জনাৰ নামত দুই এদিনতে উৰাই দিয়া হয়। উৎসৱ শেষ হোৱাৰ লগে লগে চান্দা তোলা বহীৰ কাউন্টাৰ-ফইল খিনিৰ বাদে একো চিনমোকাম নাথাকে।

সেই একে সময়তে মহাপুৰুষ জনাৰ শেষ লীলামালাৰ স্থান কোচবেহাৰৰ মধুপুৰ ধামতো এই উৎসৱৰ আয়োজন কৰা হয়। সপ্তাহজোৰা কাৰ্যসূচী লৈ প্ৰতিদিনেই উদ্যোক্তাসকলে বাটচ'বালৈ চাই বহি থাকে; অসমৰ পৰা বাচ-ভৰ্তি যাত্ৰী আহিব, নৃত্যগীত, নামকীৰ্তন গাই মধুপুৰৰ আকাশ মুখৰিত কৰিব, বছৰটো নিমাওমাও হৈ থকা মহাপুৰুষজনাৰ মধুপুৰ ধামে পুনৰ প্ৰাণ পাই উঠিব —এই আশাত। কিন্তু আমি কমেইহে সেইসময় ছোৱাত মধুপুৰলৈ মনত পেলাবৰ আহৰি পাওঁ। আমাৰ পৰা বহু নিলগত ভিন্ন ভাষী এখন ৰাজ্যত কেইজনমান লোকে কিদৰে মহাপুৰুষ জনাৰ অক্ষয়বন্তিগছি জ্বলাই ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰি আছে, তাৰ খবৰ ৰাখিবলৈ আমাৰ সময় নাই। ইফালে ইয়াত পূজাৰ ৰং-ধেমালি আছেই।

এইযে মহাপুৰুষজনাৰ নামত অসমত, বিভিন্ন ঠাইত দুদিনতে হাজাৰ-হাজাৰ টকা খৰচ হয়, তাৰে এটা অংশ আমি মধুপুৰলৈ উৎসৱ সমিতিলৈ পঠাব নোৱাৰোঁনে? প্ৰতি ঠাইৰ উৎসৱৰ বাজেট কৰোঁতে মধুপুৰলৈ এখন বাছৰ ভাড়াটোও ধৰিব নোৱাৰিনে? ইয়াত উৎসৱ সামৰি অঞ্চলটোৰ কিছু ৰাইজক লৈ এদিনৰ বাবে হ'লেও মধুপুৰলৈ যাব নোৱাৰিনে? অসমত মহাপুৰুষ জনাৰ জন্মোৎসৱৰ আয়োজন কৰা প্ৰতিখন সমিতিয়ে এই কথা কেইটা এবাৰ বিবেচনা কৰিলে ভাল পাম।

—**দেবেন্দ্ৰ কুমাৰ শৰ্মা**,
খানাপাৰা, গুৱাহাটী

### ASSAM আৰু ASAM

অসম নামটো ইংৰাজীত লিখোঁতে এতিয়াও দুটা S দি ASS লিখাৰ অভ্যাস আমি এৰিব পৰা নাই। ভাষাতত্ত্বৰ দৃষ্টিৰে চালেও দন্ত্য স বুজাবলৈ ইংৰাজীৰ এটা S দিলেই হয়। এনে স্থলত আমি অসম আৰু আছামীজ লিখোঁতে ASAM আৰু ASAMESE ৰূপে লিখিব নোৱাৰোনে? কিছুমান মানুহে ASOM লিখা দেখা গৈছে; কিন্তু ভাষা তত্ত্বৰ মতে ইংৰাজী 'O' আখৰটোৱে ওকাৰহে বুজায়, গতিকে ASOM উচ্চাৰণ কৰোঁতে 'অসোম'হে হ'ব। এই প্ৰসংগত ১৮১৪ চনমানত ফ্ৰান্সিছ হেমিণ্টনে লিখা An Account of Asam অৰ কথা উল্লেখ কৰিব পাৰি। হেমিণ্টনে ASAM আৰু ASAMESE হে লিখিছিল (p-6-7)। সুধী সমাজে দায়-দোষ ধৰিলেও ধৰিব, মই আজি কেইবছৰ মানৰ পৰা ASAM আৰু ASAMESE হে লিখি আহিছোঁ। এই বিষয়ে আপোনাৰ কাকতৰ যোগে ৰাইজক মতামত দাঙি ধৰিবলৈ আহবান জনালো।

—**হৰেন্দ্ৰ দেৱ গোস্বামী**,
উত্তৰ লক্ষীমপুৰ

### অসুন্দৰ পৰীক্ষা

যোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ কেইগৰাকীমান পৰীক্ষাৰ্থী সংগীতৰ কাৰ্যকৰী পৰীক্ষা দিবলৈ গ'ল দূৰণিৰ এটা পৰীক্ষা কেন্দ্ৰলৈ। তেওঁলোকৰ পৰীক্ষা কেন্দ্ৰলৈ বহিঃ পৰীক্ষক (External examiner) নাহিল। এটা আচহুৱা পৰিবেশত তেওঁলোক পৰীক্ষাত বহিব লগা হ'ল। যি কি নহওক পৰীক্ষা আৰম্ভ হ'ল। এজন এজনকৈ পৰীক্ষাৰ্থীক পৰীক্ষকৰ সমুখলৈ মতা হ'ল। প্ৰথম পৰীক্ষাৰ্থী নিৰ্দিষ্ট আসনত বহিল পৰীক্ষা দিবলৈ। সমুখত পৰীক্ষা চাবলৈ অহা দৰ্শকৰ ভীৰ। ছাত্ৰী গৰাকীৰ হাতত এখন প্ৰশ্নকাকত দিয়া হ'ল। প্ৰথম প্ৰশ্নটো আছিল— "পৰীক্ষাৰ্থীক বিভিন্ন ধৰণযুক্ত আলাপ আৰু বিস্তাৰ সহ ভৈৰৱ বা মালকোষ ৰাগ মধ্যলয়ত গাবলৈ দিব। তেওঁ দুটা বা তিনিটা অন্তৰা তান থকা ৬ বা ৭টা বিভিন্ন মাত্ৰাৰ অধীনত গাব।" কোমল স্বৰযুক্ত ৰাগ ভৈৰৱ বা মালকোষ প্ৰথমে গালে আন ৰাগ গাবলৈ অসুবিধা হোৱা হেতুকে পৰীক্ষাৰ্থীয়ে প্ৰথম প্ৰশ্নটো পাছত কৰাৰ কথা উল্লেখ কৰাত পৰীক্ষক গৰ্জি উঠিল। সেই অনুমতি তেওঁ নিদিলে। পৰীক্ষাৰ প্ৰশ্ন যে ক্ৰমানুসাৰে কৰিব লাগে মই জনাত তাৰ কোনো ধৰা বন্ধা নিয়ম নাই। অথচ পৰীক্ষাৰ্থীজন প্ৰথম প্ৰশ্ন প্ৰথমেই কৰিব লগা হ'ল। আনহাতে পৰীক্ষকজনো আছিল সংগীতৰ মানুহ, সুন্দৰৰ পূজাৰী। কিন্তু তেওঁ কিয় অসুন্দৰৰ দৰে গৰ্জি উঠিল কব নোৱাৰোঁ। যি হওক ছাত্ৰী গৰাকীয়ে পৰীক্ষা দিলে। তেওঁৰ পৰীক্ষা শেষ হ'ল আৰু দ্বিতীয় পৰীক্ষাৰ্থী পৰীক্ষা গৃহলৈ সোমাই গ'ল। হাতত প্ৰশ্নকাকতখন লৈ প্ৰথম পৰীক্ষাৰ্থী বাহিৰলৈ ওলাই আহিল। লগে লগে বাহিৰত সেই প্ৰশ্নকাকতখন লৈ টনা-আজোৰা লাগিলে, আৰু সকলো কোঠাই কোঠাই সোমাই প্ৰেকটিছ কৰাত লাগিল। নজনা প্ৰশ্ন কেইটাও জনা মানুহে বাহিৰত কৈ দিলে। অৰ্থাৎ প্ৰথম দুগৰাকী দুৰ্ভগীয়া পৰীক্ষাৰ্থীৰ বাহিৰে বাকী সকলোৱে আগে ভাগেই প্ৰশ্নকাকত পালে। আনকি যিসকলৰ পৰীক্ষা পাছদিনা হোৱাৰ কথা আছিল, তেওঁলোকেও প্ৰশ্নকাকত লিখি লৈ গ'ল ঘৰত প্ৰেকটিছ কৰিবলৈ।

সেইদিনা পৰীক্ষাতে আন এটা উল্লেখযোগ্য ঘটনা ঘটিল। জনৈক পৰীক্ষাৰ্থীয়ে এডমিট কাৰ্ড নিবলৈ পাহৰিলে। গতিকে তেওঁৰ স্থায়ী ঘৰ আদিৰ কথা সুধিব লগা হ'ল। চা-চিনাকি হোৱাৰ পাছত গম পোৱা গ'ল যে উক্ত পৰীক্ষাৰ্থী পৰীক্ষকজনৰ ঘৰৰ ওচৰৰে। গতিকে এইবাৰ অসুন্দৰ সুন্দৰলৈ ৰূপান্তৰিত হ'ল। তেখেতে সেই গৰাকী পৰীক্ষাৰ্থীক অভয় দান কৰি ক'লে—"মই আছো, ভয় নকৰিবি।" প্ৰশ্নকাকতখনৰ এটা প্ৰশ্ন আছিল— "পৰীক্ষাৰ্থীক তলত উল্লেখ কৰা যি কোনো তিনিটা গীত গাবলৈ দিব। বৰগীত, ৰবীন্দ্ৰ সংগীত জ্যোতি সংগীত, দেহ বিচাৰ গীত, ভাটিয়ালী বা লোকগীত।" পৰীক্ষাৰ্থী গৰাকীয়ে এটা বৰগীত (ভালি নাচে মদন গোপাল) আৰু এটা জ্যোতি সংগীত (জোনাকী কাৰেঙত) গালে। বাকী থাকিল ৰবীন্দ্ৰ সংগীত, দেহ বিচাৰ গীত, ভাটিয়ালী বা লোকগীত। সেই গৰাকী পৰীক্ষাৰ্থীয়ে এই কেইটাৰ ভিতৰত এটাও গাব নোৱাৰে। (পাৰে যদিও মই নাজানো; কিন্তু পৰীক্ষাত তেওঁ গোৱা নাই।) গতিকে পৰীক্ষকে তেওঁক আৰু এটা জ্যোতি সংগীতকে গাবলৈ ক'লে। কথাটো কিন্তু বৰ কৌশলেৰে ক'লে। "জোনাকী কাৰেঙত" গীতটো হেনো প্ৰতিযোগিতাত গোৱা গানহে, গতিকে বেলেগ এটা গাব লাগে। লগে লগে পৰীক্ষাৰ্থীয়ে আন এটি জ্যোতি সংগীত (অ' সখী আজি যৌবন বন জুৰি) গালে। সেই দিনাহে গম পোৱা গ'ল যে জ্যোতি প্ৰসাদ আগৰৱালাই কিছুমান গীত প্ৰতিযোগিতাত গাবলৈ আৰু কিছুমান গীত পৰীক্ষাত গাবলৈ ৰচনা কৰিছিল। সংগীতৰ থিয়ৰিটিকেল ভাগৰ মুঠ নম্বৰ ৩০ আৰু কাৰ্যকৰী (প্ৰেকটিকেল) ভাগৰ মুঠ নম্বৰ ৭০। অসম মাধ্যমিক শিক্ষা পৰিষদৰ ওচৰত মোৰ বিনম্ৰ অনুৰোধ— যাতে সংগীতৰ কাৰ্যকৰী পৰীক্ষাৰ পদ্ধতিটোৰ সোনকালেই পৰিবৰ্তন সধা হয়।

—**বৰ্ণালী বৰুৱা**,
নামৰূপ সাৰনগৰ

### বায়ুমণ্ডল

মাধ্যমিক বিদ্যালয়ৰ কেইখনমান পাঠ্যপুথিত বায়ুমণ্ডলৰ উচ্চতা সম্পৰ্কে থকা তথ্যই শিক্ষাৰ্থীসকলৰ লগতে শিক্ষকসকলকো আহুকালত পেলাইছে। তথ্যবোৰ এনেকুৱা:

(১) ভূগোল বিকাশ ১ম ভাগ (পঞ্চম শ্ৰেণীৰ পাঠ্যপুথি; লেখক মহম্মদ তাহেৰ, জয় চন্দ্ৰ দাস): বায়ুমণ্ডল ধৰাপৃষ্ঠৰ পৰা প্ৰায় ১০,০০০ কিল'মিটাৰ ওপৰলৈকে জুৰি আছে।

(২) ভূগোল বিকাশ ৩য় ভাগ (সপ্তম শ্ৰেণীৰ পাঠ্যপুথি; লেখক সুৰেন্দ্ৰ মোহন শৰ্মা, সুধীৰ ৰঞ্জন মজুমদাৰ, ললিত চন্দ্ৰ ডেকা: পৃথিৱীৰ চাৰিওফালে ১০০০ কিল'মিটাৰতকৈ অধিক ওপৰলৈ আৱৰি থকা বায়ৱীয় আৱৰণটোৰ নামেই হ'ল বায়ুমণ্ডল।

(৩) বিজ্ঞান পাঠ ৩য় ভাগ (পঞ্চম শ্ৰেণীৰ পাঠ্যপুথি): পৃথিৱীৰ প্ৰায় ২০০ মাইল ওপৰলৈকে বায়ুৱে আগুৰি আছে।

(৪) ভূগোল প্ৰবেশ (অষ্টম শ্ৰেণীৰ পাঠ্যপুথি; লেখক নৰেন্দ্ৰনাথ ভট্টাচাৰ্য, ড° ডি· কে· সিংহ): বায়ুমণ্ডলৰ অধিকাংশ গেছীয় পদাৰ্থ ভূ-পৃষ্ঠৰ পৰা প্ৰায় ১৬০০ কি· মি· লৈ বিয়পি আছে।

(৫) সাধাৰণ বিজ্ঞান (নৱম শ্ৰেণীৰ পাঠ্যপুথি; লেখক ড° কিশোৰী মোহন পাঠক): প্ৰায় ৬০০ কি· মিৰ ওপৰতো মেৰুপ্ৰভা দৃষ্টিগোচৰ হোৱা সত্যটোৰ পৰাই বিজ্ঞানীসকলে বায়ুমণ্ডলৰ বিস্তৃতি ৬০০ কি· মি· ৰবো বেছি হ'ব পাৰে বুলি অনুমান কৰিছিল।

(৬) ভূদৰ্শন (নৱম আৰু দশম শ্ৰেণীৰ পাঠ্যপুথি; লেখক গোহাঁই আৰু বৰা): বায়ুমণ্ডলৰ উচ্চতা ৩০০ কি· মি· ৰবো অধিক।

এনে সন্দেহযুক্ত তথ্যই শিক্ষাৰ্থীসকলক বৰ্তমানে যি দোমোজাত পেলাইছে সেই অৱস্থাৰ পৰা উদ্ধাৰ কৰিবৰ বাবেই এই সম্পৰ্কে একেবাৰে শেহতীয়া, শুদ্ধ তথ্যটো জনোৱাৰ ব্যৱস্থা অসম মাধ্যমিক শিক্ষা পৰিষদ তথা অসম পাঠ্যপুথি প্ৰকাশন নিগমে হাতত লব বুলি কামনা কৰিলো। লগতে পাঠ্যপুথিত থকা আসোঁৱাহসমূহো দূৰ কৰিব বুলি আশা কৰিলোঁ।

—**প্ৰেম বৰগোহাঞি**,
শলগুৰি উচ্চমাধ্যমিক বিদ্যালয়

### বয়স বাঢ়ি গ'ল

মই এজন উচ্চতৰ মাধ্যমিক শাখাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ। ১৯৮৪ চনৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে আমি সাজু হৈছিলো। তেনে সময়তে এডমিট কাৰ্ড পালো। এডমিট কাৰ্ডত দেখিলো— আমাৰ স্কুলৰ ফালৰ পৰা ছাত্ৰ কিছুমানৰ বয়স বঢ়াই দিয়া হৈছে। ভৱিষ্যতে ই ছাত্ৰসকলক বহুতো অসুবিধাত পেলাব পাৰে। মোৰ এডমিট কাৰ্ডত মোৰ বয়স বৰ্তমান বয়সতকৈ এবছৰ বেছিকৈ দিয়া আছে। অন্য ছাত্ৰৰো একেই অৱস্থা। আজিৰ যুগত এবছৰ লোকচান হলেই বহুত। শিক্ষকে নিজৰ ইচ্ছামতেই ছাত্ৰ-ছাত্ৰীৰ বয়স বঢ়াব পাৰে নেকি?

—**ৰাজু ফুকন**,
চৰাইবাহী

### জ্ঞান পিয়লাত প্ৰথমটো সোঁহা

শ্ৰীমান সুব্ৰত কুমাৰ পালৰ 'ভগৱানৰ কথা'ৰ (১৬।৭।৮৪) প্ৰসংগত শিৱসাগৰৰ ৰামৰাজা সিংহই লিখা কথাখিনি (১৬।৮।৮৪) পঢ়িলো। দাৰ্শনিক বিজ্ঞানী আইনষ্টাইনক এবাৰ সোধা হৈছিল তেওঁ ভগৱান বিশ্বাস কৰে নে কি? আইনষ্টাইনৰ উত্তৰ আছিল "মই স্পিন'জাৰ ভগৱানকহে বিশ্বাস কৰোঁ— যি প্ৰকাশিত হয় প্ৰকৃতিৰ অমোঘ সূত্ৰাৱলীৰ মাজত। কোটি কোটি মানুহৰ ভাগ্য নিয়ন্ত্ৰণ কৰা কোনো ভগৱানৰ ওপৰত মোৰ বিশ্বাস নাই।" …তেওঁৰ কাব্যিক ভাষাত "ৰাতিৰ আন্ধাৰৰ পাছত পুৱাৰ পোহৰ যি মানুহে আশা কৰে, বা যি মানুহে বৰফেৰে ভৰি থকা খেতিৰ পথাৰখন পুনৰ জহকালি সোণোৱালী শস্যৰে ভৰি পৰিব বুলি ভাবে— তেওঁ নাস্তিক নহয়। এটা লয়পূৰ্ণ নিয়মত বিশ্বাস কৰে যদিও নামটোক লৈ তেওঁ শব্দৰ খেলা খেলিব পাৰে।" বিজ্ঞানৰ বস্তুবাদত বিশ্বাসী স্পিন'জাই ভগৱানক প্ৰকৃতিৰ সৈতে একাত্ম কৰিছিল। বিশ্বৰ ধৰ্মান্ধসকলক ভীতি বিহ্বল কৰি তোলা স্পিন'জাৰ বিপ্লৱী বাক্যটো হ'ল— 'Deus sive Natura' অৰ্থাৎ 'ভগৱান বা প্ৰকৃতি'। স্পিন'জাৰ ভগৱানৰ কোনো আকৃতি নাই, ই বিশ্বৰ বাহিৰৰ কোনোবা ঠাইত বাস নকৰে; আচলতে সমস্ত ভগৱানতেই আছে,— সমস্তই ভগৱানতেই জন্ম লয় আৰু ভগৱানতেই ভ্ৰমণ কৰে, ('All is in God, all lives

and moves in God')। ভগৱানৰ গুণাৱলী (attributes) অগণন। কিন্তু ক্ষুদ্ৰ মানুহে ইয়াৰ কেৱল দুটা গুণহে উপলব্ধি কৰিব পাৰে,— চিন্তা (thought) আৰু বিস্তৃতি (extension)। দুয়োবিধ গুণেই একে সাৰবস্তুৰ (substance) পৰাই উদ্ভৱ হৈছে; গতিকে মন আৰু পদাৰ্থৰ মাজত কোনো মৌলিক বিৰোধ থাকিব নোৱাৰে। স্পিন'জাৰ মতে এই সাৰবস্তুৱেই হ'ল— ঈশ্বৰ বা প্ৰকৃতি। এইজন ঈশ্বৰ বা ভগৱানৰ মাজত মানবীয় ধাৰণা নাই, পূজা পাতলৰ দ্বাৰা ইয়াক পাব নোৱাৰি। এইজন ভগৱানক পোৱাৰ একমাত্ৰ উপায় হ'ল —বিশ্বৰ ৰহস্যভেদ কাৰ্যত নিজকে নিমগ্ন কৰা। আইনষ্টাইনৰ মতেও প্ৰকৃতিৰ লয় আৰু শৃংখলাৰ মাজত ভগৱান লুকাই থাকে; তেওঁক লাভ কৰিব পাৰি বিশ্বজগতখনক জানিবলৈ কৰা অক্লান্ত শ্ৰমৰ দ্বাৰা। প্ৰকৃতিৰ নিয়মাৱলীৰ অদ্ভুত শৃংখলা দেখি উদ্ভৱ হোৱা বিস্ময়ানুভূতিয়েই প্ৰকৃততে বিজ্ঞানীৰ ধৰ্মানুভূতি। প্ৰতিজন সৃষ্টিশীল লোকৰে এনে অনুভূতি হয়।

ভগৱানৰ 'ঘৰ বিচাৰি' আজিলৈকে বহু মনিষীয়েই 'ঘৃৰ গৰম' কৰিছে। স্পিন'জা আৰু আইনষ্টাইনৰ মতামত তেওঁলোকৰ বাবে এক্কোটা 'ঔষধি'ও হ'ব পাৰে, বিহও হ'ব পাৰে। (কাৰো মনত আঘাত দিয়াটো মোৰ উদ্দেশ্য নহয়!) কাৰ আছিল পাহৰিছোঁ,— এটা উক্তি আছে,— "The first sip from the cup of knowledge brings us away from God." জ্ঞান পিয়লাত মৰা প্ৰথমটো সোহাই আমাক ভগৱানৰ পৰা আঁতৰাই আনে।

'প্ৰান্তিক'ৰ পাতত 'ভগৱান'ৰ পূৰ্ণ প্ৰকাশ ঘটক— এই কামনাৰে।

—ভাস্কৰ বৰুৱা,
ওদালগুৰি, দৰং

### খুটাই প্ৰতি এশ টকা

১৯৮৮ চনৰ ভিতৰত শেষ কৰিবলগীয়া কেন্দ্ৰীয় চৰকাৰৰ 'গ্ৰাম্য বৈদ্যুতিকৰণ প্ৰকল্প'ই নগাঁও চহৰৰপৰা পঞ্চাছ মাইল নিলগৰ কুঠৰী অঞ্চলকো চুইছে। এই অঞ্চলৰ নজান কিচামৰ দক্ষিণ-পশ্চিমে গ্ৰাম্য বৈদ্যুতিকৰণ প্ৰকল্পই (নগাঁও জিলাৰ কুঁৱৰীটোল শাখাৰ পৰিচালনাত) যিবোৰ খুটা পুতিলে, সেই খুটাবোৰৰ সম্মুখত পৰা গৃহস্থসকলৰ পৰা এশ টকাকৈ আদায় কৰে। এমাহৰ ভিতৰতে বিজুলী শক্তিয়ে ইয়াত আত্মপ্ৰকাশ কৰিব বুলি ভুক্তভোগীসকল ভোল গ'ল। কিন্তু আজি প্ৰায় ছমাহেও কোনো ঠাঁৰত বিজুলী শক্তিৰ সৰবৰাহ দেখা পোৱা নাই।

'গ্ৰাম্য বৈদ্যুতিকৰণ প্ৰকল্প'ৰ আঁৰত যে 'খুটাই প্ৰতি এশ টকা' নামৰ প্ৰকল্প এটিও আছে জনাই নাছিলোঁ।

—সুনীল মণ্ডল,
কুঠৰী

### চলচ্চিত্ৰৰ পকেটমাৰ

কিছুমান আলোচনী, বাতৰি কাকত আদিৰ যোৱা সময়ছোৱাৰ ভূমিকাই আমাৰ দৰে সাধাৰণ পাঠকক বৰ খেলিমেলিত পেলাই আহিছে। কিছুমান কাকতে সঁচা অৰ্থত অসমীয়া জাতিকেই প্ৰতাৰণা কৰি আহিছে। কোনোবা বিশেষ সংগঠনৰ বিবৃতি, লিটিকাই নেতাৰ মুক্তিবিচৰা দাবী আৰু সত্যৰ বিকৃতিয়েই এই বাতৰি কাকতবোৰৰ শিৰোনামা অলংকৃত কৰি থকা দেখা যায়। চেঙেলীয়া নেতাৰ সস্তীয়া বিবৃতিকেই জাতি উদ্ধাৰৰ ৰক্ষাকবচ বুলি জ্ঞান কৰিলে জানো জাতিৰ কিবা উন্নতি হ'ব? অথচ এই ধৰণৰ মানসিকতা অসমৰ 'ইনটেলিজেনছিয়া'ৰ মাজত সঘনে পৰিলক্ষিত হয়। যোৱা সময়ছোৱাত কলেজ আৰু স্কুলবোৰৰ লগত জড়িত থাকি অনুভৱ কৰিছোঁ যে ছাত্ৰ-ছাত্ৰীৰ মাজত টুলুঙা মানসিকতাৰ যোগান ধৰিছে কিছুমান বাতৰিকাকত, আলোচনী আৰু ছিনেমা আদিয়ে। ৰাষ্ট্ৰীয় ৰাজনৈতিক জীৱনত যেনেকৈ অসৎ ৰাজনীতিবিদসকলে পাইছে ফুলৰ মালা, তেনেকৈ সস্তীয়া খবৰ যোগান ধৰাজন হৈছে ভাল সাংবাদিক, বীৰ সাহিত্যিক আৰু চলচ্চিত্ৰৰ পকেটমাৰজন হৈছে 'বীৰ পূজ্য'। ৰাজনীতিত যেনেকৈ আজি নিষ্ঠাবান, নিস্বাৰ্থ, সৎ ৰাজনীতিবিদৰ অভাৱ, তেনেকৈ আন ক্ষেত্ৰতো সাহসী সৎ কৰ্মী নিতান্তই দুৰ্লভ।

—তিলক চন্দ্ৰ শইকীয়া,
কামপুৰ, নগাঁও

### "এজেণ্টে আলোচনী মাৰে?"

শেষ পৃষ্ঠাত "সক-সক-সক আলোচনী"ৰ সমস্যাৰাজিৰ বিষয়ে যি মতামত দাঙি ধৰা হৈছে (১।৭।৮৪); তাৰ লগত আমি একমত। কিন্তু শেষৰ বাক্যটোৰ সৈতে এজন বাতৰি কাকতৰ এজেণ্ট হিচাপে একমত হব নোৱাৰিলোঁ। "এজেণ্টে আলোচনী মাৰে" —এই বদনাম দিওঁতাসকলে নিশ্চয় বুজি পাব লাগে যে, এজেণ্টে আলোচনীখন জীয়াই ৰাখিবলৈহে আপ্ৰাণ চেষ্টা কৰে। কাৰণ আলোচনীখন জীয়াই থাকিলে এজেণ্টো জীয়াই থাকে। কিন্তু বাস্তৱত যে ডাঙৰ চৰকাৰী চাকৰিয়াল, বুদ্ধিজীৱী সমাজ সেৱক, ঠিকাদাৰ, ৰাজনীতিবিদ আদিৰ ঘৰলৈ দহ-বাৰ দিন গৈয়ো মাহৰ টকা কেইটা আনিব নোৱাৰি শেষত কাকত আলোচনী বন্ধ কৰি দিবলগীয়া হয়,— সেই অৱস্থা আমাৰ নিচিনা তিক্ত অভিজ্ঞতাসম্পন্ন সকলো এজেণ্টে নিশ্চয় জানে। গতিকে এই দিশত কেৱল এজেণ্টসকলকে দোষী কৰিলে আমিও দুখ পাওঁ। আমি জনাত অসমত কোনো এজেন্সিৰ টকাৰে নগৰত মাটি কিনি ঘৰদুৱাৰ নিৰ্মাণ কৰা বা গাড়ী-মটৰ কিনাৰ উদাহৰণ নাই; বৰং দেউলীয়া হোৱাৰ উদাহৰণহে যথেষ্ট আছে।

—উপেন চন্দ্ৰ ডেকা,
লাচিত ট্ৰেডাৰ্ছ, মৰিগাঁও

[এজেণ্টে আলোচনী মাৰে—এই বদনাম মিছা বুলি প্ৰমাণ কৰাৰ ওপৰতহে আমি গুৰুত্ব দিছিলোঁ। সেইটো আমাৰ বক্তব্য নহয়, কাৰণ আমাৰ অভিজ্ঞতা দুকীয়া। —স. প্ৰা.]

### "কনক-কালী সংগীত"

কলা-সংস্কৃতি শিতানত ইমৰান হুছেইনৰ "কনক-কালী সংগীত মহাবিদ্যালয়" (১।৮।৮৪) পঢ়ি ভাল পালোঁ। পিছে উক্ত মহাবিদ্যালয়ৰ প্ৰাণ স্বৰূপ শ্ৰীবীৰেন্দ্ৰ কুমাৰ ফুকনে তেওঁৰ শাহু স্বৰ্গীয় কনকলতা দেৱীয়ে থৈ যোৱা আঢ়ৈতীয়া টকাকে মূলধন হিচাপে লৈ মহাবিদ্যালয়খন সূচনা কৰা বুলি কোৱাৰ লগতে আৰু এটা কথা কব লাগিছিল। মই জনাত শ্ৰীফুকনৰ পত্নী শ্ৰীমতী কল্যাণী ফুকনে মাতৃস্থানীয় বহুতো পৰিয়ালকে উক্ত অনুষ্ঠানৰ হিতৈষী সদস্য কৰিছিল। এনে আদৰ্শনীয় আৰু প্ৰশংসনীয় কথা পাঠকে নিশ্চয় জানিব লাগে।

—প্ৰসেনজিৎ কুমাৰ গোস্বামী,
অধিবক্তা, যোৰহাট

### মোৰ সংস্কৃতৰ নম্বৰ কলৈ গ'ল?

মই যোৱা ১৯৮৩ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা দিছিলোঁ। ফলাফল ঘোষণা কৰা সময়ত মোৰ ৰোল নম্বৰটোৰ ফলাফল অসম্পূৰ্ণ বুলি ঘোষণা কৰা হ'ল। পাছত যেতিয়া মাধ্যমিক শিক্ষা পৰিষদৰ লগত যোগাযোগ কৰিলোঁ, তেতিয়া তেওঁলোকে মোক দ্বিতীয় বিভাগত উত্তীৰ্ণ কৰি দিলে। কিন্তু আচৰিত কথা যে মোৰ elective (সংস্কৃতৰ) পেপাৰখনৰ নম্বৰটো নাই। সেইবাবে তেওঁলোকে বিমোৰত পৰি elective পেপাৰখন Addl-I কৰি দিছে আৰু Addl-I পেপাৰখন elective কৰি দিছে। কিন্তু তেওঁলোকে নতুনকৈ কটাকুটা কৰোঁতে 'ছিল' মাৰি দিয়া নাছিল। মই দুখ মনেৰে ঘূৰি আহি নাম ভৰ্তি কৰিবৰ বাবে বজালী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ অধ্যক্ষৰ কাষ চাপিলোঁ। কিন্তু তেওঁ তেনেকুৱা মাৰ্কছিটেৰে নাম ভৰ্তি কৰিবলৈ নিদিলে। পাছত আকৌ মাধ্যমিক শিক্ষা পৰিষদৰ ওচৰ চপাতহে তেওঁলোকে সেইখন নতুনকৈ শুদ্ধ কৰি দিয়ে। মই elective (সংস্কৃত) বিষয়ৰ পৰীক্ষা দিছিলোঁ, কিন্তু মাধ্যমিক শিক্ষা পৰিষদে সেই পেপাৰখনৰ নম্বৰটো নিদিলে। এনেকুৱা ভুল হোৱাটো মই নিবিচাৰোঁ। মোৰ সংস্কৃতৰ নম্বৰখিনি দিয়া হলে কিছু নম্বৰ বাঢ়িলহেঁতেন। কিছুদিন আগতে দহ নম্বৰৰ বাবে মই হাইস্কুলৰ কেৰাণীৰ চাকৰি এটাও হেৰুৱাইছোঁ। মোৰ মুঠ নম্বৰ আছিল ৪২৫। কিন্তু ৪৩৫ নম্বৰ হোৱা হলে মই চাকৰিটো পালোহেঁতেন।

—যতীন তালুকদাৰ,
মুগৰীয়া, পাঠশালা

### আঞ্চলিক ৰাজনীতি ঃ আৰ্থ সামাজিক আঁচনি

শ্ৰীৰমেশ মজুমদাৰৰ "আঞ্চলিক ৰাজনীতিত উমৈহতীয়া আৰ্থ-সামাজিক আঁচনিৰ গুৰুত্ব" নামৰ প্ৰবন্ধটি অতি সময়োপযোগী হৈছে। 'গুৰুত্ব' সুবুলি অপৰিহাৰ্যতা বোলাহে যুক্তিসংগত হ'ব। কিছুদিনৰ পৰা লক্ষ্য কৰিছোঁ,— আঞ্চলিক ৰাজনীতি কথাষাৰ যেন সকলোৱে আবেগিক ভাবেৰেহে চিঞৰি আছোঁ। কিন্তু আৰ্থ-সামাজিক আঁচনি—অবিহনে কোনো ধৰণৰ ৰাজনীতি (আনকি আঞ্চলিক ৰাজনীতিও) টিকিব নোৱাৰে। তেনে ৰাজনীতিয়ে মতদাতা ৰাইজৰ সমৰ্থনো নাপাব। লেখকে দুই-এটি সৰু উদাহৰণেৰে তেওঁৰ মতামত ব্যাখ্যাও কৰিছে। তেখেতৰ এই সৰু প্ৰবন্ধটি অতি মূল্যবান আৰু ইয়াৰ বিষয়ে আৰু বহল আলোচনা আপোনাৰ আলোচনীত পঢ়িবলৈ আগ্ৰহেৰে বাট চালোঁ।

—মোহন হাজৰিকা,
কুমাৰ গাঁও, তেজপুৰ

### বিলাতৰ চিঠি

মিছ পূণ্যপ্ৰভা দেৱীয়ে On the rule of the road নামৰ প্ৰবন্ধটিৰ কথা উল্লেখ কৰি লিখিছে যে প্ৰবন্ধলেখক এ. জি. গাৰ্ডিনাৰৰ কেৱল সেইখন দেশৰ নাৰীৰ অসংযত ব্যৱহাৰৰ কথা লিখাৰহে যুক্তি আছে, যিখন দেশত তেখেতে অভিজ্ঞতা আৰ্জিছে। আমাৰ মতে গাৰ্ডিনাৰে মনোবৈজ্ঞানিক দিশৰ পৰা অধ্যয়ন কৰি তিৰোতাৰ কঠোৰ আইন শৃঙ্খলা মানি চলিবলৈ থকা ধৈৰ্যৰ সীমাটোৰ কথাহে উল্লেখ কৰিছে।

—তীৰ্থনাথ শৰ্মা, তেজপুৰ

### "নমঃ নাৰায়ণ নমঃ"

১০০০ খন কাগজ ছপা কৰাৰ খৰচ আৰু বিলাই দিয়াৰ কষ্ট নকৰি মং ৰাহিদুৰ ৰহমানে (১৬।৭।৮৪) মাত্ৰ ৫৫ পইচাতে কামটো খুব সুন্দৰভাৱে প্ৰান্তিকৰ জৰিয়তে সমাধা কৰিলে। কাৰণ প্ৰান্তিকৰ পঢ়ুৱৈ নিশ্চয় ১০০০ অৰ বহুত বেছি। সেয়ে বেলেগে ছপা কৰাৰ একো প্ৰয়োজন নাই। এতিয়া ৰাহিদুৰ ৰহমানে লটাৰীৰ টিকট কিনাহে কথা!

—জুনু জামান,
নগাঁও





## প্ৰসংগ ঃ অসম আন্দোলন

উচ্চতম ন্যায়ালয়ে ভোটাৰ তালিকাৰ সম্পৰ্কত দিয়া ৰায়টোতকৈ বেছি চাঞ্চল্যকৰ হৈ পৰিছে ১৯৬৫ চনৰ জুনক সময় সীমা হিচাপে বিবেচনা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰে ছাত্ৰসন্থাক অনানুষ্ঠানিকভাৱে প্ৰস্তাৱ দিয়াৰ বাতৰি। প্ৰফুল্ল মহন্ত আৰু ভৃগু ফুকনে কেন্দ্ৰই এই নতুন প্ৰস্তাৱটো দিয়াৰ কথা স্বীকাৰ কৰিছে।

'দি হেৰল্ড ৰিভিউ'ৰ আগত ভৃগু ফুকনে কৈছে ঃ চৰকাৰে সদায়েই ১৯৭১ চনক সময়-সীমা বুলি প্ৰস্তাৱ দি আহিছে। হঠাৎ তেওঁলোকে (চৰকাৰে) ১৯৬৫ চনৰ কথা কৈছে। এইটো এটা নতুন প্ৰস্তাৱ। প্ৰফুল্ল মহন্তই কৈছে ঃ তেওঁলোকে আনুষ্ঠানিকভাৱে নহয়, অনানুষ্ঠানিকভাৱে জনাইছে যে যিসকল ১৯৬৫ চনৰ পৰা ১৯৭০ চনৰ ভিতৰত অসমত সোমাইছেহি সেইসকলক চিনাক্ত কৰিবলৈ আৰু ভোটাৰ তালিকাৰপৰা সেইসকলৰ নাম বাদ দিবলৈ কেন্দ্ৰীয় চৰকাৰ সন্মত হৈছে। তেওঁলোক যদি দহ বছৰতকৈ বেছি কাল আছে তেতিয়াহলে তেওঁলোক নাগৰিক হ'ব। ১৯৭১ চনৰ পাছত অহাসকলক বহিষ্কাৰ কৰা হ'ব। আমি সন্মতি জনোৱা নাই; আমি তাৰ আগেয়ে অসম বিধানসভা ভংগ কৰি দিয়াৰ দাবী জনাইছোঁ।

'দি হেৰল্ড ৰিভিউ'ৰ বাতৰিটোত কিছুমান কথাৰ স্পষ্টীকৰণ প্ৰকাশ পাইছে ঃ ছাত্ৰ সন্থাই সময় সীমা ১৯৫১ এৰি ১৯৬১ ধৰাৰ ব্যাখ্যা দি প্ৰফুল্ল মহন্তই কয় যে বিদেশী চিনাক্ত কৰিবলৈ ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিক পঞ্জী আৰু ১৯৫২ চনৰ ভোটাৰ তালিকা ব্যৱহাৰ কৰিবলৈ পোনতে দাবী জনোৱা হৈছিল; আলোচনা কালত তেতিয়াৰ গৃহমন্ত্ৰী জাইল সিঙে কয় যে ১৯৫১ আৰু ১৯৬১ চনৰ ভিতৰত অহাসকলক অসমত ৰাখিবলৈ আন্দোলনৰ নেতৃত্ব ৰাজী হ'লে ১৯৬১ আৰু ১৯৭১ চনৰ ভিতৰত অহাসকলক অসমৰ বাহিৰত বিতৰণ কৰা হ'ব আৰু ১৯৭১ চনৰ পাছত অহাসকলক বহিষ্কাৰ কৰা হ'ব। কিন্তু শ্ৰীমতী গান্ধীৰ লগত আলোচনা কৰাৰ পাছত জাইল সিঙে তেওঁলোকক জনায় যে শ্ৰীমতী গান্ধীয়ে সেইটো মানি নলয়। প্ৰফুল্ল মহন্তই কয় যে ১৯৫১ চনৰ ঠাইত ১৯৬১ চনৰ প্ৰস্তাৱটো জাইল সিঙৰ প্ৰস্তাৱহে। ছি. আই. এ-ৰ ধন তথা বিদেশী ধনৰ প্ৰশ্নত প্ৰফুল্লই কয় যে বিদেশী ধন আছে যদি চৰকাৰ হাত সাবটি বহি আছে কিয়? ছাত্ৰ সন্থাই লোৱা নাই, শ্ৰীমতী গান্ধীয়েহে বিদেশী ৰাষ্ট্ৰৰ পৰা ধন লৈছে; ছাত্ৰসন্থাৰ মাজত কে. জি. বি আৰু ছি. আই. এ নাই। কেন্দ্ৰীয় চৰকাৰতহে আছে। অসমৰ বৰ্তমান চৰকাৰটোক তেওঁ 'পুলিছৰ, পুলিছৰ দ্বাৰা আৰু পুলিছৰ বাবে চৰকাৰ' বুলি অভিহিত কৰে।

নতুন দিল্লীত ছেপ্টেম্বৰৰ সাত তাৰিখৰ পৰা ন তাৰিখলৈ ছাত্ৰ সন্থাৰ সাতজন নেতাৰ লগত কেন্দ্ৰীয় গৃহমন্ত্ৰী নৰসিংহ ৰাও আৰু কেবিনেট সচিব কৃষ্ণস্বামী ৰাও চাহেবৰ চতুৰ্থ লানি 'অনানুষ্ঠানিক' আলোচনা চলে। এই আলোচনাতে আচম্বিতে চৰকাৰৰ ফালৰ পৰা ১৯৬৫ চনক সময় সীমা হিচাপে প্ৰস্তাৱ কৰা হয়। এই 'সকলো-সামৰা' বিধৰ সমাধানটোৰ মতে আন্দোলনৰ নেতৃত্বই ১৯৫১ ৰ পৰা ১৯৬১ ৰ ভিতৰত অহাসকলৰ উপৰিও ১৯৬১ ৰ পৰা ১৯৬৫ ৰ ভিতৰত অহা সকলকো গ্ৰহণ কৰিব লাগিব।

'দি হেৰল্ড ৰিভিউ'ৰ ধাৰণামতে ছাত্ৰ সন্থাৰ নেতাসকলে এটা চৰ্তত এই সময় সীমা মানি ল'বলৈ ওলাইছে ঃ ১৯৬১ ৰ পৰা ১৯৬৫ ৰ ভিতৰত অনুপ্ৰৱেশ কৰা সকলক ২০ বছৰৰ বাবে ভোটাধিকাৰৰ পৰা বঞ্চিত কৰিব লাগিব। নতুন দিল্লী ৫ বছৰৰ বাবে কৰিবলৈহে ৰাজী। দুয়ো পক্ষই ১০ বছৰ মানি লৈ বিষয়টো নিষ্পত্তি কৰিব বুলি পত্ৰিকাখনৰ ধাৰণা।

আৰু কিছুমান চাঞ্চল্যকৰ বাতৰিও দিয়া হৈছে ঃ ছি. পি. আই (এম)ৰ ৰাজ্যিক সাধাৰণ সম্পাদকজনে 'ৰিভিউ'ক কয় যে ছাত্ৰ সন্থাই ১৯৭৯ চনৰ ভোটাৰ তালিকাখন গ্ৰহণ কৰিলে কেন্দ্ৰই বিধান সভা ভংগ কৰিব আৰু কেন্দ্ৰই ১৯৭১ চনৰ ভোটাৰ তালিকাখন মানি ল'ব লাগে যদি ছাত্ৰ সন্থাই বিধান সভা ভংগ কৰাৰ দাবীটো এৰি দিব লাগিব বুলি কেন্দ্ৰই হেনো প্ৰস্তাৱ দিছে। তেওঁৰ মতে ছাত্ৰ সন্থাই নিজৰ শক্তি সম্পৰ্কে অতিৰঞ্জিত ধাৰণা লৈছিল;

ভৃগু ফুকনে কিন্তু স্পষ্ট কৰি দিছে —ছাত্ৰসন্থা ১৯৭৯ চনৰ ভোটাৰ-তালিকাৰ বিৰুদ্ধে। তেওঁৰ মতে প্ৰথম অগ্ৰাধিকাৰ বিদেশী প্ৰশ্নৰ সমাধান আৰু তাৰ পাছত ভোটাৰ তালিকা আৰু বিধানসভা ভংগৰ প্ৰশ্ন আলোচনা কৰিব পৰা হ'ব। তেওঁ স্পষ্ট ভাষাত কয় ঃ 'আমি আপোচ কৰিবলৈ প্ৰস্তুত। আমি আমাৰ স্থিতি সলনি কৰিছোঁ, কাৰণ আমি এটা সমাধান বিচাৰোঁ!'

এই প্ৰসংগত কংগ্ৰেছ (এছ) আৰু ছি. পি আইৰ দুটা গুৰুতৰ অভিযোগ উল্লেখ কৰা হৈছে। দিল্লীত কংগ্ৰেছ (এছ)ৰ এজন নেতাই হেনো কয় যে ছাত্ৰ সন্থাই লোকসভাত অসমৰ আসন কেইখন ই-কংগ্ৰেছক এৰি দিলে তাৰ বিনিময়ত প্ৰফুল্ল মহন্তক মুখ্যমন্ত্ৰী পদ ল'বলৈ দিব। তেওঁৰ মতে সীমান্তৰক্ষী বাহিনীৰ এখন বিশেষ বিমানত ছাত্ৰ সন্থাৰ নেতাসকলক ভুবনেশ্বৰলৈ নি তাত কেন্দ্ৰীয় চৰকাৰৰ এজন জেষ্ঠ বিষয়াই গোপন আলোচনা পাতে। আলোচনাত বিষয়াবৰ্গই আচৰিব লগীয়া সকলো নীতি-পৰম্পৰা দলিয়াই দি জেষ্ঠ বিষয়াজনে হেনো প্ৰস্তাৱ দিয়ে যে ছাত্ৰ সন্থাই যদি অসমৰ লোকসভাৰ আসন কেইখন ই-কংগ্ৰেছৰ বাবে অবাধে দখল কৰাৰ সুবিধা কৰি দিয়ে তেতিয়াহ'লে ই-কংগ্ৰেছে ছাত্ৰ সন্থাৰ এজন নেতাক— খুব সম্ভৱ সভাপতি প্ৰফুল্ল মহন্তকমুৰকত মুখ্যমন্ত্ৰী হ'বলৈ এৰি দিব পাৰিব। গুৱাহাটীত ছি পি আইৰ

নেতাই কয় ঃ এটা সন্তোষজনক মীমাংসাৰ বিনিময়ত কংগ্ৰেছে ছাত্ৰ সন্থাক দুখন লোকসভা আৰু ২৬ খন বিধানসভা আসন দিব খুজিছে বুলি আমাৰ বিশ্বাস। ছাত্ৰ সন্থাই এই পৰ্যন্ত সেইটো মানি লোৱা নাই।

প্ৰফুল্ল মহন্তই ভুবনেশ্বৰৰ গোপন আলোচনাৰ উদ্ভট কাহিনীটো দৃঢ়তাৰে খণ্ডন কৰিছে।

আৰু এটা আঞ্চলিক দল হোৱাৰ সম্ভাৱনাৰ বাতৰিও দিয়া হৈছে। দীনেশ গোস্বামীৰ নেতৃত্বত অসম জাতীয়তাবাদী দলৰ একাংশই ছাত্ৰ সন্থাৰ নেতৃত্বৰ ছাত্ৰৰ বয়স অতিক্ৰম কৰা কিছু সংখ্যকক লৈ কৰ্মচাৰী পৰিষদৰ আশীৰ্বাদত এইটো দল গঠন কৰিবগৈ পাৰে আৰু সভাপতি হিচাপে যিসকলৰ নাম ওলাইছে সেইসকলৰ ভিতৰত ডঃ ভুপেন হাজৰিকাৰ নামো আছে।

*

ভোটাৰ তালিকাৰ বিষয়ত উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ সম্পৰ্কত প্ৰথম প্ৰতিক্ৰিয়া প্ৰকাশ কৰি ছাত্ৰ সন্থাই কৈছে যে এই ৰায়ে অসমবাসীক প্ৰভাবান্বিত কৰিব নোৱাৰে। তেওঁলোকে ব্যাখ্যা দিছে যে উচ্চতম ন্যায়ালয়ে ১৯৭৯ চনৰ ভোটাৰ তালিকাখন বৈধ বুলি আৰু তাৰ দ্বাৰা নিৰ্বাচিত চৰকাৰটো বৈধ চৰকাৰ বুলি কেতিয়াও কোৱা নাই, আৰু ছাত্ৰ সন্থাই এই চৰকাৰ বৈধ নে অবৈধ তাৰ ৰায় বিচাৰি উচ্চতম ন্যায়ালয়ৰ কাষ চপা নাই। তেওঁলোকে স্পষ্ট কৰি দিয়ে যে অসম-সমস্যাৰ সমাধান কৰিব লাগিব কেন্দ্ৰীয় চৰকাৰেহে— উচ্চতম ন্যায়ালয়ে নহয়।

*

উচ্চতম ন্যায়ালয়ৰ ৰায়টোৰ প্ৰসংগত 'দৈনিক জনমভূমি'ৰ গুৱাহাটীৰ নিজা প্ৰতিনিধিৰ এটা গুৰুত্বপূৰ্ণ বাতৰিত কোৱা হয় যে শ্ৰীমতী ইন্দিৰা গান্ধী বানপানী চাবলৈ গুৱাহাটীলৈ অহাৰ দিনটোৰ লগত সংগতি ৰাখি উচ্চতম ন্যায়ালয়ে ৰায় দান দিয়াত ৰাজনৈতিক মহল আচৰিত হোৱা নাই। একাংশ আইন বিশেষজ্ঞই এই ৰায়দানক আন এটা 'মাক্কাৰদেইজিম' বুলি অভিহিত কৰিবলৈ শংকাবোধ কৰা নাই। মাক্কাৰদি আছিল ১৯১৯ চনত অমৃতসৰৰ জিলা দণ্ডাধীশ। তেওঁ কৈছিল যে জালিয়ানৱালাবাগত পুলিচে গুলী চালনা কৰা নাছিল ;— মানুহে সেই ঠাইলৈ উৰি আহিহে মৃত্যুবৰণ কৰিছিল। তেতিয়াৰ পৰা প্ৰচলন হোৱা এই শব্দটোৰ অৰ্থ হ'ল ব্যাপক সাক্ষ্য-প্ৰমাণ থকা সত্ত্বেও 'ন্যায়িক অসাধুতা' প্ৰদৰ্শন।

অসমৰ আবেদন কেইখনৰ সপক্ষে থকা বিপুল সাক্ষ্য-প্ৰমাণ থকা, ন্যায়সংগত কথা গ্ৰাহ্য নহ'ল। সেইবোৰৰ ভিতৰত প্ৰথম হৈছে ভোটাৰ তালিকাত অনাগৰিকক অন্তৰ্ভুক্ত কৰা হৈছে বুলি নিৰ্বাচনী আয়োগে কৰা স্বীকাৰোক্তি, দ্বিতীয়তে নাগৰিকত্বৰ প্ৰাথমিক প্ৰমাণৰ প্ৰয়োজন নাই বুলি চৰকাৰে দিয়া বিজ্ঞপ্তি, তৃতীয়তে জনপ্ৰতিনিধিত্ব আইনত থকা পদ্ধতিগত নিৰ্দেশবোৰ মানি নচলা আৰু চতুৰ্থতে ৰাষ্ট্ৰীয় গুৰুত্বপূৰ্ণ বিষয় এটা শুনানীৰ বাবে নিম্নতম সংখ্যক বিচাৰপতিৰে খণ্ড আদালত গঠন কৰাটো। দেশৰ অতি গুৰুত্বপূৰ্ণ কঠিন সাংবিধানিক বিষয়ৰ শুনানীৰ ক্ষেত্ৰত উচ্চতম ন্যায়ালয়ৰ মুঠ ১৯ জন বিচাৰপতিৰ অৰ্দ্ধেকৰো বেছি সংখ্যক বিচাৰপতিক লৈ এনে খণ্ড আদালত গঠন হ'ব লাগে।

বিশেষজ্ঞসকলে ক'ব খোজে যে সাক্ষ্য-প্ৰমাণ আৰু সেইবোৰ নাকচ কৰাৰ ক্ষেত্ৰত আইনত থকা শব্দবোৰেই যথেষ্ট নহয়। এই ক্ষেত্ৰত আন তিনিটা দিশ বিবেচনা কৰা প্ৰয়োজন ;— সেইবোৰ হৈছে : (১) আইন আৰু জনমত, (২) আইন আৰু নৈতিকতা তথা সমতা আৰু (৩) আইন আৰু ন্যায় বিচাৰ। বিশেষজ্ঞৰ মতে জনমতৰ 'ৰেলিংবাৰ' হৈছে অধিবক্তা সকলৰ 'ৰেলিংবাৰ'তকৈ অধিক শক্তিশালী। তেওঁলোকৰ মতে নাগৰিকত্ব আৰু ভোটদানৰ অধিকাৰৰ মাজত থাকিবলগীয়া প্ৰয়োজনীয় সম্পৰ্কৰ দিশটো উচ্চতম ন্যায়ালয়ে তেওঁলোকৰ ৰায়দানত অগ্ৰাহ্য কৰিলে। বয়স বা বাসস্থানৰ প্ৰমাণ-পত্ৰৰ দৰে ক্ৰুটিবোৰ সংশোধন কৰিব পাৰি, কিন্তু নাগৰিকত্বৰ প্ৰশ্নটো এটা গুৰুত্বপূৰ্ণ কথা আৰু সংবিধানত থকা এই গুৰুত্বপূৰ্ণ কথাটো অগ্ৰাহ্য কৰিব নোৱাৰি।

এই বিশেষজ্ঞসকলৰ মতে এতিয়া আইনগত প্ৰতিকাৰৰ বাবে মুকলি থকা একমাত্ৰ পথটো হৈছে— উচ্চতম ন্যায়ালয়ৰ মুঠ বিচাৰপতিৰ অৰ্দ্ধেকৰো বেছি সংখ্যক বিচাৰপতিৰে গঠিত এখন উচ্চতৰ সাংবিধানিক খণ্ড আদালতত আবেদন জনোৱা। ১৩জন পৰ্যন্ত বিচাৰপতিক লৈ এনে খণ্ড আদালত গঠন হোৱাৰ দৃষ্টান্ত থকা বুলি তেওঁলোকে আঙুলিয়াই দিয়ে।


একে প্ৰসংগতে সাংবিধানিক বিষয়ৰ জনাবুজাসকলে ন্যায়পালিকাৰ স্বতন্ত্ৰতাৰ অভাৱ, প্ৰধান বিচাৰপতি চন্দ্ৰচুড় আৰু বিচাৰপতি তুলজাপুৰকাৰ খণ্ড আদালতত নথকা, শ্ৰীমতী গান্ধী ক্ষমতালৈ অহাৰ পাছত তেওঁলৈ বিচাৰপতি ভাগৱতীয়ে দিয়া অভিনন্দনসূচক বাৰ্তা, উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন বিচাৰপতি আৰু বৰ্তমান ই-কংগ্ৰেছ দলৰ সংসদী সদস্য বাহাৰুল ইচলাম তুৰাৰ বিচাৰপতি ভাগৱতীৰ ওচৰলৈ যোৱা আদি সংশ্লিষ্ট বিষয়বোৰ উল্লেখ কৰিছে বুলি বাতৰিটোত কোৱা হয়।

**সঁফুৰা**

**এতিয়া অকল শিশু আৰু কিশোৰ-কিশোৰীৰে হৈ থকা নাই, ডাঙৰসকলৰো সমানে প্ৰয়োজনীয় আৰু অতি মৰমৰ আলোচনী**

**বাণী প্ৰকাশ**
**পাণবজাৰ গুৱাহাটী-১**





# কুলদীপ নায়াৰৰ
## বিশেষ প্ৰবন্ধ

নিৰ্বাচনী আয়োগ যদি কিবা পথ নিৰ্দেশক হয় তেতিয়া হ'লে পৰবৰ্তী লোকসভা নিৰ্বাচন হয় ডিচেম্বৰৰ ১০ আৰু ১৫ তাৰিখৰ ভিতৰত নহয় জানুৱাৰীৰ ৪ আৰু ১০ তাৰিখৰ ভিতৰত অনুষ্ঠিত হ'ব লাগে। ৰাজ্যৰ নিৰ্বাচনী বিষয়াসকলৰ এখন সম্মিলনৰ পাছত অন্ততঃ আয়োগৰ এইটোৱেই আছিল চৰকাৰলৈ পৰামৰ্শ।

ইয়াৰ মানে এইটো নহয় যে নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি নিশ্চিত হ'ব পৰা যায়। এটা কথাই ক'ব পাৰি যে অন্ধ্ৰপ্ৰদেশত পৰিস্থিতি প্ৰশমিত কৰাৰ পাছত আৰু অসমত সেইটোকে কৰাৰ চেষ্টা চলোৱাৰ পাছত আৰু পঞ্জাবত কিছু পৰিমাণে কৰি শ্ৰীমতী গান্ধী সাজু হৈ উঠা যেন লাগে। বিৰোধী দলবোৰৰ পৰস্পৰৰ মাজত বিদ্বেষ, বিৰোধিতা সুবিদিত তথাপি এন. টি. ৰামা ৰাওক সমৰ্থন কৰিবলৈ তেওঁলোক যিদৰে ঐক্যবদ্ধ হ'ল (বিজয়াৱাড়াত কমিউনিষ্ট আৰু বিজেপিৰ স্বেচ্ছাসেৱকসকলে বহু কেইখন বাজহুৱা সভা যুটীয়াভাৱে আয়োজন কৰিছিল) তাৰ পাছত নিৰ্বাচনৰ স্থগিতকৰণ যে এটা অনুৰূপ বিষয় হৈ উঠিব পাৰে আৰু সি আটাইবোৰ ই-কংগ্ৰেছ বিৰোধী শক্তিক সংঘবদ্ধ কৰি তুলিব পাৰে, সেইটো কথা শ্ৰীমতী গান্ধীয়েও হয়তো ধাৰণা কৰিবলৈ লৈছে।

তথাপি নিৰ্ধাৰিত কৰা সময়তে তেওঁ নিৰ্বাচন পাতিবলৈ অভিপ্ৰায় কৰিছে বুলি এইবোৰ চূড়ান্ত প্ৰমাণ নহ'বও পাৰে। বহুতৰে এটা বিষয়ত দৃঢ় প্ৰত্যয় যে শ্ৰীমতী গান্ধীয়ে জিকিব নোৱাৰিলে নিৰ্বাচন এটাৰ বিপদ মুৰ পাতি নলয় আৰু সকলো দিশ বিচাৰ কৰি চাই তেওঁলোক এনেকুৱা সিদ্ধান্তত উপনীত হৈছে যে শ্ৰীমতী গান্ধী এইবাৰ এটা সামগ্ৰিক সংখ্যাগৰিষ্ঠতাৰ ওচৰ চাপিব পৰাৰ সম্ভাৱনা নাই। প্ৰকৃতপক্ষে ৫৪৬ জনীয়া সদনত তেওঁ খুব বেছি প্ৰায় ২২৫ খন আসনহে পাবলৈ আশা কৰিব পাৰে বুলি তেওঁলোকে ভাবে।

এই ধৰণৰ যুক্তিতৰ্ক অকল শ্ৰীমতী গান্ধীৰ সমালোচকসকলৰ মাজতে আৱদ্ধ

## শ্ৰীমতী গান্ধীৰ ডাঙৰ উভয়সংকট

নহয়। তেওঁৰ নিজৰ দলৰ মানুহ আৰু তেওঁৰ চৌদিশে থকা স্তাৱকৰ দলটোৱেও তেনেকৈয়ে ভাবে। ৰাজীৱ গান্ধীৰ অনুচৰ দলে কম্পিউটাৰত নানা তৰহৰ 'ডাটা' ভৰাই পৰীক্ষা-নিৰীক্ষা কৰিছেহে কৰিছেহে ২২৪ খনতকৈ বেছি আসন উলিয়াবলৈ এতিয়াও সমৰ্থ হোৱা নাই। তাকো সৰ্বমুঠ ১৪৯ খন অৰ্থাৎ সদনৰ প্ৰায় এক চতুৰ্থাংশ আসন থকা বিহাৰ, উত্তৰপ্ৰদেশ আৰু হাৰিয়ানাত বিৰোধী দলবোৰৰ মাজত কিবা 'বুজাবুজি' হ'ব বুলি তেওঁলোকে আশা নকৰো-

তেও ২২৪ খনহে পাইছে।

শ্ৰীমতী গান্ধীয়ে ৰাষ্ট্ৰপতি-প্ৰথাৰ চৰকাৰত আন যি কোনো এজনতকৈ অধিক সংখ্যক আসন জয় কৰিব পাৰিব, কিন্তু বৰ্তমান প্ৰথাত সামগ্ৰিক সংখ্যাগৰিষ্ঠতা জয় কৰিব নোৱাৰে— এই হিচাপ-নিকাচৰ পৰাই ৰাষ্ট্ৰপতি প্ৰথাৰ চৰকাৰৰ সম্পৰ্কত নতুনকৈ চলোৱা বিতৰ্কটোও আৰম্ভ হৈছে। ৰাষ্ট্ৰপতি-প্ৰথাত পোনপটীয়া ভোটৰ প্ৰয়োজন হ'ব আৰু ভজনলাল, অৰ্জুন সিং আৰু জানকীবল্লভ পাটনায়কসকলে কৰা পাপকৰ্মবোৰৰ বাবে কোনো অসুবিধাৰ সন্মুখীন নোহোৱাকৈয়ে শ্ৰীমতী গান্ধীয়ে জয়লাভ কৰিব— আনকি আটাইতকৈ উৎসাহী বিৰোধী নেতাজনেও এইকথা মানি ল'ব কাৰণ এজন যুটীয়া প্ৰাৰ্থী থিয় কৰাবলৈ বিৰোধী দলবোৰ সমৰ্থ নহ'ব আৰু কিবা প্ৰকাৰে হ'লেও সেইজন প্ৰাৰ্থী কোনো পধ্যেই শ্ৰীমতী গান্ধীৰ সমকক্ষ নহ'ব।

কেমিকেলছ দপ্তৰৰ কেন্দ্ৰীয় মন্ত্ৰী বসন্ত সাথে আৰু ৰাজ্যসভাৰ ই-কংগ্ৰেছ এম পি সত্য পালে জনমত জুখিবলৈ চলোৱা প্ৰচাৰৰ আঁৰত শ্ৰীমতী গান্ধীয়েই হয়তো আছিল। যদিও তেওঁলোক চৰকাৰৰ পৰিচালনাৰ প্ৰথা সলনিৰ বাবে পৰামৰ্শ দিয়াৰ কাৰণে —প্ৰচাৰটো তেওঁলোকে নিজৰ বৰীয়াকৈ চলোৱা বুলি ভৱা নিজৰ দলৰ লোকৰ অপ্ৰত্যাশিত তীব্ৰ আক্ৰমণৰ সন্মুখীন হয়, পাছত শ্ৰীমতী গান্ধীয়ে কয় যে ৰাষ্ট্ৰপতি-প্ৰথাৰ চৰকাৰ সংসদী প্ৰথাতকৈ কোনো গুণেই কম গণতান্ত্ৰিক নহয়। আৰম্ভণিৰ পৰাই প্ৰচাৰটোৰ আঁৰত তেওঁ আছিল।

**উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত বিচাৰপতি যাক শ্ৰীমতী গান্ধীয়ে অসমৰ পৰা ৰাজ্যসভালৈ আনে সেই বাহাৰুল ইচলাম অলপতে এমাহৰ বাবে পেৰিছত আছিলগৈ; তেওঁ তালৈ গৈছিল ফ্ৰান্সত চলাবিধ ৰাষ্ট্ৰপতি-প্ৰথা অধ্যয়ন কৰিবলৈ।**



OKDISCD

প্ৰকৃতপক্ষে ৰাষ্ট্ৰপতিৰ-প্ৰথা অনুমানৰ স্তৰৰ পৰা আহি বাস্তৱৰ কাষ চাপিছে। উচ্চতম ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত বিচাৰপতি—যাক শ্ৰীমতী গান্ধীয়ে অসমৰ পৰা ৰাজ্যসভালৈ আনে—সেই বাহাৰুল ইচলাম অলপতে এমাহৰ বাবে পেৰিছত আছিলগৈ; তেওঁ তালৈ গৈছিল ফ্ৰান্সত চলাবিধ ৰাষ্ট্ৰপতি-প্ৰথা অধ্যয়ন কৰিবলৈ। চৰকাৰেই যে তেওঁক তালৈ পঠিয়াইছিল সেইটো গোপন কথা বহুতেই জানে।

জনদিয়েক আইনজীৱীয়ে ৰাষ্টপতি প্ৰথাক সংসদী প্ৰথাৰ লগত যুক্ত কৰিব পৰা আঁচনি এখন যুগুতাই আছে; এই আঁচনিৰ অভিপ্ৰায়টো হ'ল সংসদ আৰু লগতে মুখ্য কাৰ্য-নিৰ্বাহক ৰাষ্ট্ৰপতি পদলৈ পোনপটীয়া নিৰ্বাচন পতা। সদ্যহতে এই আঁচনিখনে ৰাজ্যসমূহ স্পৰ্শ কৰা নাই—সেইবোৰত নিৰ্বাচিত মুখ্যমন্ত্ৰী আৰু মনোনীত ৰাজ্যপালেই চলি থাকিব।

সৰ্বোচ্চ পদত প্ৰধানমন্ত্ৰীৰ ঠাইত এজন ৰাষ্ট্ৰপতি থকা এখন ফৰাচী পদ্ধতিৰ সংবিধানৰ পৰামৰ্শ দি জৰুৰী অৱস্থাত যিটো টোকা প্ৰচাৰ কৰা হৈছিল তাৰ আধাৰতে এই আঁচনিখনৰ গাথনিটো ৰচনা কৰা হৈছে। মই ভাবিছিলো এই গোটেই ধাৰণাটো ব্ৰজকুমাৰ নেহৰুৰ, কিন্তু মোলৈ দিয়া এখন চিঠিত ধাৰণাটো তেওঁ উদ্ভাৱন কৰাৰ কথা তেওঁ অস্বীকাৰ কৰিছে। এটা সুনিৰ্দিষ্ট পৰামৰ্শ হিচাপে যিটো কথা ওলাল সেইটো হ'ল, এটা ৰাষ্ট্ৰজোৰা নিৰ্বাচনত মুখ্য কাৰ্যনিৰ্বাহকজনক পোনপটীয়াকৈ নিৰ্বাচিত কৰিব লাগে—মাৰ্কিন যুক্তৰাজ্যত কৰাৰ দৰে নহয়। মাৰ্কিন যুক্তৰাজ্যত এখন 'ইলেকটৰেল কলেজ' (ৰাষ্ট্ৰপতি-উপৰাষ্ট্ৰপতি মনোনয়নকাৰী সমিতি)ৰ দ্বাৰা ৰাষ্ট্ৰপতিজন নিৰ্বাচিত হয় ছবছৰৰ বাবে আৰু সেইখিনি সময়কে সংসদৰ বাবে ম্যাদ ধাৰ্য কৰা হয়। সেই টোকাটোত কোৱা হয়: 'যিহেতু আমাৰ ৰাষ্ট্ৰপতি এইদৰে জনগণৰ এটা পোনপটীয়া ৰায়ত নিৰ্বাচিত হ'ব, গতিকে আঁচনিমতে তেওঁ আনকি মাৰ্কিন ৰাষ্ট্ৰপতিতকৈও অধিক কৰ্তৃত্ব আৰু ক্ষমতা ভোগ কৰিব।" (মাৰ্কিন ৰাষ্ট্ৰপতিক কংগ্ৰেছৰ দ্বাৰা অক্ষম কৰি দিব পাৰি।)

কেতবোৰ মহলত এনেকুৱা ধৰণে চিন্তা কৰাটোৱে এইটো সুবুজায় যে শ্ৰীমতী গান্ধীয়ে ৰাষ্ট্ৰপতি-প্ৰথাৰ চৰকাৰ সম্পৰ্কে সিদ্ধান্ত ল'লেই; ই ইয়াকেহে বুজাইছে যে জয়লাভ কৰাৰ পথ এটা তেওঁ এতিয়াও বিচাৰি আছে। ৰাষ্ট্ৰপতি-প্ৰথা হয়তো শেষ অৱলম্বন হ'বগৈ—কাৰণ এই প্ৰথাৰো নিজা অসুবিধা কিছুমান আছে।

প্ৰকৃতপক্ষে, ৰাষ্ট্ৰপতি-প্ৰথাৰ বাবে সংবিধানৰ এটা সংশোধনী ঘটোৱাটো বৰ সময়-লগা কথা হ'ব। প্ৰথমতে সংসদৰ দুয়োখন সদনৰ প্ৰতিখনতে শ্ৰীমতী গান্ধীয়ে দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা পাব লাগিব। যদিও অন্ধ্ৰ প্ৰদেশত হোৱা ভুলটোৰ পাছত ৰাজ্যসভাত তামিলনাডুৰ এ. আই. এ. ডি. এম. কেৰ অনুগত সমৰ্থন সন্দেহজনক হৈ পৰিছে আৰু তামিলনাডুৰ মুখ্যমন্ত্ৰী এম. জি. আৰে ৰাজহুৱাভাৱে কৈছে যে তেওঁ ৰাষ্ট্ৰপতি-প্ৰথাৰ চৰকাৰৰ বিৰোধী তথাপি, শ্ৰীমতী গান্ধীয়ে ৰাজ্যসভাত দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা যোগাৰ কৰিব পাৰিব। লোকসভাত ই-কংগ্ৰেছৰ দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা আছেই।

**শ্ৰীমতী গান্ধীক এইদৰে উভয়সংকটৰ দোমোজাত অৱৰুদ্ধ হৈ থকা দেখিলে এনেকুৱা অস্বস্তিকৰ ভাব আহে যে তেওঁ হয়তো তেওঁৰ অনুকূলে এটা ঢৌ সৃষ্টি কৰিবলৈ কিবা এটা কৰি পেলাব।**

সংসদে গৃহীত কৰাৰ পাছত সংবিধান সংশোধনী বিলখন ৰাজ্যবোৰলৈ যাব লাগিব আৰু ৰাজ্যসমূহৰ আধা সংখ্যকে তাত অনুমোদন জনাব লাগিব। ই-কংগ্ৰেছে তাৰো ব্যৱস্থা কৰিব পাৰিব, কিন্তু এই ক্ষেত্ৰত সময়ৰ কথাটো আছে।

বৰ্তমান পোৱা ইংগিত মতে সংসদৰ অধিবেশন এখন নভেম্বৰত এপষেকৰ বাবে বহাৰ সম্ভাৱনা আছে। ৰাষ্ট্ৰপতি ছিমলালৈ যোৱাৰ আগেয়ে তেওঁৰ লগত অধিবেশনখন বহুৱাৰ বিষয়ে শ্ৰীমতী গান্ধীয়ে বোলে আলোচনা কৰে। ধৰা হওক যে সেই অধিবেশনত সংশোধনী বিলখন গৃহিত কৰা হ'ল আৰু আধা-সংখ্যক ৰাজ্যয়ো তাত অনুমোদন জনালে (ৰাজ্যবোৰৰ সদনত 'প্ৰস্তাৱ'-টোৰ বাবে এপষেকৰ জাননী লাগে) তথাপি নিৰ্বাচন যদি ডিচেম্বৰৰ মাজভাগত বা জানুৱাৰীৰ আৰম্ভণিতে অনুষ্ঠিত কৰিব লাগে তেতিয়াহ'লে এই অনুমোদন আৰু নিৰ্বাচনৰ মাজত বেছি সময় নাথাকিব। নিৰ্বাচনী আয়োগক নিৰ্বাচনৰ বাবে ৪৬ দিনৰ এক স্পষ্ট জাননী দিব লাগে।

সম্ভৱ আটাইতকৈ বেছি সময় লগা প্ৰক্ৰিয়াটো হ'ব উচ্চতম ন্যায়ালয়ত এটা প্ৰত্যাহ্বান। কাৰণ কেশবানন্দ ভাৰতী বনাম কেৰালা ৰাজ্য (১৯৭৩) গোচৰটোত দিয়া ৰায়মতে সংবিধানৰ মূল গাথনিটো (basic structure) সলনি কৰিব পৰা নাযায়। এখন সাংবিধানিক বেঞ্চ বহিব লাগিব আৰু ৰাজ্যৰ বানচ সংক্ৰান্ত গোচৰৰ অভিজ্ঞতাৰ পৰা বুজা যায় শুনানীটো যথেষ্ট দীঘলীয়া হ'ব পাৰে। উচ্চতম ন্যায়ালয়ে স্থগিতাদেশ এটা নিদিলেও ৰায়টো নিদিয়ে মানে যে প্ৰথা সলনিৰ দিশত চৰকাৰ আগ নাবাঢ়ে সেইটো ধৰি লব পৰা যায়।

তদুপৰি এনেকুৱা এটা প্ৰস্তাৱে বিৰোধী দলবোৰক লগ লাগি যোৱাৰ এটা থল দিব পাৰে বুলি ভালদৰে জানিও শ্ৰীমতী গান্ধীয়ে এনে প্ৰস্তাৱেৰে আগবাঢ়িব সেইটোও আকৌ

১৩ পৃষ্ঠাত চাওক



# পাৰমাণবিক অস্ত্ৰৰ ভয়াবহতা

ড° অমৃতা হাজৰিকা

পৃথিৱীৰ প্ৰাকৃতিক সম্পদসমূহৰ পৰিমাণ ক্ৰমান্বয়ে হ্ৰাস পাই আহিছে। প্ৰাকৃতিক উপায়ে এই বনজ আৰু জলজ সম্পদসমূহ পুনৰ সমতালৈ অনাত পৃথিৱীৰ বৰ্ধিত জনসংখ্যাই বাধা দিছে। ইয়াৰ উপৰি আকৌ আধুনিক মানৱে নিজৰ সৃষ্ট এবিধ আহিলাৰে প্ৰাকৃতিক সমতা প্ৰাপ্তিত অনিশ্চয়তাৰ সৃষ্টি কৰিছে। মানৱ জীৱনৰ কাৰণে অতি প্ৰয়োজনীয় বায়ুমণ্ডল মানুহৰ দ্বাৰা সৃষ্ট নানান ঔদ্যোগিক গেছৰ দ্বাৰা দূষিত হৈয়ে আছে। তদুপৰি মানুহে শেহতীয়া আহিলা পাৰমাণৱিক অস্ত্ৰৰ দ্বাৰা বৰ্তমান বিশ্বক এক অন্ধকাৰ বায়ুমণ্ডলৰ দ্বাৰা পৰিবেষ্টিত ভৱিষ্যতৰ পিনে ঠেলি দিছে। এই পৰিপ্ৰেক্ষিতত আজিৰ মানৱে নিজকে সংযত কৰিব নোৱাৰিলে পৃথিৱীৰ পৰা মানৱ সভ্যতা নিশ্চিহ্ন হোৱাৰ আশংকা বাঢ়ি যাব।

যোৱা দশককেইটাত বিজ্ঞানৰ অগ্ৰগতি চমকপ্ৰদ। এই অগ্ৰগতি সম্ভৱ হৈছে বিজ্ঞানৰ অফুৰন্ত সম্ভাৱনাক বাস্তৱ ৰূপ দিয়াত সকলো দেশ উঠি পৰি লগাৰ কাৰণে। কিন্তু বিশ্বৰ উন্নত দেশসমূহ, আনকি কেতবোৰ উন্নয়নশীল দেশেও নিজৰ এই বিজ্ঞানৰ অগ্ৰগতিৰ ফলৰ এক বুজন অংশ প্ৰতিৰক্ষা, অস্ত্ৰ-শস্ত্ৰ আদিতহে ব্যৱহাৰত লগাইছে। বৰ্তমান বিশ্বৰ আণবিক শক্তিসম্পন্ন দেশবোৰে তৈয়াৰ কৰা পাৰমাণবিক অস্ত্ৰসমূহৰ বিস্ফোৰণৰ ফলত উদ্ভৱ হোৱা তেজস্ক্ৰিয় বিকিৰণে সদ্যজাত শিশু আৰু জীৱ-জন্তু সকলোকে বিকলাংগ কৰি পেলাব পাৰে। আনকি মাত্ৰ ৫০০ গ্ৰাম প্লুটোনিয়াম-২৩৯ (Plutonium-239) বায়ুমণ্ডলত বিয়পি পৰি মানুহৰ হাওঁফাওঁত প্ৰবেশ কৰিলেই সমগ্ৰ পৃথিৱীৰ মানুহ মৃত্যু মুখত পৰিব। আধুনিক প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ ফলস্বৰূপে বৰ্তমান বিশ্বৰ কোনো এখন ঠায়েই পাৰমাণবিক অস্ত্ৰৰ গৰাহৰ পৰা মুক্ত নহয়। আনবিক শক্তিসমূহে মাত্ৰ ৪৫ মিনিট সময়ৰ ভিতৰত বিশ্বৰ যিকোনো ঠাইতে নিজৰ পাৰমাণবিক অস্ত্ৰ বিস্ফোৰণ কৰোৱাৰ ক্ষমতা আয়ত্ত কৰিছে। আনকি, বিজ্ঞানৰ অগ্ৰগতিৰ ফলস্বৰূপে মহাশূন্যৰ পৰাও আজিৰ মানুহ পাৰমাণবিক যুদ্ধ এখনত লিপ্ত হ'ব পাৰে।

গতিকে আমি এতিয়া এক গুৰুত্বপূৰ্ণ প্ৰশ্নৰ সন্মুখীন হৈছোঁ। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ এই অগ্ৰগতিৰ ফলত মানৱ সভ্যতা পৃথিৱীত ৰক্ষা পৰিবনে?

এই প্ৰশ্নৰ উত্তৰ পাবলৈ হ'লে আমি পাৰমাণবিক অস্ত্ৰনো বায়ুমণ্ডলৰ কাৰণে কিয় ক্ষতিকাৰক সেয়া বিচাৰ কৰিব লাগিব। প্ৰথমতে আমি তেজস্ক্ৰিয় বিকিৰণৰ কথাকে ধৰো। তেজস্ক্ৰিয় বিকিৰণে মানুহৰ যে উপকাৰ কৰা নাই এনে নহয়। এক্স-ৰে' আদি চিকিৎসাৰ আহিলা সমূহত বিকিৰণে সহায় কৰে। টেলিভিছন, সংযোগী উপগ্ৰহ (tele-communication satellite), মহাশূন্যৰ আবিষ্কাৰ অভিযান আৰু পৰমাণুৰ দ্বাৰা বিদ্যুৎ উৎপাদনৰ ক্ষেত্ৰত এই বিকিৰণ এক প্ৰধান উপাদান। এয়া হৈছে পাৰমাণবিক শক্তিৰ শান্তিপূৰ্ণ আৰু ব্যৱহাৰিক প্ৰয়োগ। কিন্তু পাবমাণবিক অস্ত্ৰৰ উপাদান স্বৰূপে ব্যৱহৃত তেজস্ক্ৰিয় বিকিৰণ মানুহৰ কাৰণে অতি ভয়াবহ। এই ধৰণৰ বিকিৰণে পৃথিৱীৰ সকলো জীৱন প্ৰত্যক্ষভাৱে ধ্বংস কৰিব পাৰে আৰু বায়ুমণ্ডল দূষিত কৰি জীৱৰ কাৰণে পৃথিৱীখন বাসৰ অনুপযোগী কৰি তোলাত আটাইতকৈ সক্ৰিয় ভূমিকা ল'ব পাৰে।

এটা আণবিক বোমা বিস্ফোৰণ হোৱাৰ পাছত মাটিৰ পৰা শিল-বালি আদি জোৰেৰে ওপৰলৈ উঠি যায় আৰু কাঠফুলাৰ আকৃতিৰ ডাৱৰৰ সৃষ্টি হয়। ১০০ কিল'টনতকৈ কম শক্তিসম্পন্ন আণবিক বোমাৰ বিস্ফোৰণৰ ফলত এই কাঠফুলাৰ আকৃতিৰ ডাৱৰ ১২.১ কিল'মিটাৰ ওপৰলৈহে উঠে। (১ কিল'টন = ১০০০ টন টি. এন. টি সাধাৰণ বিস্ফোৰক)। এই শিল-বালি, তেজস্ক্ৰিয় পদাৰ্থ মিহলি ডাৱৰে নিম্ন বায়ুমণ্ডলত অৱস্থান লয়। আনহাতে ১৫০ কিল'টন বা তাতকৈ অধিক শক্তি সম্পন্ন আণৱিক বোমাৰ তেজস্ক্ৰিয় ডাৱৰে উচ্চ বায়ুমণ্ডলত অৱস্থান লয়। সেইদৰে ১০ মেগাটন (এক মেগাটন = ১,০০০,০০০ টি. এন. টি সাধাৰণ বিস্ফোৰক) আণবিক বোমাৰ তেজস্ক্ৰিয় ডাৱৰ বায়ুমণ্ডলৰ প্ৰায় ৩২ কিল'মিটাৰ উচ্চতাত অৱস্থান কৰে। আমাৰ বাবে অতি প্ৰয়োজনীয় অ'জ'ন (ozone) গেছ নিম্ন বায়ুমণ্ডলত বিয়পি থাকে। ১০ মেগাটনৰ এটা বিস্ফোৰণৰ ফলত এই প্ৰয়োজনীয় অ'জ'নৰ আৱৰণ বিচ্ছিন্ন হৈ পৰিব। ফলত (অ'জ'নৰ আৱৰণে পৃথিৱীত সোমাবলৈ বাধা দি ৰখা) সূৰ্যৰ আলট্ৰা ভায়লেট ৰশ্মিয়ে মানুহৰ দৃষ্টিশক্তি আৰু ৰোগ প্ৰতিৰোধৰ স্বাভাৱিক ক্ষমতা নাইকিয়া কৰি পেলাব। ইতিমধ্যে এৰোছেল স্প্ৰে' ৰিফ্ৰিজাৰেটৰ আদিত ব্যৱহৃত ক্লৰফ্লকাৰ্বন (chloroflo-carbon) আৰু শব্দতকৈ বেগী বিমানসমূহৰ পৰা নিৰ্গত গেছে এই প্ৰয়োজনীয় অ'জ'নৰ আৱৰণত আঘাত কৰিছেই। ফলস্বৰূপে আমেৰিকা আৰু ছুইডেনৰ চৰকাৰে এই ক্লৰফ্লকাৰ্বন-জাতীয় পদাৰ্থৰ অপ্ৰয়োজনীয় প্ৰয়োগ বন্ধ কৰি দিছে। তথাপি বিজ্ঞানীসকলে দাবী কৰে যে এই পদাৰ্থসমূহৰ প্ৰয়োগ চৰকাৰে বন্ধ কৰাৰ আগেয়ে অতি প্ৰয়োজনীয় অ'জ'ন আৱৰণৰ যথেষ্ট ক্ষতি কৰা হলেই আৰু তাৰ ফলস্বৰূপে নিযুত বছৰ ধৰি পৃথিৱী ৰক্ষাকাৰী এই আৱৰণখন ক্ৰমান্বয়ে ক্ষয় যাবলৈ আৰম্ভ কৰিছে। আলট্ৰা ভায়'লেট ৰশ্মিৰ এক নিৰ্দিষ্ট সূক্ষ্ম পৰিমাণ এইদৰে অ'জ'ন আৱৰণ ভেদ কৰি পৃথি-

ৱীলৈ আহি থাকিলে জীৱ-জন্তু আৰু গছ-গছনিৰ প্ৰতিৰোধ ক্ষমতা ধ্বংস হৈ এইবোৰ লুপ্ত হ'ব। ফলত পৃথিৱীখন গছ-গছনিৰ অভাৱত প্ৰয়োজনীয় অক্সিজেন তৈয়াৰ নোহোৱাৰ কাৰণে জীৱন ধাৰণৰ কাৰণে অনুপযোগী হৈ পৰিব। অ'জ'ন আৱৰণীৰ ক্ষতি কৰাৰ উপৰিও উচ্চ-ক্ষমতাসম্পন্ন আণৱিক বোমাই আন দিশতো ভয়াবহ অৱস্থাৰ সৃষ্টি কৰিব। ১০০ মেগাটনৰ আণৱিক বোমাৰ বিস্ফোৰণৰ ফলত পৃথিৱীলৈ হঠাতে আন্ধাৰ শীতকাল নামি আহিব। এই কৃত্ৰিম আন্ধাৰ সৃষ্টি হ'ব আণৱিক তেজস্ক্ৰিয় বৃহৎ ডাৱৰে সূৰ্যৰ পোহৰ পৃথিৱীলৈ আহিবলৈ বাধা দিয়াৰ ফলস্বৰূপে। সূৰ্যৰ পোহৰৰ দীৰ্ঘকালীন অভাৱত পৃথিৱীৰ তাপমাত্ৰা হ্ৰাস পাব। গছ-গছনিয়ে আলোক-সংশ্লেষণ (photosynthesis) কৰিব নোৱৰাৰ ফলত পৃথিৱীত জীৱৰ পাৰম্পৰিক অৱস্থান অসম্ভৱ হৈ পৰিব।

পশ্চিমীয়া ৰাষ্ট্ৰসমূহত অৱস্থিত ক্ষেপণাস্ত্ৰসমূহৰ ভিতৰত টিটান II সকলোতকৈ বৃহৎ। এই টিটান II আমেৰিকাৰ বিমান বাহিনীৰ তত্ত্বাৱধানত পশ্চিমীয়া বিশ্বৰ বিভিন্ন ঠাইত ক্ষেপণৰ কাৰণে সাজু কৰি ৰখা হৈছে। এই পাঁচমুখীয়া ক্ষেপণাস্ত্ৰৰ ধ্বংস ক্ষমতা হৈছে ৫০ মেগাটন। এই ভয়াবহ টিটান II ক্ষেপণাস্ত্ৰ আছে মুঠ ৫৪ টা। কিন্তু ইয়াৰ দুটায়েই পৃথিৱীক ধ্বংসস্তূপত পৰিণত কৰাৰ বাবে যথেষ্ট। মাত্ৰ এটা ছোভিয়েট SS-IS (Mod-1) পাৰমাণৱিক ক্ষেপণাস্ত্ৰৰ শক্তি হৈছে ৪৫০ মেগাটন; যি পৃথিৱীখন চাৰিবাৰ সম্পূৰ্ণকৈ ধ্বংস কৰি পেলাব পাৰে। আৰু এনেধৰণৰ SS—IS ক্ষেপণাস্ত্ৰ ২০০ টা!

মাত্ৰ ২০ কিল'টন আৰু ১৪ কিল'টন শক্তিসম্পন্ন দুটা আণৱিক বোমাৰ নাগাচাকি আৰু হিৰোশ্বিমাত বিস্ফোৰণৰ ফলত ১,০০,০০০ মানুহৰ মৃত্যু হৈছিল— ; আহত হৈছিল ২,০০,০০০ মানুহ। এই বোমা বিস্ফোৰণৰ ৩২ বছৰ পাছলৈকে তেজস্ক্ৰিয় বিকিৰণৰ পৰা আৰু ১,০০,০০০ মানুহ মৃত্যু মুখত পৰে। প্ৰায় ৩,৭০,০০০ মানুহে তেজস্ক্ৰিয় বিকিৰণৰ ফলত নানান অস্বাভাৱিক অসুখত ভোগে। বৰ্তমান ৱাৰশ্ব' চুক্তিভুক্ত দেশসমূহ আৰু নাটো গোষ্ঠীৰ দেশসমূহৰ হাতত থকা আটাইতকৈ কম শক্তিৰ আণৱিক বোমাৰ শক্তি হৈছে ১০০ৰ পৰা ২০০ কিল'টন; যিবোৰ নাগাচাকি আৰু হিৰোশ্বিমাত পেলোৱা আণৱিক বোমাতকৈ ১০/২০ গুণ বেছি শক্তিশালী। ২০০ কিল'টনৰ এটা পাৰমাণৱিক বোমাৰ অগ্নিপিণ্ডটোৰ ব্যাসাৰ্ধ হৈছে ১·১ কিল'মিটাৰ যি ২·৮ কিল'মিটাৰ ব্যাসাৰ্ধৰ ভিতৰত থকা সকলোবোৰ ধাতু গলাই পেলাব পাৰে। এটা পাৰমাণৱিক বোমাৰ বিস্ফোৰণত সৃষ্টি হোৱা তাপমাত্ৰা সূৰ্যৰ মধ্যভাগৰ তাপমাত্ৰাৰ সমান। এই তাপ আৰু বতাহ শব্দৰ বেগতকৈ বেছি বেগেৰে প্ৰবাহিত হৈ ১০ ছেকেণ্ডৰ ভিতৰতে বিস্ফোৰণস্থলীৰ পৰা প্ৰায় তিনি কিল'মিটাৰ আঁতৰত থকা মানুহ পুৰি ছাই কৰি পেলাব পাৰে। সাধাৰণ বায়ুৰ চাপতকৈ বেছি চাপ সৃষ্টিৰ ফলত অট্টালিকা, ঘৰবাৰী, গছ-গছনি আদি থিতাতে ধ্বংস হৈ যাব।

কিন্তু ভয়াবহতাৰ ইমানতে সমাপ্তি নঘটে। বিস্ফোৰণৰ ফলত হোৱা অগ্নিপিণ্ড ঠাণ্ডা হোৱাৰ পাছত প্ৰচণ্ড তাপৰ পৰা সৃষ্টি হোৱা প্ৰক্ৰিয়াসমূহ নাইকিয়া হয়; কিন্তু আনহাতে আন এক ভয়াবহ প্ৰক্ৰিয়া আৰম্ভ হয়। পাৰমাণৱিক তেজক্ৰিয় পদাৰ্থৰ লগত পৃথিৱীৰ মাটি, পানী, শিল আদি মিহলি হৈ সৃষ্টি হোৱা কাঠফুলাৰ আকৃতিৰ আণৱিক ডাৱৰে পৃথিৱী ছাটি ধৰে। ক্ৰমান্বয়ে তাপমাত্ৰা হ্ৰাস হ'লে বৰষুণৰ আকাৰত বহুদিন, বহু মাহ—আনকি বহু বছৰ ধৰিও এই তেজস্ক্ৰিয় পদাৰ্থবোৰ মাটিলৈ নামি থাকিব পাৰে। এই তেজস্ক্ৰিয় বৰষুণেই আণৱিক অস্ত্ৰৰ আটাইতকৈ ভয়াবহ ফল। প্ৰায় ২০০ বিধ বিভিন্ন তেজস্ক্ৰিয় পদাৰ্থ এই বৰষুণৰ লগত পৃথিৱীত পৰেহি। এই তেজস্ক্ৰিয় আইছ'ট'প (radio-isotopes) সমূহৰ জীৱনীশক্তি বেলেগ বেলেগ। কিছুমান ৰেডিঅ' আইছ'ট'পে মাত্ৰ অলপ সময়ৰ বাবেহে তেজস্ক্ৰিয় ৰশ্মি বিকিৰণ কৰে। আনহাতে কিছুমান আইছ'ট'পে বহু বছৰ, আনকি নিযুত বছৰ জুৰিও তেজস্ক্ৰিয় ৰশ্মি বিকিৰণ কৰি থাকে।

পাৰমাণৱিক বিস্ফোৰণৰ ফলত উদ্ভৱ হোৱা ৰেডিঅ' আইছ'ট'পসমূহৰ ভিতৰত ষ্ট্ৰনছিয়াম-৯০ (Strontium-90), ছিজিয়াম— ১৩৭ (caesium-137) স্বাস্থ্যৰ পক্ষে অতি ক্ষতিকাৰক। কিছুমান ৰেডিঅ' আইছ'ট'পে মানুহৰ জীৱন-ধাৰণৰ কাৰণে প্ৰয়োজনীয় কেতবোৰ পদাৰ্থৰ ৰাসায়নিক ৰূপৰ ভেশচন ধৰিব পাৰে। ষ্ট্ৰনছিয়াম-৯০এ কেলছিয়ামৰ ৰাসায়নিক গুণসমূহৰ ভেশচন ধৰি মানুহৰ দেহত প্ৰৱেশ কৰিব পাৰে। গৰুৱে ষ্ট্ৰনছিয়াম-৯০ থকা তেজস্ক্ৰিয় ঘাঁহ খাই দিয়া গাখীৰৰ জৰিয়তে এই আইছ'ট'প মানুহৰ দেহলৈ আহে। কিন্তু এই প্ৰক্ৰিয়াটোত গৰুৰ দেহ আৰু মানুহৰ দেহেও ষ্ট্ৰনছিয়াম-৯০ক কেলছিয়াম বুলিয়েই গ্ৰহণ কৰে আৰু তাৰ পাছতে এই ৰেডিঅ'-আইছ'ট'পে মানুহৰ দেহত তাৰ ধ্বংসকাৰী প্ৰক্ৰিয়া আৰম্ভ কৰে। ই মানুহৰ কোষৰ ৰঙা ৰক্তকণিকা তৈয়াৰ কৰা যন্ত্ৰসমূহ ধ্বংস কৰি পেলায়। লিউকেমিয়া হ'বলৈ এই প্ৰক্ৰিয়াই যথেষ্ট। ছিজিয়াম ১৩৭-এ অন্য প্ৰয়োজনীয় পদাৰ্থৰ ভেশচনত মানৱ দেহত সোমাই দেহৰ স্নায়ু, শিৰা, উপশিৰাসমূহৰ ক্ষতি সাধন কৰে। উল্লেখযোগ্য যে এই দুয়োবিধ ৰেডিঅ' আইছ'ট'পৰ জীৱনকাল হৈছে ক্ৰমে (ষ্ট্ৰনছিয়াম-৯০ৰ) ২৮ বছৰ আৰু (ছিজিয়াম—১৩৭) ৩০ বছৰ।

প্লুটোনিয়াম-২৩৯অৰ জীৱনকাল হৈছে ২৪,৩০০ বছৰ আৰু ই লোহ পদাৰ্থৰ ভেশচন ধৰি মানৱদেহত সোমায়। ফলত যকৃত আৰু মজ্জা কেন্সাৰৰ দ্বাৰা আক্ৰান্ত হয়। এই প্লুটোনিয়াম-২৩৯অৰ ভয়াবহতাৰ কথা আগতেও উল্লেখ কৰা হৈছে।



আণৱিক বিস্ফোৰণত উৎপন্ন হোৱা গামা ৰশ্মি, নিউট্ৰন, তাপৰ বিকিৰণ আৰু বায়ুৰ উচ্চ চাপে সমানেই ক্ষতি কৰে। গামা ৰশ্মিয়ে পোহৰৰ গতিত ভ্ৰমণ কৰে কাৰণে আণৱিক বিস্ফোৰণৰ চকু চাঁট মৰা পোহৰ দেখা মাত্ৰকে ই মানুহৰ দেহ গামা ৰশ্মি আৰু নিউট্ৰনৰ বিকিৰণেৰে বুৰাই পেলায়। ৫০০ ৰেড [১ ৰেড হৈছে মানৱদেহে সকলো প্ৰকাৰে গ্ৰহণ কৰা তেজস্ক্ৰিয় বিকিৰণৰ একক] বিকিৰণ মানব দেহৰ কাৰণে অতি ক্ষতিকাৰক বুলি প্ৰমাণিত হৈছে। ৫০০ ৰেড বিকিৰণপ্ৰাপ্ত মানৱদেহে ৰোগ প্ৰতিৰোধ ক্ষমতা হেৰুৱাই পেলায়। শ্বেত ৰক্তকণিকাৰ পৰিমাণ প্ৰতি কিউবিক মিলিমিটাৰ কোষত ৮০০০ৰ পৰা কমি হয়গৈ মাত্ৰ ৫০। শ্বেত ৰক্তকণিকাৰ অভাৱত বেকটেৰিয়া আৰু আৰু নানান বিষাক্ত কণিকা দেহে প্ৰতিৰোধ কৰিব নোৱৰা হয়। তেজস্ক্ৰিয় বিকিৰণৰ পৰা হোৱা এই অৱস্থাটোক হেমাটোপেইটিক উপসৰ্গ (Hamatopietic Syndrome) বোলা হয়। এই ধৰণৰ বিকিৰণ গ্ৰহণ কৰিও বাচি যোৱা সকলে পিছে গেষ্ট্ৰ'ইণ্টেছটিনেল উপসৰ্গৰ (Gastrointestinol Syndrome) পৰা ৰক্ষা নাপায় আৰু প্ৰায় ১০ দিনৰ ভিতৰতে মৃত্যু বৰণ কৰে। আমাৰ পাকস্থলীৰ খাদ্য বস্তুবোৰৰ পৰা দেহৰ উপযোগী উপাদানসমূহ শুহি লোৱা ব্যৱস্থাটো অকামিলা হৈ পৰে। ফলত দেহে প্ৰয়োজনীয় পুষ্টি নাপায়। তদুপৰি এই ব্যৱস্থাৰ লগত জড়িত নলীবোৰ ধ্বংস হোৱাৰ পাছত সেইবোৰ পুনৰ স্বাভাৱিক ধৰণে আকৌ বাঢ়ি অহাৰ প্ৰক্ৰিয়াটোও বন্ধ হৈ পৰে। মৃত্যু হোৱা নলীসমূহৰ স্থানত সৃষ্টি হোৱা ফুটাবোৰেদি বেকটেৰিয়া আৰু বীজাণু তেজত প্ৰৱেশ কৰে আৰু সমগ্ৰ দেহটো বিষাক্ত কৰি পেলায়।

এজন মানুহে ৫০০০ ৰেড তেজস্ক্ৰিয় পদাৰ্থ গ্ৰহণ কৰাৰ পাছত স্নায়ুমণ্ডল কাম নকৰা হৈ পৰে। তেওঁ ভাৰসাম্য হেৰুৱাই পেলায়, উশাহ লব নোৱৰা হয় আৰু অলপ সময়ৰ ভিতৰতে মৃত্যু মুখত পৰে। মাত্ৰ ১৫০ ৰেড তেজস্ক্ৰিয় বিকিৰণ গ্ৰহণ কৰা ব্যক্তি বাচি থাকিব পাৰে; কিন্তু কিছুবছৰ পাছত তেওঁ উক্ত উপসৰ্গসমূহৰ দ্বাৰা আক্ৰান্ত হোৱাৰ ভয় থাকে। তদুপৰি এনে ব্যক্তিৰ সন্তানেও তেওঁৰ পৰা এনে উপসৰ্গ জন্ম সূত্ৰে লাভ কৰিব পাৰে।

পিছে পৃথিৱীৰ কিছুমান নিম্নশ্ৰেণীৰ প্ৰাণীৰ এই তেজস্ক্ৰিয়তা প্ৰতিৰোধৰ ক্ষমতা মানুহতকৈ বেছি। যেনে এটা মাখিয়ে প্ৰায় ৮০,০০০ ৰেড বিকিৰণ গ্ৰহণ কৰিব পাৰে। পঁইতাচোৰাৰ এই ক্ষমতা আৰু বেছি; প্ৰায় ১,০০০,০০০ ৰেড। গতিকে দেখা যায় প্ৰলয়ংকাৰী পাৰমাণৱিক যুদ্ধ এখনৰ পাছত পৃথিৱীত কেৱল মাখি, পঁইতাচোৰা আৰু কিছুমান বেকটেৰিয়াহে জীয়াই থাকিব!

---

ডঃ অমৃতা হাজৰিকাই বৰ্তমানে UNESCOৰ হৈ পেৰিছত পাৰমাণৱিক, ৰাসায়নিক আৰু জৈৱিক অস্ত্ৰশস্ত্ৰৰ ক্ষেত্ৰত গৱেষণা কৰি আছে। এই প্ৰবন্ধটো তেখেতে ইটালিৰ ট্ৰাইষ্টত "বিজ্ঞান, প্ৰযুক্তিবিদ্যা আৰু মানৱ অধিকাৰ" শীৰ্ষক ছেমিনাৰত পাঠ কৰা প্ৰবন্ধৰ সম্পাদিত আৰু সংক্ষিপ্ত ৰূপৰ মুকলি অনুবাদ।

---

১০ পৃষ্ঠাৰ পিছৰ পৰা

সন্দেহ কৰিব লগা কথা। চৰকাৰ-প্ৰথা সলনি কৰাৰ কিবা প্ৰস্তাৱ উলিয়ালেই লোকসভা ত্যাগ কৰিব বুলি ইতিমধ্যেই বিৰোধী সদস্যসকলে কাৰ্যতঃ সিদ্ধান্ত লৈ থৈছে। নিৰ্বাচন স্থগিত কৰাৰ উদ্যোগ ল'লেও একেধৰণৰ প্ৰতিৰোধৰ সম্মুখীন হ'ব লগা হ'ব পাৰে, কাৰণ সেই ক্ষেত্ৰতো সংবিধানৰ এটা সংশোধন প্ৰয়োজন হ'ব।

খুব সম্ভৱ শ্ৰীমতী গান্ধীয়ে অলপ বেছি সময় পোৱাৰ একমাত্ৰ পথটো হ'ল ১৯৮৫ চনৰ জানুৱাৰীৰ আগভাগতে লোকসভা ভংগ কৰি দিয়া—যিহেতু তেতিয়ালৈ লোকসভাই ৫ বছৰীয়া ম্যাদ শেষ কৰিব— আৰু তত্ত্বাৱধায়ক চৰকাৰৰ ম্যাদ দীঘলাই দিয়া, যিটো কৰিলে তেওঁ জুন পৰ্যন্ত চৰকাৰৰ নেতৃত্ব দি থাকিব পাৰিব। সংবিধানত বিধান দিয়া আছে যে সংসদ ছমাহত অন্ততঃ এবাৰ বহিবই লাগিব। যদি নৱেম্বৰৰ মাজভাগত অধিবেশন এটা বহে (শ্ৰীমতী গান্ধীয়ে এটা 'ভোট অন একাউণ্ট' ল'ব পাৰিব আৰু যথেষ্ট পৰিমাণৰ বাজেট ব্যৱস্থা সুনিশ্চিত কৰিব পাৰিব) তেতিয়াহ'লে পৰৱৰ্তী অধিবেশনৰ পাল পৰিব মে' মাহৰ মাজভাগতহে।

এইটোৱে নিৰ্বাচনত তেওঁৰ সাফল্যৰ সম্ভাৱনা উন্নত কৰাত সহায় কৰিব নে নকৰে সেইটোৱেই হ'ল প্ৰশ্ন। এনেকুৱা কৌশল গ্ৰহণ কৰিলে ভোটদাতা ৰাইজক আটাৰি কৰা ক্ৰিয়া এটাও হ'ব পাৰে। তদুপৰি ইতিমধ্যে ইমান পৰলৈ তেওঁৰ পাৰ্টিটো অটুট অৱস্থাত, সম্পূৰ্ণ অৱস্থাত থাকিবগৈনে?

শ্ৰীমতী গান্ধীক এইদৰে উভয়-সংকটৰ দোমোজাত অৱৰুদ্ধ হৈ থকা দেখিলে এনেকুৱা অস্বস্তিকৰ ভাব আহে যে তেওঁ হয়তো তেওঁৰ অনুকূলে এটা ঢৌ সৃষ্টি কৰিবলৈ কিবা এটা কৰি পেলাব। জয়লাভ সম্পৰ্কে অনিশ্চিত হৈ থকা অৱস্থাত তেওঁ কেতিয়াও নিৰ্বাচনত নমা নাই। ১৯৭৭ চনত চোৰাংচোৱা বুৰ' (আই বি) আৰু ৰিছাৰ্চ এণ্ড এনালিছিছ উইঙে (ৰ) তেওঁৰ মনত এই বিশ্বাস জন্মাইছিল যে তেওঁ সংখ্যাগৰিষ্ঠতা পাব আৰু তেওঁ নিৰ্বাচন পতাৰ সেইটোৱেই প্ৰধান কাৰণ। নিশ্চিত হ'বলৈ এতিয়া তেওঁ কি কৰিব সেইটো অনুমান সাপেক্ষ কথা মাত্ৰ। কিন্তু যিহকে নকৰক তেওঁ অহা দুমাহমানৰ ভিতৰতে কিবা এটা কৰিবই লাগিব। অকল তেওঁৰ ভৱিষ্যতেই নহয়, তেওঁৰ মনোনীত উত্তৰাধিকাৰী ৰাজীৱ গান্ধীৰ ভৱিষ্যতো সংকটাপন্ন হৈ আছে।

# এনেকুৱা বিকৃতি, এনেকুৱা ভ্ৰষ্টাচাৰ !



## অৰুণ শৌৰিৰ বিশেষ প্ৰবন্ধৰ পূৰ্বাভাস

…সকলো ধৰণৰ মানুহ, সকলো ধৰণৰ পদ্ধতিৰে মন্ত্ৰী আৰু সেই ধৰণৰ পদাধিকাৰী হয়। যি মুহূৰ্তত তেওঁলোক সেইবোৰ পদৰ অধিকাৰী হয়, সেই মুহূৰ্তত তেওঁলোকে সমগ্ৰ ৰাষ্ট্ৰযন্ত্ৰটো এটা ব্যক্তিগত বাহিনী হিচাপে, নিজৰ বাবে দখল কৰি লয়।

…নিৰ্দিষ্ট মুহূৰ্তটোত এজন মন্ত্ৰী হৈ থকা যি কোনো লোকে দিয়া যিকোনো নিৰ্দেশ, প্ৰতিটো নিৰ্দেশ প্ৰতিজন বিষয়া, প্ৰতিজন কনিষ্ঠবলে পালন কৰিবই লাগিব।

…(কিন্তু) এজন মন্ত্ৰী বা এখন মন্ত্ৰীসভাৰ সকলো নিৰ্দেশ পালন কৰিবই লাগিব বুলি যিটো ধাৰণা, তাৰ কোনো ভিত্তি নাই। নাই আইনত, নাই বিবেকত। গাদীত যিজনেই বহে, তৎক্ষণাত তেওঁৰ "কামত অহা" মানুহ হৈ বিষয়া-আমোলা-সকলে নিজৰ বাবেও ইচ্ছামতে কাম কৰাৰ পূৰ্ণ সুবিধা পায়।

…ভাস্কৰ ৰাওৰ 'চৰকাৰ' এমাহৰ বাবে টিকি থাকিল, আৰু তাতোকৈ বেয়া 'চৰকাৰ' অসম আৰু কাশ্মীৰত আজিলৈকে টিকি আছে ; তাৰ কাৰণ প্ৰতাৰক আৰু অশিষ্ট-বৰ্বৰমখাৰ যি কেইজনে ঠেলি-হেচুকি গৈ মন্ত্ৰীৰ চকীখন যোগাৰ কৰিলে, তেওঁলোকে যিটো ৰাষ্ট্ৰযন্ত্ৰৰ দ্বাৰা শাসন স্থায়ী কৰিব লাগিব, সেই ৰাষ্ট্ৰযন্ত্ৰটো তৎক্ষণাত দখল কৰি ল'লে।

…আমাৰ ৰাজনীতিত জনসাধাৰণৰ আবৰ্জনাস্বৰূপ অংশটোহে (ফেন সোপা) ওপৰলৈ উঠি আহে।

…এই প্ৰক্ৰিয়াৰ মাজেদি সৰকি অহা সকলে এবাৰ শীৰ্ষস্থানত বহি ললেই প্ৰতিটো গুৰুত্বপূৰ্ণ পদত তেওঁলোকৰ নিজৰ বিধৰ মানুহ বহুৱাই লোৱাৰ অবাধ সামৰ্থ্য পায়। এই সহজ ফন্দিবোৰেৰেই শ্ৰীমতী গান্ধীয়ে প্ৰতিকাৰৰ সকলো পথ ৰোধ কৰি পেলালে; এইদৰেই তেওঁ সকলো প্ৰতিষ্ঠান অচল কৰি পেলালে।

…এতিয়া ভাৰতত অপৰাধ আৰু অন্যায় কামৰ কাৰণে কোনো চৰকাৰী বিষয়ায়েই কোনো ধৰণৰ শাস্তি ভোগ কৰিব নালাগে। জৰুৰী অৱস্থাৰ বাবে আৰু সেই আমোলত কৰা কামৰ বাবে দায়ী প্ৰতিজনেই উন্নতি আহিল ; এতিয়া তেওঁলোকৰ জয়জয়-ময়ময় অৱস্থা। অসমত যিসকলে ভোটদাতা ৰাইজক প্ৰতাৰণা কৰিলে, সেইসকলে আজি তাত জনসাধাৰণৰ মূৰৰ ওপৰেদি দেও দি ফুৰিছে।

…আমাৰ নেতাসকলৰ স্পৰ্দ্ধা আৰু দুঃসাহসৰ লগত এতিয়া অযোগ্যতা আৰু অকৰ্মণ্যতা মিহলি হৈ পৰিছে। অসম, পঞ্জাব, কাশ্মীৰ, অন্ধ্ৰ—সকলোতে দেখা গ'ল যে শাসকসকল আনকি তেওঁলোকৰ সংকীৰ্ণ-স্বাৰ্থৰ হিচাপ-নিকাচ কৰিবলৈও অসমৰ্থ।

…তথাপি, প্ৰতিশ্ৰুতিপূৰ্ণ লক্ষণ দেখা গৈছে। জনগণ নিজেই জাগি উঠিছে—১৯৭৪-৭৫ চনত, ১৯৭৭ চনত, অসমত, অন্ধ্ৰত। অন্ধ্ৰই এটা সুযোগ দিছে— এটা "আৱন্তণি" কৰিবৰ বাবে।

[সম্পূৰ্ণ প্ৰবন্ধটো অহা সংখ্যাত]

## "অন্তৰীপ" উপন্যাসৰ "মেনকা"

প্ৰান্তিক আলোচনীত প্ৰকাশিত অন্তৰীপ নামৰ উপন্যাসখন পঢ়া ৰসগ্ৰাহী পাঠক-পাঠিকালৈ এটি অনুৰোধ ঃ উপন্যাসখনৰ প্ৰথমাৰ্ধৰ মূল চৰিত্ৰ "মেনকা"ৰ চেহেৰা, ব্যক্তিত্ব, খোজ-কাটল, দৃষ্টি আদি সম্পৰ্কে বহু পাঠক-পাঠিকাৰে হয়তো একোটা ধাৰণা হৈছিল। সেই ধাৰণাৰ লগত খাপ খোৱা, আৰু চলচিত্ৰত সেই চৰিত্ৰটোৰ অভিনয় কৰিব পৰা মহিলা কোনোবা পাঠক-পাঠিকাৰ চকুত পৰিছেনে ? যদি পৰিছে, তেনেহলে তেখেতসকলক তলৰ ঠিকনালৈ খবৰ এটা দিবলৈ অনুৰোধ কৰিলোঁ। মহিলা গৰাকীয়ে আগতে অভিনয় কৰা-নকৰাটো ডাঙৰ কথা নহয়, কিন্তু তেখেতৰ অভিনয় কৰাৰ মন, আগ্ৰহ আৰু সাহস থাকিব লাগিব। তেখেতৰ অনুমতি লৈ দুখন ফটো (ঘৰুৱা, অসমীয়া সাজত ; এখনত কেৱল মুখখন, ইখনত থিয় হৈ থকা গোটেই মানুহ গৰাকী) আৰু সম্পূৰ্ণ নাম-ঠিকনা ৩১ অক্টোবৰৰ আগতে পোৱাকৈ পঠিয়ালে উপকৃত হ'ম। মহিলাগৰাকী কিমান ওখ, সেইটোৰ যেন উল্লেখ থাকে। ইচ্ছুক আৰু উপযুক্ত বুলি ভবা মহিলাই নিজেও খবৰখিনি পঠিয়াব পাৰে। এই খবৰবোৰ সম্পূৰ্ণ গোপনে ৰখা হ'ব। অপ্ৰয়োজনীয় ফটোবোৰ ওভোতাই পঠিউৱা হ'ব। এটা গুৰুত্বপূৰ্ণ কামত সহৃদয় পাঠক-পাঠিকাৰ সহযোগিতা কামনা কৰিলোঁ।

**ভবেন্দ্ৰনাথ শইকীয়া**
প্ৰান্তিক, পোঃ শিলপুখুৰী,
গুৱাহাটী-৭৮১০০৩



চৈধ্য

# জীৱনৰ দীঘ আৰু বাণি



মহেশ্বৰ নেওগ

## লুকাই আছা দেখা নেদা মণিকূটৰ ভিতৰে

গুৱাহাটী এ. এছ. এল. ক্লাবৰ বছৰেকীয়া অধিৱেশনৰ পাছত নতুন নিৰ্বাচন পাতি নতুন সম্পাদকক তাৰ ভাৰখন দি এবছৰে বোৱা বোজাত টহ্‌ টহোৱা কঁকালটো পোন কৰিছো। এনেতে আহিল ক্লাবৰ নতুন বৰ্ষৰ শংকৰদেৱৰ তিথিৰ সবাহ। ৬ ছেপ্টেম্বৰ ১৯৩৭। এক শান্ত পৰিৱেশত পুৱাৰ সভাৰ কাম আৰম্ভ হ'ল। সভাপতি বিষ্ণুপ্ৰসাদ দুবৰা, সভাস্থলত থিওছফিষ্ট ৰাধিকানন্দ চৌধুৰী, নতুন ডেকা আইনজ্ঞ জগদীশচন্দ্ৰ মেধি (তেতিয়া অৱশ্যে তেওঁ ডক্টৰো নহয় আৰু আইনৰ অধ্যাপকো নহয়) আদি নগৰৰ 'এলিট'ৰ লোকসকলেৰে সভা 'অভিৰূপভূয়িষ্ঠা'ই হৈছিল। পিছে, মৰেয় পৰামৰ্শ দিয়ামতে ইংৰাজী অনাৰ্ছৰ প্ৰাক্তন কৃতী ছাত্ৰ আৰু তেতিয়া আই. ছি. এছ. পৰীক্ষাৰ বাবে আয়োজন কৰি থকা নলিনীকান্ত বৰুৱাক নতুন দৃষ্টি-ভংগিৰে নিৰ্দিষ্ট বক্তাৰূপে মহাপুৰুষৰ তিথিত বক্তৃতা দিবলৈ সম্পাদকে নিমন্ত্ৰণ কৰি আনিছিল। সাধাৰণতে তিথি-উছৱৰ সভাত যেনেকৈ সকলো মাথোন স্তাৱকহে হয়, বৰুৱাৰ ক্ষেত্ৰত সেইটি নহ'ল। হাতত ফ্ৰয়েডৰ এখন গ্ৰন্থ লৈ মঞ্চত থিয় হোৱা তেওঁৰ বক্তৃতাই অনেককে আঘাত কৰি গ'ল, বিশেষকৈ যেতিয়া বীৰপূজাৰ ভাবতে গুৰুজনাৰ তিথিত সকলো গোট খাইছিল। বৰুৱাৰ কথা সকলোখিনি যুক্তিৰ ধাৰতে যে প্ৰতিষ্ঠিত হৈছিল, এনেও নাছিল। কিন্তু বোধ হয় জগদগুৰুৰ স্তাৱকসকলক খুন্দিয়াই নতুন ভাবধাৰাত ভাবিবলৈ উদ্যত কৰাই তেওঁৰ ভাব আছিল নেকি ! কিন্তু অসমৰ বৌদ্ধিক জগতখন তেওঁ শূন্য দেখা পোৱা আৰু তাৰ বাবে মহাপুৰুষকে জগৰীয়া কৰাত শ্ৰোতাসকল অতিশয় ক্ষুণ্ণ হৈছিল। সভাপতিয়ে তেওঁৰ বক্তব্যত একো হস্তক্ষেপ নকৰিছিল আৰু সভাস্থলত আন কোনোৱে প্ৰতিবাদৰ ধ্বনি তোলা নাছিল। মাথোন ৰাধিকানন্দ চৌধুৰীয়ে বৰুৱাক এইবোৰ বিষয়ত বিশদ তৰ্কলৈ প্ৰত্যাহ্বান জনাইছিল। বৰুৱাই সেই প্ৰত্যাহ্বান গ্ৰহণ কৰিম বুলিছিল। কিন্তু সেইখন যুদ্ধ লতা-কটা ৰণ হৈয়ে থাকিল মাথোন আৰু বাদ-প্ৰতিবাদৰ ঘমঘণ্টটো "দৈনিক বাতৰি" আৰু "ডেকা অসম"ৰ পাতলৈ বদলি হৈ গ'ল।

আমি ল'ৰাবোৰে ভাবিছিলো বৰুৱাই প্ৰৰোচনা যোগোৱাটো ভালেই হৈছে ; এতিয়া বিদ্বান বয়সস্থসকলে প্ৰশ্নবোৰ ভালকৈ বিচাৰ কৰিব। কিন্তু সেইটো যেতিয়া নহ'ল, সভাৰ পাছত আমাৰ তিনিজনীয়া দলটো (সত্যপ্ৰসাদ বৰুৱা, নৰেন্দ্ৰনাথ শৰ্মা আৰু মই) গোট খাই অন্ততঃ বহল সমাজলৈ তৰ্কটো টানি উলিয়াবৰ উদ্দেশ্যে 'জনদিয়েক ডেকা' স্বাক্ষৰত "শংকৰ সমালোচনাৰ অপলাপ" নাম দি "দৈনিক বাতৰি"ত (১৪ ছেপ্টেম্বৰ) এটা প্ৰবন্ধ প্ৰকাশ কৰিলো। সেই শিতানতে বৰুৱাই ১৮ ছেপ্টেম্বৰৰ কাগজত তেওঁৰ মূল মন্তব্যবোৰ কিছু সংযত কৰি ৰাইজৰ আগত উপস্থাপন কৰিলে। সেই লৈ কলেজৰ বিভিন্ন মঞ্চত নানা ধৰণৰ আলোচনা হ'ল। ডক্টৰ কাকতি আদি আমাৰ অধ্যাপকসকলেও তেওঁলোকৰ মতামত প্ৰকাশ কৰিলে। ১৪ ছেপ্টেম্বৰত "দৈনিক বাতৰি"ত ওলোৱা দেবানন্দ ভৰালিৰ প্ৰতিবাদ প্ৰবন্ধকে ধৰি অসমৰ বিভিন্ন ঠাইৰপৰা সমালোচনাৰ ধাৰা ব'বলৈ ধৰে। কিন্তু বৰুৱা সেই বিষয়ে নিমাত হ'ল, আৰু একো নিলিখিলে। শেহলৈ বাদখন একতৰফা হৈ ৰ'ল।

আমাৰ (জনদিয়েক ডেকা) মূল বক্তব্য আছিল—"বক্তৃতাটি একপ্ৰকাৰে গতানুগতিক নহৈ তেখেতৰ (বৰুৱাৰ) 'মৌলিকত্ব'ৰ পৰিচায়ক বুলি কোনোবাই ভাবিব পাৰে যদিও, সেই বক্তৃতা সুধীজনৰ যুক্তি-বিচাৰৰ লগত খাপ নোখোৱা… …। socialistic ideology and literatureঅৰ সহায় লৈ বৰুৱাদেৱে যিখিনি ক'লে, তাক পুংখানুপুংখৰূপে চাবলৈ গ'লে সকলোৱে একমতে ক'বলৈ বাধ্য হ'ব যে দূৰৰ বিষয়ে যদিও তেখেতৰ কিবা অভিজ্ঞতা আছে, নিজৰ দেশৰ বা অতি ওচৰৰ বিষয়ত তেখেতৰ চৰ্চা অতি চুটুৰীয়া।" এইটো কথাও আমি স্পষ্টকৈ কৈছিলো ঃ "আমি যে শংকৰদেৱৰ যুক্তিমূলক বিৰোধী সমালোচনা প্ৰশংসা কৰিব নোৱাৰিম, এনে নহয়।"

বৰুৱাৰ যুক্তিতৰ্কবোৰ আজিৰ কোনো সমালোচকেও আগ বঢ়াব পাৰে আৰু সেই বিষয় আমি ভবাও উচিত। "শংকৰ-মাধৱৰ ধৰ্ম আৰু সাহিত্যৰ বাবেই অসমীয়াই জগতৰ আগত আৰু ভাৰতৰ আগত মানুহ বুলি চিনাকি দি আনৰ সমকক্ষ হিচাপে ঠাই পাই আহিছে। এইটো কথা বিচাৰ-সাপেক্ষ।' কাৰণ "বংগদেশৰ চণ্ডীদাসৰ পিছত বংকিমচন্দ্ৰ, ৰবীন্দ্ৰনাথ, নজৰুল ইছলাম আৰু বুদ্ধদেৱ বসু

ওলাইছে; হিন্দুস্থানত তুলসীদাস, কবীৰৰ পিছত ইকবাল, যোচ, আঘ হচাৰ আৰু প্ৰেমচান্দ ওলাইছে; কিন্তু আমাৰ ইয়াত শংকৰদেৱৰ মৃত্যুৰ পাঁচশ বছৰৰ ভিতৰত লেখত ল'ব লগীয়া সাহিত্য সৃষ্টি হোৱা নাই, এজন প্ৰথম শ্ৰেণীৰ সাহিত্যিক ওলোৱা নাই।" ভাল এখন অসমীয়া সাহিত্যৰ বুৰঞ্জী তেতিয়া পাবলৈ নাছিল; কিন্তু লক্ষ্মীনাথ বেজবৰুৱা, চন্দ্ৰকুমাৰ আগৰৱালাৰেপৰা লক্ষ্মীধৰ শৰ্মালৈকে প্ৰতিভাধৰ লেখকসকলৰ কথা বৰুৱাৰ অকণো মনত নপৰিলনে চাগৈ!! অযোগ্য সন্তানৰ বাবে পিতৃকেই দায়ী কৰা যায় জানো?

শ্বেকছপিয়েৰ পঢ়িবলৈ যাওঁতে Others abide our question, thou art free ধৰণৰ মনোভাৱ লৈ যোৱাৰ দৰে শংকৰ-মাধৱৰ লেখাৰ প্ৰশংসাবাদ ঠিক সমালোচনা নহয়, সেই মনোভাৱে আমাৰ সাহিত্য-সংস্কৃতিক stagnant কৰি ৰাখিব। কিন্তু সেই সময়ত শংকৰদেৱৰ সৰহভাগ লেখাই দুষ্প্ৰাপ্য আছিল, বৰুৱায়ো চাগৈ শংকৰদেৱৰ সমগ্ৰ পঢ়া নাছিল; গতিকে "শংকৰী সাহিত্য দহ ভাগৰ ন ভাগ propagandaৰ কাৰণে সৃষ্টি হৈছিল। আৰু তাৰ সৰহ ভাগৰে সাহিত্যিক মূল্য বিশেষ নাই। কেইটামান বৰগীত আৰু ৰুক্মিণীহৰণ নাটৰ বাহিৰে শংকৰৰ আন লিখাবিলাক প্ৰথম শ্ৰেণীৰ সাহিত্যত ঠাই দিব নোৱাৰি।" —বৰুৱাৰ এই মূল্যায়ন উপকৰা হৈ ৰয়; তেওঁ ৰুক্মিণীহৰণ কাব্য বা পাৰিজাত-হৰণ নাট, কীৰ্তন-ঘোষাৰ খণ্ডবোৰো পঢ়া নাছিল আৰু পঢ়িলেও ভাল পোৱা নাছিল চাগৈ। শংকৰী ধৰ্ম-সংস্কৃতিৰ বিষয়ে বহল উদ্ঘাটন হোৱা আজিৰ দিনত তেওঁ জীয়াই থকা হ'লে বোধ হয় মত সলালেহেঁতেন। 'দহ ভাগৰ ন ভাগ' আদি হিচাপ পৰিসংখ্যাবিজ্ঞানৰ বিড়ম্বনা মাত্ৰ! তেওঁ নপঢ়াকৈ এনে মন্তব্য কৰাৰ বাবেহে বেছি লোক ক্ষুণ্ণ হৈছিল। আমাৰ গাঁওবিলাকত শংকৰ-মাধৱৰ নাটৰ অভিনয় হৈ থকাটোও "শংকৰী নাটকৰ উৎকৃষ্টতা"ৰ প্ৰমাণ বুলি তেওঁ বিশ্বাস কৰিব পৰা নাছিল। লগতে তেওঁ আধুনিকসকলকো লাচতে ঘৈয়াই থৈ গৈছিল: "বৰ্তমান যুগতো আমি দেখিবলৈ পাওঁ যে ভাল অসমীয়া নাটকৰ অভাৱত আমাৰ Middle Class মানুহে হয়তো বঙালী নাটকৰ অনুবাদ, নহলে তৃতীয় শ্ৰেণীৰ অসমীয়া লিখকৰ তৃতীয় শ্ৰেণীৰ নাটক অভিনয় কৰে। শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাই এতিয়া আমাৰ সৰ্বজনপ্ৰিয় নাট্যকাৰ।" এনেবোৰ উক্তি অৱশ্যে তেতিয়া বৰুৱাৰ অহমিকাৰ পৰিচয় বুলিয়ে গণনা কৰা হৈছিল। বৰুৱাৰ মতে শংকৰোত্তৰ যুগত শংকৰদেৱৰ প্ৰভাৱ ৰহিত হৈ গ'ল (সঁচা জানো?): "আৰু তাৰ বাবে শংকৰ-মাধৱেই দায়ী।" ইয়াৰ কাৰণো তেওঁ ভাবি উলিয়াইছিল: চণ্ডীদাস বিদ্যাপতিৰ দৰে "অসমীয়া বৈষ্ণৱ সাহিত্যত human interest বৰ কম,…love interest একেবাৰে নাই।" এয়া বৰুৱাৰ ৰুচিৰ কথা। জ্ঞান বা বিচাৰৰ নহয়।

শংকৰী সাহিত্য সম্পৰ্কে বৰুৱাৰ উদ্ভট মন্তব্য আছিল: "শংকৰদেৱৰ ভাষা প্ৰেৰণা আৰু পাৰিপাৰ্শ্বিকতাত অসমীয়া প্ৰভাৱতকৈ বঙালী আৰু হিন্দুস্থানী প্ৰভাৱ কম নহয়। গুৰুচৰিতৰ পৰা জানিব পৰা যায় শংকৰদেৱৰ বিশিষ্ট শিষ্য আৰু বন্ধুবৰ্গৰ ভিতৰত বহুতো হিন্দুস্থানী আৰু বঙালী মানুহ আছিল।" কোন কোন আছিল? যদি আছিল, সি শংকৰী সাহিত্যৰ এটা বহল সৰ্বভাৰতীয় চৰিত্ৰহে দাঙি ধৰিব। socialist ideology প্ৰয়োগ কৰি বৰুৱাই ক'বলৈ বিচাৰিছে, "প্ৰাগ-শংকৰ যুগত যেনেকৈ এটা religious oligarchyএ সমাজ নিয়ন্ত্ৰণ কৰিছিল, শংকৰদেৱৰ পিছতো তেনে এটা religious oligarchyএ সমাজ শাসন কৰিছে। শংকৰৰ আগেয়ে সেই oligarchyত ব্ৰাহ্মণসকলৰ একাধিপত্য আছিল; শংকৰদেৱ আহি সেই monopolyত কায়স্থ-মহন্তসকলৰ ভাগ বহুৱালে। ইয়াত revolutionary একো নাই। আৰু ইয়াক সামাজিক বিপ্লৱ সুবুলি partial class substitution বুলিলেহে সঁচা কোৱা হ'ব। শংকৰদেৱৰ পিছত অনা-শংকৰী ব্ৰাহ্মণ-গোস্বামীসকলৰ লগত শংকৰী কায়স্থ-মহন্তসকল ধৰ্মৰ গাদীত বহিল।" শংকৰদেৱে সমাজক শোষণ-মুক্ত কৰিবলৈহে তেওঁৰ আন্দোলন আৰম্ভ কৰিছিল; শংকৰ-মাধৱ দুয়ো নিজেই অৱশ্যে ধৰ্মৰ নামত 'লুভীয়া'সকলৰ প্ৰতি বৰ সন্দিহান হৈ পৰিছিল। আমাৰ দুৰ্ভাগ্য যে তেওঁলোকৰ আদৰ্শ আমাৰ নৰ'ল। সকলোবোৰ 'লুভীয়া'ই তেতিয়া গোট খাই ৰজা-ৰাজোৱানক সাক্ষী কৰি শোষণ আৰম্ভ কৰিলে। বৰুৱাই অৱশ্যে দৃঢ় বিশ্বাস কৰে যে সকলো ধৰ্মই এটা privileged class সৃষ্টি কৰি mass peopleঅৰ economic আৰু intellectual exploitationঅৰ বাট সুগম কৰি দিয়ে। ফ্লুগেলৰ উক্তিৰ উদ্ধৃতিৰে তেওঁ তাৰ ভিতৰত psychoanalysisঅৰ অৱকাশো দেখা পাইছে আৰু কৈছে, "এই আদৰ্শেৰে চালে বুদ্ধৰ বাহিৰে আন সকলো ধৰ্ম-প্ৰচাৰকেই found wanting হয়।" শঙ্কৰদেৱৰ আদৰ্শ আৰু কৰ্মপন্থা শংকৰ-দেৱৰ-মাধৱদেৱৰ কাৰ্যৰপৰা বিচাৰ কৰি চাব লাগে আৰু তেনেকৈ চালে সামাজিক ভাবাদৰ্শ found wanting নহ'ব। পাছৰ যুগত সি দুজনাৰ ধৰ্মক ধ্বজা কৰি নতুন বুৰঞ্জী আৰম্ভ কৰাসকলৰ কাৰ্যৰপৰা শংকৰ-মাধৱৰ বিচাৰ হ'ব নোৱাৰে। মধ্যযুগত ভগৱান বুদ্ধৰ ধৰ্মও সৰ্বপ্ৰকাৰ নৈতিক-অৰ্থনৈতিক শোষণ আৰু ক্লেদৰ বাহ হৈ পৰিছিল; আন কি, শংকৰদেৱেও বামানয়ৰ বাবে বুদ্ধকে দোষী কৰিছিল। কিন্তু সি ঐতিহাসিক তত্ত্ব জানো?

বৰুৱা সকলো ধৰ্মৰে অপসাৰণৰ পক্ষপাতী। "বৰ্তমান যুগৰ এই ভাবধাৰাত মই সম্পূৰ্ণৰূপে বিশ্বাস কৰোঁ। আৰু সেই কাৰণেই অসমীয়া middle classএ বৰাই কৰা শংকৰী বিপ্লৱৰ কথা শুনিলে হাঁহি উঠে। socialist সকলে ধৰ্মৰ economic utility স্বীকাৰ কৰে; ময়ো কৰোঁ। কিন্তু, মই বুজিব নোৱাৰোঁ, দুটা বা এটা middle class সম্প্ৰদায়ৰ লাভৰ কাৰণেই কিয় সমাজৰ সৰহভাগ মানুহে intellectual আৰু economic exploitation সহ্য কৰিব, আৰু তাৰ উপকাৰ কি? সেই কাৰণে যি ধৰ্মই হওক for the greatest good of the greatest number ধৰ্মক সভ্যতাৰপৰা নিৰ্বাসন দিবই লাগিব। আৰু তাক যিমান সোনকালে কৰিব পাৰি সিমান ভাল।" কিন্তু সেই সময়টো আৰু সমালোচকজনো সমাজবাদী বিপ্লৱৰপৰা মাইল মাইল আঁতৰত। তদুপৰি, সেই ভাবধাৰা প্ৰকাশৰ বাবে তেওঁ ভুল এখন মঞ্চ বাছি লৈছিল। কোনো চিন্তাৰ মানুহকে তেওঁৰ বক্তব্যই সেই দেখি সন্তোষ দিয়া নাছিল। সমাজবাদী ভাবৰ প্ৰবক্তা তেওঁ কিমান সম্পূৰ্ণ সমাজবাদী আছিল, সিও এক বিচাৰৰ বিষয়। সাহিত্যৰ এক বৌদ্ধিক ছাত্ৰ-ৰূপে তেতিয়াই তেওঁৰ খ্যাতি; তেতিয়া ইণ্ডিয়ান ছিভিল ছাৰ্ভিছৰ steel frame-অলৈ উঠিবলৈ তেওঁ প্ৰয়াসী। দুবাৰো প্ৰতিযোগিতামূলক পৰীক্ষা দি অকৃতকাৰ্য হৈ এই বিচক্ষণ যুৱকজনে নিজেই নিজৰ জীৱনান্ত ঘটালে আৰু তেওঁক ওচৰৰপৰা চিনি পোৱা আমিবোৰৰ কাৰণে এটি দুখ থৈ গ'ল। তেওঁৰ মনীষা নব্য ভাৱধাৰাত প্ৰয়োগৰ যোগেদি তেওঁ আমাক বহুত কিবা দিব পাৰিলেহেঁতেন। ছেমিনাৰ লাইব্ৰেৰিৰপৰা কিতাপ নিবলৈ আহোঁতেই তেওঁৰ লগত মোৰ সৰহভাগ সংশ্ৰৱ হৈছিল।

দেবানন্দ ভৰালিদেৱে শংকৰদেৱৰ সাহিত্যৰ সৌন্দৰ্য আৰু বৈশিষ্ট্য ক'ত, ফঁহিয়াই দেখুৱাই তেওঁৰ প্ৰতিবাদ লিখিছিল আৰু কৈছিল, "যৌনপ্ৰবৃত্তি-জনিত প্ৰেম (love) বস্তুটোৱেহে যে কেৱল human interest monopolise কৰে, এনে নহয়; বৰং মানপী হিয়া আন্দোলন কৰা নানা আবেগৰ ভিতৰত প্ৰেম এটা তল খাপৰ আবেগ; ই সকলো শ্ৰেণীৰ মানুহত আৰু ইতৰ জন্তুৰ মাজতো আছে।" ধৰ্মৰ কথাত কৈছিল, "ঈশ্বৰক স্মৰণ কৰিলেই মানুহ পৱিত্ৰ হয়, সদগতি পায়, পূজাৰিৰ বা middle manঅৰ দৰ্কাৰ নাই। এনে democratic বৈষ্ণৱ ধৰ্ম আগেয়ে ভাৰতবৰ্ষত কোনেও প্ৰচাৰ কৰা নাই। সেই নতুন বাণীত গোটেই অসম জিকাৰি উঠিল। …… তেওঁৰ পিছত আমি অযোগ্য অসমীয়াবোৰে সেই বাণী দেশে-বিদেশে প্ৰচাৰ কৰিব পৰা নাই; সেই বাবেই আজি শংকৰদেৱে শ্ৰীযুত নলিনীকান্ত বৰুৱা বি-এৰ হাততো লাঞ্ছনা ভুগিছে।" ভৰালি ডাঙৰীয়ায়ো দেখুৱাইছে মহাপুৰুষে ধৰ্মৰ নামত শোষণৰ পথ বন্ধ কৰিবৰ বাবেহে প্ৰয়াস কৰিছিল।

বৰুৱাৰ বিভিন্ন সমালোচনাৰ ভিতৰত স্বাভাৱিকতে অগ্নিকাগিৰি ৰায়চৌধুৰীৰ ডেকা অসমৰ কথাই আছিল আটাইতকৈ চোকা। তেওঁৰ প্ৰবন্ধৰ নামটোতে চোকা খাৰণিৰ আগ-টোপা: "ফোছকে ছোৱাৰ জয়-গুৰু সমালোচনা!" "ফোছকে ছোৱা"ৰ অৰ্থ নাপাই নলিনীকান্ত বৰুৱাই মোক সুধিছিল; ময়ো কিন্তু নাজানিছিলো আৰু এতিয়াও নাজানো। প্ৰবন্ধৰ প্ৰথমআষাৰি বাক্যই কেনে এক তীব্ৰ হান! … "কোনোবা এজন 'ফোছকে ছোৱা'ই হেনো জয়গুৰুৰ গুণাৱলী স্মৰণ নকৰি, তেওঁৰ ইচ্ছা-মতে তেখাৰ জীৱন্ত কাৰ্যাৱলীৰ ওপৰত উদ্ভট সমালোচনাৰে হানি-খুচি এটুপি 'কুইয়া ৰস' পিবলৈ উৎকট চেষ্টা কৰিও একো উলিয়াব নোৱাৰি নিৰাশ হৈ যি পায় তাকে বকি উপস্থিত জন-মণ্ডলীক উত্যক্ত কৰি তুলিলে।" ৰায়চৌধুৰীৰ মতে নলিনীকান্তই যি সমালোচনা দিলে সি "মনগঢ়া নিজস্ব সমালোচনা", তাকো তেওঁ ভুল ক্ষেত্ৰত প্ৰয়োগ কৰিলে (ডেকা অসম, ২৮ ভাদ); ১১ আহিনৰ "ডেকা অসম"ত ৰায়চৌধুৰীয়ে বৰুৱাৰ এক লিখিত উত্তৰ হাতত লৈ জব্দ কৰা বিধৰ এক সমালোচনা লিখে আৰু ব্যক্তিগতভাৱেও সমালোচকজনক খোঁচা এটা মাৰে— "অসমীয়া জাতি, অসমীয়া সাহিত্য, অসমীয়া সমাজ, অসমীয়াৰ জাতীয় সেব্য পুৰুষসকল সম্বন্ধে এই অঙ্গহীন জ্ঞানখিনিকে লৈনো তেওঁ কি সাহেৰে চিভিল চাৰ্ভিছ পৰীক্ষাৰ প্ৰতিযোগিতাত থিয় দিছিল?"

শংকৰদেৱ-সমালোচনাত এই বাদানুবাদ এক অভিনৱ সুৰ। সেই বুলিয়ে মোৰ তাঁতখনৰ এক ওহালিত তাক এনেকৈ ঠাই দিয়া হ'ল। সেই বাদানুবাদৰ বিষ বোধ হয় কাৰো মনত ৰৈ যোৱা নাছিল। আনফালে, নলিনীকান্তৰ পৰ্যায়ৰ সমালোচনা সেই তাতেই আড়ষ্ট হৈ শেহ হৈ গ'ল। আজিহে আমি তেনে সমালোচনাৰ ফুট দুই-এটি উঠা দেখা পাইছো। তেতিয়া যদিও লক্ষ্মীনাথ বেজবৰুৱা ডাঙৰীয়া জীৱিত, তেওঁলৈ কোনেও বাদানুবাদটোৰ কোনো সংবাদ পঠিওৱা নাছিল। নহ'লে তেওঁ কি কয়, শুনিব লগীয়া হ'লহেঁতেন। "বাঁহী"-"প্ৰদীপিকা" ৰণখনৰ আনজন বীৰ অধ্যাপক বাণীকান্ত কাকতি আমাৰ মাজতে, আমাৰ শিক্ষক। খবৰ-কাগজত বাদানুবাদটো তেওঁ পঢ়ে; আমিও অনাৰ্ছ শ্ৰেণীত তাৰ কথা কওঁ। তেওঁ হাঁহি হাঁহি কয়, "আমি তাহানি দুটা মানুহে এটা ডাঙৰ দলক তৰ্কত ঘটুৱাইছিলো। তোমালোক ইমানবোৰ থাকোঁতে এক নলিনীক বলে নোৱাৰানে? আজি-কালিৰ ল'ৰাবোৰে সস্তীয়া দামৰ দেশ-বিদেশৰ সমালোচনাৰ কিতাপ পঢ়ি নতুন সমালোচনাৰ নীতিৰ আধা-ডুখৰীয়া জ্ঞান গোটাই লৈ নিজৰ মনটোক অতিষ্ঠ কৰি তোলে আৰু সেই অতিষ্ঠতাৰ খজুৱতি মাৰিবলৈকে য'তে ত'তে এই নীতিবিলাক প্ৰয়োগ কৰে। ফলতঃ সি স্বৰূপ সমালোচনা নহয়গৈ। এইটো মানি ল'ব পাৰি যে শংকৰদেৱৰ পুথিবোৰ মূলতঃ ধৰ্ম-প্ৰচাৰৰ বাবেই লিখা। গতিকে তাক 'গীতা' আদি পুথিৰ ধাৰাতহে সমালোচনা





OKDISCD

কৰিব লাগিব। কিন্তু এই ধৰ্মভাবৰ surface value এৰি দি শংকৰদেৱে লেখাত যি এৰি গৈছে, সেয়েহে অসমীয়া সাহিত্যৰ মূল ভেঁটি। ফৰাচী সমালোচক টেইনিয়ে সমালোচনাৰ ক্ষেত্ৰত milieu বোলা এটা নীতিকে উপস্থাপিত কৰিছিল— এটা যুগৰ সাহিত্যক সেই যুগৰ দৃষ্টি-কোণৰ-পৰাহে চাব লাগে। oligarchy, economic and intellectual exploitation আদি আজিৰ যুগৰ ধাৰণা। শংকৰদেৱৰ ধৰ্ম আৰু সাহিত্যয়ো 'জিটজি' বা কাল-ধৰ্ম মানিছিল। এজন বক্তাই শংকৰদেৱৰ ৰচনাত একো নাপালে বুলি সেয়া ৰসাতললৈ নাযায়। মেকলে ছাহাবেও সংস্কৃত সাহিত্যত some funny good thingsৰ বাহিৰে একো নাপাইছিল। নলিনীয়েও নিজৰ ধাৰণামতে শংকৰদেৱক সজাই লৈ কথাবোৰ কৈছে।" তাৰ পাছত ছাৰৰ সেই বিখ্যাত হাঁহিটো। তাতে শেষ।

নলিনী বৰুৱাই ভুলে হওক, ভালে হওক, নতুন সমালোচনাৰ বা-ছাটি মহাপুৰুষৰ গাত লগাই বিশেষ এটা দৃষ্টিৰ সম্ভাৱনা দেখুৱালে। নহ'লে মহাপুৰুষ সদায় আন্ধাৰতে লুকাই থাকিবনে? ৰেডিওত কোনোবাই গোৱা দৰে "জগদগুৰু আমাৰে, শংকৰ গুৰু আমাৰে, লুকাই আছা, দেখা নেদা, মণিকূটৰ ভিতাৰে।"

**পুনৰাবৃত্তিঃ গুৰু-গৌৰৱ সভাস্থ. খ**

প্ৰফেছৰ পি. ছি. ৰায়ৰ গল্প আৰু 'গাঁজা'ৰ অন্ত নাছিল। সেই সকলোবোৰ একে সময়তে মোৰ মনতো নপৰে। তেনে এটা বস্তু মোৰ মনৰ-পৰা সৰি পৰি থাকি গৈছিল। তাক এইখিনিতে বুটলি থওঁ বুলি ভাবিছো। ছোৱালীক লৈ মাজে মাজে 'কাটিং' দিয়া ছাৰৰ স্বভাৱ। তেনে এটা কাটিং। কোনোজনী ছোৱালী গোমোঠা স্বভাৱৰ বা অহংকাৰী ধৰণৰ হ'লে আৰু সতকাই কথা-বতৰা ক'বলৈ নিবিচাৰিলে কলিকতীয়া অঘাইতংহঁতে কি কৰে, ছাৰে তাকে কয়। সেই কালত মেলিনছ ফুড্ বুলি এবিধ সুখাদ্য (টনিক) বটলত ভৰাই বিক্ৰি কৰা হৈছিল আৰু তাৰ এডভাৰটাইজমেণ্টৰ মূল সূত্ৰ এই যে তাক মানুহৰ হাত নলগাকৈ মেচিনত পৰিষ্কাৰভাৱে তৈয়াৰ কৰি বটলত কৰ্ক্ মাৰি ভৰাই বেচা হয়। এতিয়া গপত ওফন্দি ফুৰা সুন্দৰীসকলক ইতিকিং কৰি ডেকাই কয়ঃ There goes she,/Like Mellin's food, /Untouched by human hand. এইপালি দৰৱ আমাৰ বনৰীয়া গীতৰ "আলিবাটে যাৰ তী/ঘনাই খোজ কাঢ় তী"ৰ সমানেই চোকা। আমাৰ কামতো সি কেতিয়াবা লাগিব পাৰে— ছাৰে শিকাইছিল।

সিদিনা কলেজ আৰু তাৰো আগতে স্কুলৰ কালৰ বন্ধু সুধীৰচন্দ্ৰ বৰুৱা আহিছিল। তেওঁক লগ পালত 'পুৰণি কাহিনী বাহিনী ৰাগিণী' বহুতবোৰ উজাৰ খাই উঠিছিল। তেওঁৰো এবাৰ ৰাধা বাবুৰ (অধ্যাপক ৰাধাকান্ত দাস) লগত অকণমান খকা খুন্দা লাগিছিল, কাৰণ তেওঁ বোলে অংকশাস্ত্ৰৰ অনাৰ্ছ লৈও নিয়মীয়াকৈ তাৰ শ্ৰেণীলৈ নগৈছিল। এদিন ধৰিলে ৰাধা বাবুৱে, "ক্লাছত কিয় এনে অনিয়মীয়া?" সুধীৰে জনালে, তেওঁৰ গা ভাল চলা নাই। ছাৰে ধৰিলে, গা ভাল নহয় যদি, এদিন অনুপস্থিত, এদিন উপস্থিত, এদিন অনুপস্থিত, এদিন উপস্থিত— এইখন কিয়? অলপ পেঁপুৱা লগা কিন্তু হাৰ মানিব নোখোজা ছাত্ৰৰ জবাব হ'ল, তেওঁৰ মেলেৰিয়া হৈছে— অৰ্থাৎ পাল-জ্বৰ— এদিন হয়, এদিন এৰে। ছাৰে সেই উত্তৰত বৰ সন্তুষ্ট নহৈ মন্তব্য কৰিলে, You better give up Mathematics and take up Honours in Malaria !! মোৰ দৰে সুধীৰেও ৰসায়ন-শাস্ত্ৰৰ শৰৎ বাবুৰ মৰমিয়াল গুণ সুঁৱৰি ক'লে যে তেওঁ কলেজ এৰি যোৱাৰ বহুত দিন পাছত এবাৰ গুৱাহাটীলৈ আহোঁতে এদিনাখন বাটতে শৰৎ বাবুক লগ পালে ক'ৰবাৰপৰা ছাইকেল চলাই অহা। সুধীৰে "নমস্কাৰ, ছাৰ" কৰিলে, আৰু শৰৎ বাবুৱে প্ৰতিনমস্কাৰ জনোৱাৰ লগে লগে ছাইকেলৰপৰা নামিবলৈ যত্ন কৰোঁতে প্ৰায় তিনি কফ'ল খাই পৰা অৱস্থা। কাৰণ, সুধীৰৰ অভিবাদনত তেওঁ এক আশ্চৰ্য দেখা পাইছিল। তেওঁ সুধিলে, এনে বিনীত ডেকাজন কোন বছৰত, কোন শ্ৰেণীত তেওঁৰ ছাত্ৰ আছিল। সুধীৰে ছন-তাৰিখ দিয়াত তেওঁ তেওঁৰ মনৰ কথা ব্যক্ত কৰিলে, "আজিকালি ল'ৰা-ছোৱালীবোৰৰ এনেকৈ নমস্কাৰ জনোৱা দস্তুৰ নাই; সি উঠি গৈছে !!" এয়াও বহুত দিন পূৰ্বৰ কথা। এতিয়াবা 'মাষ্টৰ মশায়'সকলে বাটে-পথে কিবা সম্মান পায় নে নাপায়!

সুধীৰে বিৰবিলে তাহানিৰ এআইধা — ডেক্ৰুজ মামলাৰ কথা। কটন থাৰ্ড মেছৰ ফিফ্থ ব্লকৰ গাতে প্ৰায় লগালগি, তুখন লোহাৰ বেৰা আৰু ৰাজআলিটোৰহে ইপাৰ-সিপাৰ টেলিগ্ৰাফ কলনি— টেলিগ্ৰাফ অফিছ আৰু তাৰ কৰ্মীসকলৰ নিৱাস। সেই দিনৰ সেই ঘাই কৰ্মীসকল প্ৰায়েই ক'লা আধাছাহাব, ইউৰেছিয়ান। তেওঁলোকৰে এগৰাকী ক'লা মেমে তিনিও সন্ধ্যা মাথোন চিয়ঁৰে— "বয়! বয়!!" তেওঁৰ ডাক শুনি যিটি 'বয়ে' দেখা দিয়ে, তেওঁ ফুকলীয়া ল'ৰা নহয়, বৰং আদহীয়াতকৈও বয়সীয়া, শুকুলা চুলিৰে বৃদ্ধকে বুলিব পাৰি। ফিফ্থ ব্লকৰ ল'ৰাহঁতে সেইটো এক তামাছাই পালে, আৰু মেমে "বয়, বয়" কৰিলে হোষ্টেলৰপৰা তাৰ প্ৰতিধ্বনি উঠে "বয়, বয়!!" এই লৈ আলিবাটটোৰ ইপাৰ-সিপাৰৰ কুষাৰি ভাব এটি চলি থাকে।

এদিনাখন (তেতিয়া মই নিউ হোষ্টেলৰ অধিবাসী) আলাপাকতে কুষাৰি ভাবটো এখন ৰণ হৈ বিস্ফোৰিত হ'ল। সেইদিনাখন দেওবাৰেই কি আন বন্ধৰ দিন। তুজনমান ফিফ্থ ব্লক ছাত্ৰাবাস-নিৱাসীয়ে তুপৰীয়াৰ ভাতমুঠি ধৰি উল্লিখিত আলিৰ ওপৰে

৩৫ পৃষ্ঠাত চাওক



# অসমৰ আঞ্চলিক দলে চৰকাৰ গঠনৰ শক্তি লাভ কৰিব পাৰিবনে?

দিলীপ কুমাৰ মহন্ত

অসমৰ ৰাজনৈতিক, আৰ্থ-সামাজিক, সাংস্কৃতিক উন্নতি সাধি ক্ষুদ্ৰ জাতিটোক শক্তিমন্ত কৰি গঢ়ি তুলিবৰ বাবে শাসনৰ গাদীত অসম-হিতৈষী লোকৰ যে অতি প্ৰয়োজন হৈছে,— সেই কথা অঞ্চলটোৰ সকলোৱেই কমবেছি পৰিমাণে উপলব্ধি কৰিছে। অসমৰ এই জটিল সময়ত,— "এতিয়া পাৰ্টিতকৈও গভীৰ আৰু নিস্বাৰ্থভাৱে অসম আৰু অসমীয়াৰ মংগলৰ কাৰণে চিন্তা কৰিব পৰা মানুহ ক্ষমতাৰ ঠাইলৈ যোৱাৰ বেছি প্ৰয়োজন হৈছে। কিছু সংখ্যক ভাল মানুহ সেই ঠাইত থাকিলে ৰাজ্যখনৰ বৰ উপকাৰ হয়; উন্নয়নৰ দিশতো, অসমৰ সমস্যা সমাধানৰ দিশতো।" [শেষ পৃষ্ঠা প্ৰান্তিক ১৬ জুলাই '৮৪] ৰাজনৈতিক দলৰ যোগেদিহে এনে লোকে ক্ষমতা পোৱাটো সম্ভৱ। ব্যক্তিগতভাৱে অসম হিতৈষী লোক কোনো দলত থাকিলেও এনে দলে যদি অসমৰ স্বাৰ্থৰ হকে কাম কৰিব নোৱাৰে, তেনেহলে এই ব্যক্তিগত প্ৰতিভাই অঞ্চলটোৰ ৰাইজৰ হিত সাধন কৰিব নোৱাৰে। ক্ষমতাত থকা লোকৰ কাৰ্যৰ গুণাগুণ তেওঁৰ দলে সামগ্ৰিকভাৱে কি কৰিব পাৰিছে তাৰ ওপৰতহে নিৰ্ভৰ কৰে। লগতে R. B. Hayes-এ কোৱা— He serves the party best, who serves the country best— এই কথাষাৰো মনত ৰাখিব লাগে।

বৰ্তমানলৈকে সৰ্বভাৰতীয় দলে এই অঞ্চলটো শাসন কৰি যি উন্নতি (?) সাধিলে সেয়া সকলোৱে জ্ঞাত। এনে ৰাজনৈতিক দলৰ শাসনত অসমৰ ৰাইজৰ আশা-আকাংক্ষাই বাস্তৱ ৰূপ নাপায়— এনেধৰণৰ এটা কথা স্বাধীনতাৰ ডেৰ কুৰি বছৰৰ পাছত জনসাধাৰণে উপলব্ধি কৰিবলৈ লৈছে। সৰ্বভাৰতীয়ৰ নামত, কেন্দ্ৰীয় চৰকাৰ নামৰ শাসক দলৰ এচাম লোকে, পৰিকল্পিতভাৱে কৰি অহা প্ৰতাৰণা ৰোধ কৰিবৰ বাবে— ভাৰতবৰ্ষৰ আন কেইখনমান ৰাজ্যৰ দৰে অসমতো আঞ্চলিক ৰাজনৈতিক দলে ক্ষমতা লাভ কৰিব লাগে, এনে এক চিন্তাধাৰাই সচেতন নাগৰিকসকলক প্ৰভাৱিত কৰা পৰিলক্ষিত হৈছে। বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত চলা আন্দোলনৰ পাঁচটা বছৰৰ অভিজ্ঞতাই এই চিন্তাধাৰাৰ ব্যাপকতা ঘটাইছে। এই সময়ছোৱাত একোটা ৰাজনৈতিক দলে কেৱল ক্ষমতাৰ বাবে যেনে বেশ্যাবৃত্তি গ্ৰহণ কৰি অসমক ধ্বংসৰ পথলৈ লৈ গৈ আছে, তাৰপৰা পৰিত্ৰাণ পাবলৈ আৰু পূৰ্বৰ শান্তিসম্প্ৰীতিৰে জাতিটোক আগবঢ়াই নিয়াৰ চিন্তাক বাস্তৱত ৰূপ দিবলৈ আঞ্চলিক দলে ক্ষমতাৰ ঠাই লাভ কৰিব লাগে বুলি জনসাধাৰণৰ মাজত সঘনাই গুণাগঠা হোৱা পৰিলক্ষিত হৈছে। আঞ্চলিক দলে ক্ষমতা লাভ কৰিলে অসমৰ হঠাতে অভাৱনীয় উন্নতি নহ'ব যদিও, জাতিটোক শোষণ আৰু উৎপীড়ণৰপৰা আংশিকভাৱে হ'লেও ৰক্ষা কৰিব পৰা হ'ব বুলি আজি বহুলোকে বিশ্বাস কৰে।

**উগ্ৰ জাতীয়তাবোধ, আবেগপ্ৰৱণতাক একাষৰীয়াকৈ থৈ** ১৯৮৩ চনৰ তথাকথিত নিৰ্বাচনটোৰে থৈ যোৱা কুফলসমূহ আৰু শাসক দলৰ কু-কৌশলবোৰ মনত ৰাখি, নিৰ্বাচনী বাতাবৰণ এটাৰ ধাৰণা মনতলৈ, ভোটাৰ-তালিকা আৰু ভোটদাতা জনসাধাৰণৰ দৃষ্টিভংগীৰ গতিবিধি চাই আঞ্চলিক দলৰ ক্ষমতা লাভৰ সম্ভাৱনা বিচাৰ কৰাটোৱেই আমাৰ উদ্দেশ্য।

আগন্তুক সংসদীয় নিৰ্বাচনৰ বাবেই হওক বা পৰবৰ্তী বিধান সভাৰ নিৰ্বাচনৰ বাবেই হওক (তুয়োটা নিৰ্বাচন একে লগে হ'লেও) অসমৰ আঞ্চলিক ৰাজনৈতিক দল কেইটাই বৰ্তমানলৈকে যি অস্পষ্ট পথেৰে আগবাঢ়িছে তালৈ চাই তেওঁলোকক নিৰ্বাচনী যুঁজৰ বাবে অপৰিপক্ক বুলিয়েই ক'ব লাগিব। এনে দলৰ নিৰ্বাচনত যুঁজাৰ মূল শক্তি হ'ল বিদেশী নাগৰিক বহিষ্কাৰৰ দাবীত চলা আন্দোলনৰ সমৰ্থকসকল। এই বছৰৰে জানুৱাৰী মাহত সদৌ অসম ছাত্ৰ সন্থাৰ উদ্যোগত যোৰহাটত বহা জাতীয় অভিবৰ্তনে এটা শক্তিশালী আঞ্চলিক দল গঠন কৰিবৰ বাবে অসম ছাত্ৰ সন্থাক দায়িত্ব দিছিল। অসমত অধিক আঞ্চলিক দলৰ সৃষ্টি হোৱাতকৈ বৰ্তমানে থকা দল তুটাকে একত্ৰিত কৰি এটা শক্তিশালী আঞ্চলিক দল কৰিবলৈ ছাত্ৰ সন্থাই চেষ্টা কৰিছে। অসমৰ তুটা প্ৰধান আঞ্চলিক দলৰ নেতাৰ লগত সন্থাৰ নেতৃবৃন্দৰ একোলানি আলোচনা হৈ গৈছে। কিন্তু এইবোৰৰ ফলাফল এতিয়াও অজ্ঞাত। বৰ্তমানৰ অৱস্থাত আন এটা দলৰ সৃষ্টিৰ কথাও নুই কৰিব নোৱাৰি।

বিদেশী সংক্ৰান্ত সমস্যাৰ এক সম্মানজনক সমাধান হ'লেও, ইয়াক কাৰ্যকৰী কৰাৰ গুৰু দায়িত্ব চৰকাৰ



OKDISCD

ওৰফে শাসক দলৰ হাততে থাকিব; গতিকে ব্লকভোট লাভকৰি অহা দলে প্ৰকৃত অৰ্থত যে ভোটাৰ তালিকা সংশোধন কৰিব, সেই আশা কৰা বৃথা। সেয়ে নিৰ্বাচন প্ৰস্তুতিৰ সময়ত আন্দোলনৰ সমৰ্থক আৰু বিৰোধী দুয়োপক্ষৰ ভোটাৰসকলক মনত ৰাখিব লাগিব। আন কেইটা ৰাষ্ট্ৰীয় দলে অসমৰ ক্ষেত্ৰত যেনে মাছ দেখে তেনে জাল গোথা ভূমিকাহে গ্ৰহণ কৰি আহিছে। সুপ্ৰতিষ্ঠিত ৰাষ্ট্ৰীয় দলৰ বিপক্ষে নিৰ্বাচনত যুঁজি শাসনৰ বাঘজৰী হাতত লবৰ হ'লে, আঞ্চলিক দলৰ নেতা-কৰ্মী সকলে বিচক্ষণতা আৰু দূৰদৰ্শিতাৰে আগবাঢ়িব লাগিব।

১৯৭১ চনৰ লোক গণনা মতে ভাৰতবৰ্ষৰ মুঠ জনসংখ্যাৰ ৭০.৬ শতাংশ লোক অশিক্ষিত। অসমৰ এনে লোকৰ সংখ্যা হ'ল ৭১'৯০ শতাংশ। ভাৰতীয় ৰাজনীতিৰ নিৰ্বাচন যুদ্ধত এই গৰিষ্ঠ সংখ্যক অশিক্ষিতলোকে সদায় মুখ্য ভূমিকা লৈ আহিছে। আকৌ শিক্ষিত (অসমত ২৮.১%) মানেই সকলো ৰাজনৈতিকভাৱে সচেতন বুলি ধৰিব পৰা নহয়। দৰিদ্ৰতাই গৰিষ্ঠ সংখ্যক জনসাধাৰণক ৰাজনীতি চিন্তা-চৰ্চাৰ পৰা বিৰত থাকিবলৈ বাধ্য কৰিছে। DUSI কাকতৰ সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত শ্ৰীগোপাল নিকাৰ নামে ভূমিহীন কৃষক এজনে কৈছিল: My wish in life is just to get enough to eat, nothing more." অসমৰ ভদাইমনাই-বুধুৰাৰ চিন্তাধাৰাও শ্ৰীনিকাৰৰ নিচিনাই। কোনো বাতৰি কাকত বা আলোচনীৰ খবৰে এওঁলোকক আলোড়িত কৰিব নোৱাৰে। নিৰ্বাচনৰ সময়ত সাময়িক প্ৰলোভনৰ জৰিয়তে এই চাম লোকৰ ভোট আদায় কৰাৰ কৌশল প্ৰয়োগ কৰা হৈ আহিছে। এওঁলোকক আলোড়িত কৰিব পাৰে কাষৰ পৰা বুজি পোৱা, সুখ-দুখৰ ভাগী হোৱা লোকনায়কসকলৰ প্ৰত্যক্ষ আহবানে। অসমৰ আঞ্চলিক দলত এনে নেতাৰ অভাৱ আজিও পূৰ হোৱা নাই।

ভাৰতীয় ৰাজনীতিৰ চৰিত্ৰৰ উৰ্দ্ধত অসমৰ ৰাজনীতিৰ ভেটিয়ে স্থিৰতা লাভ কৰা নাই। সেয়ে বিগত নিৰ্বাচনসমূহত ভোটদাতাসকলৰ মতামত অধ্যয়ন কৰাটো প্ৰয়োজনীয় হৈ আছে। এনে অধ্যয়নৰ পৰা দেখা যায় যে শিক্ষিতসকলৰ শতকৰা ৬৫ ভাগে প্ৰচলিত শাসনৰ পৰিবৰ্তন বিচাৰি আহিছে, অৰ্থাৎ তেওঁলোকে শাসক দলৰ বিপক্ষে ভোট দিয়ে, কিন্তু সংখ্যা লঘিষ্ঠ হোৱা বাবে নিৰ্বাচনী ফলাফলত এইসকলে এককভাৱে প্ৰভাৱ বিস্তাৰ কৰিব পৰা নাই।

### নামে কি কৰে?

১৯৭৭ চনত ভাৰতীয় জাতীয় কংগ্ৰেছ বিভক্ত কৰি এটা ৰাজনৈতিক দল কৰোঁতে শ্ৰীমতী ইন্দিৰা গান্ধীয়ে এটা নতুন নাম নিদি "ভাৰতীয় জাতীয় কংগ্ৰেছ (ইন্দিৰা)" নামটো ৰাখিলে। কিয়?

১৯৪৭ চনত মহাত্মা গান্ধীয়ে মত বিৰোধৰ বাবে কংগ্ৰেছ ত্যাগ কৰে আৰু কংগ্ৰেছ অনুষ্ঠানটোৰ নামত শাসন ব্যৱস্থা নচলাবৰ বাবে নেতাসকলক উপদেশ দিয়ে। ভাৰতৰ গৰিষ্ঠ সংখ্যক অশিক্ষিত অৰ্ধশিক্ষিত দৰিদ্ৰ জনসাধাৰণৰ কাষত স্বাধীনতা অৰ্জনৰ গৌৰৱ কঢ়িয়াই অনা 'কংগ্ৰেছ' নামটোৰে বহু যুগলৈ অন্ধ সমৰ্থন লাভ কৰি থাকিব বুলি মহাত্মাই কৰা সন্দেহ অমূলক নাছিল। এতিয়াও সহজ সৰল কোনো কোনো মুক্তি যুঁজাৰুৱে কংগ্ৰেছ নামটোতে মহাত্মাৰ প্ৰতিমূৰ্তি দেখা যেন পায়। এনে মহৎ ব্যক্তিলৈ শ্ৰদ্ধাত আজিও মূৰ দোঁ-খায়। ক্ষমতা পোৱা নেতাৰ প্ৰচাৰত উপদেশ তল পৰিল, মহাত্মা গান্ধীহে কংগ্ৰেছৰ পৰা আঁতৰিল। শাসনৰ গাদীত কংগ্ৰেছ আঁকোৰেগোজ হৈয়ে ৰ'ল।

নামে কি কৰে গুণেহে সংসাৰ তৰে-কথাষাৰ ভাৰতীয় ৰাজনীতিত প্ৰযোজ্য নহয়। শতকৰা ৭১'৯০ লোক আকৰ্ষিত হোৱা জনপ্ৰিয় নাম এটা আঞ্চলিক দলে ল'লে, অন্ততঃ ইয়াৰে শতকৰা ২৫ ভাগ ভোটাৰক নামটোৰেই প্ৰভাৱিত কৰিব পাৰি। জনপ্ৰিয় নাম আৰু চমক লগোৱা প্ৰচাৰ-কৌশলে ৰাজনীতিত প্ৰভাৱ পেলায় আহিছে।

যিখন ৰাজ্যত পূজা-পাৰ্বনে জনসাধাৰণক মছগুল কৰি ৰাখে, জ্যোতিষ শাস্ত্ৰই অজস্ৰ কাম নিয়ন্ত্ৰণ কৰে, য'ত এক বৃহৎ মহানগৰী পুঁজিপতিসকলৰ ধনেৰে গঢ় লৈছে, সেইখন ৰাজ্য (পশ্চিম বংগ) প্ৰকৃত অৰ্থত কমিউনিষ্ট নে? কাৰ্যই প্ৰতিফলিত কৰা মতে ই এক আঞ্চলিক দলহে। কিন্তু দিন-ভিক্ষাৰীৰ পৰা পুঁজিপতিলৈকে বহু লোকক কমিউনিষ্ট নামটোৰে প্ৰভাৱিত কৰিব পাৰিছে।

### ধন বল

শাসনৰ গাদী ৰাখিবলৈ ভাৰতীয় ৰাজনীতিত প্ৰচুৰ অৰ্থ বিনিয়োগ কৰা হৈছে। ধনৰ বিনিময়ত ভোট। It is hard for a poor man to enter on Indian legislature as for a rich man to enter the kingdom of God—B. Forrester (ইংৰাজ সমাজ-বিজ্ঞানী)। নিৰ্বাচনী ব্যয়ৰ এক সামান্য অংশহে ৰাজনৈতিক দলবিলাকে নিজৰ প্ৰাৰ্থীজনৰ বাবে ব্যয় কৰিব পাৰে। প্ৰাৰ্থীজন হয় ধনী হ'ব লাগিব, নহয় তেওঁ ধনী লোকৰ ওপৰত নিৰ্ভৰ কৰিব লাগিব; কিয়নো সংসদ বা বিধান সভাৰ নিৰ্বাচন খেলাটো বয়বহুল কাম। এই ব্যয়ৰ পৰিমাণ সমষ্টিটোত থকা ভোটাৰৰ সংখ্যা আৰু সমষ্টিৰ পৰিসৰৰ ওপৰত নিৰ্ভৰ কৰে। অসমৰ একোটা বিধান সভা সমষ্টি ৮০-১০০ খন গাঁও আৰু প্ৰায় ২০০ বৰ্গ কিল'মিটাৰ এলেকা ব্যাপি গঠিত।

ভাৰতীয় গণতন্ত্ৰৰ নিৰ্বাচনত ভোটৰ বাবে প্ৰাৰ্থীয়ে বিনিয়োগ কৰা ধনৰ পৰিমাণে নৈতিকতা চেৰাই কলংকৰ ৰূপ লোৱাত এই ব্যয় সীমিত কৰাৰ উদ্দেশ্যে একাধিক বাৰ আইন সংশোধন কৰা হৈছে। বৰ্তমান সংসদীয় নিৰ্বাচনত এজন প্ৰাৰ্থীয়ে কৰা ব্যয়



আৰু বিধান সভাৰ প্ৰাৰ্থীয়ে কৰা ব্যয় সীমিত কৰা হৈছে। কিন্তু গৰিষ্ঠ সংখ্যকে এই সীমা অতিক্ৰম কৰে। মুঠ প্ৰাৰ্থীৰ শতকৰা ৪০ জনে উক্ত ধনৰ দুগুণতকৈ অধিক আৰু শতকৰা ৬ জনে দহ গুণতকৈয়ো অধিক ব্যয় কৰে। আইন মতে বিধান সভা বা সংসদত শপত গ্ৰহণ কৰাৰ আগেয়ে প্ৰতিনিধিজনে নিৰ্বাচনী ব্যয়ৰ হিচাপ দাখিল কৰিব লাগে; তাৰ পাছতহে তেওঁ আসন গ্ৰহণ কৰিব পাৰে। কিন্তু তেওঁ মিছাৰ আশ্ৰয় লৈয়েই জনগণৰ নিৰ্বাচিত প্ৰতিনিধিৰ জীৱন আৰম্ভ কৰে। He (a legislator) begins his political career with a blatant lie, with a white lie, by signing papers that he has kept his election expences within the ceiling prescribed by the law. —M. L. Gautam M. P. Ex.

ই-কংগ্ৰেছৰ এই ব্যয়বহুল নিৰ্বাচনৰ বাবে ধনৰ অভাৱ কেতিয়াও হোৱা নাই। ব্যৱসায়ী গোষ্ঠী বা উদ্যোগপতিসকলে এই দলৰ পুঁজিলৈ বৃহৎ পৰিমাণৰ দান-বৰঙণি আগবঢ়াই আহিছে। বোম্বাইৰ উদ্যোগপতি অৰবিন্দ মফটলালৰ মতে— Industrialists give money to the Congress for elections as a business transaction, to get licences and all.

তাৰ বাহিৰেও, এনে ধৰণৰ ঘটনাও ঘটে:

Import policies concerning foreign cotton and wool-tops were liberalised by the Congress administration in deals respectively with the Indian Cotton Mills Federation and the Woollen Manufacturers Association for a total sum of about one crore. In addition monies were raised, as usual, from contractors who supply goods… to such federal govt. agencies as the armed forces, the Central Public Works Deptt etc. (Financial Express, 11.2.71).

ৰাজ্য পৰ্যায়তো একে ধৰণে ধন সংগ্ৰহ কৰা হয়। দপ্তৰ অনুযায়ী মন্ত্ৰীসকলক দলৰ নিৰ্বাচনী পুঁজিলৈ অৰ্থ-সংগ্ৰহৰ দায়িত্ব দিয়া হয়। উদাহৰণ স্বৰূপে— পৰিবহন মন্ত্ৰীয়ে কোনো কোনো পথত গাড়ীৰ পাৰমিট বঢ়াই দি, P. W. D. মন্ত্ৰীয়ে ঠিকাদাৰ-যোগানদাতাৰ পৰা, আবকাৰী বিভাগৰ দায়িত্বত থকাজনে সুৰা বিক্ৰিৰ পাৰমিট দি বা সালসলনি কৰি, উদ্যোগ মন্ত্ৰীয়ে স্থানীয় উদ্যোগপতি সকলৰপৰা

তালিকা ১
দলীয় অৱস্থা
অসম বিধান সভা নিৰ্বাচন ঃ ১৯৭২

| দল | প্ৰতিদ্বন্দ্বিতা কৰা | জয়লাভ কৰা | লাভকৰা ভোট | শতকৰা হিচাপত ভোট |
|---|---|---|---|---|
| ভাৰতীয়জাতীয় কং | ১১২ | ৯৫ | ১৯,৭৫,২০৩ | ৫৩'১৯ |
| " " (অ') | ১৪ | — | ১৭,৩৬৭ | ০০'৪৭ |
| ছছিয়েলিষ্ট | ৩৮ | ৪ | ২,১৪,৩৪২ | ০৫'৭৮ |
| ছি. পি. আই | ২৮ | ৩ | ২,০৯,৫৫০ | ০৫'৬৫ |
| ছি. পি. আই (এম) | ২০ | — | ৯৬,০৯৭ | ০২'৫৯ |
| ভাৰতীয় জনসংঘ | ৩ | — | ১০,০৬১ | ০০'২৪ |
| স্বতন্ত্ৰ | ১ | ১ | ২১,৬৬৩ | ০০'৫৯ |
| ফৰৱাৰ্ড ব্লক | ১ | — | ২,৪০৩ | ০০'০৭ |
| পি. টি. ছি. এ | ২ | ১ | ৩৬,১৫১ | ০০'৯৮ |
| নিৰ্দলীয় | ২৫৭ | ১০ | ১১,৩০,৯৩৩ | ৩০'৪৬ |

মুঠ ভোটাৰ— ৬২,৯৬,১৯৮ জন
ভোট দান কৰে— ৩৮,৪৯,৮২১ জনে
(শতকৰা ৬১'১৪ জনে)

তালিকা ২
দলীয় অৱস্থা
অসম বিধান সভা নিৰ্বাচন ঃ ১৯৭৮

| দল | প্ৰতিদ্বন্দ্বিতা কৰা আসন | লাভ কৰা আসন | লাভকৰা ভোট | শতকৰা হিচাপত ভোট |
|---|---|---|---|---|
| ভাৰতীয় জাতীয় কং | ১২৬ | ২৬ | ১২,২৩,১৮৯ | ২৩'৬৯ |
| জনতা | ১১৭ | ৫৩ | ১৪,২৩,২০৪ | ২৭'৫৬ |
| ভাঃ জাঃ কংঃ (ই) | ১১৫ | ৮ | ৪,৫৩,৬২৩ | ৮'৭৯ |
| ছি. পি. আই (এম) | ২৭ | ১১ | ২৯,০৩,৮৫ | ৫'৬২ |
| ছি. পি. আই | ৩৫ | ৫ | ২,১১,৩৮৪ | ৪'১০ |
| আৰ. ছি. পি. আই | ১০ | ৪ | ৭২,৪৪৫ | ১'৪০ |
| পি. টি. ছি. এ | ৯ | ৪ | ১,৩৪,৫৩৩ | ২'৬০ |
| এছ. ইউ. ছি. আই | ৪ | — | ৩,৭১১ | ০'০৬ |
| আৰ. এছ. পি | ৬ | — | ২২,৬৮৫ | ০'৪৩ |
| অল ইণ্ডিয়া ফৰৱাৰ্ড ব্লক | ৩ | — | ৪,৮৩৯ | ০'০৯ |
| ,, ,, গোৰ্খা লীগ | ১ | — | ২,৩০৫ | ০'০৪ |
| নিৰ্দলীয় (প্ৰাৰ্থীৰ সংখ্যা) | ৪৮৫ | ১৫ | ১৩,২২,৯৪৯ | ২৫'৬২ |

মুঠ ভোটাৰ— ৭৯,৭৪,৩৯৫ জন।
ভোট দান কৰে— ৫৩,৩১,৪০২ জনে।
(শতকৰা ৬৬'০২ জনে)



OKDISCD

একোটা সমষ্টিৰ নিৰ্বাচিত প্ৰতিনিধিজন ৰাইজৰ "প্ৰকৃত" প্ৰতিনিধি নহ'বও পাৰে, কাৰণ তেওঁ সমষ্টিটোৰ সংখ্যাগৰিষ্ঠ ভোট নোপোৱাকৈয়ে নিৰ্বাচিত হয়। এই ঘটনাটো ঘটে সমষ্টিটোত প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ সংখ্যা বেছি হোৱাৰ কাৰণে। ১৯৭৮ চনৰ অসম বিধান সভাৰ নিৰ্বাচনৰ অৱস্থাটো তলৰ তালিকাত দেখুৱা হৈছে

| সমষ্টি নং | সমষ্টিৰ নাম | ভোটাৰৰ সংখ্যা | ভোটদান কৰা লোকৰ সংখ্যা | প্ৰতিদ্বন্দ্বী প্ৰাৰ্থীৰ সংখ্যা |
|---|---|---|---|---|
| ১ | ২ | ৩ | ৪ | ৫ |
| | **কাছাৰ জিলা** | | | |
| ১ | ৰাতাবাৰী * | ৭৫,৯৮০ | ৪১,০৪৯ | ৫ |
| ২ | পাথাৰকান্দি | ৭০,২১৩ | ৪৮,৯৭৮ | ৯ |
| ৩ | কৰিমগঞ্জ (উত্তৰ) | ৮৮,৩১১ | ৫৪,২১৪ | ৭ |
| ৪ | ,, (দক্ষিণ) | ৭৮,০০৬ | ৪৭,১৯৬ | ৮ |
| ৫ | বদৰপুৰ | ৬৮,১৬৫ | ৪২,০১০ | ৮ |
| ৬ | হাইলাকান্দি | ৬৭,১৭০ | ৩৮,৮৩৩ | ১২ |
| ৭ | কাটলিচেৰা | ৬৯,১৫৭ | ৪৩,৪৮৫ | ৫ |
| ৮ | আলগাপুৰ | ৬২,৮০৬ | ৩২.৬০৭ | ৭ |
| ৯ | শিলচৰ | ৭৫,৪৮৩ | ৪৬,৫৩৮ | ৯ |
| ১০ | সোনাই | ৭৭,২০১ | ৫২,১৭১ | ৬ |
| ১১ | ধলাই * | ৭৬,৭৩৪ | ৩৫,৯৩৩ | ৬ |
| ১২ | উদাৰবান্ধ | ৬৩,৬৬১ | ৩৫,৪৪৮ | ৭ |
| ১৩ | লক্ষীপুৰ | ৭৬,৪৪১ | ৪৯,১৮২ | ৮ |
| ১৪ | বৰখোলা | ৬২,৮৭৫ | ৪০,৬৭৭ | ৭ |
| ১৫ | কাটিগোৰা | ৭৪,৬২৫ | ৪৬,৯৫৩ | ৮ |
| | **উত্তৰ কাছাৰ পাৰ্বত্য জিলা** | | | |
| ১৬ | হাফলং + | ৪৫,৯২৪ | ২৯,৫৪৫ | ৪ |
| | **কাৰবি আংলং জিলা** | | | |
| ১৭ | বোকাজান + | ৪৫,৪৪৩ | ২৪,৯০২ | ৩ |
| ১৮ | হাওৰাঘাট + | ৫১,৮১২ | ৩৪,৯৪৭ | ৩ |
| ১৯ | ডিফু + | ৪৬,৯৭২ | ২৮,৪৯৮ | ৩ |
| ২০ | বৈঠালাংচু + | ৭২,৩২৮ | ৩৬,৫০৪ | ২ |
| | **গোৱালপাৰা জিলা** | | | |
| ২১ | মানকাছাৰ | ৫৮,০৩২ | ৪৮,৩৯০ | ৬ |
| ২২ | শালমৰা (উত্তৰ) | ৬০,১৯৩ | ৪৩,৮৯৬ | ৬ |
| ২৩ | ধুবুৰী | ৫৯,৯২১ | ৪৫,৩৭০ | ৭ |
| ২৪ | গৌৰীপুৰ | ৫৯,৩১৬ | ৪৭,২১১ | ৬ |
| ২৫ | গোলোকগঞ্জ | ৬২,১১০ | ৫১,৬৩৫ | ৬ |
| ২৬ | বিলাসীপাৰা (পশ্চিম) | ৪৯,৬০২ | ৪০,৩৭৩ | ৭ |
| ২৭ | ,, (পূব) | ৬৪,১৯৮ | ৫০,৮৯৮ | ৭ |
| ২৮ | গোসাঁইগাঁও | ৫৮,২৬২ | ৪৩,৫৯৭ | ৯ |
| ২৯ | কোকৰাঝাৰ পশ্চিম + | ৬২,২১৩ | ৫০,৮০০ | ৫ |
| ৩০ | ,, পূব + | ৫৯,৩৬৩ | ৪৮,৬২৪ | ৫ |
| ৩১ | চিদলি | ৭১,৮৭০ | ৫৮,১০৫ | ৪ |
| ৩২ | বঙাইগাঁও | ৪৫,৫৬৩ | ৩২,৫৩২ | ৬ |
| ৩৩ | বিজনী | ৫৮,৭৮২ | ৪৬,৩১২ | ৭ |
| ৩৪ | অভয়াপুৰী (উত্তৰ) | ৫৬,৫১৪ | ৪২,৩৭৬ | ৬ |
| ৩৫ | ,, (দক্ষিণ) * | ৬১,৪৭৩ | ৪২,৫৯১ | ৩ |
| ৩৬ | দুধনৈ + | ৫৯,১১২ | ৩৭,৫২৪ | ৬ |
| ৩৭ | গোৱালপাৰা (পূব) | ৫২,৭৬৬ | ৩৫,২২৮ | ৯ |
| ৩৮ | ,, (পশ্চিম) | ৫৭,৪০৭ | ৩৮,২৩৪ | ৯ |
| ৩৯ | জলেশ্বৰ | ৫৩,৭০৬ | ৩৯,২১৭ | ৯ |
| | **কামৰূপ জিলা** | | | |
| ৪০ | সৰভোগ | ৬৯,৬৫৫ | ৫১,৪৭৬ | ৬ |
| ৪১ | ভবানীপুৰ | ৫৮,২৫৪ | ৪১,৫৪৬ | ১১ |
| ৪২ | পাটাছাৰকুছি | ৬৭,৫৯৫ | ৪১,২৬৮ | ৮ |
| ৪৩ | বৰপেটা | ৭৩,২৬৪ | ৪৯,৫২৫ | ১১ |
| ৪৪ | জনিয়া | ৫৯,৫৪০ | ৪৩,৬৮৮ | ৩ |
| ৪৫ | বাঘবৰ | ৫৫,৬৯৯ | ৩৮,৭১৬ | ৫ |
| ৪৬ | সৰুক্ষেত্ৰী | ৭২,৫৩০ | ৫০,৫৪৭ | ৯ |
| ৪৭ | চেঙা | ৫১,৭৭০ | ৩৯,৯৮০ | ৭ |
| ৪৮ | বকো * | ৬৮,৫২০ | ৪৯,৪৫৪ | ৫ |
| ৪৯ | ছয়গাঁও | ৬১,৫৮৯ | ৪৩,০৬১ | ৭ |
| ৫০ | পলাশবাৰী | ৬৬,৮০৯ | ৪৫,০৪৬ | ৭ |
| ৫১ | জালুকবাৰী | ৬১,৬৩৪ | ৪১,৮৪৪ | ৮ |
| ৫২ | দিশপুৰ | ৫৭,৯৮৬ | ৩৮,৩৮৭ | ৬ |
| ৫৩ | গুৱাহাটী (পূব) | ৭৩,৪৮৫ | ৪৪,০৮৫ | ১২ |
| ৫৪ | ,, (পশ্চিম) | ৬১,৭৯০ | ৩৯,১৩৯ | ১৫ |
| ৫৫ | হাজো | ৬১,০৩৬ | ৪৩,২৬০ | ৯ |
| ৫৬ | কমলপুৰ | ৬৩,৭৭৪ | ৪২,০৪৪ | ১০ |
| ৫৭ | ৰঙিয়া | ৬১,৫৩৬ | ৪২,২০৪ | ৮ |
| ৫৮ | তামোলপুৰ | ৬০,১৬১ | ৪৪,২৩৪ | ৭ |
| ৫৯ | নলবাৰী | ৭৫,২৬৬ | ৪৭,৩৫৫ | ৬ |
| ৬০ | বৰক্ষেত্ৰী | ৭০,৬২০ | ৪৫,৬২০ | ১০ |
| ৬১ | ধৰমপুৰ | ৬৪,১৬৬ | ৪০,১৬৭ | ৬ |
| ৬২ | বৰমা + | ৫৮,৬৬৩ | ৩৮,৪৭৩ | ৪ |
| ৬৩ | চাপাগুৰি + | ৫৮,০৮০ | ৪১,৪৩১ | ৮ |
| | **দৰং জিলা** | | | |
| ৬৪ | পানেৰি | ৬০,১৭৪ | ৪৩,৯৫৯ | ১২ |
| ৬৫ | কলাইগাঁও | ৬৫,৮৪২ | ৪৮,৩১৯ | ৫ |
| ৬৬ | ছিপাঝাৰ | ৬২,২৬৯ | ৩৯,২২০ | ৮ |
| ৬৭ | মঙলদৈ * | ৭৩,৫৭৫ | ৪৬,০২৮ | ৬ |
| ৬৮ | দলগাঁও | ৬৩,৩৯৮ | ৪৪,৯১৩ | ৭ |
| ৬৯ | ওদালগুৰি | ৬২,১৯৮ | ৪২,৯২১ | ৪ |
| ৭০ | মাজবাট | ৫৪,৯১০ | ৪০,৫৯৮ | ৭ |
| ৭১ | ঢেকীয়াজুলি | ৫৫,৬৯২ | ৪২,৭২৬ | ৬ |
| ৭২ | বৰচলা | ৬০,৬৯৫ | ৪৪,৮৯৯ | ৮ |
| ৭৩ | তেজপুৰ | ৫২,৯৫১ | ৩৪,৯৮৫ | ৬ |
| ৭৪ | ৰঙাপাৰা | ৫২,১৫৫ | ৩৯,৪০০ | ৪ |
| ৭৫ | চতিয়া | ৫২,১৮২ | ৩৮,৮৪১ | ৬ |
| ৭৬ | বিশ্বনাথ | ৪৯,৮৬৫ | ৩৭,৫৬৭ | ৪ |
| ৭৭ | বিহালী | ৪৭,৮২৭ | ৩২,৭৭৩ | ৮ |
| ৭৮ | গহপুৰ | ৬৬,২৯৯ | ৪৪,৯১০ | ১১ |
| | **নগাঁও জিলা** | | | |
| ৭৯ | জাগীৰোড * | ৬৭,০৫৫ | ৪৮,৯৮৭ | ৬ |
| ৮০ | মৰিগাঁও | ৭০,৬৯৫ | ৫১,৭৭৩ | ৭ |
| ৮১ | লাহৰিঘাট | ৬৫,৬২৬ | ৪৮,২৭৩ | ৭ |
| ৮২ | ৰহা * | ৮২,৯০৪ | ৫২,২০৪ | ৫ |
| ৮৩ | ধিং | ৬৯,৩৯৩ | ৪৩,৯৬৪ | ৫ |
| ৮৪ | বটদ্ৰৱা | ৬৭,৪২৪ | ৪৬,১০৫ | ৯ |
| ৮৫ | ৰূপহীহাট | ৬৩,৩১৯ | ৪৩,৮১২ | ৩ |
| ৮৬ | নগাঁও | ৬৪,৩৪২ | ৪১,১৯৬ | ৭ |
| ৮৭ | বৰহমপুৰ | ৬৭,৫৯২ | ৪২,৩৭৫ | ৭ |
| ৮৮ | চামগুৰি | ৫৭,৬৯৬ | ৩৭,৭৫৭ | ৯ |
| ৮৯ | কলিয়াবৰ | ৫২,০৯৪ | ৩৭,০৩০ | ৬ |
| ৯০ | যমুনামুখ | ৬৭,৫০৭ | ৪৪,৬৯৪ | ৬ |
| ৯১ | হোজাই | ৮১,০৪৯ | ৫৬,১৩৭ | ৬ |
| ৯২ | লামডিং | ৬৬,৩৩৬ | ৪০,০৮৫ | ১১ |
| | **শিৱসাগৰ জিলা** | | | |
| ৯৩ | বোকাখাট | ৫৪,৩১৬ | ৩৭,২৩৬ | ৭ |
| ৯৪ | সৰুপথাৰ | ৬৭,৮৭০ | ৪৩,৯০৬ | ৯ |
| ৯৫ | গোলাঘাট | ৬৮,৪৭১ | ৪৩,৪২৯ | ৬ |
| ৯৬ | খুমটাই | ৬০,৯৩৪ | ৩৭,৫০৪ | ৭ |
| ৯৭ | দেৰগাঁও * | ৬৭,১১২ | ৩৬,২২১ | ৭ |
| ৯৮ | যোৰহাট | ৬৬,২৬০ | ৪২,৫৪৬ | ৭ |
| ৯৯ | মাজুলী + | ৫৭,৯৩৮ | ৪২,০৭৬ | ৪ |
| ১০০ | তিতাবৰ | ৬৫,৭৭৪ | ৩৯,৩০৬ | ১১ |
| ১০১ | মৰিয়নী | ৫৫,১৬৩ | ৩৭,১২০ | ৭ |
| ১০২ | টিয়ক | ৬৩,৫৭৩ | ৪০,০২৯ | ১৫ |
| ১০৩ | আমগুৰি | ৫৮,৬৮৭ | ৩৪,২৫৪ | ৬ |
| ১০৪ | নাজিৰা | ৫৭,৬৯৮ | ৩৮,৬২৯ | ৬ |
| ১০৫ | মাহমৰা | ৬২,৩৩৮ | ৩৭,৭৮০ | ১১ |
| ১০৬ | সোণাৰী | ৬৭,৪৭৮ | ৩৯,৯৫৮ | ৮ |
| ১০৭ | থাওৰা | ৫৪,৬৩৭ | ৩৪,৫৬২ | ৭ |
| ১০৮ | শিৱসাগৰ | ৭০,২৮১ | ৪৭,৫৫১ | ৮ |
| | **লক্ষীমপুৰ জিলা** | | | |
| ১০৯ | বিহপুৰীয়া | ৬৩,৩০৪ | ৪১,৯০৭ | ১৪ |
| ১১০ | নাওবৈচা | ৭২,৬৭৩ | ৪৬,৫৫০ | ১১ |
| ১১১ | লক্ষীমপুৰ | ৫৮,৯১৮ | ৩৬,৬০২ | ১৪ |
| ১১২ | ঢকুৱাখনা + | ৭৩,৪৩৯ | ৪৮,১৩৬ | ৮ |
| ১১৩ | ধেমাজি + | ৮৫,৬৪৫ | ৫৬,৯৬৭ | ১০ |
| ১১৪ | সোনাই + | ৭৮,০১৭ | ৫৭,১৮৮ | ৭ |
| | **ডিব্ৰুগড় জিলা** | | | |
| ১১৫ | মৰাণ | ৬০,৫৮৫ | ৩৮,২৯৯ | ১০ |
| ১২৬ | ডিব্ৰুগড় | ৫৯,৫২০ | ৩৯,০৫৯ | ৯ |
| ১১৭ | লাহোৱাল | ৫৯,৭৬৪ | ৩৫,৪৪১ | ১০ |
| ১১৮ | দুলীয়াজান | ৬২,০৭১ | ৩৬,৬২১ | ৯ |
| ১১৯ | টিংখং | ৬৫,৯৩৫ | ৪৩,০১২ | ৬ |
| ১২০ | নাহৰকটীয়া | ৫৮,৯৬১ | ৩৯,৯০৯ | ১০ |
| ১২১ | চাবুৱা | ৬২,৩৬৯ | ৩৬,০৩৯ | ১০ |
| ১২২ | তিনিচুকীয়া | ৬৩,৫০৯ | ৩৮,৬১১ | ১২ |
| ১২৩ | ডিগবৈ | ৫১,৬৭৩ | ৩৩,৫২৭ | ৯ |
| ১২৪ | মাৰ্ঘেৰিটা | ৬৩,০৪৫ | ৪০,২২৮ | ১২ |
| ১২৫ | ডুমডুমা | ৫৬,৮২৮ | ৩৫,৭৫৩ | ৬ |
| ১২৬ | সদিয়া | ৫৯,৪৬৯ | ৪০,৮১৩ | ১১ |
| | — | ৭৯,৭৪,৩৯৫ | ৫৩,৩১,৪০২ | ৯৩৮ |

**মুঠ আসন ১২৬ খন**

* অনুসূচিত জাতিৰ প্ৰাৰ্থীৰ বাবে সংৰক্ষিত

\+ অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত

সমগ্ৰ অসমত ভোট দান কৰে শতকৰা ৬৬.০২ ভোটাৰে।

মুঠ ভোট গ্ৰহণ কেন্দ্ৰ— ১০,৩৫২ টা।

(বিশেষকৈ যি সকলে ৰাজ্যখনৰ বিদ্যুৎ, জলসম্পদ, কেচামাল আৰু ৰক্ষণাবেক্ষণৰ বাবে চৰকাৰৰ ওপৰত নিৰ্ভৰ কৰে।) ধন সংগ্ৰহ কৰে। গুৱাহাটীৰ এজন আগশাৰীৰ ব্যৱসায়ীয়ে কোৱা মতে চাহপাতৰ প্ৰতিকেজিৰ বজাৰ দৰ ১৮ টকাৰ পৰা ২৪ টকালৈ বৃদ্ধি কৰি পাচঁশ কোটি টকা সংগ্ৰহ কৰাটো সম্ভৱ।

আন দল সমূহে'ও উদ্যোগপতি বা ব্যৱসায়ীৰ পৰা ধন সংগ্ৰহ কৰে ; কিন্তু চৰকাৰ গঠন কৰিব পৰা ক্ষমতা নথ-কাৰ বাবে এনে ধনৰ পৰিমান শাসক দলৰ তুলনাত বহু কম হয়। বৰ্তমান ভাৰতীয় ৰাজনীতিত নিৰ্বাচিত সদস্যও দালালৰ যোগেদি গৰু বেচা-কিনা কৰাৰ দৰে এটা দলৰ পৰা আন এটা দললৈ বিক্ৰি হব ধৰিছে। তেনে ক্ষেত্ৰত ধনৰ বিনিময়ত অজ্ঞসকলে ভোট এটা বিক্ৰি কৰাটো সাধাৰণ কথা।

আগন্তুক নিৰ্বাচনী যুদ্ধত শাসক দল ই-কংগ্ৰেছৰ নিৰ্বাচনী পুঁজিৰ লগত আঞ্চলিক দলৰ পুঁজিয়ে ফেৰ মাৰিব যে নোৱাৰে সেয়া সহজেই অনুমেয়। অসমৰ আঞ্চলিক দলক যে ৰাজ্যখনৰ ব্যৱসায়ী গোষ্ঠীয়ে বিশেষভাৱে সহায়

(আৰ্থিক) কৰিব সেই আশা কৰাৰ যুক্তি আমি বিচাৰি নাপাওঁ। সেয়ে সমৰ্থক জনসাধাৰণৰ পৰা, জন-সমাবেশত বা প্ৰতি ঘৰে ঘৰে দান-বৰঙণি সংগ্ৰহৰ যোগেদিয়েই এই নিৰ্বাচনী ব্যয় মিলাব লাগিব।

আইনৰ গণ্ডীৰ ভিতৰতে এই ব্যয় সীমিত ৰাখি নিৰ্বাচনত নামিলেও আঞ্চলিক দলৰ সংসদীয় নিৰ্বাচনৰ বাবে আৰু বিধান সভাৰ নিৰ্বাচনৰ বাবে ১২৬×৯,০০০ টকা, সৰ্বমুঠ ১১,৩৪,০০০ টকাৰ প্ৰয়োজন হ'ব।

আইন সন্মত নহলেও শাসকদলে চৰকাৰী আহিলা-পাতি, যান-বাহন আদি নিৰ্বাচনৰ কামত নিজ দলৰ বাবে ব্যৱহাৰ কৰি অহাৰ উদাহৰণ আছে। চৰকাৰ চলোৱাৰ সুবিধা পাই থকাৰ বাবে ই-কংগ্ৰেছ দলে আগন্তুক নিৰ্বাচনত এই সুবিধা ল'ব। ১৯৭১ চনৰ নিৰ্বাচনৰ সময়ৰ এটি খবৰলৈ লক্ষ্য কৰক: The ruling party plans to requisition 1,000 to 2,000 jeeps. The Minister in-charge of defence production has allowed the (only) manufacturer to postpone immediate delivery of jeeps to defence department and instead supply these to hire-purchase companies. These companies will then 'hire' these out to the Congress. After elections these jeeps will be taken back, reconditioned, and sold to the Defence Ministry. [Statesman 12 Jun '71] আঞ্চলিক দলে এনে সুবিধা পোৱাৰ প্ৰশ্নই নুঠে।

শাসকদলে ভোট কেন্দ্ৰীভূত কৰা দলৰ সদস্য সংখ্যা বৃদ্ধি কৰা আদি কামত একাণপতীয়াকৈ লাগি থাকিব পৰাকৈ চৰকাৰী ধনৰেই এচাম লোকক ভৰণ পোষণ দি আহিছে। উদাহৰণ স্বৰূপে মহকুমা পৰিষদ/জিলা পৰিষদ আদিলৈ লক্ষ্য কৰক। প্ৰত্যেকৰে একোজনকৈ সভাপতি আৰু এওঁলোকৰ তলত কিছুমান বিশেষ উদ্দেশ্যত গঠিত কমিটিত একাধিক চেয়াৰমেনৰ পদ আছে। প্ৰত্যেককে প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰায় হাজাৰ টকা বেতন দিয়া হয়। ঘৰো দিয়া হয়। প্ৰতিখন জিলাকে কিছুমান খণ্ডত বিভক্ত কৰি সদস্যৰ সংখ্যা বৃদ্ধি কৰা হৈছে আৰু এনে সদস্যক বানচ দি থকাৰ ব্যৱস্থা আছে। এওঁলোকে উন্নয়নৰ আঁচনি কাৰ্যকৰী কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰে আৰু বৃহৎ পৰিমাণৰ ধন এওঁলোকৰ হাতেদিয়েই ওলাই যায়। সকলো জিলাতে একোটা সমবায়/সমবায় বেংক আছে। ইয়াৰ যোগেদি জনসাধাৰণক শস্যৰ কঠিয়া, সাৰ, আদি কিনিবলৈ হ্ৰস্ব-ম্যাদী ঋণ দিয়া হয়। এনে অনুষ্ঠানৰ সভাপতি বা পৰিচালনা সমিতিৰ লোকসকলক দৰমহা আদি দিয়া হয়। সমবায় উদ্যোগসমূহতো এনে লোক নিয়োগ কৰা হয়। শাসনাধিষ্ঠ দলৰে বিভিন্ন শ্ৰেণীৰ কৰ্মীক ইয়াত নিয়োগ কৰা হৈছে। এনে অনুষ্ঠানত থাকি তেওঁলোকে দলৰ বাবে কাম কৰি আছে। কোনো এক দলৰ বাবে এচাম লোকৰে কাম কৰোৱাৰ সুবিধা পালে তেওঁলোকৰ পৰা কাৰ্যভাৰ কাঢ়ি লোৱা বৰ উজু কাম নহয়।

এনে কৰ্মীৰ বিপৰীতে আঞ্চলিক দলে নিঃস্বাৰ্থভাৱে ত্যাগ স্বীকাৰ কৰা কৰ্মীৰ ওপৰতে নিৰ্ভৰ কৰিব লাগিব।

নিৰ্বাচনত শাসক দলৰ বৰ্তমানলৈকে আটাইতকৈ বেছি ফলপ্ৰসূ হোৱা কৌশলটো হল ধৰ্মৰ নামত, ভাষাৰ নামত, গোষ্ঠী-উপগোষ্ঠীৰ নামত জনসাধাৰণৰ বিভাজন ঘটাই সকলোৰে সুকিয়া সুকিয়া দুৰ্বলতাৰ সুযোগ লৈ, আশা দি ভোট আদায় কৰাটো। ধৰ্ম নিৰপেক্ষ দেশ ভাৰতবৰ্ষত গৰিষ্ঠ সংখ্যক হিন্দু ভোটাৰ থকা একোটা সমষ্টিত মুছলমান-ধৰ্মী লোকক মনোনয়ন দিয়া নহয়; সেই দৰে গৰিষ্ঠ-সংখ্যক মুছলমান ভোটাৰ থকা সমষ্টিত হিন্দু লোকক মনোনয়ন দিয়া নহয়। ৰাষ্ট্ৰীয় বিৰোধীসকলেও একে কৌশলেৰে প্ৰাৰ্থিত্ব দি আহিছে। ফলত ক্ৰমাৎয়ে ভোটাৰসকলে একে ধৰ্মীয় লোকক সমৰ্থন কৰিহে ভোট দিবলৈ ভাল পোৱা হল। অৰ্থাৎ গণতন্ত্ৰৰ প্ৰাথমিক স্তৰতে জন-সাধাৰণক ধৰ্মৰ ভিত্তিত বিভক্ত কৰা হল।

একে ধৰ্মীয় প্ৰাৰ্থীক ভোট দিয়াৰ মানসিকতা গঢ়ি উঠিলেও সেই ধৰ্মৰ সকলো লোকেই যে ই-কংগ্ৰেছক ভোট দিব, সেই আশা তেওঁলোকেও কৰা নাই। সেয়েহে একোটা ধৰ্মৰ আন সম্প্ৰদায়বোৰৰ মাজত বিভেদৰ সৃষ্টি কৰি "ই-কংগ্ৰেছ দলেহে তেওঁলোকৰ হিতাকাংক্ষী"—এনে এক প্ৰচাৰৰ জৰিয়তে মুনাফা আদায় কৰিছে। এই সম্পৰ্কে শিক্ষাবিদ Ramashary Ray-এ কয়: "Congressmen constantly refer to caste as an essential component in recommending selection of candidates. ...The frequency of reference to the caste composition of constituencies and to the desirability of giving representation to dominant castes and communal groups leave no doubt concerning the relevance of caste and communal considerations in the selection of candidates.

১৯৮৩ চনৰ নিৰ্বাচন ঢৌৰ প্ৰভাৱত আৰু এনে বিভাজনৰ ফলত ই-কংগ্ৰেছে অসমত এক বিশেষ ধৰ্মীয় আৰু এক বিশেষ ভাষা-ভাষী লোকৰ পৰা ব্লকভোট পাব বুলি আশা কৰিছে।

জন গাঁথনিৰ ফালৰপৰা অসম ভাৰতৰ ক্ষুদ্ৰ সংস্কৰণ বুলি আমি কৈ আহিছোঁ। এই গাঁথনি বিস্তৃত। যোৱা নিৰ্বাচনটোৰে এই জন গাঁথনিক অতি স্পৰ্শকাতৰ কৰি তুলিলে। পৰবৰ্তী নিৰ্বাচন যুদ্ধত ই বহুবছৰলৈকে থাকি যোৱা প্ৰভাৱ পেলাব পাৰে। শাসক দলৰ সেই কৌশল নতুন নাছিল। অসমতহে হৈ যোৱা নিৰ্বাচনটোত ইয়াৰ ব্যাপকতা ঘটোৱা হয়। ১৯৭১ চনৰ তামিলনাডুৰ চিংনালুৰ সমষ্টিৰ এটা ঘটনাৰ বৰ্ণনা এনে ধৰণৰ:

নিৰ্বাচনৰ আগবাতি বিত্তবান প্ৰতিদ্বন্দ্বী এজনে ভোটবোৰ কিনি পেলাব বুলি ভয় কৰা হৈছিল। ...মানুহবোৰক নিৰ্বাচনৰ আগবাতি ভোজ খুউৱাটোৱেই তেওঁলোকৰ ভোটবিলাক নিজৰ দখললৈ অনাৰ একমাত্ৰ উপায় বুলি ভৱা হৈছিল। ইমানবোৰ মানুহক খুৱাব লাগিব, ...নিশ্চয় বৰ ব্যয়বহুল কাৰবাৰ! প্ৰায় দোকমোকালি পৰলৈকে ভোজ চলিল; আৰু তাৰ পাছত মানুহবোৰক ভোটগ্ৰহণ কেন্দ্ৰলৈ নি শাৰী পাতি থিয় কৰাই দিয়া হ'ল।

[ই. আৰ. ৰামাস্বামী]

অসমৰ ন-অসমীয়া মুছলমান, নেপালী আৰু চাহবনুৱা সকলৰপৰা ই-কংগ্ৰেছদলে পুনৰ নিজ কৌশলেৰে ভোট লাভ কৰাৰ কথা পাতিছে। এই লোকসকলৰ মাজত ৰাজনৈতিক দুটামান দলৰ প্ৰৰোচনাত ভুল বুজাবুজিৰ সৃষ্টি হয়; ঠায়ে ঠায়ে অশান্তিও হয়। আঠটা বিধান সভা সমষ্টিত (সমষ্টি নং ৭০, ৯৪, ১০১, ১০৬, ১১৫, ১১৭ ১২৩, ১২৫) চাহ শ্ৰমিক সকলৰ ভোটে প্ৰত্যক্ষ প্ৰভাৱ পেলায়, আৰু ১২-১৫টা সমষ্টিত চাহবনুৱাসকলৰ ভোটে ১৫-২০ শতাংশ প্ৰভাৱ পেলায়। এওঁলোকক প্ৰচাৰ পত্ৰ বা বাতৰি কাকতৰ খবৰতকৈ লগতে থকা কৰ্মীয়েহে (দলৰ) বেছিকৈ প্ৰভাৱিত কৰিব পাৰে। এনে কৰ্মীৰ অভাৱ আঞ্চলিক দলত বাৰুকৈয়ে আছে।


কাৰবি আংলং আৰু উত্তৰ কাছাৰৰ সমষ্টি কেইটা (বিধান সভাৰ ৫ টা; সমষ্টি নং ১৭, ১৮, ১৯, ২০, আৰু ১৬; সংসদীয় সমষ্টি এটা) জনজাতীয় সকলৰ বাবে সংৰক্ষিত। ইয়াৰপৰা নিৰ্বাচিত প্ৰতিনিধিসকলৰ পূৰ্বৰ গতিবিধি লক্ষ্য কৰিলে দেখা যায় যে দিশপুৰত যি দলেই শাসনৰ গাদী লাভ কৰে সেই দলকেই এওঁলোকে সমৰ্থন কৰে। বাকী থকা ১২১ টা সমষ্টিৰ ভিতৰত কাছাৰ জিলাত বিধান সভা সমষ্টিৰ আসন হ'ল ১৫ খন (সমষ্টি নং ১-১৫; দুটা সংসদীয় সমষ্টি) এই কেইখন আসন আঞ্চলিক দলে লাভ কৰিব বুলি আমি নাভাবোঁ। বাকী থাকিল ব্ৰহ্মপুত্ৰ উপত্যকাৰ মুঠ ১০৬ খন আসন। ইয়াৰে ১২ টা সমষ্টি (নং ২৯, ৩০, ৩১, ৩৬, ৬২, ৬৩, ৬৯, ৭৯, ৯৯, ১১২, ১১৩, ১১৪) অনুসূচিত জনজাতি (S. T.) সকলৰ বাবে সংৰক্ষিত। ৩০, ৩১, আৰু ৬৯ নম্বৰ সমষ্টি পি. টি. ছিৰ কবলত ('৭৮ চনৰ নিৰ্বাচনৰ মতে)। এই দলৰ লগত নিৰ্বাচনী যুদ্ধত অৱতীৰ্ণ হোৱাতকৈ নিৰ্বাচনী বুজাবুজিলৈ অহাহে আঞ্চলিক দলৰ বাবে সহায়ক হ'ব। ৭২ নম্বৰ সমষ্টিও পি, টি, ছিৰ হস্তগত। '৭৮ চনৰ নিৰ্বাচনত পি. টি. ছিয়ে লাভ কৰা ৪খন আসন পুনৰ তেওঁলোকে পাব বুলি ধাৰণা কৰিলে— বাকী থাকিব ১০২খন আসন। অনুসূচিত জাতিৰ প্ৰাৰ্থীৰ বাবে ইয়াৰে পাঁচটা সমষ্টি সংৰক্ষিত (সমষ্টি নং ৩৫, ৪৮, ৬৭, ৮২, ৯৭)। মোটামুটিভাৱে এই ১০২খন আসনত আঞ্চলিক দলে প্ৰাৰ্থী থিয় কৰোৱাৰ আশা কৰিব পাৰে। কিন্তু এই সমষ্টি কেইটাৰ ভোটাৰসকলৰ মতদানৰ ধৰণ কেনেকুৱা তাৰ আভাস পাবৰ বাবে ১৯৭২ আৰু ১৯৭৮ চনৰ নিৰ্বাচনী ফলাফল লক্ষ্য কৰাটো প্ৰয়োজনীয়। (তালিকা ১ আৰু ২)

১৯৭২ চনৰ নিৰ্বাচনত শাসক দল ভাৰতীয় জাতীয় কংগ্ৰেছে ৯৫খন আসন লাভ কৰে ৫৩·১৯ শতাংশ ভোট পাই; আৰু বিৰোধী দল কেইটাই মুঠতে লাভ কৰে ৪৬·৮১% ভোট। '৭৮ চনত ভাৰতবৰ্ষত জনতা চৰকাৰৰ জয়-জয়-ময়-ময় অৱস্থা থকা সময়তো অসমত মাত্ৰ ২৭·৫৬% ভোট পাই সেইদলে ৫৩ খন আসন লাভ কৰে। দ্বিতীয় স্থান লাভ কৰে নিৰ্দলীয় প্ৰাৰ্থীসকলে ১৫·৬২% ভোট পাই। কমিউনিষ্ট গোষ্ঠীৰ দলকেইটাই '৭২ চনৰ ৩খন আসনৰ পৰা '৭৮ চনত (১১+৫+৪) বিছখন আসন লাভ কৰাটো মন কৰিবলগীয়া। দলকেইটাই ভোট পায় ১১·১২%। '৭২ চনত একক সংখ্যা গৰিষ্ঠতা লাভ কৰা ভাৰতীয় জাতীয় কংগ্ৰেছ দলৰ বিপক্ষে '৭৮ চনত ৭৬·৩১ শতাংশ ভোটাৰে ৰায় দিয়াত বুজা যায় যে জনসাধাৰণে পৰিবৰ্তন বিচাৰে; কিন্তু চকুত লগাকৈ নিৰ্দলীয়সকলে ইয়াৰে ২৫·৬২% ভোট লাভ কৰাৰ পৰা বুজা যায় যে জনসাধাৰণে প্ৰাৰ্থীৰ দক্ষতাৰ ওপৰতো চকু ৰাখে। উদাহৰণ স্বৰূপে '৭৮ চনৰ বিধান সভা নিৰ্বাচনত ৮৯ নম্বৰ সমষ্টিৰ ভোটদাতা সকলৰ মতামত লক্ষ্য কৰক:

| | |
|---|---|
| সৰ্বমুঠ ভোট | ৫২,০৯৪ |
| ভোট দান কৰে | ৩৭,০৩০ জনে |
| শুদ্ধ ভোট | ৩৫,৫৬৬ |
| বাতিল হোৱা ভোট | ১,৪৬৪ |

| প্ৰাৰ্থী | লাভ কৰা ভোটৰ সংখ্যা |
|---|---|
| শ্ৰীঅতুল চন্দ্ৰ গোস্বামী (নিৰ্দলীয়) | ১৯,৭২৯ (নিৰ্বাচিত) |
| " গোলাপ চন্দ্ৰ বৰুৱা (কং) | ৭,৩৮৭ |
| " গৌৰী খাউণ্ড (জনতা) | ২,৯৭৯ |
| " বলোৰাম (নিৰ্দলীয়) | ৩,১০১ |
| " দেবেন্দ্ৰ তেৰাং (") | ১,৪৯৮ |
| " ৰূপৰাম বৰা (আৰ. ছি. পি. আই) | ৮৭২ |

ভাৰতীয় নিৰ্বাচন পদ্ধতিত ই-কংগ্ৰেছক জয়লাভ কৰাত বিশেষভাৱে সহায় কৰিব একাধিক বিৰোধী দলৰ প্ৰাৰ্থীৰ প্ৰতিদ্বন্দ্বিতাই। ইয়াত বিৰোধী দল সৃষ্টিৰ কোনো আইনসংগত ব্যৱস্থা নাই। কোনো এজনে কেইজনমান সমৰ্থক গোটাই লৈয়েই একোটা ৰাজনৈতিক দলৰ সৃষ্টি কৰিব পাৰে। বিশ্বৰ আন কেইখনমান দেশৰ দৰে সীমিত ৰাজনৈতিক দলৰ ব্যৱস্থা, সমৰ্থক সদস্যৰ পঞ্জিয়ন, দলৰ আয়-ব্যয়ৰ হিচাপ-দলিল আদিৰ ব্যৱস্থা আমাৰ দেশত নাই। ফলত কোনো এটা সমষ্টিত জয় লাভ কৰা প্ৰাৰ্থীজনৰ বিপৰীতে প্ৰতিদ্বন্দ্বিতা কৰাসকলে মুঠতে চকুত লগাকৈ অধিক ভোট পালেও বিভাজনৰ ফলত তেওঁলোকৰ কোনো নিৰ্বাচিত হ'ব নোৱাৰে। শাসক দলে ইয়াৰ পূৰ্ণ সুবিধা লাভ কৰি


জনগাথনিৰ ভিত্তিত অসম বিধান সভাৰ ১২৬
সমষ্টি কেনেদৰে গঠন কৰা হৈছে লক্ষ্য কৰক
চাহ বাগিছাৰ বনুৱাৰ ভোটে প্ৰাৰ্থীৰ জয়লাভত প্ৰত্যক্ষভাৱে প্ৰভাৱ পেলায়।
অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত সমষ্টি।
কমিউনিষ্ট গোষ্ঠীৰ দলৰ অধিক প্ৰভাৱ থকা সমষ্টি
অনুসূচীত জাতিৰ বাবে সংৰক্ষিত সমষ্টি।
প্ৰাৰ্থীৰ জয়লাভত মুছলমান ভোটাৰে প্ৰত্যক্ষ প্ৰভাৱ পেলায়।
মিশ্ৰিত জনগাথনিৰ ভিত্তিত গঠিত সমষ্টি।
প্ৰতিটো সমষ্টিৰ নাম, ভোটাৰৰ সংখ্যা আৰু এই ভোট কিমানজনকৈ প্ৰাৰ্থীৰ মাজত ভাগ হয় সেই তথ্য মূল প্ৰবন্ধৰ লগত থকা তালিকাত চাওক।
উত্তৰ
পশ্চিম
পূব
দক্ষিণ

আহিছে। এই ভোট বিভাজনৰ কাৰণে সময়ে সময়ে শাসক দলেও নিজৰ সমষ্টিতে অধিক প্ৰাৰ্থীক প্ৰতিদ্বন্দ্বিতা কৰোৱাৰ উদাহৰণ পোৱা যায়। অধিক প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰাৰ ফলত কি হয় জানিবৰ বাবে দুটা সমষ্টিৰ উদাহৰণ দাঙি ধৰিলোঁ।

সমষ্টি নং ২৮, গোঁসাইগাওঁ ('৭৮ চনৰ বিধান সভাৰ নিৰ্বাচন)

| | |
|---|---|
| মুঠ ভোটাৰ | ৫৮,১৬২ |
| ভোট দান কৰে | ৪৩,৫৯৭ জনে |
| শুদ্ধ ভোট | ৪১,৩৯০ |
| বাতিল হোৱা ভোট | ২,২০৭ |

| প্ৰাৰ্থী | ভোট লাভ কৰে |
|---|---|
| ফিলিপ হাছদা (ফ. ব.) | ২,৩৩৪ |
| মিথিয়াছ টুডু (কং) | ১৪,৫৬২ (নিৰ্বাচিত) |
| নুৰবক্স শেখ (ই-কং) | ৪,৪১৭ |
| কুশল বাৰলা (আৰ. এছ. পি.) | ২,৬১৩ |
| জিতেন্দ্ৰ বসুমতাৰী (নিৰ্দলীয়) | ২,১৯০ |
| নীলকমল ৰয় " | ৪,৮৫৫ |
| মিথিয়াছ মাৰান্দী (জনতা) | ৯,৩৭১ |
| ৰাজেন্দ্ৰ ইছলাৰি (নিৰ্দলীয়) | ৫১৯ |
| চুফল কিছকু (নৰ্দলীয়) | ৫১৯ |

এই সমষ্টিৰ নিৰ্বাচিত প্ৰাৰ্থীজনে পোৱা ১৪,৫৬২টা ভোটৰ বিপৰীতে প্ৰতিদ্বন্দ্বী বাকী ৮জন প্ৰাৰ্থীয়ে মুঠতে পায়—২৬,৮২৮টা ভোট। ইয়াত ই-কংগ্ৰেছ দলৰ প্ৰাৰ্থীজনে পোৱা ভোট (৪,৪১৭) খিনি বাদ দিলেও বাকী সাত জন প্ৰাৰ্থীৰ ভিতৰত মাত্ৰ এজন প্ৰতিদ্বন্দ্বিতা কৰা হ'লে তেওঁ জয় লাভ কৰিলেহেঁতেন।

**সমষ্টি নং ১১৫, মৰাণ**

| | |
|---|---|
| মুঠ ভোটাৰ | ৬০,৫৮৫ |
| ভোট দান কৰে | ৩৮,২৯৯জনে |
| শুদ্ধ ভোট | ৩৬,৭২২ |
| বাতিল হোৱা ভোট | ১,৫৭৭ |

| প্ৰাৰ্থী | ভোট লাভ কৰে |
|---|---|
| কুল বৰা (নিৰ্দ.) | ৭৭৫ |
| খনিন্দ্ৰ বৰুৱা (") | ২,৯০৬ |
| জয়চন্দ্ৰ নাগবংশী (ই-কং) | ১০,৭৭৮ (নিৰ্বাচিত) |
| তৰুণ গগৈ (নিৰ্দ) | ৩১১ |
| তৰুণ চুতীয়া (কং) | ৫,৮৯৭ |
| থানেশ্বৰ কোঁৱৰ (নিৰ্দ.) | ১,১৮০ |
| দয়ানন্দ বৰগোহাই (জনতা) | ৭,৭২৬ |
| পদ্ম বিকাশ বৰগোহাঁই (নিৰ্দ.) | ৩০৮ |
| মদন বৰুৱা (নিৰ্দ.) | ৬,৪১০ |
| সুৰথ চন্দ্ৰ শৰ্মা (নিৰ্দ.) | ৩৩১ |

—এই সমষ্টিত নিৰ্বাচিত হোৱা ই-কংগ্ৰেছ দলৰ প্ৰাৰ্থীজনৰ আন ৯ জন প্ৰাৰ্থীয়ে মুঠতে পায় ২৫,৯৪৪ টা ভোট। ইয়াৰে ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থীজনৰ ৫,৮৯৭ টা ভোট বাদদিলেও, বাকীসকলৰ ভিতৰত (৮ জনৰ) এজন প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰা হলে হয়তো তেওঁৰ জয় নিশ্চিত হ'লহেঁতেন।

বিগত নিৰ্বাচনসমূহ লক্ষ্য কৰিলে দেখা যায় যে প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীৰ সংখ্যা একোটা সমষ্টিত ৪ জনৰ পৰা ১৮ জনৰ ভিতৰত। আগন্তুক নিৰ্বাচনত এই কেইটা দলৰ প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিব বুলি অনুমান কৰিব পাৰি: ভাৰতীয় জাতীয় কংগ্ৰেছ (ই), ভাৰতীয় জাতীয় কংগ্ৰেছ (এছ), ভাৰতীয় জনতা পাৰ্টি, লোকদল, জনতা, ছি. পি. আই, ছি. পি. এম (এল), ছি. পি. আই (এম), এ. আই. ছি. পি. পি. টি. ছি. এ, পি. টি. ছি, অসম জনতা, সঞ্জয় বিচাৰ মঞ্চ, পূৰ্বাঞ্চলীয় লোক পৰিষদ, অসম জাতীয়তাবাদী দল। ইয়াৰ বাহিৰে থাকিব নিৰ্দলীয় প্ৰাৰ্থী আৰু অন্য হবলগীয়া দলসমূহ।

একোটা সমষ্টিত যদি পূৰ্বৰ দৰেই বহুতো প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰে, তেনেহ'লে আমি দেখুউৱাৰ দৰেই শাসকদলৰ বাবেহে জয়লাভৰ সহায়ক হ'ব। অসমৰ এটা মাত্ৰ শক্তিশালী আঞ্চলিক দলে মত আৰু কাৰ্যসূচীৰ মিল থকা আনকেইটা দলৰ লগত নিৰ্বাচনী বুজা-বুজিলৈ আহি শাসক দলৰ বিপক্ষে এজন প্ৰাৰ্থী থিয় কৰাব পাৰিলে— সেই দল জয়ী হ'ব পাৰিব বুলি আশা কৰো। এনে হ'লে শাসনৰ ক্ষমতা লাভ কৰিবও পাৰিব। অন্যথা ৫-১৫ টা সমষ্টিত জয় লাভ কৰি বিৰোধী দলৰ সংখ্যা বৃদ্ধি কৰিব বুলিহে অনুমান কৰোঁ। ৰাষ্ট্ৰীয় দলক সংসদীয় আসন কেইখন এৰি দি বিধান সভাৰ আসন আঞ্চলিক দলে ল'ব—এনে এক বুজা-বুজিও হব পাৰে।

অসমৰ ৰাজনৈতিক, আৰ্থ-সামাজিক আৰু সাংস্কৃতিক উন্নতিৰ লগত জড়িত এই বিষয়বোৰ শ্ল'গানৰ ৰূপত নিৰ্বাচনত এৰি দিলেই নহ'ব। সচেতন নাগৰিকসকলে এখন বাস্তৱত ৰূপ দিব পৰা আঁচনি বিচাৰে। অসমত প্ৰায় ২৫ লাখ নিবনুৱা যুৱক-যুৱতী আছে। এখন বাস্তৱধৰ্মী নিয়োগ আঁচনি আঞ্চলিক দলে দাঙি ধৰিব পাৰিলে নিৰ্বাচনৰ বাবে এওঁলোকেই হৈ পৰিব একো একোজন সৈনিক স্বৰূপ।

একোটা সমষ্টিত প্ৰাৰ্থী মনোনীত কৰোঁতে সমষ্টিটোত থকা তেওঁৰ প্ৰভাৱ তেওঁৰ কৰ্মপটুতা, তেওঁ আদৰ্শবান হয় নে নহয়—এইবোৰ কথা লক্ষ্য কৰিব লাগিব। ভাৰতৰ অন্যতম শক্তিশালী আঞ্চলিক দল—তেলুগু দেশমৰ বৃহৎ সংখ্যক সদস্য আদৰ্শবান হোৱা বাবেই এন. টি. ৰামা ৰাৱে ক্ষমতাচ্যুত হৈয়ো পুনৰ ক্ষমতালৈ উভতি আহিব পাৰিলে। সংখ্যাত তাকৰ হ'লেও ক্ষমতা লুভীয়া আদৰ্শচ্যুত কিছু সংখ্যাই ৰাষ্ট্ৰীয় দলৰ ফান্দত ভৰি দি সাময়িক ভাৱে হ'লেও—তেলুগু দেশমক এবাৰ ঠেকেচি গ'ল। এনে লোক বাচি উলিউৱাৰ দায়িত্ব আঞ্চলিক দলৰ নেতৃবৃন্দই ল'ব লাগিব।

নিঃশেষিত প্ৰায়
হীৰেন ভট্টাচাৰ্যৰ
নিৰ্বাচিত কবিতা
সুগন্ধি পাখিলা
প্ৰকাশিকা, পাণবজাৰ, গুৱাহাটী



# নুমলীগড়
## ভাস্কৰ্য-সংস্কৃতিৰ ধ্বংসস্তূপ

পূৰ্ণ বৰা

গোলাঘাট মহকুমাৰ পশ্চিম সীমাত ব্ৰহ্মপুত্ৰৰ এখন প্ৰধান উপনদী ধনশিৰি। এই নদীৰ পাৰতেই কছাৰী জাতিৰ সভ্যতা-সংস্কৃতিৰ বিকাশ ঘটিছিল। বুৰঞ্জীয়ে এই নদীৰ পাৰৰ কাহিনী সম্পূৰ্ণকৈ নকলেও ইয়াৰ অলিখিত কাহিনী মানুহৰ মুখে মুখে বাগৰি আহিছে। এই জনশ্ৰুতিবোৰ, প্ৰামাণ্য গ্ৰন্থ আৰু স্থানীয় সদাশয় ব্যক্তিসকলৰ পৰা সংগ্ৰহ কৰা তথ্যৰ ভিত্তিত আমি এই নিবন্ধটো যুগুত কৰিছোঁ।

নুমলীগড় অঞ্চলটো প্ৰাচীন স্মৃতি-চিহ্নৰে ভৰপূৰ। ইয়াত বিভিন্ন প্ৰকাৰৰ প্ৰাচীন গড়, পুখুৰী, মৈদাম, থান, শিলত কটা ভাস্কৰ্য আদি দেখিবলৈ পোৱা যায়।



নুমলীগড় খহাই তাৰ ওপৰত চাহ-মিঠাই, ফাৰ্নিচাৰ আদিৰ দোকান বহুউৱা হৈছে। ওচৰতে অৰণ্যে "বুৰঞ্জীপ্ৰসিদ্ধ নুমলীগড়" বুলি লিখা ছাইনব'ৰ্ড এখন আছে·

### বুৰঞ্জীপ্ৰসিদ্ধ নুমলীগড়

বৰ্তমান যোৰহাট জিলাৰ গোলাঘাট মহকুমাৰ পশ্চিমত, যোৰহাটৰ পৰা আহিলে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ ধনশিৰি নদীৰ দলং পাৰ হলে এটা গড় দেখা যায়। এই গড়টো ৰাষ্ট্ৰীয় পথৰ সমান্তৰালভাৱে প্ৰায় ৪ কিল'মিটাৰ গৈছে। বৰ্তমান যি কেইটা অংশত গড়টো ক্ষতিগ্ৰস্ত হোৱা নাই সেই ঠাইত ৰাষ্ট্ৰীয় পথৰ পৰা উচ্চতা ১০-১২ মিটাৰ আৰু বহল ৯·১০ মিটাৰ। গড়টোৰ ওপৰ ভাগত আধা অংশ মাটি; সোঁমাজৰ চাৰি ভাগৰ এভাগ ইটাৰে গথা। ইটাৰ জোখ ২৩×১৪×২·৫ ছে. মি.। তলৰ অংশ মাটি। গড়টোৰ বেৰ মুঠ ৪০ মিটাৰ। এই গড়টোৰ চাৰিওফালে সৰু-ডাঙৰ কোঠালি কোঠালি গড় দেখা যায়।

দ মাটি বাম কৰিবলৈ আজিও নুমলীগড় কাটি মাটি কঢ়িউৱা হয়। নুমলীগড়টোৰ মাজভাগৰ ইটা থকা অংশ




এই গড় পদ্মনাথ গোহাঞিবৰুৱাৰ মতে আহোম স্বৰ্গদেউ প্ৰতাপ সিংহই মৰাইছিল। নুমলী কুঁৱৰীৰ নাম অনুসৰি এই গড়টোৰ নাম নুমলীগড় হৈছে।

নুমলী কুঁৱৰীৰ বিষয়ে বহু জনশ্ৰুতি প্ৰচলিত। বুৰঞ্জীত নুমলী কুঁৱৰীৰ বিষয়ে বিশদ বিৱৰণ পোৱা নাযায়। এটা প্ৰবাদ মতে কছাৰী ৰজা নুমলীয়া কোঁৱৰে এই অঞ্চলত ৰাজত্ব কৰিছিল। কিছুবছৰ শাসন কৰাৰ পাছত ৰজা অসুখ হৈ ঢুকাল। ৰজাৰ কুঁৱৰীয়ে এই বাতৰিটো গোপনে ৰাখি নিজেই শাসন কাৰ্য চলাই আছিল। কিছুদিনৰ পাছত ৰজাৰ মৃত্যু হোৱা বাতৰিটো প্ৰজাৰ মাজত প্ৰচাৰ হ'ল। প্ৰজাসকলে কথাটো গোপন কৰাৰ বাবে কুঁৱৰীক তাৰ কৈফিয়ৎ বিচাৰিলে। কুঁৱৰীয়ে উপায়বিহীন হৈ প্ৰজাক একো উত্তৰ নিদি বৌদোৱাৰ বিলত জাপ দি আত্মহত্যা কৰিলে।

আন এটা প্ৰবাদৰ মতে ব্ৰহ্মদেশৰ মানবিলাকে বাৰে-বাৰে মণিপুৰ ৰাজ্য আক্ৰমণ কৰিছিল। মণিপুৰৰ ৰজাই মানৰ লগত বণ দি ভাগৰি পৰি ক্ষমতাশালী আহোম ৰজাৰ সহায় বিচাৰিলে। আহোম ৰজাৰ সহায়ত

মণিপুৰৰ ৰজা মানৰ লগত যুঁজ কৰি জয়ী হ'ল। মণিপুৰৰ ৰজাই আহোম ৰজাৰ লগত বৈবাহিক সম্পৰ্ক স্থাপন কৰিবলৈ ৰজাৰ তিনিগৰাকী সুন্দৰী যুৱতী সুমলী, কুমলী আৰু নুমলীক আহোম স্বৰ্গদেৱলৈ উপহাৰ হিচাপে লগত বিষয়া আৰু ডাঙৰীয়া দি পঠালে। কুঁৱৰী তিনিগৰাকী আহি থাকোঁতে বাটত ভাগৰ লগাত কছাৰী ৰজা ডেৰচুংফাইৰ ঘৰত এৰাতি আলহী হিচাপে আছিল। কছাৰী ৰজাই সুন্দৰী কুঁৱৰী তিনিগৰাকীৰ ৰূপত মোহ গৈ তেওঁলোকক নিজৰ কৰি ৰাখিবলৈ বিচাৰিলে। কুঁৱৰী নুমলীয়ে কিন্তু ৰজাৰ পাণিগ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰিলে। ৰজাই কুঁৱৰীৰ কথা নাৰাখিলে। নুমলী কুঁৱৰীয়ে সতীত্ব ৰক্ষাৰ কাৰণে বৌদোৰাৰ বিলত জাপ দি আত্মহত্যা কৰিলে।

আন এটা প্ৰবাদ মতে চুপিমফা ৰজাই তেওঁৰ কন্যাক খুনবাও নামে নগা যুৱক এজনৰ লগত গুপ্ত প্ৰণয়ত জড়িত বুলি জানি বিয়া দিলে। তেওঁলোকক সেই অঞ্চলত খাত-পাম দি ৰজা ডিমাপুৰলৈ গুছি গ'ল। নগা যুৱকজন আৰু কুঁৱৰীয়ে শাসন কাৰ্য চলাবলৈ ললে। তেওঁলোকে এটা গড় মৰাইছিল। এই গড়টোৰেই নুমলীগড় নামে খ্যাত হ'ল।



নুমলীগড়ৰ বাবাথান


আন এটা প্ৰবাদ মতে ষোড়শ শতিকাৰ আদিতে মকঙৰ ওচৰত ডেটচুং নামে কছাৰী ৰজা এজনে ৰাজত্ব কৰিছিল। মকং নদীখন লৈ কছাৰী ৰজা আৰু আহোম ৰজা স্বৰ্গ নাৰায়ণৰ মাজত বিবাদ লাগে। এই বিবাদ শেষত গৈ দুয়োখন ৰাজ্যৰ মাজৰ ৰণত পৰিণত হয়। ৰণত কছাৰী ৰজাৰ পৰাজয় হয়। আহোম ৰজাই কছাৰী ৰজাৰ কুঁৱৰী নুমলীক বলপূৰ্বকভাৱে নিজৰ লগত ৰাখে। নুমলী কুঁৱৰীৰ লগত ধনশিৰিৰ পাৰত ছমাহ কটাই নুমলীক সেই ঠাইৰ অধিকাৰী পাতি আহোম স্বৰ্গদেউ গড়গাঁৱলৈ উভতি আহে। নুমলী কুঁৱৰীয়ে এটা গড় মৰাইছিল। তেওঁৰ নামেই গড়টো পৰিচিত হ'ল।

আন এটা জনশ্ৰুতি মতে কছাৰী ৰজাৰ আগছোৱাত সতি-সন্তান নাছিল, কিন্তু বৃদ্ধ বয়সত তেওঁ এটি কন্যা সন্তানৰ পিতৃ হয়। ৰজাই ৰাজকুমাৰীগৰাকীৰ নাম ৰাখে নুমলী কুঁৱৰী। ৰজাৰ মৃত্যুৰ পাছত নুমলী কুঁৱৰীয়ে ৰজা হৈ ৰাজকাৰ্য চলায়। সেই সময়ত লখৌত থকা আহোম পৰিয়ালৰ সুন্দৰ যুৱক এজনৰ লগত নুমলী কুঁৱৰী গুপ্ত প্ৰণয়ত আসক্ত হয়। নুমলী কুঁৱৰী অন্তঃসত্বা হয়। কুঁৱৰীয়ে অপবাদৰ পৰা হাত সাৰিবলৈ বৌদোৰাৰ বিলত জাপ দি আত্মহত্যা কৰিলে।

এইদৰে নুমলী গড়টোৰ বিষয়ে বহু জন-প্ৰবাদ শুনা যায়। প্ৰায়বোৰ জন-প্ৰবাদেই সংগতিহীন। জন-প্ৰবাদকেইটাত নুমলী কুঁৱৰী, কছাৰী ৰজা, বৌদোৰাৰ বিলত আত্মহত্যা এই কেইটা কথাৰ মিল আছে। অৱশ্যে এই অঞ্চলত যে কছাৰী ৰজাৰ ৰাজধানী বা ৰাজত্ব আছিল তাত সন্দেহ নাই।

বৰ্তমান নুমলী গড়টোৰ অধিক অংশই ধ্বংস কৰা হৈছে। ৩৭ নম্বৰ ৰাষ্ট্ৰীয় পথৰ ধনশিৰি দলংখন পুনৰ নিৰ্মাণ কৰিবলগীয়া হোৱাত ১৯৬০

দেওপাহাৰৰ ওপৰত এনেহেন সুন্দৰ ভাস্কৰ্যৰ সম্পদ আজি আমাৰ অকৰ্মণ্যতাৰ নিদৰ্শন হৈ পৰি আছে





চনত প্ৰায় ২০০ মিটাৰ (আলিবাট নিৰ্মাণ কৰোঁতে) ধ্বংস হয়। দলঙৰ পশ্চিম দিশত যি অলপ অৱশিষ্ট আছিল সেই অংশত গড়টো কাটি চাহৰ দোকান, ফাৰ্নিচাৰৰ দোকান, পাণ দোকান আদি অনেক সৰু-ডাঙৰ অস্থায়ী দোকান দিয়া দেখা গৈছে। নুমলীগড় চাৰিআলিটো পাৰ হৈ পশ্চিম অংশত স্থায়ী-অস্থায়ী দোকান, মানুহৰ থকা ঘৰ, কেৰাছিন তেলৰ ডিপো আদি বহুৱাই গড়টো ধ্বংশ কৰা হ'ল। গড়টোৰ অধিকাংশ চাহ বাগিচা, আলিবাট, থকাঘৰ, দোকান আদি নিৰ্মাণ কৰি শেষ কৰা হ'ল। বৰ্তমান যি কেইডোখৰ ঠাইত গড়টো অৱশিষ্ট আছে বা গড় বুলি চিহ্নিত কৰিব পাৰি সেই ঠাইবোৰত বন বিভাগে চগুণ, শিশুজাতীয় গছৰ পুলি ৰুই সাময়িকভাৱে হলেও একপ্ৰকাৰ সংৰক্ষণৰ ব্যৱস্থা কৰিছে। উল্লেখযোগ্য য বোকাখাত আঞ্চলিক মেডাম-মেফি উৎসৱত প্ৰাচীন ভাস্কৰ্য, গড়, মৈদাম, পুৰণি পুখুৰী আদি সংৰক্ষণ কৰিবলৈ এখন সমিতি গঠন কৰি বৰ্তমান জৰীপ কাৰ্য হাতত লোৱা দেখা গৈছে।

**ওচৰতে থকা আন কেইটামান গড়**

নুমলী গড়ৰ বাহিৰেও এই অঞ্চ. ত কেইবাটাও গড় আছে ; তাৰ ভিতৰত কালিয়নী গড়, ৰাজগড় আৰু খৌ গড়েই প্ৰধান।

**কালিয়নী গড়** : নুমলী গড়ৰ পৰা ক্ষিণে কানাই ঘাট পাৰ হৈ মিকিৰ াহাৰেৰে নামনিত মাটি আৰু ইটাৰে থা এটা গড় আছে। ই প্ৰায় ৪ কিল'মিটাৰ দীঘল হ'ব। ইয়াৰ ইটাৰ জোখ ৬ × ২০ × ৫ ছেণ্টিমিটাৰ। গড়ৰ কাষে াষে কেইটামান পাৰ নাইকিয়া পুখুৰী দখিবলৈ পোৱা যায়। হাবিৰ মাজত ায়ে ঠায়ে শিলত কটা কিছুমান াস্কৰ্য সিঁচৰতি হৈ আছে।

**ৰাজগড়** : বিহৰা বাগিচাৰ ১২নম্বৰ জহুৰ বস্তিৰ পৰা কুৰুৱাবাহীয়েদি খৌগড়ত এই গড়টোৰ সংযোগ হৈছে। এই গড়টো ৰাজগড় নামে জনাজাত। ই দীঘলে ৪ কিল'মিটাৰ হ'ব। ইয়াৰ ওচৰতে এটা মৈদাম আছে। এই গড়টো আহোম ৰজা প্ৰতাপ সিংহই কছাৰী ৰজা বা আন কোনো শত্ৰুৰ পৰা ৰক্ষা পাবলৈ নিৰ্মাণ কৰিছিল বুলি কোৱা হয়।

**লখৌগড়** : ১২ কিল'মিটাৰ দীঘল এই গড়টো কোনোবা এজন আহোম ৰজাই নিৰ্মাণ কৰাইছিল। ই ৰাজগড়ৰ ওচৰৰ পৰা ক্ৰমে দক্ষিণফালে গৈ, লখৌজান বাগিচালৈ যোৱা আলিবাটৰ সমান্তৰালভাৱে নাহৰজান বাগিচা পাৰ হৈ, শিলভেটা কাকচাং পাৰ হৈ মিকিৰ পাহাৰৰ (কাৰবি আংলং) সোমাইছে। আহোম ৰাজ্যৰ পশ্চিম সীমাটো



দেওপাহাৰৰ ওপৰত এনেকুৱা মনো মোহা মূৰ্তিবোৰ সিঁচৰতি হৈ পৰি আছে

এই গড়টোৰে ৰক্ষণাবেক্ষণ দিছিল। এই গড়টোও মাটি আৰু ইটাৰে বন্ধোৱা ; ঠায়ে ঠায়ে গড়টো ধ্বংস কৰা হৈছে। ধ্বংস কৰা কোনো কোনো ঠাইত ইটাৰ চিন পোৱা গৈছে।

১৬৬২ চনত মিৰজুমলাই গড়গাঁও আক্ৰমণ কৰিবলৈ আহি এই লখৌতে কোঠ পাতিছিলহি।

**গড় কেইটাৰ ওচৰৰ ঠাই-সমুহৰ বৈশিষ্ট্য**

**ৰজাবাৰী** : আহোম স্বৰ্গদেউ জয়ধ্বজ সিংহই ইয়াত এটা সৈন্য বাহিনীৰ কোঠ নিৰ্মাণ কৰাইছিল। আনহাতে মিৰজুমলাৰ সৈন্য বাহিনীয়েও ইয়াত চাউনি পাতি গড়গাঁও আক্ৰমণ কৰিবলৈ প্ৰস্তুতি চলাইছিল। বৰ্তমান ধনশিৰি ক্লাব (বাগিচাৰে) এই ঠাইতে নিৰ্মাণ কৰা হ'ল। ৰজাবাৰীৰ আশে-পাশে গড় আৰু পুখুৰী দেখিবলৈ পোৱা যায়।

**কুৰুৱাবাহী** : অসমৰ চাৰিসত্ৰৰ আদি সত্ৰ কুৰুৱাবাহী এই অঞ্চলতে অৱস্থিত। কুৰুৱা চৰায়ে বাঁহ লোৱা কাঠনি ভাঙি এই সত্ৰ প্ৰতিষ্ঠা কৰা কাৰণে এই সত্ৰৰ নাম কুৰুৱাবাহী হ'ল বুলি জনা যায়। ১৮ শতিকাতে প্ৰতিষ্ঠা হোৱা কুৰুৱাবাহী সত্ৰ মানৰ আক্ৰমণৰ সময়ত নগাঁৱৰ গেদাবৰীলৈ উঠি যায়। ভুধৰ গোস্বামীয়ে পুনৰ সত্ৰ প্ৰতিষ্ঠা কৰে।

**লখৌ** : ৰজাবাৰীৰ পৰা পশ্চিমত অৱস্থিত। সপ্তদশ শতিকাত ব্ৰহ্মপুত্ৰ আৰু দিহিঙৰ সংগমস্থান আছিল। ইয়াত এতিয়া লখৌজান নামৰ এখন বাগিচা আৰু বুৰঞ্জীবিখ্যাত লখৌগড়ৰ ভগ্নাংশ আছে। বৰ্তমান জনবসতি অঞ্চললৈ ৰূপান্তৰিত হৈছে।

**গড়মুৰ** : লখৌৰ পৰা পশ্চিমলৈ লখৌগড়ৰ মূৰতে থকা এইডোখৰ ঠাই।

**মৰিয়াহোলা** : বৰ্তমান ব্ৰহ্মপুত্ৰৰ বুকুত বিলীন হোৱাৰ উপক্ৰম হৈছে।

চুহুংমুং ৰজাৰ দিনত বন্দী হোৱা মৰিয়াসকলে ইয়াত বসতি কৰিছিল।

**খতিয়াখলি** : ৰজাবাৰীৰ ওচৰৰ অঞ্চলটোকে খতিয়াখলি বোলে। খতিয়া পহুৰ খলি কাৰণে ই খতিয়াখলি নামে খ্যাত হয়। ওচৰত কালিয়নী, বকীয়াল, দৈগ্ৰোং, মৰঙী আদি বুৰঞ্জীপ্ৰসিদ্ধ ঠাইসমূহ আছে।

**বৰ্তমান নুমলীগড়ৰ বাবাথান**

১৭৪৮ শক মানত কমাৰ গাঁৱৰ নাৰায়ণ কন্দলি ঠাকুৰ নামৰ এজন ব্ৰাহ্মণে নুমলীগড় বাগিচাৰ দক্ষিণ-পূবৰ সীমামূৰীয়া পাহাৰৰ নামনি অঞ্চলৰ সমভূমিত এটি শিৱ মন্দিৰ স্থাপন কৰে। কিছু বছৰ আগতে নুমলীগড় বাগিচাত দুৰ্গা পূজাৰ আগে আগে হাইজা বেমাৰ হৈ বহুত চাহ-শ্ৰমিকৰ মৃত্যু হৈছিল। বাগিচাৰ বনুৱাসকলে মহামাৰীৰ পৰা ৰক্ষা পাবলৈ প্ৰাৰ্থনা কৰি দুৰ্গা পূজাত শিৱমন্দিৰত ছাগলী বলি দিছিল। তেতিয়াৰ পৰা এই শিৱমন্দিৰত দুৰ্গা পূজাত বাগিচাৰ তৰফৰ পৰা বলি আৰু নৈবেদ্য আগবঢ়োৱা প্ৰথা পৰম্পৰাগতভাৱে চলি আহিছে। প্ৰথম অৱস্থাত এই শিৱমন্দিৰলৈ নুমলী গড় আৰু বিহুবা (মন্দিৰৰ ওচৰতে থকা) বাগিচা দুখনৰ চাহ-শ্ৰমিকসকলে ভোগ দিয়াৰ ব্যৱস্থা কৰিছিল। এতিয়া বিভিন্ন ঠাইৰ পৰা যোৱা লোক যিকোনো মাহতে দৈনিক ভোগ আদি দি আছে। বাৰ্ষিক বতৰতকৈ খৰালি মাহ কেইটাত জন-সমাগম বেছি হয়। বিশেষকৈ শিৱ চতুৰ্দশীৰ দিনা বছৰটোৰ ভিতৰতে যাত্ৰীৰ সমাবেশ আটাইতকৈ অধিক হয়। নুমলী গড়ত সেইদিনা এখন মেলা হয়। জনবিশ্বাস যে এই বাবাথানলৈ মনতে "টোপোলা" বান্ধি সময়ত ভোগ বা শৰাই দি আহিলে দিওঁতাৰ ৰোগ-ব্যাধি আঁতৰে, ধন-জন, সুখ-সমৃদ্ধি বাঢ়ে, মনোবাঞ্চা পূৰণ হয় ইত্যাদি। আজি কিছু বছৰ আগলৈকে শুনা গৈছিল,---শিৱৰাত্ৰিৰ আগদিনা ৰাতি বনৰীয়া হাতীয়ে হেনো একেলগে জাক পাতি আহি প্ৰতিটো হাতীয়ে এথোককৈ কল দি বাবাথানত পূজা দি গৈছিল।

এই বাবাথানৰ প্ৰতিষ্ঠা সম্পৰ্কে কিছু মতভেদ আছে। কিছুলোকে কয় যে দেও পাহাৰৰ ওপৰত থকা শিৱ মন্দিৰটো প্ৰাকৃতিক দুৰ্যোগত ভাগি যোৱাত পাহাৰৰ নামনি অঞ্চলত সমতল ভূমিত সেই মন্দিৰৰ পৰা শিৱলিংগ আনি বাবাথান প্ৰতিষ্ঠা কৰা হয়। বাবাথানৰ পূজাৰী দেবেন্দ্ৰ নাথ কন্দলি ঠাকুৰৰ মতে শিৱলিংগ পাহাৰৰ ওপৰৰ বা অন্য ঠাইৰ পৰা আনি স্থাপন কৰা হোৱা নাই; তেওঁৰ পূৰ্বপুৰুষ এগৰাকীয়ে সেই ঠাইতে সপোনত শিৱলিংগ পাইছিল আৰু মন্দিৰ প্ৰতিষ্ঠা কৰিছিল। বৰ্তমান মন্দিৰৰ কাষে কাষে যিমানবোৰ শিলৰ মূৰ্তি সজাই থোৱা আছে সেই মূৰ্তিবোৰ যে দেও পাহাৰৰ ওপৰৰ পৰা অনা তাত সন্দেহ নাই। শিৱ মন্দিৰত ছাগলী বলি দিয়া প্ৰথাটো আন ঠাইত আছেনে নাই নাজানো (সম্ভৱ নাই), কিন্তু ইয়াত আছে। ইয়াত কেনেকৈ এই প্ৰথা চলিল ? পণ্ডিতসকলে কয়, কছাৰীসকল শিৱৰ ভক্ত আছিল। আহোমসকল অহাত কছাৰী আৰু আহোম সংস্কৃতিৰ সংমিশ্ৰণত নুমলীগড় বাবাথানত ছাগলী বলি দিয়া প্ৰথাৰ প্ৰচলন হল।

**দেওপাহাৰৰ মূৰ্তিবোৰ অনাদৃত অৱস্থাত**

নুমলীগড় চাৰি আলিৰ পৰা চাৰি কিল'মিটাৰ দক্ষিণে মিকিৰ পাহাৰ (কাৰবি আংলঙৰ) ঠাল-ঠেঙুলিত দেওপাহাৰ। ৩৯ নম্বৰ ৰাষ্ট্ৰীয় পথৰ পৰা পাহাৰটোৰ ওপৰলৈ এক কিল'মিটাৰ উঠিলে শিলৰ মূৰ্তি কিছুমান অ'ত ত'ত সিঁচৰতি হৈ পৰি থকা দেখা যায়। দেও পাহাৰৰ ওপৰত অলপ সমতল ঠাইত বহুত মূৰ্তি (ওলাই থকা মূৰ্তিৰ সংখ্যা এহেজাৰৰ অধিক হ'ব) একে ঠাইতে ওপৰা-উপৰিকৈ পৰি আছে। মূৰ্তিবোৰৰ (সৰু, ডাঙৰ, দীঘল) কিছুমান মাটিত পৰি, কিছুমান থিয়হৈ আৰু কিছুমান আধা পোতা অৱস্থাত আছে। দক্ষিণফালে মূৰ্তিবোৰৰ ওপৰতে হেলনীয়াকৈ এচটা ঘূৰণীয়া (ব্যাস ৪·২৫ মিটাৰ আৰু বেৰ ২৪ ছেন্টিমিটাৰ) শিল পৰি আছে। শিল চটাৰ তলফাল খোদিত কৰা আছে। শিলচটা দেখিলে এখন চন্দ্ৰাতাপ যেন লাগে। এই শিলৰ মূৰ্তিবোৰ প্ৰাকৃতিক দুৰ্যোগত ভাগি পৰিল নেকি ? যদি ভাগি পৰিছে তেনেহলে মূৰ্তিবোৰৰ কিছু ক্ষয়ক্ষতি হ'লহেঁতেন। বিশেষকৈ ঘূৰণীয়া শিলচটা ভগাৰ সম্ভাৱনাই অধিক আছিল। কিছুলোকে কয় যে শিলৰ মূৰ্তিবোৰ মন্দিৰ নিৰ্মাণ কৰিবলৈ তৈয়াৰ কৰা হৈছিল। কিবা কাৰণত সেই ঠাইত মন্দিৰ সজা নহ'ল। অপ্ৰয়োজনীয় মূৰ্তিবোৰ তাতে এৰি ওচৰৰ আন এটা পাহাৰত মন্দিৰ তৈয়াৰ কৰা হ'ল। সেইখিনিৰ পৰা অলপ দূৰ পূবলৈ গলে আধা পোতা অৱস্থাত পাহৰটোৰ বহু ঠাইত শিলৰ মূৰ্তি কিছুমান সিঁচৰতি হৈ আছে।

**দেওপাহাৰত সিঁচৰতি হৈ পৰি থকা মূৰ্তি এহেজাৰতকৈও বেছি হ'ব অতি সূক্ষ্ম কাৰুকাৰ্যৰ ভাস্কৰ্য এনেদৰে অজ্ঞাতবাস কৰিবলগীয়া হোৱাটো আমাৰ শিক্ষিত সমাজৰ বাবে লাজৰ কথা। এনে ঘটনা এটা অচেতন জাতিৰহে প্ৰতীক**



দেওপাহাৰৰ আন এটা ঠেঙুলিত (পূব দিশত) পাহাৰটোলৈ উঠিবলৈ ইটাৰ খটখটি আছে। খটখটিটো অনেক সৰু-ডাঙৰ ইটাৰ সমষ্টি। ইয়াত শিলতকৈ ইটাৰ কাৰুকাৰ্য অধিক। জনবিশ্বাসত থকা এই মন্দিৰটো বৰ্তমান ভগ্নস্তূপত পৰিণত হৈছে। ইয়াৰ ওচৰতে শিলৰ এটা চকা আৰু এখন নাও আছে। শিলৰ চকাটো জয়ধ্বজৰ ৰথৰ চকা বুলি কোৱা হয়। পাহাৰটোত বছৰটোৰ সকলো মাহতে ফল লগা এজোপা বনৰীয়া আম গছ আৰু অনেক ফল-মূলৰ গছ আছে। বহুলোকে এই পাহাৰকেইটাক মূৰ্তি পাহাৰ, নক্সা পাহাৰ আদিও বোলে। কিছু লোকে ইয়াত জৰাসন্ধ ৰজাৰ ৰাজধানী আছিল বুলি কয়।

দেওপাহাৰৰ পৰা দক্ষিণ-পশ্চিমলৈ চাৰি কিল'মিটাৰ আঁতৰত ৰাংচালি নামে এখন নদী আছে; এই নদীৰ দুয়োপাৰে ভালেমান শিলত খাঁজকটা চেপেটা ইটা আছে। এই ইটাবিলাক অতি প্ৰাচীন।

দেওপাহাৰত থকা শিলৰ ভাস্কৰ্যসমূহৰ কথা কম-বেছি পৰিমাণে প্ৰচাৰ হৈছে; কিন্তু আমি উল্লেখ কৰা আন দুয়ো ঠাইৰ ভাস্কৰ্যখিনি এতিয়াও অজ্ঞাত অৱস্থাতে আছে। শিলত খোদিত মূৰ্তিবোৰৰ শৰীৰৰ অংগ, মুখ, নাক, কাণ আদি দেখিলে সেইবোৰ কিমান উচ্চ পৰ্যায়ৰ ভাস্কৰ্যৰ নিদৰ্শন সেই কথা সাধাৰণ ব্যক্তিসকলেও উপলব্ধি কৰিব পাৰিব। ভাস্কৰ্যবোৰ জীৱজন্তু, উদ্ভিদজাতীয় বস্তু আৰু ৰামায়ণ-মহাভাৰতৰ কাহিনীৰ চিত্ৰ হব পাৰে বুলি ভাবিবৰ স্থল আছে। এই ভাস্কৰ্যবোৰৰ টোকা কামৰূপ অনুসন্ধান সমিতিৰ তিনিমহীয়া ইংৰাজী জাৰ্নেলত (J. A. R. S. Vol II No 1 April 1934, p p 7-9) প্ৰকাশ পাইছিল। কিন্তু বৰ্তমানলৈকে এই ভাস্কৰ্যৰ ধ্বংসাৱশেষবোৰৰ সংৰক্ষণৰ একো ব্যৱস্থা লোৱা নহল। পুৰাতত্ত্বৰ বা অন্যান্য সংশ্লিষ্ট বিভাগে এইবোৰ উদ্ধাৰ কৰা হলে কিমান নতুন তথ্যৰ সন্ধেদ দিলেহেঁতেন সেই কথা অনুমানহে কৰিব পাৰি। সেয়েহে আমি অনুসন্ধিৎসু স্থাপত্য-ভাস্কৰ্যপ্ৰেমীসকলক এই শিল আৰু ইটাৰ সম্পদখিনি ধ্বংসৰ গৰাহৰ পৰা উদ্ধাৰ কৰি, সেইবোৰৰ বিষয়ে গৱেষণা কৰি, বুৰঞ্জী-সংস্কৃতিৰ নতুন অধ্যায় ৰচনা কৰিব বুলি আশা কৰিলোঁ।

[আলোকচিত্ৰসমূহ লেখকৰ পৰা পোৱা]




বাণী-অৰ্ঘ্য !

☐ অসমীয়া পকেট পুথি ☐

সৌন্দৰ্য চৰ্চা
শ্ৰীমতী বন্দনা বৰুৱা
বেচ : তিনি টকা

মাটিৰ চাকিৰ জুই
ড° নগেন শইকীয়া
বেচ : তিনি টকা

ভ্ৰষ্টলগ্ন
শ্ৰীনৰকান্ত বৰদলৈ
বেচ : তিনি টকা

বেথাৰতলি-মৃগথুনি অভিযাত্ৰীৰ কাহিনী
ৰোহিনীকুমাৰ ভূঞা
বেচ : তিনি টকা

চতুৰংগ
শ্ৰীহৰেন্দ্ৰ দেৱ গোস্বামী
বেচ : আঢ়ৈ টকা

পূৰ্বশ্ৰী থিয়েটাৰ
শ্ৰীঅনিল চন্দ্ৰ ঠাকুৰ
বেচ : আঢ়ৈ টকা

☐ নাটক ☐

বায়নৰ খোল
শ্ৰীযুগল দাস
বেচ : আঠ টকা

জন্ম-লগ্নৰ কথা
শ্ৰীগংগাপদ চৌধুৰী
বেচ : পাঁচ টকা

মহৰী
দুৰ্গাপ্ৰসাদ মজিন্দাৰ বৰুৱা
বেচ : আঢ়ৈ টকা

☐ আলোচনা ☐

চিন্তা-বিচিত্ৰা
শ্ৰীজিতেন্দ্ৰ নাথ দাস
ভূতপূৰ্ব আচাৰ্য, ডিব্ৰুগড় বিশ্ববিদ্যালয়
বেচ : ছয় টকা

বাণী প্ৰকাশৰ কিতাপ মাত্ৰেই শ্ৰেষ্ঠ লেখকৰ উৎকৃষ্ট গ্ৰন্থ।

দৈনন্দিন

# হুংকাৰ

নিৰোদ দত্ত

তাৰ আচল ঘৰ প্ৰকৃততে ক'ত আছিল মই ঠিক ক'ব নোৱাৰিম। কিন্তু সিযে ভাল সঁচৰ নহয় মই ন দি ক'ব পাৰোঁ। মাত্ৰ এবছৰৰ আগতে মোৰ ঘৰৰ সমুখতে আলিটোৰ সিপাৰে মুহিমৰ পৰা মাটি কিনি সি জুপুৰী-জাতীয় ঘৰ এটা সাজি বহিলহি। মুহিমেও ইমান মনে মনে মাটি বিক্ৰি কৰিলে যে মই গমেই নাপালো। পোৱা হ'লেতো এনেকুৱা কুলক্ষণীয়া এটাক মাটি বেচিবলৈ মযে় বাধা দিলোহেঁতেন।

সেইযে সি জুপুৰীৰ লেখিয়া ঘৰটো সাজিলে, তাৰ পাছত তাৰ মাক, ঘৈণীয়েক আৰু পেনপেনীয়া পাঁচোটা ল'ৰা-ছোৱালীৰে ঘৰটো ভৰি পৰিলেহি। ইহঁত মখা অহাৰ পৰা ৰাতিপুৱা কাউৰীৰ মাত শুনাৰ আগেয়ে মই ইহঁতৰ কলৰৱ শুনিবলৈ পাওঁ। সচাঁ কথা, মোৰ সুন্দৰ ৰাতিপুৱাটো ইহঁতৰ বাবেই নষ্ট হৈছে।

এদিন পুৰণা কিতাপ এখন লৈ বাৰান্দাতে বহি আছিলো। তেনেতে হঠাতে নঙলা খুলি নতুনকৈ অহা মানুহটো ওলালহি। প্ৰথমতে গল-খেকাৰি দুটামান মাৰি সি সুধিলে, "দেউতা বহিছে?" মোৰতো প্ৰথমে খঙেই উঠিছিল। সেইটো আৰু সুধিব লাগে নেকি! তথাপি তাক সহাঁৰি জনাই বাৰান্দাতে থকা মুঢ়া এটালৈ আঙুলিয়াই বহিবলৈ কলো। মানুহটোৰ মুখখনলৈ এবাৰ ভালদৰে চাই ললো। শেতা পৰা মুখ। বয়স বৰ বেছি নহলেও দৰিদ্ৰতাই বয়সৰ আঁচোৰবোৰ বেছি প্ৰকট কৰি তুলিছে। মই তাৰ মুখৰ পৰা চকু ঘূৰাই সুধিলো, —"তুমি হ'বলা নতুনকৈ উঠি আহিছা?" সি তপৰাই হয় বুলি কলে, যেন সি মই সেইষাৰ কথাকে সুধিম বুলি আগতেই গম পাইছিল। মই আকৌ সুধিলো, "তুমি ক'ৰ পৰা আহিছা?" এইবাৰ সি কিছুপৰ তলকা মাৰি থাকি ক'লে, "লক্ষীমপুৰ জিলাৰ ধলপুৰৰ পৰা। তেনেই কঙাল জেগা। বছৰি পানীয়ে বৰ দিগদাৰ কৰি থাকে। গতিকে এই ফালেই কিবা এটা···।" মই হয়ভৰ দি আকৌ সুধিলো,— "পিছে তাৰ মাটি-বাৰীবোৰনো কি কৰিলা?" সি কওঁ-নকওঁ ভাৱ এটাৰে ক'লে, "মাটি বেছি নাছিল। খেতি মাটিবোৰ গোটেই খিনি নৈয়ে ঘাই সুতিলৈ খহাই নিলে। বাকী বাৰী-মাটি ডোখৰকে বিক্ৰি কৰি এই আপোনালোকৰ ইয়ালৈকে গুচি আহিলো।" মই একেবাৰে শেষৰটো প্ৰশ্নটো সুধিলো, "এতিয়া ইয়াতনো কি কৰিবা?" কিছুপৰ সেমেনা-সেমেনি কৰি সি কওঁ-নকওঁকৈ ক'লে, "কৰ'বাত কাম-বনকে কৰিম বুলি ভাবিছোঁ। তাৰ পাছত হাতত পা-পইচা অলপ গোট খালে সৌ খিনিতে দোকান এখনকে দিওঁ নেকি!" তাৰ পাছত দুই চাৰিষাৰ কথা পাতি তাক বিদায় দিলো।

তাৰ পাছত মই তাৰ খবৰ বিশেষ ৰখা নাই। কিন্তু মন কৰিলো— অলপ দিনৰ আগৰ পৰা সি সচাঁকৈয়ে দোকান এখন থিয় কৰাইছে। মই আলেঙে-আলেঙে লক্ষ্য কৰি বুজিলো মাল-বস্তু বিশেষ নাই। কেইকেজি মান চাউল-দাইল, ছিমেণ্টৰ বস্তা এটাত আধা বস্তা আফু, আধা টিন গুৰ, আধা টিন কেৰাছিন, চাবোন কেইডোখৰমান আৰু কাটা বিস্কুট চাৰি নে পাঁচ পেকেট, —বচ, ইমানেই। প্ৰথমতে মই ভাবিছিলো বুৰ্বক কৰবাৰ! এই ডোখৰ আচহুৰা ঠাইত দোকান চলিবনে? আধা-মাইল গ'লেই টাউনখন পায়, ইয়াতনো চৰা দামত কোনে তোৰ মাল খাব? মইতো আজিলৈকে এবাৰনে দুবাৰহে জুইশলা কিনিবলৈ কামকৰা ল'ৰাটো তাৰ দোকানলৈ পঠাইছোঁ। প্ৰথমতে মই ভবাৰ দৰেই সচাঁকৈয়ে তাৰ দোকানখন চলা নাছিল; কিন্তু এতিয়া মই সদায় লক্ষ্য কৰোঁ, বিশেষকৈ গধূলিৰ পাছত, তাৰ দোকানত যথেষ্ট মানুহৰ সমাগম হয়। লাহে লাহে তাৰ দোকানত গেছ লাইট জ্বলাব পৰা অৱস্থা হ'ল। অলপতে সি দোকানখনৰ গাতে লগাই আৰু এটা ঘৰ সাজিলে। মোৰ ঘৰত কাম কৰা ল'ৰাটোৰ মতে সেইটো হেনো গুদাম ঘৰ।

কিন্তু মই এনেকুৱা ঘটনা হব বুলি আগেয়ে কেতিয়াও ভবা নাছিলো। সিদিনা ৰাতি ভাত-পানী খাই শুবলৈ লৈছোঁহে, এনেতে মোৰ ঘৰৰ পদূলিৰ ওচৰতে বিৰাট হুলস্থূল। কিহৰ গণ্ডগোল ঠিক ধৰিব নোৱাৰি বাহিৰলৈ ওলাই আহি দেখিলো, দোকানৰ ভিতৰৰ পৰা মানুহটোৰে আন দুটাক বুজাই-বঢ়াই বাহিৰলৈ আনিছে। সিহঁতৰ গাত যে হুঁচ মুঠেই নাই মই দূৰৰ পৰাই বুজিলো। গণ্ডগোল কৰা মানুহ দুটাক অৱশ্যে মই চিনি পোৱাত পলম নহ'ল। এটা আমাৰ চুবুৰীৰে বায়নৰ পুতেক দীপেন, আৰু ইটো হেডমাষ্টৰৰ মাজু পুতেক অজয়। দুয়োটাই নানান অবাইচ মাতেৰে দোকানীক গালি পাৰিছে। সিহঁতৰ কথাৰ সাৰাংশ হ'লঃ আমি তোৰ দোকানত সদায় মাল খাবলৈ আহোঁ আৰু নগদ পইচা দি মাল খাই গুচি যাওঁ। কিন্তু আজি বাকীলৈ মাত্ৰ দুটা বটল খোৱাৰ বাবে তই ইমান টেম্পাৰ দেখুৱাইছ? ঠিক আছে আমিও তোৰ চুলাইৰ কাৰবাৰ বন্ধ কৰিব পাৰোঁনে নোৱাৰোঁ চাই থাক। আৰু বহুত কথাই কৈছিল সিহঁতে। মইহে পাহৰিছোঁ। কিন্তু—কিন্তু সিহঁতৰ কথাবোৰৰ অৰ্থ কি? মানুহটোৱে সচাঁই মদৰ কাৰবাৰত ধৰিলে নেকি? এইবোৰ কথা ভাবি থাকোঁতেই মোৰ ঘৰত কাম কৰা লৰাটো দোকানৰ ফালৰ পৰাই ওলালহি। মই চকু পোন্দাই সুধিলো,— "তই ক'লৈ গৈছিলি।" সি কলে, সি হেনো গণ্ডগোল হোৱা চাবলৈ গৈছিল। মই তাক কি হৈছিল সুধিলত সি কলে মদৰ কাৰণেই হেনো গণ্ডগোল হৈছিল হেডমাষ্টৰৰ পুতেকে বোলে দোকানীক ডেগাৰকে মাৰিব খুজিছিল। মই তাক আকৌ সুধিলো দোকানীটোৱে বা[…]

[…]চাঁই মদ বিক্ৰি কৰেনে? উত্তৰত সি [...] কথা ক'লে মইতো শুনি হতবাক। [...]নুহটোৱে হেনো দোকান খোলাৰ [...]মাহ মানৰ পৰাই মদৰ কাৰবাৰ কৰি [...]াছে। গাৱঁৰ প্ৰায়বোৰ ডেকাই [...]হনো তাৰ দোকানতে চানা-দালমুট [...]নি দোকানৰ পাছফালৰ ঘৰটোত [...]হি মদ খায়। আৰু মদ হোনো তাৰ [...]ক আৰু ঘৈণীয়েক দুয়ো বনায়।

হুঁঃ! কথা তেতিয়া হ'লে ইমানলৈ [...]াঢ়িল? নাই নাই, এই কথাই কথা [...]হয়। এইটো আৰু হ'বলৈ দিব [...]াৰাৰি। মোৰ ঘৰৰ সমুখত চুলাইৰ [...]াটি! ধুৰন্ধৰ, দগাবাজ ক'ৰবাৰ! [...]য়াৰ ব্যৱস্থা এটা কৰিবই লাগিব।

এই কথাটোৰ বাবেই এদিন বায়ন, [...]হডমাষ্টৰ আৰু কেইজনমান গাঁৱৰ [...]খিয়াল মানুহক মোৰ ঘৰলৈ মাতি [...]ানিলো। আটাইকেইজনে কথাটো [...]ালোচনা কৰি ঠিক কৰিলো যে [...]াবকাৰী ইন্সপেক্টৰক এজাহাৰ দি [...]ামি তেখেতক কথাটো বুজাই কৈ এই [...]াষগুটোক এটা উচিত শিক্ষা দিম। [...]থা মতে কাম। আমি আটায়ে আবকাৰী ইন্সপেক্টৰক লগ ধৰিলো গৈ। তেখেতে এজাহাৰখন ফাইল কৰি আমাৰ কথাবোৰ বেচ ধ্যানদি শুনিলে, তাৰ পাছত আমাক সম্পূৰ্ণ আশ্বাস দি বিদায় দিলে।

তাৰ পাছত প্ৰায় পোন্ধৰ দিন মানলৈ মই ৰাতিপুৱাৰ পৰা গধুলিলৈ তাঁৰ চকুৰে তাৰ দোকানলৈ চাই থাকোঁ,—যি কোনো মুহূৰ্ততে আবকাৰীৰ দলে তাৰ দোকানখন ঘেৰাও কৰিবহি পাৰে। তেতিয়া মোৰ কি ফুৰ্তি লাগিব! —পোৱালি, বেলেগ বিজনেছ লাইন বিচাৰি নাপালি? চুলাই বেচি গাঁৱৰ ফুলকলীয়া ল'ৰা-মখাক জহান্নামে নিয়াব খুজিছ? এতিয়াহে মজাটো পাবি ৰহ!

কিন্তু পোন্ধৰ দিন, বিছদিন, এমাহ পাৰহৈ গ'ল, আবকাৰী-নাহিল। তাৰ পাছত আজি কেইবামাহো পাৰ হ'ল,— নাই, কোনো খবৰেই নাই।

উৰহীৰ ওৰ আজিহে পাইছোঁ। অলপ আগতে গগন পিয়নে মোৰ যোৰহাটত থকা ল'ৰাটোৰে টকা বিচাৰি দিয়া টেলিগ্ৰামখন দিবলৈ আহোঁতে কথাটো ওলাইছিল। সিহে মোক আচল কথাটো ক'লে। দোকান আৰম্ভ কৰাৰ আগতে মানুহটোৱে হেনো সেই আবকাৰী ইন্সপেক্টৰৰ ঘৰতে মাহেকীয়া বন্দবস্তত কাম কৰিছিল। তাৰ পাছত তেখেতৰ পৰাই টকা অলপ লৈ সি দোকানখন খুলিলে।

গগনৰ মতে দোকানখন আচলতে ইনিছপেকটৰ চাহাবৰে হ'বলা!

---

## সম্পাদকৰ কোঠালিত

বন্ধু ঃ অসমৰ ১৯৮৩ চনৰ নিৰ্বাচন সম্পৰ্কে মোকৰ্দমা এটাৰ ফলাফল ঘোষণা কৰি ছুপ্ৰিম ক'ৰ্টে হেনো আশা কৰিছে— অসমৰ জনসাধাৰণে যেন ভোটাৰ তালিকা ঠিক-ঠাক কৰাত সহায়-সহযোগ কৰে। এইটো এটা appeal নহয় নে?

সম্পাদকে মূৰ তুলি চালে। বন্ধুৰে এমুখ ধোঁৱা উলিয়াই দি কলে, "মোৰ আকৌ ইমান দিনে ধাৰণা আছিল বাদী-বিবাদীয়ে ক'ৰ্টত appeal কৰে, ক'ৰ্টে ৰায় দিয়ে। ক'ৰ্টেও যে appeal কৰে, এইবাৰহে জানিলোঁ।

---

১৮ পৃষ্ঠাৰ পিছৰ পৰা

[...] ঘেলাইছে। এনেতে টেলিগ্ৰাফ [...]ফিছৰ ডেক্ৰুজ ছাহাবে তেওঁৰ মেমক [...]াড়ীত লৈ গাড়ী চলাই আহোঁতে [...]ডকাইতৰ গাত প্ৰায় খুন্দিয়ায়ে গ'ল [...]—খুন্দিওৱা অৱশ্যে নাছিল, কিন্তু [...]ডকাইত বাটৰ একেবাৰেই কাষৰলৈকে [...]াতৰি যাব লগীয়া হ'ল। তাতে [...]এজন ডেকাই টান মাত এআষাৰ [...]াতিলে। ছাহাবেও গাড়ী ৰাখি [...]কোন সেইটো? কোনটোৱে গালি [...]াৰিছিলি?" বুলি ৰণ-হুংকাৰ দি [...]ঠিল। ডেকা-তেজৰ কথা! এজন [...]ডকাই কথাৰ ছেওতে আগ বাঢ়ি [...]াহাবৰ গাত হাতকে লগালে। 'ৰাজ-[...]োৰগ মহ' এনে 'ঝুণ্টা ঝগড়া' দেখা [...]াই হোষ্টেলৰ বাৰাণ্ডাত বহি থকা [...]মান এজন ডেকা উঠি গৈ লোহাৰ [...]ৰাৰ বেঁকা হৈ থকা চিক্ সৰকি [...]াহাবক এক ওপৰঞ্চি কিল শোধাই দিলেগৈ। ঘটনা ইমানেই। ছাহাব তেওঁৰ চোঙত সোমালগৈ। ল'ৰাহঁতে ৰণ জিকি ভাবিলে, গ'ল কথা গুচিল। কিন্তু সোনকালেই দেখা গ'ল, ইউৰেছিয়ান ছাহাবে কলেজৰ অফিছৰপৰাই প্ৰবন্ধ কৰি ডেকা কেইজনৰ নাম-ধাম উলিয়াই এক ফৌজদাৰী মোকৰ্দমা ৰুজু কৰিলে। ডেকাহঁতো বহি নৰ'ল। দেশভক্ত তৰুণৰাম ফুকন, বিষ্ণুৰাম মেধি আদি আগ শাৰীৰ উকীলসকলৰ কাষ চাপিল। এতিয়া কথাটো এনেভাৱে 'দাঁড়ালে'গৈ ঃ ডেক্ৰুজ হ'ল শোষণকাৰী সাম্ৰাজ্যবাদীৰ প্ৰতীক, আৰু ডেকাসকলতো দেশৰ আশা-ভৰসাৰ থল! এনে এখন ছবি যেতিয়া সকলোৰে চকুৰ আগত উঠিল, ডেকাহঁতৰ পক্ষে উকীল আৰু পৃষ্ঠপোষকৰ অভাৱ নহ'ল। এক-দুঅনাকৈয়ে উঠা পইছাই উভৈনদী হ'ল, খৰচ কৰিবৰ ঠাই নোহোৱা হ'ল, গোচৰত চোঁচৰা ভাগৰ-দুখ মাৰি সূৰ্যনাৰায়ণ বৰাৰ চাহ-দোকানত ভাঙিবও পৰা হ'লহে। ইয়াৰ মাজতে এদিন আহিল আইডেণ্টিফিকেশ্যন পেৰেড— ফৰিয়াদীয়ে আচামী চিনাক্ত কৰা পৰ্ব। সেই পেৰেডত আমাৰ এজন বান্ধ'ই সাধাৰণ পক্ষত পিছলৈ ওভতাই আঁচোৱা চুলি মাজেদি সেঁওতা ফালি কাণলৈকে ওলমাই আঁচুৰি ল'লে, টিকনিৰ দৰে দুডালমান চুলি বান্ধি তাত গন্ধ-পুষ্প এপাহিও আঁৰি ল'লে, আৰু বেৰিয়া গজা দাঁতটো উলিয়াই হেবাংটোৰ দৰে থিয় হৈ ৰ'ল। তেওঁক ফৰিয়াদীয়ে চিনিব নোৱাৰিলে আৰু বাকীকেইজন লড়াই কৰা ডেকাকো ঠিকমতে মানুহৰ শাৰীৰপৰা বাছি উলিওৱাত খপজপ লগালে। মোকৰ্দমাৰ প্ৰথম শুনানীতে বিষ্ণুৰাম মেধিদেৱে জেৰাত তেওঁক ভেচ্‌ভেচীয়া কৰিলে। গত্যন্তৰ নেদেখি তেওঁ মিট-মাটৰ বাবেই সাজু হ'ল। ডেক্ৰুজ গোচৰখন সেই দেখি মিত্ৰতা-স্থাপনেৰেই সমাপ্ত হ'ল।



# ডেমকেয়াৰণীৰ সাধু

ড. চন্দ্ৰ কটকী

### চৈধ্য

বিন্নুৰে হঠাৎ ঘৰৰ পৰা চিঠি পালে। আখৰখিনি ৰঞ্জিতৰ, বক্তব্য-খিনি মাকৰ। মাকে তাইলৈ লিখোৱা চিঠিখনৰ সাৰ মৰ্ম হ'ল— তাই ঘৰলৈ ঘূৰি যাব লাগে। সিহঁতৰ ঘৰখনৰ জেউতি দিনে দিনে মৰহিছে। তাই ঘৰৰ লখিমী আছিল, তাই ঘৰৰ পৰা গুচি অহাত দিনে দিনে ঘৰখন জঁয় পৰি গ'ল। তদুপৰি সিহঁতৰ নিজ গাঁও জাপিসজীয়াৰ ৰাইজে গাঁৱতে স্কুল এখন খুলিব খোজে। লগতে আন এটা কথাও আছে, চকলিয়া গাঁও পঞ্চায়তৰ ছেক্ৰেটেৰি মুকুন্দ গগৈ বোলা ল'ৰাটোৱে, ঘনাই খবৰ লৈ থাকি, এতিয়া তাইক বিয়া কৰোৱাৰ প্ৰস্তাৱ দিছে। মাকে তাইৰ কথা তাইহে জানে বুলি কোৱাত মুকুন্দৰ জগৰেই লাগিছে। লগতে মাকৰ বক্তব্য,— আজিকালি নগৰ চহৰবোৰ বৰ দুষ্ট হ'ল। বাৰে বৰণীয়া চৌবিছ জাতিৰ মানুহবোৰ সোমাল। এনেকুৱা ঠাইত ছোৱালীবোৰ থকাটো নিৰাপদ নহয়।

একেখন চিঠিতে তাই গম পালে, ৰঞ্জিতৰ ঘৈণীয়েক ফুলেশ্বৰীৰ ল'ৰা এটা হৈছে ; এতিয়া ছমহীয়া কেঁচুৱা। বিন্নুৰে মাকলৈ চমুৱাই উত্তৰ এটা দিলে : এতিয়া নহয় ; আৰু এটামান পৰীক্ষা পাছ কৰাৰ পাছতহে তাই ঘৰলৈ যাব। মুকুন্দ বোলা ল'ৰাটোৱে তাইলৈ আশা-কৰি থাকিব নালাগে। তাই নিজে বিয়াবাৰুৰ কথা ভবা নাই। লগতে তাই মাকক এইটোও জনাই দিলে যে, হাজাৰ প্ৰলোভনৰ মাজত থাকিলেও তাই অমানুহ হোৱা নাই।

### পোন্ধৰ

ৰাতিপুৱাই চুবুৰীটোত বেয়া খবৰ এটাই তোলপাৰ লগাই দিলে। নীৰেনৰ মটৰ ছাইকেল এক্সিডেণ্ট হৈছে। কৰিমগঞ্জত এছ. ডি. ছি হৈ থকা দাদাকে নীৰেনক এখন নতুন মটৰ ছাইকেল কিনি দিছিল। ৰাতিপুৱা— ৰাতিপুৱা সি মটৰ ছাইকেল শিকা আৰম্ভ কৰিছিল। সেইদিনা ৰাতিপুৱাও সি মটৰ ছাইকেল চলোৱাৰ অভ্যাস কৰোঁতেই ধলৰসত্ৰ প্ৰেছৰ কাষৰ পুল-টোত খুন্দা খায় পৰি গ'ল।

পুৱাই বিন্নুৰে কাকতি ছাৰৰ ঘৰত ক্লাছ কৰিবলৈ গৈ ৰাস্তাত অজ্ঞানহৈ পৰি থকা নীৰেনক দেখা পায় চিঞৰ-বাখৰ লগায় দিলে। তাইৰ চিঞৰ-বাখৰ শুনি কাষৰ মানুহ কিঘৰৰ বোৰ মানুহ আহি গোট খালে।

প্ৰতুল শৰ্মা নামৰ কণ্ট্ৰেক্টৰ নিজৰ গাড়ীত তুলি নীৰেনক হস্পিটেললৈ লৈ গ'ল। লগত আৰু নীৰেনৰ মাক কমলামা[illegible] গ'ল।

আঠচল্লিছ ঘণ্টা অজ্ঞান হৈ পাছত নীৰেনে চকু মেলিলে। বিন্নু আৰু মাক কমলা। তাৰ [illegible] পানীবৈ আহিল। বিন্নুৰে নিজৰ লেৰে তাৰ চকুদুটা মচি দিলে। [illegible] মাষ্টৰণীয়েও নিজৰ চকুহাল মচি [illegible] নীৰেন সুদীৰ্ঘ ওঠৰ দিন হস্পি[illegible] থাকিল। এই ওঠৰ দিনত বিন্নু [illegible] বাৰো হস্পিটেললৈ গ'ল। মেছৰ ছোৱালী জোকাই কদৰ বিচৰা লৰাটোৰ প্ৰতি বিন্নুৰ এনেয়ে মায়া গঢ় লৈ উঠিছিল। প্ৰায়ে আৰু লগপাই থাকি থাকি নী[illegible] এনেয়ে তাই আপোনভাৱ এটাৰ মনে মনে সুমুৱাই ৰাখিছিল।

নীৰেন ভালহৈ অহাৰ লগে বিন্নুৰ কৰিবলগীয়া কমি আহিছিল সেই সময়তে এদিন ধনদা [illegible] বিন্নুক দৰকাৰী বুলি যিখিনি ক'লে, তাৰ তাৎপৰ্য হল, [illegible] নীৰেনৰ বিষয়ত বেছি মনো[illegible] দিয়াটো বৰ ভাল কথা হোৱা [illegible] মেহৰ ছোৱালীবিলাকৰ চকুতো ক[illegible] নপৰাকৈ থকা নাই। তদুপৰি মানুহবিলাকে তিৰোতাৰ উদা[illegible] চেনেহ-মৰমবোৰক দুৰ্বলতা বু[illegible] ভাবে। গতিকে পাৰ্যমানে এই [illegible] জাতিটোৰ পৰা আঁতৰত থকাহে শ্ৰে[illegible]

ধনদাবুঢ়ীৰ কথা সমৰ্থন কৰি[illegible] নাইবা একেবাৰে যুক্তিহীন বুলি দ[illegible] পেলাবলৈও বিন্নুৰে উপায় নাপা[illegible] সেয়ে তাই নিৰৱে ৰল।

নীৰেন ইতিমধ্যে সুস্থ হৈ পৰি[illegible] গতিকে তাই স্বাভাৱিকতে ঘৰে [illegible] টেলে নীৰেনৰ খা-খবৰ লৈ [illegible] প্ৰয়োজনো কমি আহিছিল। [illegible] নীৰেনহঁতৰ ঘৰখনৰ লগত ঘনিষ্ঠ হো[illegible] বাবে যি গৰাকী মানুহ বিন্নুৰ অ[illegible]ইতকৈ ভাল লগা হৈ আহিছিল তেওঁ হ'ল কমলামাষ্টৰণী, নীৰেনৰ মাক। মানুহগৰাকীৰ পৰিমাৰ্জিত আচাৰ-ব্যৱহাৰ, চাল-চলনে বিন্নুক মুগ্ধ কৰিছিল।

### ষোল

বিন্নুৰ মাক মাণিকী গগৈয়ে দিনে দিনে নিজৰ ওপৰত আৰু ঘৰখনৰ ওপৰতো আস্থা হেৰুৱাইছিল। অকাল-বৈধব্য, আৰ্থিক অনাটন, একমাত্ৰ পুতেক ৰঞ্জিতৰ অশালীন ব্যৱহাৰ আৰু উপাৰ্জনৰ অভাৱ, বিন্নুৰ ঘৰ এৰি আঁতৰি যোৱা কাৰ্য আৰু ঘৰ-খনৰ দিনক দিনে উৰলি যোৱা অৱস্থাই মাণিকীক অকালতে বুঢ়ী কৰি পেলাই-ছিল। তেওঁৰ আগলৈ-পিছলৈ চাবলৈও কোনো নাছিল,— গতিকে তেওঁ পুতেক ৰঞ্জিতকে কাবৌ-কোকালি কৰি পোনা-বলৈ চেষ্টা কৰিছিল। জীৱিকা অৰ্জনৰ কোনো পথ নথকা, যি তাকৰীয়া দুই-চাৰিডৰা মাটি আছিল তাতো হাল-কোৰ বাবলৈ মন নকৰা ৰঞ্জিতক জীৱিকা এটা উলিয়াই ল'বৰ বাবে মাকে বহুত ভাবি-গুণি চাই চকলীয়া হাইস্কুলৰ কাষতে পাণদোকানৰ গুমটি এটা খুলিবলৈ বুধি দিলে। বাৰীতে তিনিপুৰুষীয়া আম এজোপা আছিল। বুদ্ধেশ্বৰ মিস্ত্ৰিৰ ককাকেই ডবাতিনি আলিৰ পৰা আনি পুলিটো ৰুইছিল। সেই গছজোপায়েই তিনিপুৰুষ ধৰি আছে। মাটি মিঠা আম। বৰ একো-টাইঁত। ঘৰে-ঘৰোৱাহে আম জোপাক ডবাৰ আম বোলে। সেই ডবাৰ আম জোপাকে মইনা বৰমহৰীৰ পুতেক সুৰেনক বিক্ৰি কৰি দিয়া হ'ল। বাৰীৰ ঢাপত তিতাচপা দুডাল আছিল ; মাণিকী গগৈয়ে তাকো কাটি, ফলাই, বাতাম আৰু তক্তা উলিয়াই গাঁৱৰে মিস্ত্ৰী ল'ৰা এটাৰে লগলাগি গুমটিৰ বাকচৰ দৰে ঘৰ এটা বনোৱালে। আমগছ বেচা পইচাৰে টিন-পাত আহিল। চকলিয়া হাইস্কুলৰ কাষত ৰঞ্জুৰ গুমটি দোকান থিয় হ'ল।

কটা-তামোল, ছিগাৰেট, বিড়ি, চাদাৰ পেকেট, কম দামী বিস্কুট, কল, পেঞ্চিল, বহী আদি খুচুৰা মালেৰে সৈতে দোকানখন থন ধৰি উঠিব খুজিছিল ; কিন্তু ৰঞ্জিতে নিজে আকৌ গণ্ডগোল এখন লগাই দিলে। হাতত দুপইচা পৰাৰ লগে লগে সি আকৌ চুলাইত ধৰিলে। এদিন দোকানৰ বাকী খোৱা গ্ৰাহক লালসিং নামৰ দেচুৱালী এটাক সি টকা পাচেঁাটাৰ বাবে খুন্দি খুন্দি আধা মৰা কৰিলে। সেই দিনা ৰাতিয়েই পুলিছে তাক গুমটি দোকা-নৰ পৰাই লৈ গ'ল। মাণিকী বুঢ়ীৰ উপায় নাইকিয়া হ'ল। নিৰুপায়ত পৰি বৰজেঁাৱায়েকলৈ খবৰ পঠালে —চাৰিদিনৰ পাছত তাক জামিনত অনা হ'ল হয়, কিন্তু তেতিয়াৰেপৰা সি দোকানলৈ যাবলৈ মন নকৰা হ'ল।

ইমানবোৰ দুখৰ মাজতো মাণিকী-বুঢ়ীৰ বাবে সুখবৰ এটা আছে : বিন্নুৰে প্ৰি-ডিগ্ৰি পৰীক্ষা পাছ কৰিছে। ৰূপা ঘৰলৈ আহিছিল, ৰূপাৰ হাততে চিঠি এখন দি বিন্নুৰে মাকক খবৰটো জনাইছে। লগতে টকা তিনিকুৰিও পঠাইছে। পি-ডিটোনো কি বিন্নুৰ মাকে নাজানে, ৰূপাইহে কথাটো তেওঁক বুজাই দিলে— মেট্ৰিক আৰু বি, এ,ৰ মাজৰ পৰীক্ষাটো তাই পাছ কৰিছে।

### সোতৰ

অপ্ৰত্যাশিতভাৱে নীৰেনৰ চিঠি-খন পাই বিন্নুৰে আনন্দ পালে যিমান অবাকো হ'ল সিমান। অসম কৃষি বিশ্ববিদ্যালয়ৰ পৰা বি. এছ. ছি পাছ কৰি এম. এছ. ছি পঢ়িবৰ বাবে সি হিচাৰলৈ গ'ল। হিচাৰ বোলাযে এখন ঠাই আছে আৰু তাত এখন কৃষি বিশ্ববিদ্যালয় আছে, সেই কথাটো পোন প্ৰথমবাৰৰ বাবে বিন্নুৰে নীৰেনৰ মুখতহে শুনিলে।

হিচাৰলৈ যোৱাৰ আগেয়ে নীৰেনে তাইক লগ কৰি সবিশেষ কৈছে। সেই লগপোৱাতে নীৰেনে লাজলাজকৈ তাইক কৈছিল,— "মাজে সময়ে লিখিবা। দূৰত থাকিম নহয়। খা-খবৰ পালে ভাল পাম।"

"মোৰ দেখোন লিখিব লগা একো নাথাকে।"

"মোৰ থাকিব। মই লিখিম। উত্তৰ দিলেই হ'ব।"

নীৰেনে তাৰ কথা ৰাখিলে। তাৰ দীঘলীয়া ভ্ৰমণৰ অভিজ্ঞতা, হিচাৰৰ নতুন পৰিৱেশ, নতুন বন্ধু-বান্ধৱী ইত্যাদি এশ এবুৰি কথা। তাই কিন্তু নীৰেনৰ চিঠিৰ প্ৰতি তেনেধৰণে আগ্ৰহী হ'বৰ কোনো কাৰণ বিচাৰি নাপালে। নীৰেনৰ লগত কোনোপ্ৰকাৰ আবেগিক সম্বন্ধ ৰাখি তাইৰ লাভ নহয়। তাইৰ বাবে সি এটা দূৰ নক্ষত্ৰ, যাক হাতেৰে চুব নোৱাৰি, কাষত পাব নোৱাৰি। আৰু পোৱাৰ প্ৰয়োজনেই বা ক'ত ?

নীৰেনৰ চিঠিৰ তাই উত্তৰ নিদিলে।

প্ৰেছৰ মানুহখিনিৰ ওচৰত তাইৰ সন্মান বাঢ়িছে। প্ৰি-ডিগ্ৰি পাছকৰা ছোৱালী প্ৰেছটোত মাথোন তায়েই। ইতিমধ্যে মালিক কৰুণ চলিহাই তাইক প্ৰুফৰিডাৰ হিচাপে নতুনকৈ নিযুক্তি দিছে। দৰমহা তাইৰ মাহে দুশ পঁচিছ টকাকৈ হ'ব।

চন্দন কাকতি ছাৰৰ পৰামৰ্শমতে বিন্নুৰে নিউ যোৰহাট কলেজৰ অধ্যক্ষক লগ ধৰিলে। তেওঁ কিন্তু নৈশ শাখাত ছোৱালী ভৰ্তি কৰিবলৈ ৰাজী নহয়। অৱশেষত চন্দন কাকতি ছাৰে মধ্যস্থতা কৰাত, এইটো থিৰ হ'লযে, বিন্নুৰে দিনৰ শাখাতে এডমিশ্যন ল'ব, অনাৰ্ছৰ ক্লাছবোৰ পুৱা ভাগত দিনতে কৰিব, —নবজাৰ পৰা ন-চল্লিছলৈ। ইংৰাজী আৰু সমাজবিদ্যাৰ ক্লাছ ৰাতি কৰিলেও হ'ব।

নৈশশাখাত বিন্নুৰ আগমনে এটা পৰিৱৰ্তন সূচনা কৰিলে। আৰু কেইবা-জনী ছোৱালীয়েও নৈশ শাখাত যোগ দিলে। আটাই কেইজনী দিনত চাকৰি কৰা ছোৱালী। চন্দন কাকতি ছাৰৰ পৰামৰ্শমতেই বিন্নুৰে অসমীয়া অনাৰ্ছ আৰু সমাজ বিদ্যা লৈছে। প্ৰেছৰ মালিক কৰুণ চলিহাই কিন্তু তাইক অনাৰ্ছ ল'বলৈ উৎসাহিত কৰা নাছিল। অনাৰ্ছ লোৱাটো ভাল, কিন্তু শেহলৈকে

ৰাখিব নোৱাৰিলে লৈ কি লাভ! অগত্যা তাই যদি অনাৰ্ছ লয়েই তেনেহলে আৰম্ভণিৰে পৰা ভালদৰে পঢ়িব লাগিব।

চন্দন কাকতি ছাৰে কিন্তু তাইক অনাৰ্ছ লোৱাত বৰ জোৰ দিলে।

### ওঠৰ

"ডেমকেয়াৰণী/মাই ডিয়েৰ"— সম্বোধনেৰে নীৰেনে লিখা চিঠিখনে বিনুক ভৰাই তুলিলে। এইখন তাৰ তৃতীয় চিঠি। আগৰ দুখন চিঠিৰ উত্তৰ নোপোৱা বাবে সি বেজাৰ কৰি লিখিছে। আৰু স্পষ্টকৈয়ে সি এই তৃতীয়খন চিঠিত লিখিছে, যে দৰাচলতে সি বিনুক ভাল পায়। সেই ভাল-পোৱা আবেগিকেই নহয়, আন্তৰিকো।

বিনু বিমোৰত পৰিল। তাই নিজৰ অন্তৰক ইমানদিনে শাসন কৰি আহিছিল— নীৰেনৰ চিঠিয়ে সেই শাসন, সেই বাধা আঁতৰাই পেলালে। বহুতো ভাবি-চিন্তি তাই নীৰেনলৈ এখন স্পষ্ট, সৰল, প্ৰথম চিঠি দিলে। সেই চিঠিত তাই নীৰেনক জনাই দিলে যে নীৰেনৰ দৰে এটা অভিজাত পৰিয়ালৰ উচ্চ হিন্দু বৰ্ণৰ ল'ৰাৰ লগত আবেগিক সম্বন্ধ ৰাখি তাইৰ একো লাভ নহয়, নীৰেনৰো একো লাভ নহয়। সেইবাবে নীৰেনে যাতে কোনো প্ৰকাৰ আবেগিক সম্পৰ্ক তাইৰ লগত নাৰাখে। প্ৰেম বোলা বস্তুটো অতি মহান, স্বৰ্গীয়, কিন্তু তাক অপাত্ৰত দান কৰিব লাগে কিয়? সামাজিক বাধা-নিষেধ ডেৰ-পৰা ক্ষমতা সিহঁত দুটাৰ এটাৰো নাই।

তেনেস্থলত নজ্বলা ধূপৰ সুৰভিকে লৈ সিহঁত দুয়ো দূৰে-দূৰে থাকি সন্তুষ্ট হৈ থাকক। কোনো কাৰো কাষ চাপি আহিব নালাগে— মনেৰেও, চিঠি পত্ৰেৰেও।

বিনুৰ এই চিঠিয়ে নীৰেনক নিৰুৎ-সাহ কৰিব নোৱাৰিলে। সি পুনৰ বিনুলৈ চিঠি দিলে আৰু তাইক জনাই দিলে যে ইতিমধ্যে তাৰ হৃদয় আকাশত যিটো তৰা জ্বলি আছে সেই তৰাটোৰ নাম "বিনু।"

### উনৈছ

ধনদাবুঢ়ীৰ মেছত আহি যিদিনা মাক মাণিকী উপস্থিত হ'ল সেইদিনা বিনু আচৰিত হ'ল যিমান, আনন্দিতো হ'ল সিমান। তাই মাকক সাবটি ধৰি আনন্দতে খুব কান্দিলে।

ওৰে ৰাতি মাক-জীয়েক কোনো শুশুলে। কেৱল কথা আৰু কথা। জাপিসজীয়া গাঁওখনৰ, চকলিয়াৰ কিমান পৰিবৰ্তন হৈছে, সিহঁতৰ মিতিৰ-কুটুমবোৰৰ ভিতৰত কোন কোন মৰিল, কাৰ ক'ত বিয়াবাৰু হৈছে; ককায়েক ৰঞ্জিতৰ মতি-গতি কেনে, সেইবোৰ কথাৰেই দুয়োজনীৰে ৰাতিপুৱাল।

মাকক জোৰকৈ বিনুৱে চাৰিদিন ৰাখিলে। এই চাৰিদিনত তাই প্ৰেছৰ পৰা ছুটীলৈ মাকক গোটেই নগৰখন দেখুৱালে, কেইবা ঠাইতো ফুৰালে। গড়মূৰ কপাহতলী গাৰঁত সিহঁতৰ সম্বন্ধীয়া জেঠায়েক এজনী আছিল, তেওঁলোকৰ ঘৰো বিচাৰি উলিয়াই ফুৰাই আনিলে। মাণিকীয়ে প্ৰেছৰ মালিক কৰুণ চলিহাকো লগ কৰিলে। মানুহটো ভাল। বিনুক জোৰ কৰি হ'লেও ঘৰলৈ লৈ যাম বুলি আহি-ছিল যদিও, বৰ্তমানৰ পৰিবেশৰ পৰা তাইক আঁতৰাই ঘৰলৈ লৈ যাবলৈ তেওঁৰ সত নগ'ল। ছমাহৰ পাছতে বিনুৰ বি. এ. পৰীক্ষা। সকলোবোৰ ভাবি তেওঁ মনৰ কথা মনতে ৰাখি ঘৰলৈ ঘূৰিল। যাবৰ সময়ত মাক-জীয়েক দুয়ো দুয়োকে সাবটি ধৰি কান্দিলে।

মাণিকীৰ মনত এটাই আনন্দ। ছোৱালীজনী দেখনিয়াৰ আৰু শিক্ষিতা হৈছে। তাইৰ গাত নগৰ-চহৰৰ সস্তীয়া বায়ুও লগা নাই। তাইৰ চকুহাল ভেলেঙীৰ দৰেই হৈ আছে।

### বিছ

বিনুয়ে অনাৰ্ছৰ সৈতে বি. এ. পাছ কৰিলে। খবৰটো তাইক প্ৰথমে দিলে চন্দন কাকতি ছাৰে। নী... হিচাৰৰ পৰা আহি ঘৰত আছিলা খবৰটো পাই তাৰ বঙৰ পাৰ না... সি বিনুক ঘৰলৈ মাতি নি চাহ খুৱা... নিজৰ ল'ৰাৰ লগত হলি-গলি কৰা... পেটে-পেটে ভাল নাপালেও, ক... মাষ্টৰণীয়ে বিনুক তাইৰ ধৈৰ্য অ... কষ্টৰ বাবে প্ৰশংসাও কৰিলে।

দ্ৰুত-গতিত বিনুৰ জীৱনলৈ প... বৰ্তন আহিবলৈ ধৰিলে। জেঠায়ে... ল'ৰা সুনন্দৰ চেষ্টাত তাই গড়... কপাহতলী ভেনচাৰ হাইস্কুলতে শি... য়িত্ৰীৰ চাকৰি এটা পালে। দৰমহা... কম। মাহে আঢ়ৈশ টকা। তথা... প্ৰেছৰ চাকৰিতকৈ ভাল।

কৰুণ চলিহাই নিজে চকুপা... টুকিহে বিনুক বিদায় দিলে।

গোটেই টাউনখন পাৰহৈ গৈ... গড়মূৰ পায়গৈ, সেইবাবে বিনুৰ অ... আচহুৱা যেন লাগিল; কিন্তু লা... লাহে সকলো সহজ হৈ আহিল।

প্ৰথমতে তাই দিনচেৰেক খো... কাটিয়েই অহা-যোৱা কৰিছিল; কি... বাটতে এটা চেৰাপ-ভাটি আছে... এটা মিলিটেৰি কেম্প আছে আ... গোঁসানী উটুৱাডুবিৰ ওচৰৰ ঠাই... দিনতে বৰ জয়াৰ যেন লাগে। সে... বাবে তাই আজিকালি ইনজিনিয়া... কলেজৰ বাছখনত অহা-যোৱা কৰে... ভাড়াও কম আৰু অহা-যোৱাটো... সুখৰ।

চন্দন কাকতি ছাৰৰ উৎসাহ, পৰা... মৰ্শ আৰু সহায় সাৰথিত তাই প্ৰাই... ভেটকৈয়ে পৰীক্ষা দি এম. এ. পা... কৰিলে।

তাই ছেকেণ্ড ক্লাছ থাৰ্ড হল, কি... কলেজত সোমাব পৰাকৈ মাৰ্ক আছে... কথাটোত চন্দন কাকতি ছাৰে বৰ ভা... পালে। তেওঁৰ বুধি পৰামৰ্শ কাম... আহিল। এখন অখ্যাত গাঁৱৰ, সাধাৰ... দুখীয়া পৰিয়ালৰ ছোৱালী এজনী... জীৱনত প্ৰতিষ্ঠা লাভ কৰাৰ বাট চি... পাইছে; শিক্ষক হিচাপে তেওঁৰ বা... তাতোকৈ অধিক আনন্দৰ কথা কি হ'ব পাৰে?

...নীৰেন ইতিমধ্যে কৃষিবিশ্ববিদ্যা-...ত চাকৰি লৈ সোমাইছিলহি। ...ৰ কৃতকাৰ্যতাই তাক বৰ আনন্দ ...লে। বিষ্ণুৰাম বৰুৱা হলৰ কাষত গধুলি ...লি আড্ডা দি থকা তাৰ 'ফাইল'ৰ ...টাই কেইটাই তাৰ পৰা একেৰাহে ...নিদিন চাহ খালে। এদিন পেৰে-...ইজত, এদিন সত্য ৰেষ্টুৰেণ্টত আৰু ...নদিনা গে' ছ'ডা নামৰ হোটেল ...ত।

আজি কলেজত জইন কৰি আহি ...ু চিধা-চিধি চন্দন কাকতি ছাৰৰ ...লৈ গ'ল। কাকতি ছাৰে তাইক ...ত ধৰি আশীৰ্বাদ কৰিলে। তেওঁ ...লে— "Fortune favours the ...rave. সাহসীকহে ভাগ্যই লাগদিয়ে! ...আমাৰ বেজবৰুৱাইও কৈছে নহয়— ...হসেই সিদ্ধিৰ মূলমন্ত্ৰ। তুমি সাহস ...ৰি আগবাঢ়ি গ'লা বাবেহে জীৱনত ...ৰ্ণতাৰ বাট চিনি পালা। নিজৰ ভৱিত ...জে থিয় দিব পৰা হ'লা যেতিয়া ...তিয়া মাৰাৰ ওচৰলৈ যোৱা। তেওঁ ...তোমাক দেখিলে সুখী হ'ব। তুমি ...লেজত চাকৰি পাবা বুলি অৱশ্যে ...আগতীয়াকৈয়ে মাৰাক চিঠিৰে ...নাইছিলো।"

### একৈছ

সত্য যেনেকৈ স্বপ্ৰকাশক বস্তু-...প্ৰেমো তেনেকুৱাই। ই লুকাই নাথাকে। ...ৰেন আৰু বিনুৰ প্ৰেমো লুকাই ...থাকিল। প্ৰথমে চুবুৰীত আৰু বন্ধু ...হলত, তাৰ পৰা কলেজত আৰু ...হৰখনত কথাটো বতাহত তুলাপাত ...ৰাদি উৰি ফুৰিবলৈ ধৰিলে।

অন্য দুহখন খেল চোৱাৰ দৰে ...ই প্ৰেমৰ খেলখনো চোৱা দৰ্শকৰ ...ভাৱ নাছিল। তাতে সিহঁতৰ অসবৰ্ণ ...ন্মই, সিহঁতৰ প্ৰেমৰগতিটোক তৰংগে ...তৰংগে বাধাগ্ৰস্ত কৰাৰ আশংকা ...আছিল। সেইবাবে লোকচক্ষুত খেলটো ...ৰ জমিছিল। বিনুৱে ইতিমধ্যে ধনদা-...বুঢ়ীৰ মেছত থকাটো এৰি দি নিজে ...চিকিৰাজানত সৰু ঘৰ এটালৈ থাকিবলৈ ...ছিল।

ফাগুনমাহৰ এটা আবেলি।

ঘৰৰ দুৱাৰ মুখত মটৰ ছাইকেল-খন থৈ নীৰেন গুণগুণাই বিনুৰ ৰুম-লৈকে সোমাই আহিল; —"এই ফাগুনে আগুন লেগেছে, আমাৰ হৃদয়ে"—।

আগুন বিনুৰ হৃদয়তো লাগিছিল। তাই কিন্তু সেই জ্বালাৰ প্ৰকাশ সহজে নকৰে। যুৱতী হলেও, প্ৰেমিকা হলেও, তাই এখন কলেজৰ অধ্যাপিকা। তাইৰ সামাজিক দায়িত্ব আছে। তাই চঞ্চল হ'লে নচলিব।

নীৰেনক তাই কেনেকৈ শাসন কৰিব লাগে জানে। নীৰেনে সেইদিনা নিজেই বিষয়টোৰ অৱতাৰণা কৰিলে। সি সোনকালে বিনুক বিয়া কৰাব খোজে। সিহঁতৰ লগৰ বন্ধু-বান্ধৱবোৰে, মিতিৰ কুটুমবোৰে আৰু ওচৰ চুবুৰীয়াই কথাটো বৰকৈ চৰ্চিছে। তদুপৰি নীৰেন মাকৰ মতামত আদায় কৰাত ব্যৰ্থ হৈছে। গতিকে সি কাছাৰীঘৰতে নাইবা কামাখ্যাতে বিয়া কৰাব খোজে।

বিনুৱে সহজভাৱে উত্তৰ দিলে যে তেনে বিয়া এখন কৰাই নীৰেনক আপোন কৰি ল'বলৈ তাই বিচৰা নাই। তাই সামাজিক স্বীকৃতিপূৰ্ণ বিবাহৰ মাজেৰে, কমলা মাষ্টৰণীৰ সন্মতিৰ মাজেৰেহে নীৰেনক আপোন কৰি ল'বলৈ বিচাৰে।

জাত-সম্প্ৰদায়ৰ বিদ্বেষ-কুষাৰি তাইৰ মনত একো নাই। গতিকে তাইক আপোন কৰিবলৈ বিচৰা সকলোৰেও সেই বিদ্বেষ এৰিব লাগিব। নীৰেনে বিশেষ একো নক'লে, মাথোন এটা চমু উত্তৰ দিলে— "তুমি সহজ কথাক জটিল কৰিলা বিনু।"

### বাইছ

কমলামাষ্টৰণীয়ে চন্দন কাকতিক বৰ আবেগভৰা কণ্ঠেৰে ক'লে— "দেউতাক নাই। বুধি পৰামৰ্শ দিওঁ-তাও কোনো নাই। সেইয়ে আপোনাক মতাই আনিলো। নীৰেন আৰু বিনুৰ সম্পৰ্কতো দিনে দিনে জটিল হৈ গৈছে। নীৰেনে তাইৰ বাদে আন ছোৱালীক বিয়া নকৰায়। মই কোনো এটা স্থিৰ যুক্তিলৈ আহিব পৰা নাই। বিনু ছোৱালীজনী ভাল। দেখাই-শুনায়ো বেয়া নহয়। কিন্তু তাইৰ জাতটো লৈ সমস্যা হ'ল। সমাজ আগতকৈ মুকলি হৈছে যদিও বামুণে আহোমে বিয়া-বাৰু মুকলিকৈ চলাৰ যুগ এটা অহা নাই। গতিকে সিহঁত দুটাক বুজাই-বঢ়াই কিবা এটা কৰক নাইবা মোকে বুধি এটা দিয়ক।"

চন্দন কাকতি ছাৰে দূৰলৈ উদাস ভাৱে এবাৰ চালে। এটা Social transition, এটা সামাজিক ৰূপান্তৰন হ'ব ধৰিছে— এনে সময়ত কমলামাষ্টৰণীৰ দৰে সৰলপ্ৰাণা পবিত্ৰহৃদয়া মহিলা এগৰাকীৰ মনত সংঘাত বা অভিঘাত সৃষ্টি হোৱাটো সাধাৰণ কথা।

সুদীৰ্ঘ সময় তেওঁলোকৰ আলোচনা চলিল। অৱশেষত চন্দন কাকতিয়ে মোখনি মাৰি ক'লে,— "আপোনাক এটা কথা কওঁ বাইদেউ। বামুণ, শূদ্ৰিৰ, আহোম, চুতিয়া— এই সৰু-বৰ জাত-বোৰ মানুহে সজা। ঈশ্বৰে সজা নহয়। মানুহ আহোঁতেও নাঙঠ, যাওঁতেও নাঙঠ। অতীতকালত কৰ্মৰ ভেটিতহে মানুহৰ জাতবিভাগ হৈছিল, জন্মৰ ভেটিত নহয়। ঋষি বিশ্বামিত্ৰও এদিন ক্ষত্ৰিয়হে আছিল— তপস্যা কৰি তেওঁ ব্ৰাহ্মণ হৈছিল আৰু হৈয়েই ঘোষণা কৰিছিল— "তপসা ব্ৰহ্মণোজাতম্"— মই তপস্যা কৰি ব্ৰাহ্মণ হ'লো। আজিৰ দিনতো যাৰ তপস্যা থাকে, তেৱেঁই ব্ৰাহ্মণ হয়। তপস্যানো কি? মানৱ মংগলৰ কৰ্মইহে তপস্যা। সেই-বাবে মানৱ হিতকৰ কামকৰি জগতক এদোপ আগুৱাই নিয়া মহাত্মা গান্ধী, আইনষ্টাইন, আবুল কালাম আজাদ নাইবা আমাৰ বাণীকান্ত কাকতি, কৃষ্ণকান্ত সন্দিকৈ আদিও ব্ৰাহ্মণ। তেওঁলোকৰ সাধনাৰ, তপস্যাৰ ফল যুগ যুগ ধৰি থাকিব। গতিকে আপুনি বিনুৰ কথাটোও সহানুভূতিৰে চাওক। মই ভাবোঁ— জন্মতে গাঁৱৰ দৰিদ্ৰ আহোম পৰিয়ালৰ ছোৱালীহ'লেও, সুদীৰ্ঘ দিন তপস্যাকৰি শিক্ষা-দিক্ষালৈ অধ্যাপিকাহৈ তাই এতিয়া সংস্কৃত হ'ল। তায়ো ব্ৰাহ্মণত্ব লাভ কৰাৰ বাটত। গতিকে নীৰেনৰ জীৱন সংগী হিচাপে, তাইক মই অযোগ্য

বুলি নাভাবোঁ। আপুনি কথাটো দকৈ ভাবি চাওক। কেৱল মোৰ কথাতে ধৰি নাথাকি, আপুনি আন দহজনকো সুধি-পুচি চাব, কিন্তু মোৰ যুক্তিবোৰো তেওঁলোকৰ আগত ডাঙি ধৰিব।''

চন্দন কাকতি ছাৰক পদুলিৰ নাহৰজোপাৰ কাষলৈকে আগবঢ়াই থৈ আহি, ড্ৰয়িংৰুমত থকা, তেওঁৰ স্বামীৰ ফটোখনলৈ চাই কমলা মাষ্টৰণীয়ে এটা সেৰা জনালে। তেওঁৰ দুয়োচকুতে পানী বিয়পি পৰিল।

**তেইছ**

ফাগুনৰ সোতৰ তাৰিখে নীৰেন আৰু বিন্নুৰ বিয়া। কমলামাষ্টৰণীয়ে শেহলৈ সমৰ্থন দিলেও—নিজৰ চোতালত বিয়াখন পাতিবলৈ তেওঁৰ সাহস নহ'ল। বিন্নুও কাছাৰী ঘৰলৈ নাইবা কামাখ্যালৈ যাবলৈ মান্তি নহ'ল। তাইক সামাজিক মৰ্যাদা আৰু আদৰো লাগে। অৱশেহত কাকতিৰ মধ্যস্থতাত থিৰাং হ'ল যে বিয়াখন স্থানীয় আই গোঁসানীৰ দ'লতে পতা হ'ব।

আইগোঁসানীৰ দ'লটো সুপ্ৰাচীন। আহোম ৰাজত্বতে জয়ন্তীয়া ৰজাই দিয়া বিগ্ৰহেৰে এই দ'লৰ প্ৰতিষ্ঠা হৈছিল। অসমৰ ধৰ্ম, জাতীয় জীৱন আৰু সংস্কৃতিত ইয়াৰ প্ৰভাৱ ব্যাপক। দ'লৰ পূজাৰী তৰুণঠাকুৰে গোটেই ঘটনাটোকে আদৰণি জনালে। বিন্নুৱে সকলো লাজ লাজ ভাৱ আঁতৰাই পুৰোহিত ঠাকুৰক ক'লে—''মানুহৰ আদৰ আৰু ভগৱানৰ আশীষ দুয়োটা বিচাৰিহে ইয়ালৈ আহিছোঁ। অন্তৰত কপট ৰাখি যাতে মুখেৰে আশীষ নাযাচে।''

নীৰেনৰ পক্ষৰ দেৰকুৰিমান আৰু বিন্নুৰ পক্ষৰ কুৰিজনমান মানুহকে বিয়ালৈ নিমন্ত্ৰণ কৰা হৈছিল; কিন্তু বিয়াৰ দিনা ঠাইডোখৰ লোকে লোকাৰণ্য হ'ল। বিন্নুৰ পক্ষত চন্দন কাকতি ছাৰৰ বাইদেউ নন্দিনী আৰু কৰুণ চলিহাৰ ব্যস্ততা সকলোৱে চকুত পৰিল। কাকতিয়েই সমগ্ৰ বিবাহকাৰ্যৰ অধ্যক্ষ হ'ল। তেওঁৰ এই সৎ উদ্যমক নতুন-চামে শলাগিলে। প্ৰাচীনপন্থীসকলৰ কোনো কোনোৱে কলে, ''প্ৰফেছাৰ মানেই সবজান্তা। তাৰনো শাস্ত্ৰজ্ঞান কি আছে? আচলতে ঘোৰ কলি।''

পুৰোহিত তৰুণঠাকুৰে, মন্ত্ৰৰ অৰ্থবোৰ বুজাই গৈছিল। নীৰেনে পুৰোহিতৰ লগে লগে বিন্নুৰ ফালে চাই মন্ত্ৰ মাতিলে—''যদিদং হৃদয়ং মম, তদিদং হৃদয়ং তব'' ইত্যাদি। তাৰ মনত পৰিল—মটৰ চাইকেল এক্সিডেণ্ট হোৱাৰ দিনাই হস্পিটেলত বিন্নুৰ চকুলৈ চাই নীৰেনে তাইৰ হৃদয়খন দেখা পাইছিল। তাৰ আপোন হৃদয়ে তাইক নিৰৱ ভাষাৰে যেন কৈছিল—''You have sainted and enskied me''.

হোমৰ ধোঁৱাই সিহঁতৰ দেহ-মন পবিত্ৰ কৰিছে। পুৰোহিত শ্ৰেণীৰ প্ৰতি সিহঁত দুটাৰ এটাৰো ভাল ধাৰণা নাছিল। কিন্তু তৰুণঠাকুৰক পাই সিহঁতৰ মনোভাৱ সলনি হৈছে। বিয়াৰ অন্তত সিহঁত দুইটাক বন্ধুৱাই লৈ পুৰোহিতে আশীৰ্বাদ দি কলে—''বামুণে-আহোমে বিয়া হৈছা বুলি, আফচোচ কৰি মুফুৰিবা। যুগৰ লগত মিলাই মূল্যবোধৰ পৰিৱৰ্তন কৰিবলৈ শাস্ত্ৰকাৰ সকলেও কৈ গৈছে। শ্ৰীমন্ত শংকৰেও যুগধৰ্ম মতে প্ৰৱৰ্তিবলৈ উপদেশ দি গৈছে। আহোমস্বৰ্গদেউসকলৰ দিনতে বামুণে-আহোমে বৰ মিত্ৰতা হৈছিল, কিন্তু সেই মিত্ৰতাৰ ফলত দেৱতাৰ মন্দিৰহে তৈয়াৰ হ'ল—মানুহৰ হৃদয়মন্দিৰত তাৰ বেছি প্ৰভাৱ নপৰিল। এতিয়া তোমালোকে লগলাগি মানুহৰ হৃদয় মন্দিৰটি অধিক শক্তিশালী কৰা। তোমালোক দুয়ো উচ্চ শিক্ষিত, তোমালোকে পাৰিবা।''

পুৰোহিতৰ ভৰিৰ পৰা হাতখন একৰাই আনি বিন্নুৱে নিজ কপালত লগালে। তাইৰ ভাব হ'ল, এয়া যেন তৰুণঠাকুৰ পুৰোহিত নহয়, এইয়া যেন তাইৰ নিজৰ পিতাক বুদ্ধেশ্বৰ গগৈ।

বিয়াৰ পাছদিনা। কাহিলি কাহিলি পুৱাতে কাকতি ছাৰৰ গাড়ী নীৰেনহঁতৰ পদূলিত ৰলহি। কাকতি ছাৰ আৰু কমলা মাষ্টৰণীৰ পৰামৰ্শ মতে সিহঁত দুয়ো চকলিয়ালৈ ওলাইছে মাক মাণিকীৰ ওচৰলৈ। নীৰেনে শাহু ৰেকৈলৈ ভাল কপাহী সাজ এযোৰ কিনি লৈছে। বিন্নুৱেও ককায়েক নবৌয়েক, ভতিজাকলৈ উপহাৰ লৈছে।

কাকতি ছাৰো গাড়ীতে যাব। কিন্তু তেওঁ শিৱসাগৰতে নামি যাব। অসম আন্দোলনত শিৱসাগৰৰ কেইবাজনো বিশিষ্ট ব্যক্তিৰ লটি-ঘটি হৈছে, তেওঁ সেইসকলৰ খবৰ-বাতৰি ল'ব। গেটৰ মুখলৈকে কমলা মাষ্টৰণী আগবাঢ়ি আহিল। ''বোৱাৰী, মাৰাই থাকিবলৈ ক'লে দিনচেৰেক থাকিবা আৰু মাৰাক মই মাতিছো বুলিও ক'বা।''

বিন্নুৱে সকৈ শলাগিলে।

ফুকন নগৰত অধ্যক্ষ বৰকটকীৰ পদূলিত চন্দন কাকতি ছাৰক নমাই দি, ড্ৰাইভাৰে তীব্ৰ বেগত গাড়ী এৰি দিলে। কাকতি ছাৰ নামি যোৱাত, সিহঁত বহুত ফ্ৰি হ'ল। বাটটো নিজঞ্জাল; মানুহ-দুনুহ প্ৰায় নায়েই সতী তিৰোতাৰ সেওঁতাটোৰ দৰেই। দুফালে দুখন পথাৰৰ মাজে ক'লা ৰাস্তাটো। আকাশত ৰঙচুৰা বেলি। নীৰেনে আবেগেৰে বিন্নুলৈ চালে।

''ডেম মাই ডিয়েৰ ইউ হেভ ডেমুড অল বেৰিয়াৰছ। হাও মাচ আই অ' টু দি।'' নীৰেনে বিন্নুৰ হাত এখন নিজৰ হাতলৈ আনিলে। বিন্নুৰ ধুনীয়া হাতখন সোণৰ কলিপাটে তুলি ধৰিছিল।

গাড়ীখন ৰঙা বেলিটোৰ লগত প্ৰতিযোগিতা কৰি আগবাঢ়িছে। সেই একেটা বেলিয়েই চকলিয়াৰ সৰু গাঁওখনকো সমানে জগাই তুলিছে।

(সমাপ্ত)







# প্ৰসন্ন কলিতাৰ দুখ

ৰূপম বৰুৱা

ইউনিভাৰ্ছিটিৰ বাছখন এৰি দিছি-
ই। খিৰিকিৰে চাই থকা এজনে
য় দৌৰি অহা মানুহজনক দেখি
হখন ৰখাবলৈ ক'লে।
মানুহজন প্ৰসন্ন কলিতা। তেওঁ
য় জাপ মাৰিয়েই বাছত উঠিল।
সোঁফালৰ খিৰিকিৰ কাষতে বহি
জ হোষ্টেলবোৰৰ পিছফালে থকা
হাৰৰ ওখ চাপৰ অংশবোৰত জুন
হৰ দুপৰীয়াৰ পৰি অহা ৰ'দৰ
কাভাকু আৰু ঠিক ওপৰতে বগা

বগা মেঘৰ খেলাৰ মাজে মাজে উজ্জ্বল নীলা আকাশে সজোৱা দৃশ্যৰ পিনে অন্যমনস্কভাৱে চাই থকা বুঢ়া মানুহজনে ওচৰতে কোনোবা এজন বহিলহি বুলি গম পাই মুখখন ঘূৰালে আৰু এঠাইত তেওঁৰ দৃষ্টি নিবদ্ধ হ'ল।

কলিতাই বুজিলে— তেওঁৰ হাতত থকা 'চন্দন শইকীয়াৰ শ্ৰেষ্ঠ গল্প' কিতাপখনৰ বেটুপাতে বুঢ়াৰ দৃষ্টি আকৰ্ষণ কৰিছে। মানুহজনে ''অকণমান চাব পাৰোঁনে''— বুলি কওঁতেই কলিতাই মুৰটো এপিনে কাতি কৰি স্বভাৱগত সৰল আৰু সম্মতিৰ এটি মিচিকিয়া হাঁহি মাৰি কিতাপখন বুঢ়াক দিলে। বুঢ়াই এবাৰ বেটুপাতখন ভালদৰে চালে, পিছফালৰ বেটুপাতখনো চালে, কিতাপখন মেলিলে, সম্পূৰ্ণ কিতাপখনকেই এবাৰ তাচ খাফল কৰাদি লুটিয়াই চালে, সূচীপত্ৰত এবাৰ চকু ফুৰালে আৰু শেষত দুয়োখন হাতেৰে প্ৰায় চকু দুটাত লগাই কিতাপখন মেলিলে, প্ৰথমটো গল্প 'নিহত পৃথিৱী' বৰ মনোযোগেৰে পঢ়িবলৈ আৰম্ভ কৰিলে।

কিতাপখন কলিতাই সাত মাইলত থকা বন্ধু অৱনী চৌধুৰীৰ ঘৰতে পাই পঢ়োঁ বুলি কৈ লৈ আহিছে। আচলতে কিতাপখন তেওঁ আগেয়ে দুবাৰমান পঢ়িছে। তথাপি দুবছৰ পাছত হঠাতে চকুৰ আগত কিতাপখন দেখি তেওঁ যেন আকৌ এবাৰ পঢ়াৰ লোভ সামৰিব নোৱাৰিলে। এইটো তেওঁৰ এটা অভ্যাসেই। কোনো এখন কিতাপ

বৰ বেছিকৈ ভাল লাগিলে তাৰ প্ৰতি এনে ধৰণৰ বিশেষ দুৰ্বলতা এটা তেওঁৰ থাকি যায়েই, আৰু সময়-সুবিধা পালেই সেইখন তেওঁ আকৌ এবাৰ পঢ়ি চায়। এই 'হাও গ্ৰীন ৱজ মাই ভেলি' নামৰ কিতাপখনকে তেওঁ আজিলৈকে পোন্ধৰবাৰ পঢ়া নাই জানো? অৱশ্যে প্ৰতিবাৰেই অনুবাদ কৰা খনহে পঢ়িছে, কাৰণ ইংৰাজী কিতাপ সৰসৰকৈ পঢ়িবলৈ তেওঁৰ অলপ অসুবিধা হয়। কিন্তু হ'লেই বা! কিতাপখনৰ মূল সোৱাদখিনিতো তেওঁ হৃদয়ংগম কৰিব পাৰিছে! বিদেশী লেখক এজনৰ লিখনি উপলব্ধি কৰিতো তেওঁৰ চকু সজল হৈ উঠিছিল! আচলতে হৃদয়ৰ আবেগ, অনুভূতিবোৰ সকলো ঠাইৰ মানুহৰে একে। সেয়ে দেশ, ভাষাৰ গণ্ডী চেৰাই এই অনুভূতি ইজনে সিজনক বিলাই দিব পাৰে। এই সত্য সম্পৰ্কে প্ৰসন্ন কলিতাৰ কোনো সন্দেহ নাই।

কলিতাই এবাৰ বুঢ়ালৈ কেৰাহিকৈ চালে। বুঢ়া তিনি পৃষ্ঠালৈকে আহিছে। বুঢ়াৰ পৰম মনোযোগ আৰু একাগ্ৰতাত প্ৰসন্ন কলিতাই মনত যেন এটা অনাবিল আনন্দ উপলব্ধি কৰিলে। ই এটা বেলেগ ধৰণৰ আনন্দৰ অনুভূতি। প্ৰসন্ন কলিতাৰ এই অনুভূতিটো একেবাৰে জন্মগত। মাথোন কিতাপৰ ক্ষেত্ৰতেই নহয়। ছিনেমা এখনৰো কোনো এটা দৃশ্য হয়তো তেওঁৰ বৰ ভাল লাগিছে; এতিয়া ছিনেমাখন চাবলৈ যদি তেওঁ অকলে আহিছে, তেনেহলে পৰিবাৰ বা বন্ধু-বান্ধৱ এনে সুন্দৰ এটি দৃশ্য উপভোগৰ পৰা বঞ্চিত হ'ল বুলি ভাবি তেওঁ অহেতুক হ'লেও এটা গভীৰ আফচোচ অনুভৱ কৰে। পাছত কেতিয়াবা সেইখন ছিনেমা আকৌ এবাৰ আহিলে তেওঁ ভাল পোৱা মানুহখিনিক জোৰ জবৰদস্তি কৰি হ'লেও সেইখন চাবলৈ পঠিয়াই দিয়ে। তেওঁলোকক সেই বিশেষ দৃশ্যটো দেখুৱাব পাৰি কলিতাই যেন এটা অভূতপূৰ্ব পুলক অনুভৱ কৰে।

বুঢ়া ইতিমধ্যে পাঁচ পৃষ্ঠা পাইছেহি। প্ৰসন্ন কলিতায়ো কিতাপখনৰ পাতত চকু দিলে। কোনখিনি? ঠিক, —এয়া,— উস্— ৰমেনৰ সেই নিদাৰুণ যন্ত্ৰণাকাতৰ অৱস্থাটোৰ বৰ্ণনা। এৰা, চুটি গল্প লিখে এই চন্দন শইকীয়াই। মানব চৰিত্ৰৰ কেনে গভীৰতা আৰু জটিলতালৈ সোমাই গৈ লিখে এই মানুহজনে! এই মুহূৰ্তত যেন তৃতীয়বাৰৰ কাৰণে পঢ়ি সেই শাৰীকেইটাত কিবা এক নতুন সত্য আৱিষ্কাৰ কৰিব পাৰি সঁচাকৈয়ে এজন মহৎ সাহিত্য সৃষ্টিৰ ক্ষমতাসম্পন্ন লেখক হিচাপে চন্দন শইকীয়াক তেওঁ আকৌ ভাল লাগিলে। বুঢ়াৰ লগে লগে এতিয়া তেৰেঁ। গল্পটো পঢ়ি যাবলৈ ধৰিলে। মালীগাঁৱত বাছখন ৰোৱাত বুঢ়াই এবাৰ কিতাপৰ পাতৰ পৰা চকু তুলিলে। কিতাপখনলৈ চকু দি থাকিলে জানোচা তেওঁ বিৰক্ত হৈছে বুলি ভাবি বুঢ়াই পঢ়িবলৈ এৰে, সেই আশংকাতে বুঢ়াক দেখুৱাই তেওঁ অন্যমনস্কভাৱে অইন ফালে চাই থকাৰ ভাৱ দেখুৱালে। বাছ চলিল। বুঢ়ায়ো ইতিমধ্যে চকু দুটাৰ ফেচকুৰি চুৰিয়াৰ আগটোৰে মচি লৈ আকৌ পঢ়াত মনোনিবেশ কৰিলে।

কলিতাই কিছুপৰ কামাখ্যা পাহাৰত তেতিয়াও বসন্তৰ পৰশ লাগি থকা কোমল সেউজীয়া বৰণৰ পাতেৰে জিলিকি থকা গছবোৰলৈ চাই কিবা ভাবিলে।

পাঁচ বজাৰ পৰি অহা ৰ'দে কৃষ্ণচূড়া আৰু সোণাৰু ফুলবোৰক সোণালী ৰহণ সানি এটা বেলেগ ধৰণৰ উজ্জ্বলতা দিছে। নীলা আকাশত চৌৰ দৰে বগা মেঘবোৰৰ গাত সেই সোণালী আভাৰ স্পৰ্শ। —আঃ! এই আটাইবোৰে লগ লাগি যেন মনটোক বহুদূৰলৈ লৈ যায়! পুৰণি কত কথা মনলৈ আহে! তেতিয়া কব নোৱৰাকৈয়ে ক'ৰবাত যেন কিবা হেৰুউৱাৰ বেদনাও অনুভৱ কৰা যায়। কিন্তু সকলোবোৰে মিলি যেন এটা অস্ফুট, অদ্ভুত পুলকৰ শিহৰণ তোলে। অন্ততঃ যোৱা এই পঁচিছটা বছৰ এডমিনিষ্ট্ৰেটিভ বিল্ডিঙত কেৰাণী কাম কৰা পঞ্চল্লিছ বছৰ বয়সৰ প্ৰসন্ন ৰাম কলিতাই আকাশ, মেঘ, নৈ, পাহাৰ আদিলৈ চাই এনে ধৰণৰে ভাব অনুভৱ কৰে।

সমুখত ৰৈ থকা ট্ৰাক এখনৰ বাবে ইউনিভাৰ্ছিটি বাছখনো অকস্মাতে ৰৈ যোৱাত কলিতাৰ চিন্তাত বাধা পৰিল। তেওঁ আকৌ বুঢ়ালৈ চালে আৰু বুঢ়াই কিমান দূৰ পালেগৈ চাবলৈ কিতাপৰ পাতত চকু দিলে। সেই বৰ্ণনাটো! জীৱন মাষ্টৰৰ মানসিক দ্বন্দ্বৰ কি বিশ্লেষণ! এই ধৰণৰ বৰ্ণনাবোৰ পঢ়ি যাওঁতে প্ৰসন্ন কলিতাই সদায় কল্পনাতেই চৰিত্ৰবোৰৰ চেহেৰা একোটা বনাই লয় আৰু দৃশ্যবোৰ যেন চকুৰ আগত, মনৰ পৰ্দাত ছিনেমাত দেখা দি দেখিবলৈ পায়। ইতিমধ্যে তেওঁ কেৰাহিকৈ বুঢ়ালৈ চাই বুজিবলৈ চেষ্টা কৰিলে বুঢ়াই সেইখিনি পঢ়ি কেনে পাইছে বা তেওঁৰ কি অনুভূতি হৈছে,—ইত্যাদি। বুঢ়াই বৰ বেছিকৈ মূৰটো কিতাপৰ ওপৰত ওলমাই ৰখাত কলিতাই বিশেষ একো লক্ষ্য কৰিব নোৱাৰিলে। বুঢ়া যদি ভৰলুমুখত নামে, তেওঁ এবাৰ ভাবিলে, তেন্তে কিজানি গল্পটো তেওঁ শেষ কৰিব নোৱাৰিব। তেওঁ নিজে নামিব ফাঁচী বজাৰৰ ষ্টপত। লাখটকীয়াত এটা বৰ জৰুৰী কাম আছে। অৱশ্যে আৰু পাঁচ নে ছয় পিঠি আছে। কলিতাই আশা কৰিলে,— হয়তো হৈ যাব।

ভৰলুমুখত বুঢ়াই খিৰিকিৰে 'মৰমী' আৰু কালীচৰণ ছোৱালী হাইস্কুলৰ মাজত থকা ছিনেমাৰ বেনাৰখনত বিশেষ এক ধৰণৰ অভিব্যক্তিৰে থকা নায়কৰ ছবিখনলৈ চাই কিবা অলপ যেন ভাবিলে।

'হেৰি আপুনি সোনকালে গল্পটো পঢ়ক। অলপ পাছতে মই নামিম।' —বুলি কওঁ কওঁ কৰিও কলিতা মনে মনে থাকিল।

বুঢ়া আকৌ পঢ়াত লাগিল। প্ৰসন্ন কলিতায়ো দূৰত উত্তৰ গুৱাহাটীৰ পিছ ফালে থকা পাহাৰবোৰ, বিভিন্ন আকৃতি ধাৰণ কৰা মেঘবোৰ, কৰ্মনাশা দ্বীপত জুম বান্ধি থকা বগলীৰ জাক আৰু ব্ৰহ্মপুত্ৰৰ সোঁত ফালি আগবাঢ়ি আহি থকা ষ্টিমাৰখনলৈ চাই চাই নানা কথা ভাবি থাকিল। বাৰু, এই মেঘবোৰৰ মাজতেই চোন কত ৰকমৰ বিমূৰ্ত ছবি কল্পনা কৰিব পাৰি! সৌটো দেখোন এটা ষাঁড় গৰু দৌৰি অহা যেন লাগিছে; কাষৰ এচপৰা মেঘে জলহস্তীৰ আকৃতি লৈছে আৰু অইন এচপৰাই ঘঁৰিয়ালৰ নিচিনা সৰীসৃপৰ ৰূপ লৈ যেন তাক খেদি আহিছে। কত ধৰণৰ ছবি এই মেঘৰ ৰাজ্যতেই যে ফুটি উঠে! কাৰোবাক এইবোৰ কথা ক'লে হয়তো বলিয়া বুলি হাঁহিব। কলিতাই অৱশ্যে এইবোৰ কথাত কাকো দোষ নিদিয়ে; কাৰণ এইবোৰ অনুভূতি মানুহৰ একান্ত ভাৱে নিজস্ব। বেৰসিক লোকক এইবোৰ কৈ লাভ নাই।

বাছখন মাছখোৱা পাৰ হ'ল। কলিতাই দেখিলে—বুঢ়া ক্ৰমে বেছিকৈ কিতাপৰ ওপৰত হালি পৰিছে। তাৰমানে বুঢ়াই একান্তমনে পঢ়িছে। পঢ়িবইতো! এনেকুৱা জটিল মানসিক সংকটৰ বৰ্ণনাই প্ৰকৃত ৰসজ্ঞ ব্যক্তি মাত্ৰেৰেই মন কাঢ়ি নিবই। গল্পটোৰ মহত্ব সম্পৰ্কে তেওঁৰ ধাৰণা যে কিমান সত্য এই গুৰুত্ব অনুভৱ কৰিয়েই কলিতাৰ মুখত আত্মপ্ৰত্যয় আৰু আনন্দৰ এটি মিচিকিয়া হাঁহি বিৰিঙিল।

ফাঁচী বজাৰত বাছ ৰ'ল। বুঢ়া কিন্তু তেতিয়াও নিমগ্ন। বোধকৰোঁ এটা কি দুটা পৃষ্ঠা বাকী আছে। প্ৰসন্ন কলিতাই নামো—নানামো ইতস্ততঃ কৰিলে; কিন্তু কামৰ গুৰুত্বৰ কথা ভাবি আৰু কামত গাফিলতিৰ বাবে ঘৰত ঘৈণীয়েকৰ সম্ভাব্য ৰুদ্ৰমূৰ্তি মানস চক্ষুত জিলিকি উঠাত তেওঁ থিয় হ'ল। বুঢ়ায়ো কাষৰ মানুহজনে লৰচৰ কৰা গম পাই মূৰ তুলিলে। কলিতাক উঠা দেখি তেওঁ কিতাপখন জপাই আগবঢ়াই দি ক'লে,—"বৰ সুন্দৰ গল্প। বৰ সুন্দৰ। বৰ ভাল লাগিছিল। আৰু এটা পৃষ্ঠা আছিল; পিছে— হ'ব বাৰু,— পাছত কেতিয়াবা যোগাৰ কৰি পঢ়িব লাগিব।"

বুঢ়াৰ ফেচকুৰি সনা চকুৰ হাঁহিৰ পটভূমিত যেন এটা কৰুণতা। প্ৰসন্ন কলিতাৰ এনে লাগিল যেন সংসাৰৰ যন্ত্ৰণা বা জীৱনযুদ্ধত কাতৰ, ক্লান্ত এজন লোকে ভাল গল্প এটা পঢ়িয়ে যি অলপ ৰসৰ সোৱাদ পাই আছিল, তাকো তেওঁ কাঢ়ি নিলে। তেওঁৰ কবৰ মন গৈছিল,— "আপুনি কিতাপখন লৈ যাওঁক বাৰু; —মই ঠিকনা দিছোঁ, পাছত পঠাই দিব।" —কিন্তু কোনোবা এজনে ঠেলা এটা মাৰি পিছফালৰপৰা ক'লে, —"নানামেও, ইপিনে ৰাস্তা ব্লক কৰি থিয় দি থাকে।"

স্বভাৱতে ছেন্টিমেণ্টেল কলিতাই তীব্ৰ অপমান বোধ কৰিলে। তেওঁৰ কাণ-মূৰ গৰম হৈ গ'ল। সেই মুহূৰ্তত কি কৰিব ভাবি নাপাই কলিতা নামি গ'ল বাছৰ পৰা। কিন্তু বুঢ়াৰ কৰুণ মুখৰ শুকান হাঁহি যেন তেওঁৰ লগে লগে গৈ থাকিল। আহা! বেছেৰাই কিমান মনপুতি গল্পটো পঢ়ি আছিল। ক'ৰ বুঢ়া, ক'ত থাকে তেওঁ একো নাজানিলে; কিন্তু ভাল গল্পৰ এজন প্ৰকৃত চমঝদাৰ হিচাপে বুঢ়া যেন তেওঁৰ মনে মিলা বন্ধু হৈ গৈছিল!

লাখটকীয়াত জীয়েকৰ বিয়াৰ বাবে গহণা-পাতিৰ দাম-দৰ ডিজাইনৰ খবৰ লৈ দুই এপদ বজাৰ কৰি, নেহেৰুপাৰ্কত কিছু সময় বহি থাকি প্ৰায় সাতমান বজাত এক বেদনাক্লিষ্ট মন লৈ প্ৰসন্ন কলিতা শিলপুখুৰীৰ ঘৰ পালেহি। ৰাতিৰ ভাত সাজত তেওঁৰ যেন বিশেষ মন নবহিল। টেঙা দি ৰন্ধা মাছৰ আঞ্জাও যেন আন দিনাৰ দৰে আগ্ৰহেৰে খাব নোৱাৰিলে। মাথোন বাৰে বাৰে বুঢ়াৰ মুখখন তেওঁৰ মনত ভাঁহি উঠিবলৈ ধৰিলে আৰু প্ৰতি বাৰেই যেন নিজকে কিবা দোষী দোষী লাগিবলৈ ধৰিলে। কিন্তু তেওঁনো কি অপৰাধ কৰিলে? ইতো ন্যায়-অন্যায়ৰ তালিকাত ঠাই পাবলগীয়া কথাই নহয়! তেওঁৰ পৰা কিতাপ এখন এজনে পঢ়িবলৈ ললে. মানুহজনে গল্প এটা পঢ়ি ভাল পাইছিল, —সম্পূৰ্ণকৈ পঢ়িব নোৱাৰিলে, —এয়েহে! তথাপি বুঢ়ালৈ মনত পৰি প্ৰসন্ন কলিতাই ভাবিলে,— বুঢ়াক গল্পটো সম্পূৰ্ণকৈ পঢ়িবলৈ দিব লাগিছিল। অন্ততঃ সেই মুহূৰ্তত বুঢ়াই যিখন সুখৰ ৰাজ্যত বুৰ গৈ আছিল তাৰ পৰা তেওঁক উলিয়াই আনি তেওঁ অন্যায় কৰিলে। অৱশ্যে এই মনোবেদনাৰ কথা তেওঁ কাকো কবও নোৱাৰে বা কাৰো পৰা কোনো ধৰণৰ সান্ত্বনাও তেওঁ আশা কৰিব নোৱাৰে।

বুঢ়াক যদি তেওঁ নাম, ধাম ইত্যাদি সুধি জানি থ'লেহেঁতেন তেতিয়া হলেও হয়তো পাছত তেওঁক লগ ধৰিব পৰা গ'লহেঁতেন। কলিতাই নিজকে বুৰ্বক বুলিয়েই ভাবিলে। কিন্তু কি কৰিব? এই ধৰণৰ কিছুমান মানসিক অশান্তিয়ে তেওঁক অনৰ্থক কষ্ট আগতেও দিছে আৰু আগলৈও দিয়েই থাকিব।

বাৰান্দাৰ চকীখনত বহি ৰাতিৰ আকাশৰ পিনে চাই চাই এইবোৰকে ভাবিবলৈ ধৰিলে অদ্ভুত ধৰণৰ দুখত দুখী প্ৰসন্ন ৰাম কলিতাই।


অসমীয়া আলোচনী সাহিত্যত
অভিনৱ সংযোজন

জ্ঞানদীপ

ভিন্ন ৰুচিৰ দুমহীয়া আলোচনী

দ্বিতীয় সংখ্যা প্ৰকাশ পাব
নৱেম্বৰৰ প্ৰথম সপ্তাহত

## জয়ন্ত বৰুৱা

হীৰেন ভট্টাচাৰ্য



আহিনমহীয়া কোমল ডাৱৰ যেতিয়া কবদৈসীবিয়া কাৰবি পৰ্বতেৰে
গুণগুণাই আহিল শান দিয়া ৰ'দৰ তলতে আছিল
পৰ্বতৰ লাজকুৰীয়া ছাঁ।
বকুলে-নাহৰে জানোচা পাহৰে
শিলনি ভাঙি তপতজুৰিৰ পানী একেজাপে আহি মোৰ কাষ পালেহি।
তুলা ধুনা দি বতাহে ধুনিলে আকাশ, ৰঙা চিলা যেন উৰিল
ৰ'দৰ চিঠি।

হঠাৎ
কেনে জলপ্ৰপাত ;
উটি ভাহি গ'ল মোৰ বুকুৰ বাগিছা,
লোণে মাহে দীঘল দিন !

## প্ৰস্তুতি

সুমতি ডেকা

বেদনাময় স্মৃতিবোৰ
শুবৰ সময়তহে কিয় বাৰু
মনত পৰে,
কিয় বাৰু তেতিয়া নিজৰেই অজানিতে
দুচকু পানীৰে ভৰে !
কথাছবি যেন, স্মৃতিৰ টুকুৰাবোৰ
অন্তহীন এক
দীঘল বিলৰ দৰে
মনৰ ৰূপালী পৰ্দাত
সজীৱ ৰূপত আহি
কিয় যে বাৰে বাৰে আমনি কৰে।
মই যেন এক গুচি দুই হওঁ
বহুতো কথা-বতৰা কওঁ
কি পালোঁ, কি হেৰুৱালোঁ
একোবাৰ যেন হিচাপ লওঁ
আগত দিনৰ উচ্ছল হাঁহিটি
মাৰিবৰ বাবে
বহু, বহুবাৰ চকুপানী মচি লওঁ।

## জানা যদি কৈ যাবা

মীৰা ৰাণী পাঠক (মমী)

হাৰমনিয়মত হাতখন মোৰ বুলাই দিলো ;
নাজানো পৰ্দাবোৰ কঁপি উঠিল কিয়
মোৰ বুকুৰ বেদনাৰে !
কণ্ঠত মোৰ গীতৰ প্ৰথমটো কলি নিগৰালো ;
নাজানো কণ্ঠ মোৰ তিতিল কিয়
দুচকুৰ তপ্ত অশ্ৰুকণাৰে !
তুমি জানা ?
জানা যদি তুলনা আৰু সমালোচনা নামৰ
সেই সুদৃঢ় প্ৰাচীৰখন পাৰ হৈ
তুমি মোক কৈ যাবাহি
পোৱাতকৈ নোপোৱাৰ বেদনা মধুৰ হয় কিয় ?
ফল্গু নদীৰ স্ৰোতধাৰা নিৰবধি বয় কিয় ?

## সেই পথ ক'ত

ডিম্বনাথ মিলি

(জ্যোতিপ্ৰসাদ আগৰৱালাৰ স্মৃতিত)

আন্ধাৰত কেনেকৈ চিনি পালা সেই পথ ?
আমি আজিও বিচাৰি ফুৰিছোঁ
সেই পথ ক'ত ?
সেই পথ ক'ত ?
আমাৰ কবিতাত গানত দেখোন
নুফুলে ফুল নপৰে বৃষ্টি
আকাশত নাগাজে মেঘে।
যি পথেৰে তুমি বাট বুলিলা
সেই পথৰ সন্ধানতে
আমি ওলাই আহিছোঁ
এখোজ-দুখোজকৈ।





# আমেৰিকাই অদূৰ ভৱিষ্যতে ফুটবল খেলতো শ্ৰেষ্ঠতা অৰ্জন কৰিব নেকি ?

ডঃ দিলীপ কুমাৰ দত্ত



চৈধ্য বছৰৰ তলৰ খেলুৱৈৰ ষ্টেট চেম্পিয়নশ্বিপ অৰ্জন কৰা 'ৱাৰেন পাম্প' দলৰ আঠজন খেলুৱৈৰ লগত প্ৰশিক্ষক জন হাৰ্ভে (বাওঁকাষে থিয় হৈ থকাজন) আৰু প্ৰশিক্ষক দিলীপ কুমাৰ দত্ত (সোঁকাষে থিয় হৈ থকা জন)

আমেৰিকাত আজিকালি ফুটবল খেল অতি জনপ্ৰিয়। আজি কেইবছৰমানৰ পৰা আমেৰিকাবাসী ফুটবল খেলৰ প্ৰতি ইমান আকৃষ্ট হৈছে আৰু তেওঁলোকে ইমান সংগবদ্ধভাৱে চেমনীয়াহঁতৰ ফুটবল খেলৰ প্ৰশিক্ষণ আৰম্ভ কৰিছে যে এই চেমনীয়াহঁত ডেকা হলে অৰ্থাৎ আৰু দহ বছৰ মানৰ পাছত আমেৰিকা ফুটবল খেলাৰ শ্ৰেষ্ঠ দেশবিলাকৰ ভিতৰত অন্যতম হোৱাৰ সম্ভাৱনা আছে।

এইটো উল্লেখযোগ্য যে আমেৰিকাত আমাৰ দেশৰ ধৰণৰ ফুটবল খেলক ছকাৰ ( soccer ) বুলিহে জানে ; কিয়নো আমেৰিকাত ফুটবল নামৰ আন এবিধ খেল আছে। আমেৰিকাৰ ফুটবল খেলটো খেল নহৈ এবিধ যুদ্ধৰ নিচিনাহে। এই খেলত ব্যৱহাৰ কৰা 'বল'টোও ঘূৰণীয়া নহয়, হাঁহকণীৰ আকৃতিৰহে। তদুপৰি তাক ভৰিতকৈও হাতেৰেহে বেছিকৈ দলিয়া-দলি কৰা হয়। এই খেলত বিপক্ষ দলৰ খেলুৱৈসকলক লেং মাৰিবলৈহে ভৰি কেইটা বেছিকৈ ব্যৱহাৰ কৰা হয়। যাহওক, আমি ইয়াত 'ফুটবল' বুলিলে আমেৰিকাৰ এই হাঁহকণীয়া বল লৈ যুদ্ধক নুবুজি ছকাৰকহে, অৰ্থাৎ আমাৰ দেশৰ নিচিনা ফুটবলকহে বুজাম।

ফুটবল আমেৰিকাৰ কাৰণে অতি নতুন। মই ১৯৬৭ চনত ইয়ালৈ প্ৰথম আহোঁতে ইয়াত ফুটবল খেল একপ্ৰকাৰ অচিনাকি আছিল। ১৯৬৭ চনতে আমেৰিকাত ফুটবলৰ সংস্থা এটা স্থাপিত হৈছিল যদিও গোটেই দেশখনতে কেইটামানহে ফুটবলৰ দল আছিল। সেই বছৰৰপৰা কিবা অজ্ঞাত কাৰণত আমেৰিকাবাসী ফুটবল খেলৰ প্ৰতি আকৰ্ষিত হ'বলৈ আৰম্ভ কৰে। মই আগেয়ে ফুটবল খেলিছিলো বুলি জানিব পাৰি বিশ্ববিদ্যালয়ৰ খেল বিভাগে গৰমৰ বন্ধত ইয়াৰ ল'ৰা কিছুমানক ফুটবল খেল শিকাবলৈ মোক অনুৰোধ কৰে। সেইমতে ইয়াত ফুটবল খেল আৰম্ভ কৰোঁতে ইয়াৰ মানুহে এইটো কি আচহুৱা খেল বুলি অতি আচৰিত হৈ চাইছিল।

এই শতিকাৰ ষাঠিৰ দশকত ভাৰত, ইটালি, ইংলণ্ড আদি— য'ত ফুটবল খেল জনপ্ৰিয়, সেইবোৰ দেশৰ বহু লোকে আমেৰিকাত আহি বসতি কৰিবলৈ সুবিধা পায়। এনে লোকে নিজ নিজ ঠাইত ফুটবল খেল আৰম্ভ কৰে আৰু অ'ত ত'ত দুই একোটা সৰু সুৰা ফুটবল সংস্থা আৰম্ভ হয়। তথাপি ১৯৭৫ চনলৈকে ফুটবল খেল আমেৰিকাবাসীৰ কাৰণে আচহুৱা হৈয়ে থাকে। ১৯৭৫ চনত কিন্তু অৱস্থাৰ পৰিবৰ্তন ঘটে। সেই বছৰ৲ে '।॰ভয়র্ক' কছমছ নামৰ দলটোৱে ফুটবল সম্ৰাট পেলেক ৪৫ লাখ ডলাৰ (প্ৰায় চাৰি কোটি টকা) দি তিনি বছৰৰ কাৰণে তেওঁলোকৰ দলত খেলিবলৈ আনে আৰু লগে লগে ফুটবল খেলৰ প্ৰতি আমেৰিকাবাসীৰ চকু মেল খায়। ইয়াৰ বহু স্কুল-কলেজে ফুটবল খেল আৰম্ভ কৰে আৰু ইউনাইটেড ষ্টেটছ ইউথ ছকাৰ এছোছিয়েছন অৰ্থাৎ আমেৰিকাৰ যুৱ ফুটবল সংস্থা গঠিত হয়। ইয়াৰ প্ৰায় প্ৰত্যেক জিলাতে ফুটবলপ্ৰিয় লোকসকলে এই যুৱ সংস্থাৰ শাখা সৰু সুৰাকৈ হ'লেও গঠন কৰিবলৈ আৰম্ভ কৰে।

এই যুৱ ফুটবল সংস্থাবিলাকৰ প্ৰধান দায়িত্ব হ'ল নিজ নিজ এলেকাত আঠ বছৰৰ পৰা ষোল বছৰ বয়সৰ ॰: ঃ. ছোৱালীবিলাকক ফুটবল খেল শিকিবলৈ আৰু খেলিবলৈ সুবিধা কৰি দিয়া। উদাহৰণ স্বৰূপে মই থকা অঞ্চলৰ যুৱ ফুটবল সংস্থাটোৰ কথাকে কওঁ। আমি এই সংস্থাটো আৰম্ভ কৰোঁ ১৯৭৭ চনত। সেই বছৰত আমাৰ তত্ত্বাৱধানত মাত্ৰ ৬০ জন মান



OKDISCD

ল'ৰা-ছোৱালীয়েহে ফুটবল খেলিছিল; কিন্তু এই বছৰ আমাৰ তলত ফুটবল খেলা ল'ৰা-ছোৱালীৰ সংখ্যা হ'ল ৮২৫।

এই ল'ৰা-ছোৱালীবিলাকক বয়স অনুসৰি চাৰিটা বিভাগত ভগোৱা হয়ঃ ১০ বছৰতকৈ সৰু, ১২ বছৰতকৈ সৰু, ১৪ বছৰতকৈ সৰু আৰু ১৬ বছৰতকৈ সৰু। খেল-ধেমালিৰ ক্ষেত্ৰত মতা আৰু তিৰোতাৰ মাজত বিভেদ ৰখাটো আমেৰিকাত আইনবিৰুদ্ধ কাৰণে এই চাৰিওটা বিভাগেই ল'ৰা-ছোৱালী উভয়ৰে কাৰণে মুকলি। ল'ৰা ছোৱালীবিলাকে মাৰ্চ মাহতে নিৰ্ধাৰিত মাচুল দি নাম লিখাব লাগে। তাৰ পাছত তেওঁলোক প্ৰত্যেককে প্ৰায় ১৫/১৬ জনীয়া এৰোটা দলত ভৰ্তি কৰা হয়। সেই দলবিলাক গঠনৰ প্ৰণালীও অভিনৱ। প্ৰথমে প্ৰত্যেকটো দলৰ কাৰণে একোজন প্ৰশিক্ষক আৰু একোজন সহকাৰী প্ৰশিক্ষক নিযুক্ত কৰা হয়। এই প্ৰশিক্ষকসকলৰ বেছি ভাগেই আগেয়ে ফুটবল খেলা লোক বা ফুটবলৰ প্ৰশিক্ষক ৰূপে বিশেষ প্ৰশিক্ষণ লোৱা অভিভাৱক। এই লেখকে এই বছৰ ১৪ বছৰতকৈ সৰুৰ দল এটাক প্ৰশিক্ষণ দিছিল; গতিকে এই বিভাগটোৰ উদাহৰণকে দিওঁ।

এই বছৰ ১৪ বছৰৰ তলৰ খেলুৱৈৰ সংখ্যা হল প্ৰায় ডেৰশ। প্ৰথমে এই খেলুৱৈসকলৰ তালিকা এখন মাৰ্চ মাহতে প্ৰস্তুত কৰি প্ৰশিক্ষকসকলক তাৰ একোটা নকল দিয়া হল। তাৰ পাছত এপ্ৰিল মাহৰ এদিন খেলুৱৈ আৰু প্ৰশিক্ষকসকলক দল বাছনিৰ কাৰণে মতা হল। প্ৰশিক্ষকসকলৰ সমুখত সেই খেলুৱৈসকলক দৌৰাই, ফুটবল কিক কৰাই উঠা-বহা আদি কৰাই নানান ধৰণেৰে তেওঁলোকৰ শক্তি আৰু ক্ৰীড়া-কৌশলৰ আভাস লোৱা হয়। সেইবিলাক চাই প্ৰশিক্ষকসকলে কোনজন খেলুৱৈ কিমান ভাল, কিমান কৌশলী, কিমান বলী আদি টোকা কৰি লয়। তাৰ পাছত প্ৰত্যেক দলৰ প্ৰশিক্ষকসকলে এটা টুপীৰপৰা লটাৰি খেলৰ নিচিনাকৈ এটুকুৰা কাগজ তোলে আৰু সেই কাগজত ইচ্ছা অনুসৰি একোটা নম্বৰ পায়।

নম্বৰ নিৰ্ধাৰিত হোৱাৰ পাছত প্ৰথম নম্বৰৰ দলটোৱে তেওঁৰ দলৰ কাৰণে এজন খেলুৱৈ বাচে, তাৰ পাছত দুই নম্বৰ দলটোৱে, তাৰ পাছত তিনি নম্বৰ দলটোৱে— তেনেদৰে প্ৰত্যেকটো দলে একোজন খেলুৱৈ বাচি লোৱাৰ পাছত আৰম্ভ হয় দ্বিতীয় ৰাউণ্ড; অৰ্থাৎ আকৌ নম্বৰৰ ক্ৰম অনুসৰি প্ৰত্যেক দলে একোজন দ্বিতীয় খেলুৱৈ বাচি লয়। তাৰ পাছত একে প্ৰথাৰেই বাকী খেলুৱৈবিলাক বাচি দহটা দল গঠন কৰা হ'ল।

দলবিলাক গঠন কৰাৰ পাছত এপ্ৰিল মাহৰ পৰা জুন মাহলৈকে প্ৰশিক্ষণ কাল। এই সময়ত প্ৰায় ছয়-সাত সপ্তাহমান সময় সপ্তাহে দুদিন খেলুৱৈসকলক প্ৰশিক্ষণ দিয়া হয় আৰু এদিন একে বিভাগৰে আন এটা দলৰ লগত মেচ খেলোৱা হয়। এইবিলাক ফুটবল সংস্থাই নিৰ্ধাৰণ কৰি দিয়ে যদিও এই কাল ছোৱাত প্ৰশিক্ষক সকলৰ নিজৰ মতে শিক্ষা দিয়াৰ যথেষ্ট স্বাধীনতা থাকে। তথাপি প্ৰায় সকলো প্ৰশিক্ষকেই কেইটামান দিশত বিশেষ গুৰুত্ব দিয়ে। সেই কেইটা হৈছেঃ শাৰীৰিক সক্ষমতা, খেলৰ অতি প্ৰয়োজনীয় ক্ৰীড়া কৌশল আৰু জয়লাভৰ চল-বুদ্ধি।

উদাহৰণ স্বৰূপে, মোৰ দলটোৱে সপ্তাহে দুদিন দুঘণ্টাকৈ প্ৰশিক্ষণ লয়। এই দুঘণ্টা সময়ৰ প্ৰথম পোন্ধৰ মিনিট "গামুৰি" কৰাত খটোৱা হয়, তাৰ পাছত আধা ঘণ্টা দৌৰাত (প্ৰায় পাঁচ কিল'মিটাৰ), দৌৰি অহাৰ পাছত পোন্ধৰ মিনিট মাংসপেশী দৃঢ়ীকৰণৰ ব্যায়াম, তাৰ পাছত আধাঘণ্টামান প্ৰত্যেক খেলুৱৈয়ে একোটা বল লৈ গাইগুটীয়াভাৱে কিক কৰা, হে'ড কৰা, বল ৰখা, পাছ দিয়া আদি অতি প্ৰয়োজনীয় ক্ৰীড়া কৌশলবিলাকৰ অনুশীলন কৰে। শেষৰ আধাঘণ্টামানহে খেলুৱৈবিলাকক সৰু-সুৰা গোটত ভগাই দলীয় পদ্ধতিবিলাক শিকোৱা হয়। সপ্তাহে এদিন (শনিবাৰ বা দেওবাৰে) আন এটা দলৰ লগত মেচ পাতি খেলপথাৰত নিজৰ দলক প্ৰতিৰক্ষাৰ বেহু ৰচনা, বিপক্ষ দলক পৰাভূত কৰিবৰ কাৰণে বেলেগ-বেলেগ আক্ৰমণৰ প্ৰণালী আদি শিকোৱা হয়। তেনেদৰে দলটোৰ প্ৰাথমিক প্ৰশিক্ষণ গৰমৰ বন্ধৰ আগতেই শেষ কৰাৰ পাছত গৰমৰ বন্ধৰ সময়ত প্ৰশিক্ষণ শিবিৰ পতা হয়। এই প্ৰশিক্ষণ শিবিৰত যোগ দিয়াটো বাধ্যতামূলক নহয় যদিও আজিকালি প্ৰায় সকলো খেলুৱৈয়ে গৰমৰ বন্ধত এটা নহয় এটা প্ৰশিক্ষণ শিবিৰত যোগ দি ফুটবল খেলৰ কৌশল শিকে। তাৰ পাছত ছেপ্টেম্বৰ মাহৰ পৰা চূড়ান্ত প্ৰতিযোগিতাবিলাক আৰম্ভ হয়।

ছেপ্টেম্বৰৰ আৰম্ভণিৰ পৰা নভেম্বৰৰ শেষলৈকে আমেৰিকাত ফুটবল খেলৰ বতৰ। প্ৰথমে প্ৰত্যেক বিভাগৰ দলবিলাকৰ মাজত লীগ খেল হয় আৰু প্ৰত্যেক দলেই আন প্ৰতিটো দলৰ লগত দুখন মেচ খেলে। আমাৰ দেশৰ দৰে ইয়াতো জিকিলে দুই পইণ্ট, অমীমাংসিত হলে এক পইণ্ট আৰু হাৰিলে শূন্য পইণ্ট ধৰা হয়। লীগ খেলত পোৱা পইণ্ট অনুসৰি প্ৰথম চাৰিটা দলৰ মাজত আকৌ চূড়ান্ত প্ৰতিযোগিতা পাতি সেই প্ৰতিযোগিতাত জিকা দলটোকহে বিজয়ী ঘোষণা কৰা হয়। প্ৰত্যেক জিলাৰ বিজয়ী দলবিলাকৰ মাজত আন্তঃজিলা প্ৰতিযোগিতা পতা হয় আৰু তাৰ বিজয়ী দলটোক ৰাজ্যৰ সৰ্বশ্ৰেষ্ঠ দল বুলি গ্ৰহণ কৰা হয়। প্ৰায় ছবছৰ প্ৰশিক্ষকৰূপে কাম কৰাৰ পাছত যোৱা বছৰহে মোৰ দলটো ৰাজ্যৰ সৰ্বশ্ৰেষ্ঠ দলৰূপে পৰিগণিত হয়। আমাৰ দলটো বিজয়ী হোৱাৰ প্ৰধান কাৰণ আছিল তেওঁলোকৰ শাৰীৰিক সক্ষমতা।

আজিকালি এইটো বৈজ্ঞানিকভাৱে প্ৰমাণিত কথা যে দৌৰা, ব্যায়াম বা যি কোনো পৰিশ্ৰম কৰাৰ আগতে যি যি বিলাক মাংসপেশী ব্যৱহৃত হয়, সেই মাংসপেশীবিলাক টান খুৱাই প্ৰস্তুত কৰিব লাগে;— ইয়াকেই আমি গামুৰি কৰা বুলিছোঁ (ইংৰাজীত stretch)। প্ৰত্যেকটো মাংসপেশী কেনেদৰে টান খুৱাব লাগে সেই বিষয়ে আমেৰিকাত আজি কিছু বছৰৰ পৰা বিশেষ চৰ্চা কৰা হৈছে আৰু এইবিলাক প্ৰশিক্ষকসকলক শিকোৱা হয়। তাৰ পাছত শাৰীৰিকভাৱে নিজকে সক্ষম কৰি ৰাখিবৰ কাৰণে আজিকালি দৌৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হয়। দৌৰি অহাৰ পাছত মাংসপেশীবিলাকক দৃঢ় কৰিবৰ কাৰণে আৰু আঁঠুৰ গাঠি, কঁকাল আদিক ভালে ৰাখিবৰ কাৰণে কিছুমান ব্যায়াম কৰিব লাগে;— এইবিলাকক দৃঢ়ীকৰণ ব্যায়াম বোলা হৈছে। অতি কম বয়সৰ পৰাই প্ৰায় সকলো খেল-ধেমালিৰ কাৰণে আমেৰিকাৰ ল'ৰা-ছোৱালীবিলাকে এইবিলাক বিষয়ত অতি প্ৰণালীবদ্ধ আৰু বিজ্ঞানসন্মত প্ৰশিক্ষণৰ সুবিধা পায়। টেনিছ, বাস্কেট বল, বে'ছ বল, বক্সিং আদি সকলো খেলতে অলিম্পিক আদি বিশ্ব প্ৰতিযোগিতাত আমেৰিকাবাসীয়ে ভাল ফল দেখুৱাব পৰাৰ ই প্ৰধান কাৰণ। অৱশ্যে ছোভিয়েট ৰাছিয়া আৰু আন কমিউনিষ্ট দেশ কিছুমানো এনে প্ৰশিক্ষণৰ ক্ষেত্ৰত পিছ পৰা নহয়।

নিতৌ পাঁচ-ছয় কিল'মিটাৰ দৌৰি, বৈজ্ঞানিক প্ৰণালীৰে নিয়মীয়া ব্যায়াম কৰি চৈধ্য বছৰৰ তলৰ ল'ৰা-ছোৱালী কিমান শক্তিমন্ত আৰু সক্ষম হ'ব পাৰে তাক সহজে অনুমান কৰিব পাৰি। তদুপৰি দহ বছৰ বয়সৰ পৰাই অভিজ্ঞ আৰু বিশেষ শিক্ষাপ্ৰাপ্ত প্ৰশিক্ষকৰ তত্বাৱধানত পোৱা প্ৰশিক্ষণৰ সুফলো স্পষ্ট। আমাৰ নিজৰে স্কুল (কটন কলেজিয়েট) আৰু কলেজৰ (কটন কলেজ) হৈ ফুটবল খেলি আন্তঃ কলেজ ফুটবল চেম্পিয়নশ্বিপকে (১৯৫৭ চন) আদি কৰি নানা প্ৰতিযোগিতাত জয়লাভ কৰাৰ সৌভাগ্য ঘটিছিল; কিন্তু সেই দীঘলীয়া ফুটবল খেলা জীৱনত কেতিয়াও শৃংখলাবদ্ধ ব্যায়াম বা প্ৰশিক্ষণ পোৱা নাছিলো। আজি এইটো উপলব্ধি কৰোঁ যে এতিয়া যুক্তৰাষ্ট্ৰৰ যুৱ ফুটবল সংস্থাৰ প্ৰচেষ্টাত যি প্ৰশিক্ষণ ইয়াৰ ল'ৰা-ছোৱালীক দিব পাৰিছোঁ, আমি সময়ত তেনে প্ৰশিক্ষণ পোৱা হ'লে হয়তো বহু গুণে ভাল খেলিব পাৰিলোহেঁতেন। এইটোও সঁচা যে আমেৰিকাৰ দৰে অসমৰ ল'ৰা-ছোৱালীকো স্কুলীয়া দিনৰে পৰা সুসংগঠিত প্ৰশিক্ষণ দিবৰ কাৰণে সকলো সুবিধা অসমত আছে আৰু আমাৰ দৰে প্ৰশিক্ষক হ'ব পৰা লোক অসমত বহু আছে;— লাগে মাথোঁ সংগঠন আৰু আশাশুধীয়া প্ৰচেষ্টা।

# প্ৰতিভা-প্ৰশিক্ষণ প্ৰতিযোগিতা

**শশী শৰ্মা**

"আমাৰ ৰাজ্যত প্ৰতিভাৰ অভাৱ নাই। গাঁৱে-ভুঁয়ে চুকে-কোণে কত প্ৰতিভা লুকাই আছে তাৰ বিচাৰ ভালকৈ কৰিব লাগে। তেওঁলোকক উপযুক্তভাৱে প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিলে কোনে কব পাৰে— আমাৰ ৰাজ্যৰ পৰাই বিশ্ব ৰেকৰ্ড ভংগ কৰিব পৰা খেলুৱৈ নোলাব···।" —এনে ধৰণৰ সজ কথা খেল-ধেমালি সম্পৰ্কে আলোচনা সভা অথবা সম্বৰ্ধনা সভাত শুনিবলৈ পাওঁ ক্ৰীড়া-অভিভাৱক সকলৰপৰা। এইবোৰ অতি সজ কথা, অতি লাগতিয়াল কথা। কিন্তু কাৰ্যক্ষেত্ৰত আমি কি দেখিছোঁ? আমাৰ সকলো কাৰ্যতে কথা আৰু কামৰ সংগতি নাই; খেল-ধেমালিতো একে দশাই হৈছে।

অসমত আজিলৈকে খেল-ধেমালিৰ নিয়মীয়া প্ৰশিক্ষণ কাৰ্যক গৌণ কৰিহে ৰখা আমি দেখিবলৈ পাইছো। (অৱশ্যে টেবুল টেনিছ ইয়াৰ ব্যতিক্ৰম)। প্ৰশিক্ষণৰ নামত ভেকোভাওনা চলা বুলি কলেও বঢ়াই কোৱা নহব। দিনে-নিশাই নতুন নতুন খেলৰ ৰাজ্যিক সংগঠন গঢ়ি উঠিছে আৰু এনে সংগঠনৰ পৰাও সৰ্বভাৰতীয় প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰাটোৱেই একমাত্ৰ উদ্দেশ্য, তেহেলৈ প্ৰতিযোগীসকল যি পৰ্যায়ৰে নহওক।

সাধাৰণতে দেখা যায়— কোনো ৰাষ্ট্ৰীয় প্ৰতিযোগিতালৈ দল পঠোৱাৰ আগে আগে কিছুসংখ্যক খেলুৱৈক আমন্ত্ৰণ কৰি আনি এঠাইত লগ লগাই দুই-চাৰিদিন কোনো এজন প্ৰশিক্ষকৰ অধীনত 'লৰা-ঢপৰা' কৰোৱাই দল এটা গঠন কৰা হয় আৰু সেই দলটোকে প্ৰতিযোগিতালৈ পঠোৱা হয়। ফলস্বৰূপে প্ৰায়ে প্ৰথম খেলখনতে হাৰ মানি দলটো উভতি আহে। কোনো কোনো ক্ষেত্ৰত মাথো এদিন বা দুদিন এনে 'প্ৰশিক্ষণ' দিয়াৰো উদাহৰণ নোহোৱা নহয়। ক্ৰীড়া জগতৰ এই প্ৰথম আৰু প্ৰধান কৰ্তব্যৰ প্ৰতি চৰম অৱহেলা দেখুউৱাটো আমাৰ ডেকাচামৰ বাবে দুৰ্ভাগ্যজনক।

১৯৭৯, ১৯৮০ আৰু ১৯৮১ চনত একেৰাহে তিনিবছৰ ছাব্-জুনিয়ৰ ফুটবল ৰাষ্ট্ৰীয় প্ৰতিযোগিতাত অসমে চূড়ান্ত বিজয়ীৰ সন্মান লাভ কৰিলে। সকলোৰে বাবে ই অতিশয় গৌৰৱৰ কথা। ঢোলে-ডগৰে আমি তেওঁলোকক আদৰিলো, মালা পিন্ধালো। কিন্তু গৌৰৱ অৰ্জন কৰা ল'ৰা কেইজন এতিয়া ক'ত আছে বিচাৰি পোৱা কঠিন হব। এই উঠি অহা ল'ৰা খিনিক 'ধৰি ৰাখিব' পৰা নহ'ল কিয়? পৰিকল্পিতভাৱে প্ৰশিক্ষণৰ ব্যৱস্থা লোৱা হলে অদূৰ ভৱিষ্যতে এই চাম খেলুৱৈৰ পৰা অসম বহুখিনি লাভবান হ'লহেঁতেন। এই খিনিতে অসম ফুটবল সন্থা, ৰাজ্যিক ক্ৰীড়া বিভাগ আদিৰ দায়িত্বৰ প্ৰশ্ন উঠে। এই দায়িত্ব পালনৰ বাবে উক্ত সন্থা সমূহ আগবাঢ়ি নাহিলে (আগবাঢ়ি অহা আমাৰ চকুত এতিয়ালৈকে পৰা নাই) উন্নতিৰ আশা কৰিব নোৱাৰি।

ফুটবলতেই নহয়, খেল-ধেমালিৰ প্ৰায় প্ৰত্যেকটো বিভাগতে এই সম্পৰ্কত দৈন্য আমাৰ চকুত পৰিছে। জুনিয়ৰ বিভাগৰ পৰা ওপৰলৈ গলেই

৪৯ পৃষ্ঠাত চাওক





OKDISCD

# কামেঙৰ টাৱাং গম্পা

**খগেন্দ্ৰ নাথ বৰকাকতী**

অৰুণাচল প্ৰদেশৰ পশ্চিম-কামেং জিলাৰ ধৰ্মপ্ৰাণ মনপা আৰু ছেৰডুক্পেন্ লোকসকলৰ এটি অতি পবিত্ৰ ধৰ্মমঠ হ'ল টাৱাং গম্পা। ইয়াত থকা গম্পাটি তিব্বতৰ দক্ষিণ অঞ্চল আৰু ভাৰতৰ ভিতৰত থকা গম্পাবিলাকৰ ভিতৰত সকলোতকৈ ডাঙৰ। সাগৰৰ পিঠিৰ পৰা দহ হাজাৰ ফুট ওপৰত অৱস্থিত পশ্চিম কামেং জিলাৰ সদৰ ঠাই মনোমোহা সৰু টাৱাং চহৰখনিৰ কাষতে এটি ওখ মুকলি সেউজীয়া টিলাৰ ওপৰত অৱস্থিত, শিলেৰে নিৰ্মিত এই গম্পাটি বহুত নিলগৰ পৰাই চকুত পৰে। মাজত গম্পাৰ ওখ প্ৰধান মন্দিৰটো আৰু তাৰ চাৰিওফালে থকা শিলৰ ঘৰবোৰেৰে সৈতে এই টিলাটি নিলগৰ পৰা দেখাত এটি মধ্যযুগীয়া দুৰ্গ যেন লাগে। প্ৰকৃততে এই গম্পাটি প্ৰথমে স্থাপন কৰোঁতে ধৰ্ম-চৰ্চাৰ উপৰিও মনপাসকলক বাঙনি (ডফলা) আৰু আন চুবুৰীয়া জনজাতীয় লোকসকলৰ আক্ৰমণৰপৰা ৰক্ষা কৰাও উদ্দেশ্য আছিল।

এতিয়াৰপৰা প্ৰায় তিনিশ বছৰৰ আগতেই মেৰা-লামা নামেৰে এজন বিখ্যাত লামাই এই গম্পাটি প্ৰতিষ্ঠা কৰিছিল। দ্বিতীয় দালাই লামাৰ দিনতে মনপাসকলে বৌদ্ধ-ধৰ্ম গ্ৰহণ কৰে। দ্বিতীয় দালাই লামাৰ ইচ্ছা অনুসৰি তেওঁৰ এজন শিষ্য দক্ষিণ-পুবলৈ আহি তিব্বতৰ দক্ষিণ অঞ্চল আৰু বৰ্তমানৰ কামেং জিলাৰ উত্তৰ অঞ্চলত এই ধৰ্ম প্ৰচাৰ কৰে আৰু চোনা, টমচেং, ডাকাৰ, চান্ লাকি আদি ভালেমান ঠাইত গম্পা প্ৰতিষ্ঠা কৰে। মেৰালামা আছিল দ্বিতীয় দালাই লামাৰ সমসাময়িক।

মেৰালামাৰ জন্ম হৈছিল টাৱাঙৰ ওচৰৰে পান্-ডুং নামৰ এখন গাঁৱত। তেওঁৰ সৰু কালৰ নাম আছিল লব্-চাং লড্ গিয়েংচি। সেই কালত মন্পাসকলৰ পৰিয়ালৰ তৃতীয়টি ল'ৰাক গম্পালৈ পঠিওৱাৰ নিয়ম আছিল। সেই প্ৰথা অনুযায়ী লব্ চাঙক ল'ৰা কালতে ৎচাং নামেৰে এটি গম্পালৈ ধৰ্ম-শিক্ষা লাভ কৰিবলৈ পঠিওৱা হয়। তাত শিক্ষা-লাভ কৰাৰ অন্তত তেওঁ লাচালৈ গৈ উচ্চতৰ শিক্ষা গ্ৰহণ কৰে। তাৰপৰা পুনৰ টাৱাং অঞ্চললৈ ঘূৰি আহোঁতে তেওঁৰ লগত টাম্বি-টম্মে নামেৰে এজন লামাও আহিছিল। লামা টাম্বি-টম্মেই ভুটানলৈ গৈ তাত মেৰা নামেৰে এখন ঠাইত এটি গম্পা প্ৰতিষ্ঠা কৰে আৰু লামা লব্ চাঙক সেই গম্পাৰ প্ৰধান লামাৰ দায়িত্ব গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এই মেৰা গম্পাৰ নাম অনুসৰিয়েই লব্চাং লামা 'মেৰা লামা' নামেৰে জনাজাত হয়। মেৰা গম্পা ক্ৰমান্বয়ে শক্তিশালী হৈ উঠে আৰু তাৰ লামাসকলক নানা প্ৰকাৰে অত্যাচাৰ কৰিবলৈ আৰম্ভ কৰিলে। আনকি শাসকসকলে মেৰা লামাক বধ কৰিবলৈও চেষ্টা কৰিছিল। গতিকে মেৰা লামা (লব্ চাং লামা) ভুটান এৰি টাৱাং অঞ্চললৈ গুচি আহে আৰু তেতিয়াৰ অধিষ্ঠিত পঞ্চমজন দালাই লামাৰ অনুমতি সাপেক্ষে তেওঁ টাৱাং গম্পা স্থাপন কৰে (১৬৮০ চন)।

গম্পা স্থাপন কৰাৰ পাছত মেৰা লামাই ঘোঁৰাৰ দেৱতা টামডিঙৰ উদ্দেশ্যে এটি ডাঙৰ পূজা পাতে। ঘোঁৰাৰ দেৱতা টামডিঙৰ নাম অনুসৰিয়ে গম্পাটোৰ নাম হ'ল টাৱাং। এই বিষয়ে আন এটি বৰ্ণনাও পোৱা যায়। এই বৰ্ণনা মতে— মেৰা লামাই (লব্ চিং লামা) ভুটানৰ পৰা অহাৰ পাছত ভুটিয়াসকলৰ আক্ৰমণৰপৰা মন্পাসকলক ৰক্ষা কৰিবৰ কাৰণে দুৰ্গৰ নিচিনাকৈ এটি গম্পা সজোৱাৰ কথা চিন্তা কৰিবলৈ ধৰিলে। এদিন তেওঁ স্বপ্নত আদেশ পালে যে তেওঁ গৈ ড্ৰাক্মা-দোৱাং-চ্চু (Drakma Doang Chhung) নামে ঠাইত পূজা কৰিবগৈ লাগে। সেই স্বপ্নাদেশ অনুসৰি তেওঁ ড্ৰাক্মা-দোৱাং-চ্চুলৈ গৈ বহুত দিন পূজা-পাতল কৰি কটালে; কিন্তু ক'ত গম্পা নিৰ্মাণ কৰিব লাগে সেই বিষয়ে একো সিদ্ধান্ত কৰিব নোৱাৰিলে। এদিন ৰাতি তেওঁ এই বিষয়ে নিৰ্দেশ পাবলৈ ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই শুই থাকিল। পাছদিনা পুৱা শুই উঠি তেওঁ দেখে যে তেওঁৰ ঘোঁৰাটো ওচৰত নাই। ঘোঁৰাটোৰ খোজৰ চিন চাই গৈ তেওঁ দেখিলেগৈ যে ঘোঁৰাটো এডোখৰ ওখ ঠাইৰ ওপৰত শুই আছে। তেওঁক দেখি ঘোঁৰাটো থিয় হ'ল। আচৰিত কথা যে ঘোঁৰাটো শুই থকা ঠাইতে মেৰা-লামাৰ টুপীটোও পৰি আছিল। ইয়াকে ভগৱানৰ নিৰ্দেশ বুলি মানি লৈ সেই ঠাইতে মেৰা-লামাই গম্পাটো সজালে।

গম্পাটো শিলেৰে সজা। ইয়াৰ প্ৰধান মন্দিৰটো তিনিমহলীয়া। ইয়াৰ ভাগ দুটা। প্ৰথমে সোমাই গৈয়ে যিটো ডাঙৰ কোঠা পোৱা যায় তাত লামাসকলে প্ৰাৰ্থনা কৰে। এই অংশৰ নাম হ'ল 'ডুখাং'। দ্বিতীয় অংশটোৰ নাম 'চান্খা'। ইয়াৰ মাজ ভাগত প্ৰায় বিছ ফুট ওখ এটি প্ৰকাণ্ড বুদ্ধ মূৰ্তি আছে। এই প্ৰকাণ্ড মূৰ্তিটো তাম আৰু পিতলেৰে নিৰ্মিত। মুখমণ্ডলত সোণ চৰোৱা। মন্দিৰটোৰ চাৰিওফালে প্ৰায় বৃত্তাকাৰে ৭২ টা সৰু-ডাঙৰ ঘৰ আছে। এই সকলোবোৰ ঘৰ শিলেৰে সজা। ইয়াৰে কিছুমান ঘৰ লামাসকল থাকিবৰ কাৰণে আৰু কিছুমান ভঁৰাল আদি হিচাপে ব্যৱহাৰ কৰিবলৈ সজোৱা হৈছিল। এসময়ত এই গম্পাত প্ৰায় পাঁচশ লামাই বাস কৰি ধৰ্ম-চৰ্চা কৰিছিল। এই শতাব্দীৰ ষাঠিৰ দশকত (১৯৬৩ চনৰ পৰা ১৯৬৭ চনলৈকে এই সময়ছোৱাৰ ভিতৰত লেখকে তিনিবাৰ এই গম্পালৈ যাবলৈ সুযোগ পাইছিল) প্ৰায় ডেৰশমান লামাইহে তাত বাস কৰিছিল। গম্পাৰ পুথি-ভঁৰালটি উল্লেখযোগ্য। ইয়াত দুহাজাৰ ধৰ্ম-পুথি আছে। পুথিবিলাক সাঁচিপাতত লিখা। তাৰ কিছুমান আকাৰত বৰ বেছি ডাঙৰ আৰু তাৰ আখৰবোৰত সোণপাত লগোৱা। লেখকে এনে দুই এখন পুথি চাবলৈ পাইছিল।

তিব্বতত প্ৰথমে বৌদ্ধধৰ্ম প্ৰচাৰ কৰোঁতা চান্খাপা এই গম্পাৰ অধিষ্ঠাতা দেৱতা। অন্য-উপাস্য দেৱতাসকলৰ ভিতৰত বেমাৰ-আজাৰ আৰু শত্ৰুৰ পৰা ৰক্ষা কৰোঁতা দেৱতা পান্-ডেচি আৰু শক্তিৰ দেৱী ল্-হামৰ নাম উল্লেখ কৰিব পাৰি। ইয়াৰ উপৰিও অনেক দেৱদেৱী আৰু অৱতাৰী পুৰুষৰ মূৰ্তিৰে গম্পাটি ভৰি আছে। এই মূৰ্তিবিলাকৰ অনেক মূৰ্তি পিতল, তাম আৰু অন্যান্য ধাতুৰে সজা। অনেক মূৰ্তি মাটিৰে সজা; ওপৰত সুন্দৰকৈ সোণালী ৰং চবোৱা। ১৯৫০ চনৰ প্ৰলয়ংকৰ ভূমিকম্পত এই গম্পাৰ ভালেখিনি ক্ষয়-ক্ষতি হৈছিল। পাছত প্ৰধান লামা কেজাং ফুঞ্চো আৰু লাচাৰ পৰা অহা লামা বাচ' বিম্পুচিৰ তত্বাৱধানত আৱশ্যকীয় মেৰামতি বিলাক কৰোৱা হয়।

গম্পাত সদায় নিয়মিতভাৱে পূজা-পাতল হৈ থাকে। প্ৰতি মাহৰ ৮ তাৰিখৰ পৰা ২৯ তাৰিখলৈকে দিনে ছবাৰকৈ আৰু মাহৰ আন সময়ত দিনে এবাৰকৈ প্ৰাৰ্থনা কৰা হয়। (উল্লেখযোগ্য যে মনপাসকলৰ স্বকীয়া মাহ আৰু গণনা পদ্ধতি আছে।) ইয়াৰ উপৰিও অমাৱস্যা আৰু পূৰ্ণিমা তিথিত বিশেষ পূজা-সেৱা কৰা হয়। গম্পাত পালন কৰা বিভিন্ন উৎসৱসমূহৰ ভিতৰত 'ল'চাৰ' আৰু 'তাৰ্জ্যাপ' প্ৰধান। নতুন বছৰক আদৰণি জনাবলৈ 'ল'চাৰ' উৎসৱ পতা হয়। মনপা গণনা মতে বছৰৰ একাৰশ মাহত 'তাৰ্জ্যাপ' উৎসৱত 'চ্চাম্-চ্ছেং' নামেৰে যি নাচ-ভাওনা অনুষ্ঠিত হয় সি অতি আকৰ্ষণীয়।

টাৱাং গম্পাৰ প্ৰধান পৰিচালক লামাজনক খেম্পু বোলে। ধৰ্ম সম্পৰ্কীয় বিষয়ত যিজন প্ৰধান লামা তেওঁক লামা লপেন্ বোলে। ইয়াৰ উপৰিও নেৰ্ চাং নামেৰে দুজন বিষয়া থাকে। তেওঁলোকে গম্পাৰ লামাসকলৰ খোৱা-বোৱা আৰু গম্পাৰ আৱশ্যকীয় যাবতীয় বস্তুৰ যোগান ধৰে। গম্পাৰ যাবতীয় খৰচৰ বাবে ৰাইজৰ পৰা শস্য সংগ্ৰহ কৰা হয়। আগতে খেম্পু আৰু নেৰ্ চাং পদত তিব্বতৰ ড্ৰেপুং নামৰ গম্পাৰ পৰা লামা নিযুক্ত কৰা হৈছিল। আজিকালি মনপা লামাসকলে তেওঁলোকৰ মাজৰপৰাই এই দুটা পদৰ কাৰণে লামা নিৰ্বাচন কৰে। এই লামাসকলৰ কাৰ্যকাল তিনিবছৰ।

১৯৬২ চনৰ চীনা আক্ৰমণৰ সময়ত এই গম্পাৰ লামাসকলে গম্পা এৰি ভৈয়ামত আশ্ৰয় লব লগীয়া হৈছিল। গম্পাৰ মূল্যবান গ্ৰন্থবিলাক আৰু অন্যান্য বস্তুও আঁতৰাই অনা হৈছিল যদিও গম্পাৰ কিছু ক্ষতি নোহোৱাকৈ নাছিল।

৪৭ পৃষ্ঠাৰ পিছৰ পৰা

যেন সকলো হেৰাই যায়। ৰঞ্জি ট্ৰফি বা সন্তোষ ট্ৰফিৰ ফলাফল চালেই ইয়াৰ সত্যতা প্ৰমাণিত হব। বহলাই কোৱাৰ আৱশ্যকেই নাই।

আমাৰ বোধেৰে পাঁচ বছৰলৈ অসমে ৰঞ্জী ট্ৰফি বা সন্তোষ ট্ৰফি প্ৰতিযোগিতাত অংশ গ্ৰহণ নকৰিলেও হয়তো বিশেষ হানি নহব, যদি এই সময় ছোৱাত পৰিকল্পিতভাৱে প্ৰশিক্ষণৰ আঁচনি লৈ তাক কাৰ্যকৰী কৰাৰ ব্যৱস্থা লোৱা হয়।

## ৰাষ্ট্ৰীয় জুনিয়ৰ ফুটবল

**বংগ চেম্পিয়ন, অসমে ভাল খেলিছে**

জুনিয়ৰ ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাত টাইব্ৰেকাৰত গোৱাক পৰাজিত কৰি বংগ চেম্পিয়ন হৈছে। উল্লেখযোগ্য যে ছাব-জুনিয়ৰ ফুটবল প্ৰতিযোগিতাতো বংগই তামিলনাডুৰ লগত যুটীয়াভাৱে বিজয়ীৰ সন্মান লাভ কৰিছে।

অসমে এইবাৰ জুনিয়ৰ ফুটবল প্ৰতিযোগিতাত ছেমি ফাইনেলত বংগৰ বিৰুদ্ধে প্ৰথমদিনা ড্ৰ কৰে আৰু দ্বিতীয় দিনা দলটো ৩-০ গ'লত পৰাজিত হয়। অসমৰ সৰহভাগ খেল হৈছিল শিৱসাগৰত। তামিলনাডুক ৪-১, গুজৰাটক ১১-০ গ'লত পৰাজিত কৰি, কোৱাটাৰ ফাইনেল লীগত ক্ৰমে কৰ্ণাটকক ৪-০, মণিপুৰক ৩-০ আৰু পঞ্জাবক ১-০ গ'লত পৰাজিত কৰি গ্ৰুপত অসমে শীৰ্ষস্থান অধিকাৰ কৰিছিল। অসমৰ আক্ৰমণ বিভাগৰ প্ৰতিগৰাকী খেলুৱৈয়ে উন্নতমানৰ খেল প্ৰদৰ্শন কৰিছিল। বিশেষকৈ কৃষ্ণ কাকতী, দেৱানজী, প্ৰদীপ দাস আৰু হেৰল্ড চাংমাই বিপক্ষৰ ৰক্ষণ বিভাগৰ বাবে আছিল চিন্তাৰ কাৰণ। ৰক্ষণ বিভাগত ষ্টপাৰ বাবুল ফুকনে ভাল খেলিছিল। বংগই যোৰহাটত তেওঁলোকৰ সৰহভাগ খেল খেলিছিল; কিন্তু শিৱসাগৰত খেলি তাৰ খেল পথাৰৰ লগত অভ্যস্ত হোৱা বাবে, যোৰহাটত দ্বিতীয় ছেমিফাইনেলত নতুন খেল-পথাৰৰ লগত নিজকে ঠিকমতে খাপ খুৱাই লোৱাত অসমৰ দলটো ব্যৰ্থ হয়। তথাপি এইটো কথা ঠিক যে, ফিফা প্ৰশিক্ষক অলিম্পিয়ান নিখিল নন্দীৰ আন্তৰিক প্ৰচেষ্টাত অসমে সুন্দৰ খেল প্ৰদৰ্শন কৰিছে। গোটেই প্ৰতিযোগিতাত অসমে ২৩টা গ'ল দিছে আৰু খাইছে মাত্ৰ ৪ টা।

**ভাৰতীয় দলত চাৰিজন অসমৰ খেলুৱৈ**

অক্টোবৰ মাহৰ ২০ তাৰিখৰপৰা ইছলামাবাদত অনুষ্ঠিত হবলগীয়া এছিয়ান টেবুল টেনিছ প্ৰতিযোগিতাত অসমৰ অৰুণজ্যোতি বৰুৱা, ৰাহুল দত্ত, মনালিছা বৰুৱা আৰু মদালসা হাজৰিকাই ভাৰতীয় দলত স্থান লাভ কৰিছে। ৯ জনীয়া ভাৰতীয় দলত ৪ গৰাকী অসমৰ খেলুৱৈ নিৰ্বাচিত হোৱাটো অসমৰ বাবে বিশেষ গৌৰৱৰ কথা। পুৰুষ আৰু মহিলা দলটোৰ অধিনায়ক নিৰ্বাচিত হৈছে ক্ৰমে কমলেশ মেহতা আৰু ইন্দুপুৰী।

**—পুলক লাহিড়ী**

# বেমাৰীৰ প্ৰাথমিক শান্তি আৰু আস্থা

কেইদিনমানৰ আগতে, কলেজত পঢ়ি থকা মেধাৱী ডেকা এজনৰ মৃত্যুৰ পাছত ধৈৰ্য ধৰি ধীৰ হ'বলৈ চেষ্টা কৰি থকা তেওঁৰ দেউতাকজনে কৈছিল,— ডাক্তৰী পঢ়িবলৈ ছাত্ৰ ভৰ্তি কৰাৰ সময়ত তেওঁলোকৰ মাৰ্কছিট, নম্বৰৰ পাৰ্ছেণ্টেজ, লে'টাৰ-ফে'টাৰ এইবোৰ চাব নালাগে। চাব লাগে—তেওঁলোকৰ বেমাৰীক মৰমেৰে, সত্তাৰে মানবীয়তাৰে চিকিৎসা কৰাৰ মনোবৃত্তি আছে নে নাই। মানুহজনৰ সেই পৰামৰ্শৰ গ্ৰহণযোগ্য অংশটোও কাৰ্যকৰী কৰিব পৰা নাযাব, কাৰণ বাছনি পৰীক্ষা বা ইণ্টাৰভিউত সেই দিশটো পৰীক্ষা কৰিবলৈ চেষ্টা কৰিলে দেখা যায় যে প্ৰত্যেকজন প্ৰাৰ্থীৰেই জীৱনৰ আদৰ্শস্থানীয় ব্যক্তি হ'ল মাদাৰ টেৰেছা, ফ্লোৰেন্স নাইটিংগেল আদি; দুস্থ-দুৰ্গতজনৰ সেৱা কৰাই তেওঁলোকৰ জীৱনৰ ব্ৰত! গতিকে সেই পৰামৰ্শটো বিচাৰ কৰাৰ পৰা সদ্যহতে আমাৰ লাভ নহ'ব। কথাটো উল্লেখ কৰাৰ কাৰণ হ'ল— কি অভিজ্ঞতাৰ ভেটিত কি বেদনাত পুত্ৰবিয়োগত শোকাকুল দেউতাকজনে সেই কথাষাৰ কলে, সেইটোৰ ওপৰত গুৰুত্ব দিয়া।

কেইদিনমানৰ আগতে বন্ধু এজনে এটা কাহিনী কলেঃ আগদিনা স্কুটাৰ চলোৱা মানুহ এজন দুৰ্ঘটনাত পৰিল। সেই মুহূৰ্তত সহায় কৰোঁতা পৰিয়ালৰ কোনো নাছিল কাৰণে বন্ধুজনে তেওঁক ৰাতি মেডিকেল কলেজলৈ লৈ গ'ল। মানুহজনৰ মুখৰ কটা ঠাইডোখৰ চিলাই কৰাকে ধৰি প্ৰাথমিক কামখিনি যিটো কোঠালিত কৰা হ'ল, তাত সুস্থ মানুহ বেছি সময় থাকিব নোৱাৰে। ইমান লেতেৰা। ইটো কোঠালি, সিটো কোঠালিত মানুহজনক ইটো-সিটো পৰীক্ষা কৰাই বন্ধু মাজ নিশা ঘৰলৈ উভতিল। ঘৰত তেওঁ গা-ধোৱা ঘৰলৈ বাহিৰৰ পৰা সোমাব পৰা দুৱাৰখন খোলাই ললে, আৰু কাপোৰ কানি বাহিৰতে এৰি গা-ধোৱা ঘৰত সোমাল। যিটো পৰিবেশৰ পৰা তেওঁ আহিছে, তালৈ লক্ষ্য কৰি তেওঁৰ পোনে পোনে মূল ঘৰত সোমাবলৈ মন নগল। তেওঁৰ পত্নীয়ে সন্দেহ কৰিছিল— তেওঁ মৰিশালীৰপৰা আহিল নে কি!

লণ্ডনত এদিন এজন বন্ধুৱে সুধিছিল, আপুনি ইয়াৰ হস্পিটেলত থাকি পালেনে? মই কলো— সেই দুৰ্ভাগ্য মোৰ নহল। বন্ধুজনে কৈছিল— "নহয় নহয়, মই ধেমালি কৰা নাই; অন্ততঃ কেইদিনমান থাকি যোৱা হ'লে এটা মনত ৰাখিবলগীয়া অভিজ্ঞতা হ'লহেঁতেন। এটা সুখৰ, আনন্দৰ অভিজ্ঞতা। ইট ইজ এ প্লেজাৰ।"

আমাৰ ইয়াত মেডিকেল কলেজ, ডাক্তৰ আদিৰ বিৰুদ্ধে অভিযোগৰ অন্ত নাই। সেইবোৰৰ প্ৰত্যুত্তৰ, প্ৰতি-অভিযোগৰো অন্ত নাই। ডাক্তৰো মানুহ। তেওঁৰ এটা ব্যক্তিগত জীৱন আছে; তেওঁৰ সুখ-সুবিধাৰ প্ৰশ্ন আছে। ৰাতি দুই বজাত দুৱাৰত টুকৰিয়ালে আপোনাৰ কেনে লাগে? শ-শ বেমাৰী, মাজত এজন ডাক্তৰ। টকা গোটোৱাৰ অভিলাষ কিমানৰ নাই? শ-শ মানুহৰ মাজত সদায় একে ধৰণৰ কামকে কৰি থাকিলে কিমানৰ মন-মেজাজ ৰুক্ষ নোহোৱাকৈ থাকে? ৰেলৰ টিকটৰ কাউণ্টাৰত, সুলভ মূল্যৰ দোকানত, অফিছৰ বিষয়া-কেৰাণীৰ মেজত,— ক'ত আপুনি কিমান মিঠা মাত, ভাল লগা ব্যৱহাৰ পায়?

প্ৰত্যুত্তৰ, প্ৰতি-অভিযোগৰ অন্ত নাই। কিন্তু কিছুমান অভিযোগৰ প্ৰত্যুত্তৰৰ শক্তি নাই। তেনেকুৱা কিছুমান অভিযোগ নাইকিয়া কৰিবলৈ এটা আহ্বান কৰিবই লাগিব। উদাহৰণ স্বৰূপে— এই "লেতেৰা"ৰ কথাটো। যিকোনো মিছন হস্পিটেলত সোমাই যে মানুহে নাক-মুখ নোকোঁচায়, মেডিকেল কলেজৰ হস্পিটেলত সোমাই কিয় কোঁচায়? মিছন হস্পিটেলৰ লগত এগৰাকী-দুগৰাকী চাহাব-মেম জড়িত আছে কাৰণে? কিন্তু আমাৰ মেডিকেল কলেজত চাকৰি কৰা প্ৰায় সকলো কৰ্তৃত্বশীল ডাক্তৰেইতো সেই চাহাব-মেমৰ দেশতে কেইবা বছৰো থাকি শিক্ষা লৈ অহা লোক! তিনি-চাৰি বছৰ বিদেশত থাকি উভতি আহি এই অৱস্থা দেখি তেওঁলোকৰোতো নাক-মুখ কোঁচ খাইছিল! কিয় তেওঁলোকে এই অৱস্থাটো লুপ্ত কৰিব নোৱাৰে? ব্যক্তিগত পৰ্যায়ত তেওঁলোকতো লেতেৰা-পেতেৰাকৈ থকা মানুহ নহয়! কাৰণ হ'ল, কিবা এটা কৰাৰ তীব্ৰ বাসনা থাকিলেও, অৱস্থাই তেওঁলোকক গ্ৰাস কৰে; এসময়ত তেওঁলোকে "অযথা মূৰ গৰম কৰি লাভ নাই" বুলি ঠিক কৰি "নিজৰ কামখিনি কৰি যায়।" (সেই কাৰণে হেনো বহুতৰে হস্পিটেলৰ কৰিডৰ-বাৰাণ্ডাত তললৈ চাই, বেগেৰে খোজ কৰাৰ অভ্যাস হৈ যায়।)

ঠাই-ঘৰ লেতেৰা মানুহে কৰে। আমাৰ অপৰিচ্ছন্নতাৰ লগত আমাৰ দাৰিদ্ৰ্যৰ সম্পৰ্ক আছে। এয়াৰ প'ৰ্টবোৰ যিমান লেতেৰা, ৰেল-ষ্টেছনবোৰ তাতকৈ বহু বেছি লেতেৰা। পৰিষ্কাৰ সাজ-পাৰ পিন্ধি, শিক্ষিত, পৰিষ্কাৰ স্বভাৱৰ মানুহহে যদি মেডিকেল কলেজলৈ গল'হেঁতেন, তেতিয়া অৱস্থাটো বেলেগ হলহেঁতেন; কিন্তু আমিতো চমকা-চমক দাগ লগা কপাহী মেখেলা পিন্ধা দূৰ গাঁৱৰ অশিক্ষিতা বুঢ়ী, একেটা গেঞ্জিকে নোধোৱাকৈ সাদিন পিন্ধা খেতিয়ক বন্ধুৱা, হাড়ে-ছালে লগা ল'ৰা-ছোৱালী,— এওঁলোকৰ কাৰণেহে সাজু হ'ব লাগিব! এইটোতো নতুন কথা নহয়! এইটো অৱস্থা বহু দিনলৈ চলি থাকিব বুলিওতো আমি জানো! অত্যাধুনিক যন্ত্ৰ এটা কিনিবলৈ বহুত টকা লাগে, কিন্তু হস্পিটেলখন চাফা কৰি ৰাখিবলৈ কিমান টকা লাগে?

কোৱা হয়, যি শ্ৰেণীৰ কৰ্মচাৰীয়ে হস্পিটেলখন চাফ-চিকুনকৈ ৰাখিব লাগে, তেওঁলোকে ঠিক মতে কাম নকৰে; মুখে-মুখে কথা কয়, কাম নকৰি বহি থাকে। তেওঁলোকৰ একতা (সভা) আছে। তেওঁলোকক উচিত কথা টানকৈ কবলৈ গলে নিজৰ মান-সন্মান লৈয়েই টনা-টনি হয়। ফলত বহুতো ওপৰৱালাৰ "মই কিয় এওঁলোকৰ মাজত অপ্ৰিয় হওঁ?"— এনে এটা মনোভাৱ হৈ যায়।

এনে অৱস্থাত, ঘূৰি ঘূৰি আকৌ সেই ছাত্ৰ-ছাত্ৰীসকলৰ কথায়েই মনলৈ আহে। উদাহৰণ স্বৰূপে, গুৱাহাটী মেডিকেল কলেজৰ কথাকে কওঁ। নতুন ঘৰ-দুৱাৰ,—নিশ্চয় এক আঁচনি মতে এইবোৰ নিৰ্মাণ কৰা হৈছে। হস্পিটেলখন চাফ-চিকুণকৈ ৰাখিবলৈ (কাৰো প্ৰমোদ-ভ্ৰমণৰ বাবে নহয়; সাধাৰণ শ্ৰেণীৰ ৰোগীৰ মনলৈ শান্তি আৰু আস্থাৰ ভাব আনিবৰ বাবে) এতিয়াই এটা ব্যৱস্থা লোৱা অতি প্ৰয়োজনীয়। নতুন চৌহদটো এবাৰ গেলিবলৈ আৰম্ভ কৰিলে, তাক সুস্থ কৰা টান হ'ব। অইন সকলো যদি হাৰিল তেনেহলে ছাত্ৰ-ছাত্ৰী সকলেই এই কামটোলৈ চকু দিব পাৰিবনে? তেওঁলোকে ছাত্ৰ-ছাত্ৰীৰ নাম ভৰ্তি কৰাকে আদি কৰি বহু জটিল সমস্যাৰ প্ৰতি চকু ৰাখিছে। ছাত্ৰ ইউনিয়নখনে এই কামটো হ'ছিয়েল ছাভিছ বুলি গ্ৰহণ কৰিলে বৰ ভাল হয়। তেওঁলোকৰ আৰু জুনিয়ৰ ডাক্তৰসকলৰ প্ৰচণ্ড শুভ শক্তি আছে। সেই পুত্ৰহাৰা দেউতাকজনৰ মনলৈ বোধকৰোঁ এই ধৰণৰ শক্তি এটাৰ কথাই আহিছিল।

১২।১০।৮৪



